B.H.B COLLEGE MAGAZINE
SARUPETA

# বি এইচ্ বি মহাবিদ্যালয় আলোচনী

২০০৭-০৮ বৰ্ষ



B.H.B. College, Sarupeta

সম্পাদিকা

মিতালী দাস



B.H.B. College, Sarupeta

# বি এইচ্ বি মহাবিদ্যালয় আলোচনী

## শিক্ষাবৰ্ষ ঃ ২০০৭-০৮

## ২৮ তম্ সংখ্যা

বাৰ্ষিক মুখপত্ৰ

B.H.B. College, Sarupeta

বি এইচ্ বি মহাবিদ্যালয়
ছাত্র একতা সভাৰ দ্বাৰা প্ৰকাশিত

তত্ত্বাৱধায়ক
ফণীধৰ তালুকদাৰ

সম্পাদিকা
মিতালী দাস

# সম্পাদনা সমিতি ২০০৭-০৮

সভাপতি
চন্দ্ৰকান্ত তালুকদাৰ

তত্ত্বাৱধায়ক
ফণীধৰ তালুকদাৰ

সম্পাদিকা
মিতালী দাস

সদস্য/সদস্যা
ড° অমিয়া মহন্ত
ড° গায়ত্ৰী মেধি
বীণা ৰাণী ডেকা
যুগলকিশোৰ গুপ্তা
ফণীধৰ মেচ
নমিতা দাস গুৰুং
নীলকমল কলিতা
ছাত্ৰ সদস্য/সদস্যা
ডেইজী পাঠক
মিঠুন শৰ্মা
ভাগ্যশ্ৰী নাথ

স্থিৰ চিত্ৰ
প্ৰতুল বৰ্মন

বেটুপাত পৰিকল্পনা
বিৰিঞ্চি কুমাৰ দাস
অংশুমান শৰ্মা

ডি টি পি
ভৱেশ কলিতা



B.H.B. College, Sarupeta

মুদ্ৰণ
[illegible] প্ৰিন্টাৰ্ছ, হেলায়েংপুৰ, গুৱাহাটী- ৩

# উছৰ্গা

প্ৰতিজন পৰিবৰ্তনকামী সহযোদ্ধাৰ হাতত

B.H.B. College, Sarupeta



# সোঁৱৰণ

*সেই মৃত্যু অপৰাজেয়*
*যিয়ে জিনি যায় জীৱন*

আমাৰ মাজৰ পৰা চিৰবিদায় লোৱা
মহাবিদ্যালয়ৰ হিচাপ ৰক্ষক (Accountant)
শ্ৰদ্ধাৰ বীৰেন কলিতা আৰু
মহাবিদ্যালয়ৰ মৰমৰ ছাত্ৰ
ত্ৰিদিপ শৰ্মাৰ
অকাল বিয়োগত
আমি মৰ্মাহত হৈছোঁ।
তেখেতসকলৰ স্মৃতিত আমি যাচিছোঁ অশ্ৰু অঞ্জলি।

তথা
৩০ অক্টোবৰৰ বিস্ফোৰণত কাপুৰুষালিৰ বলি হোৱা
প্ৰতিজন নিৰীহ ব্যক্তি,
২০০৭-০৮ বৰ্ষত মৃত্যুক সাবটি লোৱা
প্ৰতিজন জ্ঞাত-অজ্ঞাত মৃতকক
সম্পাদনা সমিতিয়ে
শ্ৰদ্ধাৰে সোঁৱৰিছোঁ

B.H.B. College, Sarupeta



*Nirupama Bargohain*

☎ : 546959

Kharghuli
(Near Barthakur Clinic)
Guwahati - 4

বৰপেটাৰ বি এইচ বি কলেজৰ যি আলোচনীখন কলেজটোৰ সাংস্কৃতিক আৰু শৈক্ষিক বাতাবৰণ সমৃদ্ধ কৰাত অৰিহণা আগবঢ়াই আহিছে, সেই আলোচনীখনলৈ মই অভিনন্দন জনালোঁ। এনে আলোচনীত হাত-মেল কৰা কোনো কোনো প্ৰতিভাৱান লেখক-লেখিকাৰে ভৱিষ্যতৰ অসমীয়া সাহিত্যৰ উজ্বললৈ অৰিহণা যোগোৱাৰ সম্ভাৱনা থাকে। মই ব্যক্তিগত ভাৱে এই কামনা কৰিলোঁ — এই আলোচনীখনে যেন উত্তৰোত্তৰ ধাৰ বিকাশ লাভ কৰে আৰু কলেজখনক আন এটা স্তৰত উন্নীত কৰি তোলে।

শুভেচ্ছাৰে, ইতি
নিৰুপমা বৰগোহাঞি

B.H.B. College, Sarupeta

# সূচীপত্ৰ


সম্পাদকীয় ।। ৯

নলিনীবালা দেৱীৰ 'পৰম তৃষ্ণা' ঃ এটি আলোচনা ।। কল্পনা বৈশ্য ।। ১৩

উত্তৰ-পূব ভাৰতৰ বিবাহ পদ্ধতি।। দিপ্তী কলিতা।। ১৫

মহাপুৰুষ শ্ৰী শ্ৰী গোপালদেৱৰ সত্ৰ ।। নমিতা দাস গুৰুং।। ১৮

সাম্প্ৰতিক পৰিস্থিতিত অসমীয়াৰ জাতীয় উৎসৱ বিহু আৰু ইয়াৰ অস্তিত্ব ।। ৰীমা কাশ্যপ।। ২১

সুস্থ শৈক্ষিক পৰিৱেশ গঢ়াত ছাত্ৰ সংগঠনৰ প্ৰাসঙ্গিকতা।। ডেইজী পাঠক।। ২২

চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠান বনাম ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান ঃ এটি পৰ্যালোচনা ।। নীলাক্ষী দাস।। ২৪

তছলিমা নাছৰিন আৰু বিভ্ৰান্ত নাৰীবাদ ।। মিতালী দাস।। ২৭

উত্তৰ আধুনিকতাবাদ ঃ এটি পুনৰউত্থানবাদী ধাৰণা ।। মিঠুন শৰ্মা।। ৩০

শিশু শ্ৰমিক সমস্যা।। ভূপালী চৌধুৰী ।। ৩৩

ন'বেল বঁটা বিজয়ী অমৰ্ত্য সেন ।। মৌচুমী কলিতা ।। ৩৪

উদ্দীপ্ত স্বাধীনতা ।। শ্ৰেয়সী শ্ৰেয়ম ।। ৩৫

ন দৃষ্টিৰে চিপাহী বিদ্ৰোহ ।। ৰতন তালুকদাৰ ।। ৩৭

ঋতু আহে ঋতু যায়... ।। ৰাতুল কুমাৰ দাস ।। ৩৮

ঐতিহাসিক প্ৰেক্ষাপটত বেজবৰুৱাৰ 'বীণ-বৰাগী' ।। উষা দাস ।। ৪১

কৰ্মৰ অভিব্যক্তিৰে গঢ়িব পাৰি জীৱন ।। মিনু পাটগিৰী ।। ৪৩

বধকাব্য আৰু ৰাম সৰস্বতী ।। কণ্ঠু বৈশ্য ।। ৪৬

এনেকৈ আৰু কিমানদিন ।। অংকুমণি দাস ।। ৪৮

পুঁজিবাদী অৰ্থনীতি সংকটমুক্ত নে? ।। অনন্ত কলিতা ।। ৪৯

পণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ যুক্তিবাদী ঐতিহ্য ।। দ্বিজেন বৰ্মন ।। ৫৩

প্লাবিতা ।। সঞ্জীৱ কুমাৰ তালুকদাৰ ।। ৫৭

প্ৰেক্টিকেল ।। হুছেইন মহম্মদ ছাহজাহান।। ৫৭

দুঃসময়ৰ মালিতা ।। বিৰিঞ্চি কুমাৰ দাস ।। ৫৭

প্ৰবাহ ।। জুমি দাস ।। ৫৮

বৰ্ষপূৰ্তি ।। টুটুমণি ডেকা।। ৫৮


B.H.B. College, Sarupeta




সৎসঙ্গ ।। ৰূপাঞ্জলী তালুকদা

বিদ্ৰোহ ।। মনালিছা ব

দৰা আহি আছে ।। নিলোৎপল চৌধু

আধুনিকতাৰ নগ্নতা ।। তাপসৰঞ্জন তালুক

শিশু শ্ৰমিকৰ পণ ।। কন্যাকুমাৰী দ

অমলেন্দু গুহৰ সৈতে মুখামু

ড° শিবনাথ বৰ্মনৰ সৈতে কিছু স

স্বাধীনতা।। ফণীধৰ তালুক

শীতৰ ৰাতি ।। কন্যাকুমাৰী দ

তোমাৰ স্মৃতি ।। উত্তম গয়

এই খনেই মোৰ দেশ ।। মানবেন্দ্ৰ ডে

মোৰ কবিতা ।। মঞ্জুমণি

শান্তি ।। ৰুমী

তোমাৰ ভাবনাই যেতিয়া মোক উন্মনা কৰে ।। সীমান্ত

আজি আমি যি বাট এৰি আহিছো ।। ডেভিদ তালুক

প্ৰত্যাশাৰ ছবি ।। নীলাক্ষী

নব যাত্ৰী আমি ।। মোঃ ছানিদুল

চিঠি ।। মিচ্ ভাগ্যশ্ৰী

बर' आरो असमिया थुनि रुजुथायारि सावरायथाय ॥ Ananda Lah

नोंखौल ॥ ऋषिकेश गा

उखैनाय ॥ श्रीज्योतिष

Entrepreneurship as a key

Economic Development of Assam ॥ Dr. Gayatri M

AGE CANNOT WITHER HER... ॥ Dr. C. Dens

Global Financi

The Genesis and Repenseusions on India ॥ Baban B


B.H.B. College, Sarupeta



কৰ্মব্যস্ত মুহূৰ্তত ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত চন্দ্ৰকান্ত তালুকদাৰ



বি এইচ বি মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ একাংশ

B.H.B. College, Sarupeta

# সম্পাদনা সমিতি


শ্ৰীচন্দ্ৰকান্ত তালুকদাৰ (সভাপতি)


ড° অমিয়া মহন্ত (সদস্যা)


ড° গায়ত্ৰী মেধি (সদস্যা)


ফণীধৰ তালুকদাৰ (


বীণা ৰাণী ডেকা (সদস্যা)


যুগল কিশোৰ গুপ্তা (সদস্য)


ফণীধৰ মেচ (সদস্য)


নমিতা দাস


নীলকমল কলিতা (সদস্য)


মিতালী দাস (সম্পাদিকা)


মিথুন শৰ্মা (সদস্য)


ডেইজী

B.H.B. College, Sarupeta




পঢ়ে পঢ়ায়, ৰোৱে পাণ...

আমাৰ সকলোৰে অভিভাৱকৰ আমাক লৈ এটাই স্বপ্ন— পঢ়ি শুনি আমি ডাঙৰ মানুহ হ'ম। আমাৰ দুচকুত আঁকি দিয়া হয় পঢ়া-শুনা কৰি গাড়ী ঘোঁৰাত উঠাৰ সুখস্বপ্ন। তাৰ বাবেই কিমান কি সাধ্য সাধনা! প্ৰতিযোগিতাৰ যুগ যে এতিয়া, উপায় নাই। গতিকে আজি-কালি ছাত্ৰ-ছাত্ৰী সকলে বৰ বেছি সামাজিক কামত জড়িত (Involve) নোহোৱাই ভাল, আৰু ৰাজনীতিতো বাপৰে বাপ— অন্তত সচৰাচৰ বহুতেই এনেদৰেই ভাবে কথা কয়। নাই এনেয়ে নহয়, নিজৰ উক্তিৰ সপক্ষে বহু যুক্তি ৰাখিয়েই এই কথা কোৱা হয়। বহুতে সহজ সৰল মনেৰে বিশ্বাস কৰে যে স্কুল- কলেজত ৰাজনীতিক লৈ মূৰ ঘমালে পঢ়া-শুনাৰ ক্ষতি হয়। ইয়াৰ উপৰি পঢ়া-শুনা কৰাটো সম্প্ৰতি বৰ ব্যয়বহুল। বহু পৰিয়ালে অনেক কষ্ট কৰিহে পঢ়া-শুনাৰ বাবে টকা যোগাৰ কৰে (বহুতে নোৱাৰেও)

[illegible] এক মিনিট, কথাবোৰ অন্য এক দৃষ্টিভঙ্গীৰে চাওচোন বাৰু। আমি যেতিয়া স্কুল-কলেজত নামভৰ্তি কৰো তেতিয়া কিমান মাচুল দিব লাগিব সেয়া নিৰ্ভৰ কৰে শিক্ষা (মানৱ সম্পদ উন্নয়ন) বিভাগে এই শিক্ষানুষ্ঠানবোৰ চলিবলৈ কিমান ধন আগবঢ়ায় (কমকৈ অনুদান দিয়া মানে ছাত্ৰই বেছি মাচুল দিব লাগিব) তাৰ ওপৰত। আমাৰ পাঠ্যক্ৰম কি হ'ব সেয়া ঠিক কৰে চৰকাৰে নিযুক্ত কৰা মানুহেই। এই চৰকাৰ ৰাইজেই নিৰ্বাচন কৰে এক ৰাজনৈতিক প্ৰক্ৰিয়াৰে। গতিকে মাচুল, পাঠ্যক্ৰম, পৰীক্ষা কেতিয়া হ'ব, শিক্ষানুষ্ঠানৰ যাবতীয় খৰচ (ডেস্ক, বেঞ্চ, ইত্যাদি) শিক্ষক-শিক্ষয়িত্ৰীৰ দৰমহা চৰকাৰেই বহন কৰিবনে ই নিজেই উপাৰ্জন কৰিব লাগিব, সৰ্বোপৰি দেশ, ৰাজ্য বা অঞ্চল এটাত কেনেকুৱা বৌদ্ধিক শৈক্ষিক পৰিবেশ থাকিব এই সকলো নিৰ্ভৰ কৰে ৰাজনীতিৰ ওপৰতেই। কিয় কৃষি প্ৰধান ভাৰতবৰ্ষত চাউল দালিৰ জুই-ছাই দাম? কিয় ৱালষ্ট্ৰিটৰ পৰা শুৱালকুছিলৈ গোলকীয় মন্দাবস্থা, বছৰে বছৰে মহাকাশলৈ যান পঠোৱা আমাৰ দেশত [illegible] বানত স্কুলঘৰত বানাক্ৰান্তৰ শিবিৰ? এই সকলোবোৰৰ ভু-লোৱাৰ চেষ্টাৰ নামেই ৰাজনৈতিক সচেতনতা। এই সচেতনতা [illegible] ভাল মানুহ হ'ব পাৰি জানো? আমাৰ চকুত ডাঙৰ মানুহ হোৱাৰ স্বপ্নবীজ ৰোপণ কৰা হয় ঠিকেই, কিন্তু ভাল মানুহ হ'বলৈতো শিকোৱা নহয়।

স্বপ্ন কুসুমৰ এপিটাফ

[illegible] দুচকুত উজ্বল ভৱিষ্যতৰ স্বপ্ন [illegible] যৌৱনে ভিৰ কৰেহি বি এইচ্ বি কলেজৰ পদুলিত। কিন্তু এই দুচকুৰেই [illegible] দেখিছো, বানাক্ৰান্তৰ [illegible] উৰাজাহাজ, সাহায্যৰ নামত কেলেংকাৰী, খেতিয়কৰ চকুপানী, মন্ত্ৰীৰ হাঁহি। [illegible] পঢ়াশালিত শিকে ভোকত থকাৰ পদ্ধতি। দেখিছো, ত্ৰিছ বছৰে কৰকৰাই থকা [illegible] লোৱা অবোধ শিশু গোষ্ঠী সংঘৰ্ষত গৃহহীন হাজাৰ হাজাৰ, ভোকত মৃত্যু অযুত সম্ভাৱনাৰ, [illegible] থকা বেকাৰী। হয়তো এই দুচকুৰেই বাতৰি কাকতত পঢ়িছো জন্মদিনত অনিল আম্বানীয়ে [illegible] উৰাজাহাজ, নৱবৰ্ষৰ নিশা মায়ানগৰী মুম্বাইত এশ কোটিতকৈও অধিক টকাৰ মদ বিক্ৰী। [illegible] দুঃস্বপ্নৰ কবৰত। ডাক্তৰ হ'ব বিচৰা ল'ৰাজন হৈ পৰে পাণ দোকানী যাৰ [illegible] জটিল অৰ্থনৈতিক সমীকৰণ। শিক্ষয়িত্ৰী হ'ব বিচৰা ছোৱালী ৰাত্ৰি যাপন কৰিব [illegible] দেখি-শুনি মনত প্ৰশ্ন জাগে— আমাৰ ককাদেউতাই মনা নাছিল বিদেশীৰ শাসন [illegible] আমি কি ককাদেউতাইতৰ নপুংসক উত্তৰাধিকাৰী?

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

B.H.B College, Sarupeta

**আকৌ নতুন প্ৰভাত হ'ব—**

আমাৰ চৌপাশৰ সমাজখনত আমাক হতাশ কৰি পেলোৱাৰ হাজাৰ হাজাৰ কাৰণ কাৰক আছে। কিন্তু কদৰ্যৰে ভ মানুহেই তুলি ধৰিব স্বপ্নৰ উচ্চতালৈ। কিয়নো মানুহেই সমাজ ভাঙে মানুহেই গঢ়ে। এই সম্ভাৱনাৰ কথা মনত ৰাখিয়েই আৰু 'অৱস্থাক পৰিৱৰ্তন কৰা এই দুই কৰ্তব্য পালন কৰিব লাগিব। কৰিব লাগিব তেওঁলোকে যি 'ডাঙৰ' নহ'লেও অন্ত যাৰ অমূল্য বক্তৃতাৰ দৰেই আছে ভৱিষ্যতৰ উদিত ৰঙা সূৰ্যৰ ওপৰত দৃষ্টি যাৰ আছে বভ্ৰুবাহন হৈ অশ্বমেধ ঘোঁৰাক বন্দী ভক্তিতকৈ মূল্য দিয়ে যুক্তিক। যাৰ ধমনিত আছেই হেমিংৱেৰ চঞ্চল গতি 'মানুহ ধ্বংস হ'ব পাৰে, কিন্তু কেতিয়াও অতনু ভট্টাচাৰ্যৰ দৰেই যাৰ মত

'যিজনে মানুহৰ শোভাযাত্ৰাত
চামিল হ'বলৈ শিকা নাই
তেওঁৰ বাবে সুখো
এক ধৰণৰ দুখ

**মনৰ কথা—**

কলেজখনৰ স্মৃতি মানেতো আমাৰ নিজৰেই প্ৰতিচ্ছবি। কিয়নো মই জড়িত হৈ আছিলো, কলেজৰ ভূগোল, ৰাজনীতি কলেজ কেম্পাছৰ জীৱন প্ৰবাহৰ আবৰ্তৰ লগত নিজৰ মনৰ এই ভাবমূৰ্তি এটা প্ৰিয় সম্পদ, এটা ভাল লগা লগাৰ বিপৰীতে ক'বলগীয়াও আছে বহু কথা। কলেজৰ ভাল লগাখিনি এক নিৰৱচ্ছিন্ন প্ৰীতি নহয় বৰং কব পাৰি অনুৰা সুদীৰ্ঘ সহাৱস্থান।

দীৰ্ঘ বিৰতিৰ অন্তত বি এইচ্ বি মহাবিদ্যালয়ৰ আলোচনী আকৌ প্ৰকাশ পাইছে। এয়া আমাৰ বাবে এক উৎসৱেই

মহাবিদ্যালয়ৰ আলোচনীখন যোৱা বহু বছৰ ধৰি সময়মতে ওলাব নোৱৰা ঘটনা এটি ঘটি আছে। জয়ী হৈয়েই ভা কৰিম, কিন্তু নহ'ল। আলোচনীখনত প্ৰকাশ কৰিবৰ বাবে লিখনী বিচাৰি দুবাৰকৈ চিঠি লিখি অনুৰোধ জনালোঁ শ্ৰদ্ধাৰ শি তথা ছাত্ৰ-ছাত্ৰীসকলক। কিন্তু শেষমুহূৰ্তলৈ মাজে সময়ে নিদ্ৰাহীনতাত ভুগিলো লিখনীৰ অভাৱত। কোনোমতে এই ক টাপলি মাৰিলো।

কিন্তু তাৰমাজতেই বহুতেই সহাঁৰি দিলে। কিছু দৌৰা-দৌৰি কৰিলোঁ। তাৰ পিছত লাহে-লাহে স্তিমিত হৈ গ'লো মই তত্ত্বাবধায়ক, অধ্যক্ষ মহোদয়, সম্পাদনা সমিতিৰ প্ৰচেষ্টা, শিক্ষাগুৰুসকলৰ উৎসাহ প্ৰেৰণ পৰা পোৱা অহৰহ সহায় আৰ প্ৰতিটো ক্ষেত্ৰতে কৰা সহায়ে আলোচনীৰ শেষ মুহূৰ্তলৈ মোক লৈ গ'ল। আৰু কিছু মুখ মনত পৰিছে যিসকলে লগ পালেই খবৰ লয়।

মোক আৰু এটা কথাই আমনি কৰি থাকে। বহুতো প্ৰতিভা থকাৰ পিছতো শিক্ষাৰ্থীসকল সুযোগ সুবিধাৰ পৰা ব কোনো অনুষ্ঠানতে যাব নোপোৱা, যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ অংশ নোলোৱা এইবোৰ জানো ভাবিব লগা কথ মহাবিদ্যালয়ৰ পৰা ওলাই যোৱা বহু শিক্ষাৰ্থীয়েই আজি সমাজৰ বিশেষ ব্যক্তি। তেন্তে কিয় ধ্বংস হৈ গৈছে আমাৰ বীজ ক্ষেত্ৰখন? আৰু বহুতো সমস্যা আছে। কিন্তু তাৰ সমাধানৰ পথো আছে।

অনুৰোধ এটাই ২৪ ঘণ্টাৰ ১০ মিনিট সময়ো যদি আপোনালোক প্ৰতিজনে দিয়ে তেন্তে এই সমস্যাবোৰ সমাধান হ'ব। মুখত শুনো আলোচনীখন নাপাওঁ বুলি ভবা কিছু কথাহে। কিন্তু তাৰ সলনি আপোনালোকে কিয় লগ হৈ আগবাঢ়ি সমাধানৰ পথত। সময় মাথো লাগে ১০ মিনিটহে।

মই এই কথাখিনিৰ জৰিয়তে মাত্ৰ এবাৰ আপোনালোকৰ চকুত দৃশ্যমান হৈছোহে। অনুৰোধ জনাইছোঁ মই হেৰাই গ'ল হেৰাই যাব নিদিব। কথাবোৰ অকমান অকমানকৈ ভাবক...। একোৰেই অভাৱ নাই অভাৱ মাথো আমাৰ এখন হাতত হাতৰ মুঠিৰ। তেন্তে আগবাঢ়ি আহক।

জয়তু বি এইচ্ বি

B.H.B College, Sarupeta

*চিন্তাৰ মৌলিকতা আৰু যুক্তিৰ বান্ধোন, প্ৰকাশভংগীৰ বলিষ্ঠতা আৰু ভাষাৰ সাৱলীললতা নাথাকিলে প্ৰবন্ধ পঢ়াত সময় খৰচ কৰিব কোনে ?*

*—ড° হীৰেন গোহাঁই*

# চিন্তা শিল্প


নলিনীবালা দেৱীৰ 'পৰম তৃষ্ণা' ঃ এটি আলোচনা ।। কল্পনা বৈশ্য ।। ১৩

উত্তৰ-পূব ভাৰতৰ বিবাহ পদ্ধতি।। দিপ্তী কলিতা।। ১৫

মহাপুৰুষ শ্ৰী শ্ৰী গোপালদেৱৰ সত্ৰ ।। নমিতা দাস গুৰুং।। ১৮

সাম্প্ৰতিক পৰিস্থিতিত অসমীয়াৰ জাতীয় উৎসৱ বিহু আৰু ইয়াৰ অস্তিত্ব ।। ৰীমা কাশ্যপ।। ২১

সুস্থ শৈক্ষিক পৰিৱেশ গঢ়াত ছাত্ৰ সংগঠনৰ প্ৰাসংগিকতা।। ডেইজী পাঠক।। ২২

চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠান বনাম ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান ঃ এটি পৰ্যালোচনা ।। নীলাক্ষী দাস।। ২৪

তছলিমা নাছৰিন আৰু বিভ্ৰান্ত নাৰীবাদ ।। মিতালী দাস।। ২৭

উত্তৰ আধুনিকতাবাদ ঃ এটি পুনৰউত্থানবাদী ধাৰণা ।। মিঠুন শৰ্মা।। ৩০

শিশু শ্ৰমিক সমস্যা।। ভূপালী চৌধুৰী ।। ৩৩

ন'বেল বঁটা বিজয়ী অমৰ্ত্য সেন ।। মৌচুমী কলিতা ।। ৩৪

উদ্দীপ্ত স্বাধীনতা ।। শ্ৰেয়সী শ্ৰেয়ম ।। ৩৫

ন দৃষ্টিৰে চিপাহী বিদ্ৰোহ ।। ৰতন তালুকদাৰ ।। ৩৭

ঋতু আহে ঋতু যায়... ।। ৰাতুল কুমাৰ দাস ।। ৩৮


B.H.B. College, Sarupeta

# নলিনীবালা দেৱীৰ 'পৰম তৃষ্ণা' এটি আলোচনা

কল্পনা বৈশ্য
প্ৰবক্তা, অসমীয়া বিভাগ

অসমীয়া সাহিত্য জগতত অতীন্দ্ৰিয় ভাবধাৰাৰে কাব্য ৰচনা কৰা 'পদ্মশ্ৰী' নলিনীবালা দেৱী নিঃসন্দেহে শ্ৰেষ্ঠ কবি। আধ্যাত্মিক চেতনাৰ কাৰণেই নলিনীবালা দেৱীৰ কবিতা নিয়ৰত সিক্ত ফুলৰ দৰে স্নিগ্ধ আৰু ৰমনীয় কৰিছে। নৈসৰ্গিক প্ৰকৃতিৰ বিশাল প্ৰাঙ্গনত প্ৰতিবিম্বিত হোৱা সনাতন সৌন্দৰ্যৰ প্ৰতিচ্ছবি দাঙি ধৰি, সেই সৌন্দৰ্য গছে-পাতে বিবিখে-লতাই আকাশ-বতাহে কবিয়ে উপলব্ধি কৰিছে। জাগতিক বৰ্ণ বৈচিত্ৰ্যৰ অন্তৰালত আত্মগোপন কৰি থকা সত্য শিৱ সুন্দৰৰ লগত মিলিত হোৱাই কবিৰ চৰম আকাংক্ষা। সেয়েহে ৰহস্যবাদমূলক কবিতাত অসীম তথা চিৰসুন্দৰৰ আহ্বান আৰু অন্বেষণ সুন্দৰভাৱে প্ৰকাশ পাইছে।

স্বৰ্গীয় নবীন চন্দ্ৰ বৰদলৈৰ জ্যেষ্ঠাকন্যা নলিনীবালা দেৱী প্ৰতিভা সংস্কৃতিসম্পন্ন পৰিয়ালত জন্ম গ্ৰহণ কৰি সাহিত্যৰ প্ৰতি অনুৰাগী আৰু স্বদেশৰ প্ৰতি প্ৰীতি ভাব জাগ্ৰত হৈছিল। ভাৰতীয় দৰ্শন, 'গীতা' আৰু উপনিষদৰ বাণীসমূহ, ৰবীন্দ্ৰ নাথ ঠাকুৰৰ বিভিন্ন কবিতা, মহাপুৰুষ শংকৰদেৱৰ 'কীৰ্ত্তন ঘোষা', মাধৱদেৱৰ [illegible] কথা, সুৰ তথা-আধ্যাত্মিকতাই [illegible] চিন্তা আৰু বিশ্বাসক গঢ় দিয়াত অৰিহণা [illegible]

[illegible]

বৰদলৈৰ জীৱনীমূলক 'স্মৃতিতীৰ্থ' (১৯৪৮) আৰু 'বিশ্বদীপা', 'চৰ্দাৰ পেটেল' আদি উৎকৃষ্ট জীৱন চৰিত। কবিৰ শেষ বয়সৰ ৰচনা 'অন্তিমসুৰ' (১৯৭৭), আত্মজীৱনী মূলক গ্ৰন্থ 'এৰি অহা দিনবোৰ' (১৯৭৬), প্ৰবন্ধ গ্ৰন্থ 'শান্তি পথ' (১৯৭১), আদি অসমীয়া সাহিত্যলৈ অনবদ্য অৱদান।

কবি নলিনীবালা দেৱীৰ 'পৰমতৃষ্ণা' মিষ্টিক ভাবাপন্ন অতীন্দ্ৰিয়বাদী কবিতা, সৰুৰে পৰা ভগৱন্তক্তিৰ বীজ নিহিত হৈ থকা কবিৰ অন্তৰখন সাংসাৰিক শোক তাপে ঈশ্বৰাভিমুখী কৰি তোলে। সেয়েহে কবি নলিনীবালা দেৱীৰ কবিতাৰ সুৰটি হৈছে আধ্যাত্মিকতাৰ সুৰ, অতীন্দ্ৰিয় ভাব তন্ময়তাৰ সুৰ। আগতেই কোৱা হৈছে যে জাগতিক বৰ্ণবৈচিত্ৰ্যৰ অন্তৰালত লুকাই থকা সত্য-শিৱ সুন্দৰৰ লগত মিলিত হোৱাই কবিৰ আকাঙ্ক্ষা। জীৱনৰ বিৰহ বেলাভূমিত প্ৰিয়তমৰ লগত মিলনেই কবিৰ ইঙ্গিত লক্ষ্য।

ৰহস্যবাদ হৈছে এটা নিৰ্দিষ্ট চিন্তাধাৰা। বৰ্তমান যুগৰ সাহিত্যৰ আলোচনা প্ৰসঙ্গত ৰহস্যবাদৰ ভাবধাৰা বহুতো সাহিত্যিকৰ লেখনিৰ জৰিয়তে প্ৰকাশিত হৈছে। Mysticism ৰ Mystic শব্দটো আহিছে গ্ৰীক mulin চকু মুদি থকা নিৰ্বাক হৈ থকা শব্দৰ পৰা। মিষ্টিক অৰ্থাৎ চকু মুদি বাক সংযত কৰি ভিতৰে ভিতৰে হৃদয়ৰ সৈতে হৃদয় সংযুক্ত কৰিছে, প্ৰাণৰ দ্বাৰা প্ৰাণক স্পৰ্শ কৰিছে— তেওঁৰ কৰ্তব্য জনা নহয়, বোধ কৰা, অনুভৱ কৰাহে। অজনাৰ মাজতে সকলো ৰহস্য, সকলো সৌন্দৰ্য। অজনাৰ অসীম [illegible] পূৰ্ণ সত্য।

[illegible] অৰ্থও নুবুজে, [illegible] উপনিষদত কৈছে —

[illegible] — প্ৰশান্ত অবিক্ষুব্ধ সোঁতৰ মাজত



B.H.B College Sarupeta

প্ৰাণশক্তি যেতিয়া ঢেউ খেলি উঠে তেতিয়া সকলো বস্তু ৰূপ ধাৰণ কৰি বাহিৰ হয়।

ৰহস্যবাদত মই জগত খনৰ মাজত থকা বৈচিত্ৰ্যৰ কথা আৰু এই বৈচিত্ৰ্যময় জগতৰ মাজত ঐক্যতা আনি দিবলৈ সক্ষম হোৱা এজন পুৰুষ বা শক্তিৰ কল্পনা কৰা হয়।

জগতৰ সকলো বস্তু বা শক্তিৰ অন্তৰালত এটা পৰম শক্তি আছে বুলি যিসকল চিন্তাবিদে ভাবে তেনে চিন্তাশীল ব্যক্তি সকলেই ৰহস্যবাদী। ৰহস্যবাদী কবিসকলে জগতৰ মাজত পৰম পুৰুষ বা পৰম শক্তিৰ অস্তিত্ব উপলব্ধি কৰাৰ পিছত ভাবি লয় যে সেই পৰম শক্তিৰ মাজতেই আটাইবোৰ গুণ নিহিত হৈ আছে, সেই গুণৰ অধিকাৰী সকলোৱে হ'ব পাৰে। কাৰণ জগতৰ সকলো লোকেই যিহেতু পৰম শক্তিৰ অংশ স্বৰূপ সেয়েহে ৰহস্যবাদী ভাবৰ দ্বাৰা আপ্লুত লোকসকলে পৰম সত্বাৰ সেই গুণবোৰৰ বিকাশ ঘটাই নিজেও পৰমজন হ'বলৈ বিচাৰে। সসীম বা ক্ষুদ্ৰ মানৱেও অসীম বা ভগৱানৰ সমকক্ষ হ'ব পাৰে বুলি ভাবি লোৱাটো ৰহস্যবাদৰ আন এটা বৈশিষ্ট্য।

ৰহস্য বাদৰ আন এটা বৈশিষ্ট্য হ'ল ইয়াত পৰম জনক দৈৱী অনুভূতিৰ দ্বাৰা উপলব্ধি কৰা হয়। সমালোচক সকলে ক'ব বিচাৰে যে ৰহস্যবাদীসকলে নিজৰ অন্তৰৰ অনুভূতিৰ দ্বাৰা নিজৰ আশাৰ সকলো শক্তিকেই এক পৰমশক্তিত কেন্দ্ৰীভূত কৰে আৰু সেই পৰম শক্তিক এজন ব্যক্তি হিচাপে ভাল পায়।

ৰহস্যবাদী লোকসকল ভক্তি পৰায়ণ আৰু ধৰ্মপ্ৰাণ। ৰহস্যবাদীসকলে শোধন আৰু পূজাৰ জৰিয়তে পৰম পুৰুষৰ সান্নিধ্য লাভ কৰি মহানন্দ লাভ কৰে।

ৰহস্যবাদৰ অবস্থা তিনিটা— প্ৰথম অৱস্থাত জীৱ যেতিয়া এই জগত বা এই সৃষ্টিৰ বিভিন্ন বস্তুত অতিলৌকিক সৌন্দৰ্য আদি দেখে তেতিয়া তাতেই সৃষ্টিকৰ্তাৰ সন্ধান লাভ কৰে। তেতিয়াই ৰহস্যবাদীসকলে সেই পৰম শক্তি সৃষ্টি কৰ্তাক তুমি কোন বুলি প্ৰশ্ন কৰে।

দ্বিতীয় অৱস্থাত জীৱাত্মাই বা ক্ষুদ্ৰ জীৱসকলে নিজকে সেই ব্ৰহ্ম বা পৰম শক্তি পৰম পুৰুষৰ সৈতে একে বুলি ভাবে।

তৃতীয় অবস্থা হৈছে ৰহস্যবাদৰ চৰম অবস্থা আৰু এই অৱস্থাত জীৱাত্মাই নিজকে পৰম শক্তি বুলি জ্ঞান কৰে আৰু আৰু পৰম শক্তিৰ সৈতে মিলিত হৈ অভিন্ন বা লীন হৈ পৰে।

গতিকে ৰহস্যবাদীসকলে জীৱনটোক বিৰহ আৰু মৃত্যুক মিলনৰ অৱস্থা বুলি ভাবে, কিয়নো মৃত্যুৰ দিনাখনেই ফিৰিঙতি স্বৰূপ জীৱাত্মা ভগৱান বা পৰমাত্মাৰ সৈতে মিলিত হৈ যায়।

ৰহস্যবাদৰ এনে বৈশিষ্ট্যসমূহ কমবেছি পৰিমাণে নলিনীবালা দেৱীৰ 'পৰমতৃষ্ণা' শীৰ্ষক কবিতাটিত ফুটি উঠা দেখা যায়। 'পৰমতৃষ্ণা' কবিতাটিৰ জৰিয়তে কবিৰ মনৰ এক বিশিষ্ট ভাবধাৰা প্ৰকাশিত হৈছে। কবিয়ে 'পৰমতৃষ্ণা' কবিতাটিৰ মাজেদি কবি জীৱনৰ ধুমুহাত সৰ্বস্বান্ত হোৱা অসহায় আত্মাৰ স[...] এজন শান্তি দাতা ঈশ্বৰৰ সন্ধান কিদৰে বিচাৰি পাই[...] দাঙি ধৰিছে। সাধাৰণ মানুহৰ দৰে কবিৰ জীৱনতো [...] সুখ-দুখৰ বিভিন্ন কাহিনী অন্তৰত ছবিৰ নিচিনাকৈ [...] মানুহে পৃথিৱীত জন্ম গ্ৰহণ কৰি অপূৰণ কৰ্মৰ [...] পৃথিৱীৰ পৰা আঁতৰি গৈছে। কবিৰ ভাষাত ঃ

"কতবাৰ জনমিলোঁ তোমাৰ [...]
গ'ইছিলো আকউ উভতি,
অপূৰণ কৰমৰ ভাৰ বান্ধি লৈ
ঘূৰি ঘূৰি আহিছোঁ উভতি।"

জীৱনৰ আদি ভাগত কবিৰ জীৱন সুখ বৈভ[...] আছিল সেই সময়ত ভগবানৰ প্ৰতি কবিৰ মনত প[...] জীৱনৰ বিয়লি বেলাত উপনীত হোৱাত কবিয়ে উ[...] যে পৃথিৱীখন আচলতে মায়াময়।

"ব্ৰহ্ম সত্য জগত মিথ্যা।"

"আত্মাহে অমৰ। সকলো পালেও তৃষ্ণাতুৰ [...] নপলায়। কবিৰ ভাষাত— কিয় আহিছিলো বাৰু, [...] উভতি? কিহৰ ই অভিলাস কিয় এই সীমাহীন [...] পাইছো তেওঁ কিবা যেন নাই নাই, মুখত নুফুটে [...] বিচাৰি নেপায়।"

কিন্তু কোনোবা সুদূৰৰ পৰা কবিক হাত [...] আছে। কবিয়ে অনুভৱ কৰিছে যে জীৱনৰ পাতে [...] চৰণ ৰেখা অংকিত হৈ আছে যদিও ভগৱানক তে[...] নাই। এই শেষ সময়খিনিত কবিয়ে ভগৱানক চা[...] পৰিছে আৰু কবিয়ে আশা কৰিছে ভগৱানৰ চৰণ[...] মন প্ৰাণ ভগৱানৰ শীতল অমৃত স্পৰ্শেৰে শান্তি[...] কৰি তোলে। জগতৰ ভোগ বিলাসে কবিৰ মনত [...] পৰা নাই। সেয়েহে কবিয়ে আক্ষেপ প্ৰকাশ কৰিছে[...]

"ভোগতেই মানুহৰ তৃপিতি পলোৱা হ'[...]
বাসনাও নোৱাৰে থাকিব,
মানুহৰ বাসনাৰ সমাধি শয়ন হ'লে
জীৱন মৰণো নেথাকিব।"

আকৌ

"মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য তৃষ্ণ[...]
সুখ আশা হেপাহ বুকুৰ,
নহয় ই মৰতৰ কন্তেকীয়া জীৱনৰ
সুখ আশা পৰম পদৰ,
ৰূপ তৃষ্ণা চিৰ সুন্দৰৰ।"

'পৰমতৃষ্ণা' কবিতাটিৰ জৰিয়তে পৰম ম[...] প্ৰতি কবিৰ আকুল আহ্বানৰ ভাবধাৰা প্ৰকাশিত [...] ভাবধাৰা ৰহস্যবাদী ভাবধাৰাৰ প্ৰথম স্তৰ বুলি [...]

B.H.B College Sarupeta

# উত্তৰ-পূব ভাৰতৰ বিবাহ পদ্ধতি

দিপ্তী কলিতা
প্রবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

*তেওঁলোকে আনুষ্ঠানিকভাৱে বিলিংগ সহোদৰজ বিবাহ পদ্ধতি মানি চলে। তেওঁলোক পতি পত্নী বিবাহী। খাচী সকলৰ বিবাহৰ পাছত পতি পত্নীৰ গৃহলৈ যায়। সতি-সন্ততিয়ে মাতৃৰ উপাধি গ্রহণ কৰে।*

বিবাহ এক সামাজিক সংস্থা। সকলো প্রকাৰৰ মানব সমাজৰ বাবেই বিবাহ এক অপৰিহাৰ্য সংস্থা। কাৰণ বিবাহৰ দ্বাৰাই সমাজৰ প্রাথমিক গোট হিচাপে পৰিগণিত হৈ পৰিয়ালৰ সূত্রপাত হয়। ভাৰতৰ জনজাতিভেদে বিবাহ পদ্ধতিৰো ভিন্নতা পৰিলক্ষিত হয়। কিন্তু সাৰ্বজনীনভাৱে বিবাহক কেইটামান প্রধান ভাগত বিভক্ত কৰিব পাৰি।

এজন পুৰুষে এগৰাকী তিৰোতাক পত্নী ৰূপে গ্রহণ কৰা বিবাহ পদ্ধতিক এক পতি-পত্নী বা একক বিবাহ বোলে। আনহাতে দুই বা ততোধিক পুৰুষ নাৰীৰ মাজত অনুষ্ঠিত হোৱা বিবাহ পদ্ধতিক বহুবিবাহ বোলা হয়। এই বহুবিবাহ পদ্ধতিক দুটা ভাগত বিভক্ত কৰিব পাৰি— বহুপতি বিবাহ আৰু বহুপত্নী বিবাহ। এগৰাকী তিৰোতা আৰু দুই বা ততোধিক পুৰুষৰ মাজত অনুষ্ঠিত হোৱা বিবাহেই বহুপতি বিবাহ। বহুপতি বিবাহক আকৌ দুটা ভাগত ভাগ কৰিব পাৰি। ভ্রাতৃ বহুপতি বিবাহ আৰু অভ্রাতৃ বহুপতি বিবাহ। কোনো এগৰাকী তিৰোতাই একে তেজ-মঙহৰ সম্পৰ্কযুক্ত একাধিক ভাই ককাইক স্বামীৰূপে গ্রহণ কৰা পদ্ধতিক ভ্রাতৃবহুপতি বিবাহ বোলে। সেইদৰে এগৰাকী তিৰোতাই স্বামীৰূপে গ্রহণ কৰা পুৰুষ সকল যদি একে তেজ-মঙহৰ সম্পৰ্কযুক্ত ককাই ভাই সম্বন্ধীয় নহয় তেনে সেই বহু পতি বিবাহকে অভ্রাতৃ বহুপতি বিবাহ বোলা হয়। নায়াৰ জনজাতিৰ মাজত এনেধৰণৰ বিবাহ পদ্ধতিৰ প্ৰচলন আছে।

B H B College Sarupeta

উত্তৰ পূব ভাৰতৰ বিভিন্ন ধৰ্মাৱলম্বী লোকৰ বিবাহ পদ্ধতি সম্পৰ্কে তলত দাঙি ধৰা হ'ল—

**হিন্দু বিবাহ—** উত্তৰ পূব ভাৰতৰ হিন্দু ধৰ্মাৱলম্বী লোক সকলৰ মাজত ধৰ্মীয় পৰম্পৰা মতেই বিবাহ কাৰ্য অনুষ্ঠিত হয়। এই ধৰ্মত কাশ্যপ গোত্ৰৰ বাহিৰে অন্য গোত্ৰৰ মাজত অন্তৰ্বিবাহৰ নিষেধ আছে। হিন্দু বিবাহৰ প্ৰতিটো পৰ্যায় ধৰ্মীয় নীতি নিয়মেৰে পালন কৰা হয়। ধৰ্মীয় মন্ত্ৰ পাঠেৰে হোম যজ্ঞও কৰা হয়। পতি আৰু পত্নীক হোম যজ্ঞত আখৈ দানেৰে ধৰ্মীয় মন্ত্ৰ উচ্চাৰণ কৰি যুগ্ম জীৱনৰ পূৰ্ণতা কামনা কৰা হয়। তদুপৰি দৰা কন্যাক একেখন কাপোৰেৰে লগ লগাই দি অগ্নিৰ উত্তৰ পূব দিশত সাত খোজ দিয়াই সাতটা ধৰ্মীয় মন্ত্ৰ উচ্চাৰণ কৰা হয়। এনেদৰে বিভিন্ন সময়ত ধৰ্মক প্ৰাধান্য দিয়া হয় বাবেই হিন্দু বিবাহ এক ধৰ্মীয় সংস্কাৰ।

হিন্দু সমাজতে আঠ প্ৰকাৰৰ বিবাহ আছে যদিও বৰ্তমান সকলো বিলাক প্ৰকাৰৰ প্ৰচলন নাই। এই বিবাহৰ প্ৰকাৰ সমূহ হৈছে—

১। **ব্ৰাহ্ম বিবাহ—** এই বিবাহ মতে কন্যাৰ পিতৃয়ে সুযোগ্য পুৰুষক নিমন্ত্ৰণ জনাই আনি কন্যাক বস্ত্ৰ অলংকাৰেৰে বিভূষিত কৰি কন্যা দান কৰে।

২। **দৈৱ বিবাহ—** এনে বিবাহত কন্যাৰ পিতৃ মাতৃয়ে হোম যজ্ঞ কৰিব পৰা এজন পুৰুষলৈ নিজৰ কন্যাক দান কৰে।

৩। **আৰ্চ বিবাহ—** এই বিবাহত সাধৰণতে বিবাহ প্ৰাৰ্থী ঋষি বা মুনি হয়। কন্যাদাতাক এজনী গাই বা বলধ দৰাই উপহাৰ হিচাপে দিয়ে।

৪। **প্ৰজাপত্য বিবাহ—** এই বিবাহত পাত্ৰ পাত্ৰী নিৰ্বাচন দৰা কন্যাই নিজেই বা অভিভাৱকে কৰে। কন্যাৰ কাপোৰ আৰু অলংকাৰৰ দায়িত্ব দৰা পক্ষই বহন কৰে।

৫। **অসুৰ বিবাহ—** এই বিবাহত দৰাপক্ষই কন্যাপক্ষক কন্যামূল্য দিব লগা হয়। কন্যাৰ সৌন্দৰ্য আৰু গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰি কন্যামূল্য নিৰ্ধাৰণ কৰা হয়।

৬। **গন্ধৰ্ব বিবাহ—** দৰা আৰু কন্যাৰ পাৰস্পৰিক বুজাবুজি আৰু প্ৰেম প্ৰীতিৰ দ্বাৰা এই বিবাহ হয়। এই বিধ বিবাহত বিবাহ কাৰ্য সাধিত হোৱাৰ পুৰ্বে দৈহিক মিলন হ'ব পাৰে।

৭। **ৰাক্ষস বিবাহ—** বিজেতা সকলে বিজিতৰ কন্যাক বিয়া কৰোৱাটোৱেই ৰাক্ষস বিবাহ।

৮। **পৈশাচিক বিবাহ—** নিদ্ৰিত বা অচেতন অৱস্থাত নাৰীৰ লগত যৌন সম্বন্ধ স্থাপন কৰি যি বিবাহ সাধিত কৰে তাক পৈশাচিক বিবাহ বোলে।

বৰ্তমান উত্তৰ পূব ভাৰতৰ হিন্দুসকলৰ মাজতে প্ৰজাপত্য গান্ধৰ্ব আৰু অসুৰ বিবাহৰ প্ৰচলন বেছি।

**ইছলাম বিবাহ ঃ** ইছলাম ধৰ্মাৱলম্বী লোক সকলে তেওঁলোকৰ ধৰ্ম মতেৰেই বিবাহ কাৰ্য পালন কৰে। বিবাহক তেওঁলো[...] বোলে। ইছলাম সমাজত তেজ মঙহৰ সম্বন্ধ থকা সকল[...] বিয়া হ'ব পাৰে। বিবাহৰ দিনা দৰা কন্যা গৃহলৈ [...] তেওঁলোকে ধৰ্মীয় পুৰোহিত মোল্লাজনে পবিত্ৰ [...] পাঠ কৰি বিবাহ কাৰ্য সম্পন্ন কৰে। ইছলাম ধৰ্মত [...] মোটাহ এই দুই প্ৰকাৰৰ বিবাহৰ প্ৰচলন আছে। এই [...] নিৰ্দিষ্ট সময়ৰ বাবে অনুষ্ঠিত হয়। ইছলাম ধৰ্মত বি[...] প্ৰচলন সহজ। এই সমাজৰ বিবাহ বিচ্ছেদো সহজ। [...] ইচ্ছা কৰিলেই তিনিবাৰ 'তালাক' উচ্চাৰণ কৰিলে বি[...] হয়।

**খ্ৰীষ্টান বিবাহ ঃ** খ্ৰীষ্টান ধৰ্মত পাত্ৰ-পাত্ৰী নিৰ্বাচনৰ বাবে[...] নিজেই বা পিতৃ মাতৃয়ে আগ ভাগ লয়। ৰক্তৰ সম্বন্ধ ন[...] মাজৰ পৰা পাত্ৰ-পাত্ৰী নিৰ্বাচন কৰা হয়। বিবাহৰ দিনা [...] মূল বিবাহ কাৰ্য অনুষ্ঠিত হয়। তেওঁলোকৰ ধৰ্ম ৰাজ্যত[...] বাণীৰে বিবাহ সম্বন্ধ স্থাপন কৰে। এই কাৰ্যৰ পূৰ্বতে[...] কন্যাই সমবেত বাইজৰ আগত তেওঁলোকৰ বিগত [...] কামবিলাকৰ স্বীকাৰ কৰিব লাগে। ইয়াত বিবাহৰ বা[...] কন্যাৰ সম্মতিও সামূহিকভাৱে লোৱা হয়।

**মণিপুৰী সকলৰ মাজত বিবাহ ঃ** মণিপুৰী সকলৰ [...] পতি-পত্নী বিবাহৰ প্ৰচলন অধিক। বহুপত্নী বিবাহৰ [...] সমাজত আছে যদিও এওঁলোকৰ মাজত বহুপতি বি[...] দেখা নেযায়। মণিপুৰী সকলৰ মাজত বহুতো খেল বা [...] আৰু নিজৰ খেলৰ বাহিৰতহে বিবাহ কাৰ্য সম্পন্ন [...] কিন্তু মাকক যিটো খেলৰ পৰা বিয়া পতা হয় পুতেকে [...] ছোৱালী বিয়া কৰাব নোৱাৰে। এই নিষেধ এটা পু[...] পালন কৰা হয়। মণিপুৰী সকলৰ মাজত প্ৰজাপত্য, [...] আদি বিবাহ পদ্ধতিৰ প্ৰচলন আছে। সাধাৰণতে ক[...] বিবাহ কাৰ্য অনুষ্ঠিত হয় আৰু দৰা কন্যা উভয়ে উ[...] অৰ্পণ কৰে। ধৰ্মীয় পুৰোহিতৰ দ্বাৰাই বিবাহ কাৰ্য [...] হয়। বিবাহ কাৰ্য শেষ হ'লে দৰাই কন্যাক আৰু [...] মিঠাই খুৱায়। তাৰ পাছত কন্যাক দৰা গৃহলৈ লৈ অনা [...] সকলৰ মাজত বিধৱা বিবাহ প্ৰচলন আছে। স্বামীৰ [...] স্বামী বংশৰ বাহিৰৰ যিকোনো পুৰুষক পতি হিচাপে [...] পাৰে।

**মিজো সকলৰ মাজত বিবাহ ঃ** মিজো সকলৰ মাজ[...] পত্নী বিবাহৰ প্ৰচলন বেছি। এওঁলোকে উচ্চনীচ[...] নামানে। নিজৰ জনগোষ্ঠীৰ যিকোনো লোকৰ লগ[...] লোকৰ বিবাহ হ'ব পাৰে। অৱশ্যে তেজৰ সম্বন্ধ [...] মাজত বৈবাহিক সম্বন্ধ হব নোৱাৰে। মিজো সমাজত [...] প্ৰচলন আছে। বিবাহৰ পূৰ্বে কন্যাৰ উপযুক্ততা অনু[...]

B.H.B College, Sarupeta

[illegible] কৰা হয়। মূল বিবাহ কাৰ্যৰ বাবে দৰা কন্যাৰ গৃহলৈ যায়। বিবাহৰ পিছদিনা কন্যাক দৰা গৃহলৈ লৈ আহে তেতিয়াৰ পৰা কন্যা সেই গৃহৰ সদস্য হয়। মিজো সকলৰ মাজত বিবাহ বিচ্ছেদ অতি সহজ। স্বামীয়ে পত্নীত্যাগৰ কথা ঘোষণা কৰিলেই বিবাহ বিচ্ছেদ হব পাৰে।

**নগাসকলৰ মাজত বিবাহ ঃ** নগাসকলৰ মাজত বিভিন্ন জনগোষ্ঠী আছে। বহুপত্নী বিবাহৰ প্ৰচলন প্ৰতি জনগোষ্ঠীৰ মাজতে আছে। কন্যাক নগা সকলৰ মাজত বিবাহৰ ক্ষেত্ৰত তিৰোতাক প্ৰাধান্য দিয়া নহয়। ৰেংমা নগা আৰু জেমি নগা সকলৰ মাজত কন্যা মূল্য দিব লগাটো প্ৰচলিত নিয়ম। নগা সকলৰ বংশ বহি ৰ্বিবাহী। কিন্তু নগা সকলৰ গোষ্ঠী অন্তৰ্বিবাহী। নগা সমাজত বিলিংগ সহোদৰজ বিবাহৰ প্ৰচলন আছে। হৰণ বিবাহ নগা সকলৰ মাজত প্ৰায়েই দেখা যায়।

**মেঘালয় সকলৰ মাজত বিবাহ ঃ** মেঘালয়ত খাচী, গাৰো, জয়ন্তীয়া আদিয়েই প্ৰধান জনগোষ্ঠী। এই সকলৰ গোত্ৰ বহি ৰ্বিবাহী। তেওঁলোকে আনুষ্ঠানিকভাৱে বিলিংগ সহোদৰজ বিবাহ পদ্ধতি মানি চলে। তেওঁলোক পতি পত্নী বিবাহী। খাচী সকলৰ বিবাহৰ পাছত পতি পত্নীৰ গৃহলৈ যায়। সতি-সন্ততিয়ে মাতৃৰ উপাধি গ্ৰহণ কৰে।

**অৰুণাচলৰ ডফলা সকলৰ মাজত বিবাহ ঃ** অৰুণাচলত প্ৰায়বোৰ জনগোষ্ঠীয়েই গোষ্ঠী অন্তৰ্বিবাহী। অধিকাংশ জনগোষ্ঠীৰ মাজত বহুপত্নী বিবাহৰ প্ৰচলন আছে। কিছুমান জনগোষ্ঠীয়ে বেছি সংখ্যক মহিলা বিবাহ কৰাটো সামাজিক মৰ্যাদা বৃদ্ধিৰ কথা বুলি ভাবে। প্ৰায়বোৰ জনগোষ্ঠীৰ মাজত কন্যা মূল্যৰ প্ৰচলন আছে। ধনৰ পৰিবৰ্তে সাধাৰণতে কন্যামূল্য জীৱজন্তু কৃষি দ্ৰব্য বা অন্য বস্তুহে দিব লগা হয়।

**অসমৰ বড়োসকলৰ বিবাহ ঃ** বড়োসকলৰ গোত্ৰৰ বা খেল বহি ৰ্বিবাহী। তেওঁলোক গাওঁ অন্তৰ্বিবাহ। কন্যা মূল্য দিয়াটো তেওঁলোকৰ সমাজত ধৰা বন্ধা নিয়ম। যদিও এক পতি-পত্নী বিবাহ প্ৰচলন বেছি তথাপি বহুপত্নী বিবাহৰ অনুমোদনো সমানে দিয়ে।

**অসমৰ কাৰ্বিসকলৰ বিবাহ ঃ** কাৰ্বি সমাজত একে গোত্ৰ মাজত বিবাহ হোৱা নিয়ম আছে। কাৰ্বিসকলে বিলিংগ সহোদৰজ বিবাহত প্ৰাধান্য দিয়ে। পেহীয়েক বা মাহীয়েকৰ জীয়েক পুতেকৰ লগত বিবাহ হোৱাটো আদৰ্শ বুলি ভাবে। এওঁলোকৰ মাজত কন্যামূল্যৰ প্ৰচলন নাই। বিবাহ বিচ্ছেদো বহুত কম। বিধৱা বিবাহৰ প্ৰচলন আছে কিন্তু বাল্য বিবাহ এওঁলোকৰ মাজত নাই।

উত্তৰ পূব ভাৰতৰ বিবাহ ব্যৱস্থাত এনে ধৰণৰ বিবাহ পদ্ধতি প্ৰচলন আছে যদিও বহুতো জনজাতীয়ে বৰ্তমান ধৰ্মীয় পৰম্পৰা ত্যাগ কৰি সৰ্বভাৰতীয় ধৰ্ম গ্ৰহণ কৰিছে। নিজা পৰম্পৰা এৰি একোটা ধৰ্ম গ্ৰহণ কৰাৰ লগে লগে বিবাহৰ ক্ষেত্ৰতো পৰম্পৰা ভালেখিনি এৰিব লগা হয়। বিবাহৰ কিছুমান কাৰ্যত পূৰ্বৰ পৰম্পৰা থাকিলেও মূল বৈবাহিক কাৰ্য ধৰ্মৰ জৰিয়তে সমাপন হয়। ফলত বহুসংখ্যক জনজাতিৰ বিবাহৰ ক্ষেত্ৰত পৰিবৰ্তন আহি পৰিল। আকৌ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰে হিন্দু ধৰ্মৰ বিবাহ পদ্ধতিতো পৰিবৰ্তন আনিলে। সেইদৰে কৃষ্ণগুৰু আৰু পন্থা সকলেও বিবাহৰ পৰম্পৰাত পৰিবৰ্তন আনিছে। এইদৰে ধৰ্মৰ ক্ষেত্ৰত হোৱা পৰিবৰ্তনে উত্তৰ পূব ভাৰতত বিবাহ প্ৰথাৰ ওপৰতো পৰিবৰ্তন আনিলে। ◄

## জানো আহা

| প্ৰকৃত নাম | ছদ্মনাম | কাক কি বুলি জানো ? | |
| --- | --- | --- | --- |
| জ্যোতিমোহন দত্ত চৌধুৰী | [illegible] | নটসূৰ্য | ফণী শৰ্মা |
| [illegible] | [illegible] | বীৰ বালা | কনকলতা বৰুৱা |
| [illegible] | সীমা দত্ত | লোক নায়ক | অমিয় কুমাৰ দাস |
| [illegible] | [illegible] | লোক বন্ধু | ডাঃ ভুবনেশ্বৰ বৰুৱা |
| [illegible] | [illegible] | অসম কেশৰী | অম্বিকাগিৰী ৰায় চৌধুৰী |
| [illegible] | [illegible] | উপন্যাস, সম্ৰাট | ৰজনীকান্ত বৰদলৈ |
| [illegible] | [illegible] | বিপ্লৱী কবি | প্ৰসন্নলাল চৌধুৰী |
| [illegible] | [illegible] | [illegible] | চন্দ্ৰ কুমাৰ আগৰৱালা |
| [illegible] | [illegible] | [illegible] | নীলমণি ফুকন |

*সংগ্ৰহ ঃ নমিতা তালুকাদাৰ*
*উচ্চতম মাধ্যমিক প্ৰথম বৰ্ষ*

B.H.B. College Sarupeta

# মহাপুৰুষ শ্ৰীশ্ৰী
# গোপালদেৱৰ স

নমিতা দাস গুৰুং
প্ৰৱক্তা অসমীয়া বিভাগ

*কালঝাৰ গাঁৱৰ পৰা আঢ়ৈ*
*কিলোমিটাৰ দক্ষিণে '*
*কমলপুৰ থান' নামেৰে*
*এখন সত্ৰ আছে।*
*'চৰিত' মতে গোপাল আতাৰ*
*বিশিষ্ট আজ্ঞাপৰ*
*বৰ যদুমণি আতাই*
*এই সত্ৰ স্থাপন কৰিছিল।*
*এই সত্ৰত 'কেলি কদম'*
*গছ জোপাৰ বাহিৰে একো চিন*
*যদিও স্থানীয় ইছলাম ধৰ্মী*
*লোকসকলে এতিয়াও থানৰ মাহ*
*বিশ্বাস কৰে।*

গহীন গম্ভীৰ গুণৰ সন্দিৰ
নামত গোপালদৰ
অৰুণ অপাঙ্গ সুচান্দ বয়ন
সৰ্বলোকে কৰে সেৱ।।

**(অনিৰুদ্ধদেৱৰ ভক্তিমংগল ঘোষা ৪৭৪)**

মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ প্ৰিয়শিষ্য শ্ৰীমন্ত মাধৱদেৱৰ পৰৱৰ্তী কালতে আৱিৰ্ভূত হোৱা ধৰ্মাচাৰ্যসকলৰ ভিতৰত শ্ৰীমন্ত গোপালদেৱৰ অভ্যুদয় আৰু সুদূৰব্যাপী প্ৰভাৱ মহাপুৰুষীয়া ইতিহাসত বিশেষ উল্লেখযোগ্য। এইগৰাকী মহাপুৰুষক কেন্দ্ৰ কৰি গঢ়লৈ উঠা সত্ৰ দুখন হ'ল ভবানীপুৰ সত্ৰ আৰু কালঝাৰ সত্ৰ। এই সত্ৰসমূহ হ'ল অসমীয়া সংস্কৃতিৰ আপুৰুগীয়া সম্পদ। মহাপুৰুষ সকলে সৃষ্টি কৰি যোৱা এই সত্ৰই বৈষ্ণৱ ধৰ্মৰ ভেটিটোক কট্‌কটীয়াকৈ বান্ধি ৰাখিছে। কিন্তু দুখৰ বিষয় এই যে মহাপুৰুষ সকলৰ প্ৰাচীন থান সত্ৰৰ আবাস ভূমি এই অসমত আন আন থান সত্ৰৰ তুলনাত ইতিহাস প্ৰসিদ্ধ ভবানীপুৰ আৰু কালঝাৰ সত্ৰৰ অৱস্থা অতি দুখ লগা।

শ্ৰী গোপালৰদেৱৰ পিছত ভক্তসকলে নিজা বুলিবলৈ কোনো কেন্দ্ৰীয় থান নথকাত 'থান নাই যাৰ, মান নাই তাৰ' এই অনুভৱেৰে প্ৰাক্তন মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰী দেৱৰ ওচৰত আবেদন কৰে। সেই আহ্বানমৰ্মে মহেন্দ্ৰমোহন চৌধুৰী ডাঙৰীয়াৰ নেতৃত্বত ১৯৬৬ চনত এখন সমিতি গঠন কৰা হয়। আইনমতে

B.H.B College, Sarupeta

পঞ্জীভূত কৰা অসম ৰাজ্যিক 'শ্ৰীশ্ৰী গোপালদেৱ সমিতি'য়ে বহু কষ্ট স্বীকাৰ কৰি থান দুখন পুনৰ্নিৰ্মাণ কৰে।

দ্বিজ ৰামানন্দ ৰচিত শংকৰদেৱ মাধৱদেৱ চৰিত পুথিত কালঝাৰ আৰু ভবানীপুৰ থানৰ উল্লেখ—

দেৱতা মাধৱে পাছে ৰাম ৰাম গুৰুসমে
দিনা দশ মান অন্তৰত।
ভৱানীপুৰক পাই গোপালৰ গৃহে যাই
বসিলন্ত হৰিমন্দিৰত।।
গোপালে শুনিয়া পাছে আতাদেৱ আসি আছে
আসি দেখি পদে নমিলন্ত।
ৰামৰাম গুৰুৰ পাছে চৰণক প্ৰণামিয়া
দুইহস্তৰ পাৰ ধুৱাইলন্ত।। ১৮৬

বৰপেটাক পঠাই পাছে নটুৱা সৰক।
মাধৱ গৈলন্ত লৰি ভৱানীপুৰক।।
ভক্ত সৱ সমন্বিতে গোপাল গৃহত।
ৰহিলা মাধৱদেৱ আনন্দ মনত।। ৩১৪

বৰ নৱনগৰ ভৱানী কালঝাৰ।
চাৰিও নগৰ আতি ভৈলা জাতিস্মাৰ।। ১৩৯

তথাত থাকিবে আৰ নাহি প্ৰয়োজন।
কালঝাৰে যাইবে গোপালৰ ভৈল মন।। ৪১৭

পড়িয়া সকলে গৃহ সাজিয়া দিলন্ত।
হৰিষে গোপালে কালঝাৰে ৰহিলন্ত।।
সিটো কালঝাৰ ত্ৰৈলোক্যে নাহি সম।
পঙ্কজ বলাহ বৈকুণ্ঠতো মনোৰম।। ৪২৩

গোলাপ আতাই ৰাতিপুৱা ভৱানীপুৰ, আবেলি সুন্দৰী দিয়া আৰু সন্ধিয়া কালঝাৰ সত্ৰত নিত্য প্ৰসঙ্গ কৰিছিল। ভাটি বয়সত তেওঁ লাখুটি লৈ হ'লেও এই নিয়ম অটুট ৰাখিছিল। তেওঁ এই তিনি সত্ৰৰ মধ্যবৰ্তী ঠাই এটুকুৰাত অহা যোৱা কৰোতে অলপ জিৰণি লৈছিল। এদিনাখন কালঝাৰ সত্ৰমুখে যাওঁতে নিৰ্দিষ্ট ঠাইত লাখুটিডাল মাটিত অকমান পুতি মূৰৰ জাপিটো তাৰ ওপৰত থৈ জিৰণিৰ অন্তত লাখুটিডাল আনিবলৈ গৈ দেখে যে লাখুটিডালত দুটা পোখা মেলিছে। পিছত সেই লাখুটিডালেই এজোপা শুৱনি ধোপগছত পৰিণত হ'ল আৰু সকালো বাটৰুৱাৰ জিৰণিৰ মনোৰম ঠাই হ'ল। সেই ঠাইখিনিয়েই আজিৰ 'ধোপগুৰি থান'।

কালঝাৰ গাঁৱৰ পৰা আঢ়ৈ কিলোমিটাৰ দক্ষিণে 'কমলপুৰ থান' নামেৰে এখন সত্ৰ আছে। 'চৰিত' মতে গোপাল আতাৰ বিশিষ্ট আত্মাপৰ বৰ যদুমণি আতাই এই সত্ৰ স্থাপন কৰিছিল। এই সত্ৰত 'কেলি কদম' গছ জোপাৰ বাহিৰে একো চিন নাই যদিও স্থানীয় ইছলাম ধৰ্মী লোকসকলে এতিয়াও থানৰ মাহাত্ম্য বিশ্বাস কৰে।

১৫৪১ চনত শিৱসাগৰ জিলাৰ গড়গাঁৱৰ কাষৰ খোখোৱা গাঁৱত জন্ম হোৱা কামেশ্বৰ ভূঞা আৰু বজ্ৰাঙ্গীৰ সুযোগ্য সন্তান গোপালে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ নিৰ্দেশ মতে ভৱানীপুৰত সত্ৰ স্থাপন কৰি সুদীৰ্ঘ ৪৪ বছৰ কাল ধৰ্ম চৰ্চা কৰে। মাধৱদেৱেও এই সত্ৰত ছমাহ কাল থাকি ধৰ্ম চৰ্চা কৰিছিল। গোপাল আতাৰ নেতৃত্বত স্থাপন হোৱা আন তিনিখন সত্ৰ হ'ল— কালঝাৰ, পৰাভড়াল আৰু জুৰাৰদি। ১৬১১ চনত এইগৰাকী মহাপুৰুষ বৈকুণ্ঠগামী হয়।

আহোম ৰজাৰ দিনত ভৱানীপুৰৰ সত্ৰৰ নামত ৪৫২ পুৰা (কিছুমানৰ মতে ৫৫২ পুৰা) মাটি দান দিয়াৰ উমান পোৱা যায়। এই মাটিতে পতা গোপাল আতাৰ সত্ৰখন গোপাল আতাৰ অনুগামী সকলে বহু বছৰলৈ পৰম্পৰাগত নীতি নিয়মেৰে চলাই আছিল। কিন্তু ১৮৯৭ চনৰ বৰ ভূঁইকঁপত আন সত্ৰৰ নিচিনা ভৱানীপুৰৰ সত্ৰখনো ভাগি ছিগি চূৰ্ণ-বিচূৰ্ণ হৈ যায়। ভূমিকম্প আৰু মহামাৰীৰ ভয়ত বাচি থকা মানুহবোৰ দিহা দিহি পলাই গ'ল। বছৰৰ পিছত বছৰ বাগৰি গৈ মূল সত্ৰখন নিশ্চিহ্ন হৈ পৰিল।

বহু বছৰ পিছত সত্ৰখনৰ উত্তৰফালে ভালাগুৰী গাঁৱৰ দক্ষিণ অঞ্চললৈ লাহে লাহে মানুহ থাকিবলৈ আৰম্ভ কৰে আৰু এই অঞ্চলক নতুনকৈ 'পুৰণ ভৱানীপুৰ' নামেৰে নামাকৰণ কৰে। আনহাতে সত্ৰত থকা পুৰণি মানুহবোৰ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে বাস কৰিবলৈ লয় আৰু তেওঁলোকৰ অঞ্চলৰ নাম হয় ভৱানীপুৰ।

'পুৰণ ভৱানীপুৰ'ৰ মানুহবোৰ গৰু চৰাবলৈ গৈ বৰ্তমানৰ সত্ৰ থকা ঠাইত ঘৰৰ ভেটিৰ চিন, শংখ, খোল, তাল, দবা, শালকাঠৰ খুঁটা কেইটামান, শিল এটা আদি বস্তুবোৰ মাটিত আধাপোত খাই থকা অৱস্থাত দেখিবলৈ পায়। গাঁৱৰ ৰাইজে প্ৰথমতে তাতেই নাম কীৰ্তন কৰে যদিও পিছলৈ বস্তুবোৰ ডাঙৰ আঁহত গছ এজোপাৰ তলত সযতনে ৰাখি থয়। তাতেই মাহ প্ৰসাদ, ভোগ আদিও দিয়াৰ ব্যৱস্থা কৰে। ইকাণ সিকাণকৈ এই কথা চাৰিওফালে জনাজাত হৈ পৰিল।

১৯৬৪ চনত নগাঁও জিলাৰ হাতীচোং কুঁজীদহৰ জুৰীয়া কীৰ্তন ঘৰত গোপাল আতাৰ সত্ৰ সম্পৰ্কে এখন বিশাল জনসভা অনুষ্ঠিত হয়। এই সভাতেই সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীদেৱে পুৰণ ভৱানীপুৰত মূল নামঘৰ, শংকৰদেৱ মন্দিৰ আৰু মাধৱদেৱৰ মন্দিৰ নিৰ্মাণ কৰাই দিয়াৰ লগতে

B.H.B. College, Sarupeta

কালঝাৰ সত্ৰখনো পুনৰ্নিৰ্মাণ কৰাই দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। এই সভাত গঠন কৰা ২৫০ জনীয়া 'গোপাল আতা সত্ৰ নিৰ্মাণ সমিতি'ৰ সভাপতি আছিল মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীদেৱ আৰু সম্পাদক আছিল যোৰহাটৰ অৱসৰ প্ৰাপ্ত অধিবক্তা ˚মোহন চন্দ্ৰ মহন্তদেৱ। ৰাইজে মুক্ত হস্তে কৰা দান বৰঙণি আৰু ˚মোহন চন্দ্ৰ মহন্তদেৱৰ আপাশুধীয়া চেষ্টাৰ ফলত গোপাল আতাৰ সত্ৰখনে পুনৰ ঠন ধৰি উঠে। মোহন চন্দ্ৰ মহন্তদেৱে সত্ৰখনৰ ৰক্ষণাবেক্ষণ তথা উন্নতিৰ বাবে কাম কৰি যাব পৰাকৈ সত্ৰখনৰ চৌপাশৰ ধৰ্মপ্ৰাণ আৰু উদ্যোগী ব্যক্তি কিছুমানক লৈ এখন 'গোপাল আতা সত্ৰ পৰিচালনা শাখা সমিতি' নামৰ সমিতি গঠন কৰি দিয়ে। সেই নিয়ম অনুযায়ী আজিও শাখা সমিতিৰ জৰিয়তে সত্ৰখন পৰিচালিত হৈ আছে।

তিনিশ তিনিকুৰি আৰু তেৰজন ভকতক লগত লৈ আহি স্থাপন কৰা 'কালঝাৰ' গোপাল আতাৰ দ্বিতীয় সত্ৰ। এসময়ত 'কালঝাৰ সত্ৰ' ইমান ডাঙৰ আছিল যে কেতিয়াবা সভা-সমিতি হ'লে মানুহ নিয়ন্ত্ৰণ কৰিবলৈ ৩৬ জন 'বৰা' নিয়োগ কৰিব লাগিছিল। কিন্তু ১৮৯৭ চনত হোৱা বৰ ভূঁইকঁপত এইখন সত্ৰও প্ৰায় ধ্বংসপ্ৰাপ্ত হয়। কালঝাৰ সত্ৰৰ ভকত সকলে বানপানী, কলেৰা, গ্ৰহণী আদি মহামাৰীৰ ভয়ত বিভিন্ন ঠাইলৈ গৈ বসবাস কৰিবলৈ ধৰে। তেতিয়া কালঝাৰ সত্ৰৰ ৭ ঘৰ আৰু ঝাৰবাৰী গাঁৱৰ ২ ঘৰ, মুঠ ৯ ঘৰ মানুহে লগ হৈ সেই সময়তে কালঝাৰ সত্ৰৰ উত্তৰ পশ্চিমত থকা মানাহ নৈৰ (বৰ্তমানৰ পল্লা) পাৰৰ ওখ চাপৰিত গৈ খেৰ বাঁহৰ পঁজা সাজি বাস কৰিবলৈ ধৰে। তেওঁলোকৰ বংশধৰ এতিয়াও 'বৰ্তমানৰ কালঝাৰ সত্ৰ'ত আছে।

আহোম ৰজা শিৱসিংহই সত্ৰৰ নামত প্ৰায় ১৯০০ বিঘা মাটি ধৰ্মোত্তৰ হিচাপে দান কৰে আৰু সেই মাটিবিলাক সত্ৰৰ ভকতসকলে ভালদৰে ৰক্ষণাবেক্ষণ কৰিছিল।

১৪৬৩ শক, ইংৰাজী ১৫৪১ চনৰ ১৪ মে' শনিবাৰে বহাগ মাহৰ শুক্লাষষ্ঠী তিথিত জন্মলাভ কৰা গোপাল আতাই এই কালঝাৰ সত্ৰতে ১৫৩৩ শকত বহাগ মাহৰ শুক্লাষষ্ঠী তিথিত বৈকুণ্ঠগামী হয়। তেওঁৰ বৰপুত্ৰ জীৱন কালতেই ঢুকাইছিল আৰু তেওঁৰ সৰুজনীয়া পুত্ৰ আছিল মৃত্যুৰ সময়ত নাবালক; সেয়েহে কালঝাৰ সত্ৰখন কিছুকাল শ্ৰীৰাম আতাই চলাইছিল। তেওঁ সত্ৰ ... অসমৰ্থ হোৱাত গুচি যোৱাত গোপাল আতাৰ বংশধৰ সকলে ... পুনৰ চলাবলৈ লয়। পাঠশালাৰ ওচৰৰ কালঝিৰাপাৰা সত্ৰ ... সত্ৰৰে এটি শাখা বুলি জনা যায়।

পূৰ্ণানন্দ দেৱৰ গোপাল আতাৰ চৰিতত উল্লে... মহাৰাজ নৰনাৰায়ণে ঘিলাত থাকোতে কামৰূপত চাৰিনগ... কৰে। ভৱানীপুৰ কালঝাৰ, নবনগৰ (বৰ্তমান হাউলী) ... ৰবনগৰ। 'কোৱাছৰ ৰজা বোলে কিনো কালঝাৰ'— ... পাৰিষদ বৰ্গক প্ৰশ্ন কৰি কালঝাৰ নামৰ তাৎপৰ্য বুজি লৈ... কালঝাৰ যে এখন দৈৱিক গুণ সম্পন্ন ঠাই সেই কথা ... ৰজাই শংকৰ গুৰুৰ পৰামৰ্শ লৈ বঁটা বাহনেৰে আহোম ... ভা-ভাঙৰীয়া সকলক সন্তুষ্ট কৰি আহোম ৰজাৰ সৈতে ... চুক্তি কৰি আহোম ৰাজ্যৰ পৰা কমাৰ, কুমাৰ, সোণাৰি, ... তাঁতী আদি কিছু বৃত্তিয়াল লোক আনি চাৰি নগৰত সংস্থাপন ...

বৈষ্ণৱ ধৰ্মৰ নিৰবধি যাত্ৰাত সত্ৰ সমূহে অ... উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। কিন্তু এই ... বৰ্তমানৰ নিঃকিন অৱস্থাই ইয়াকে প্ৰতীয়মান কৰে যে এই ... হয়তো এদিন লুপ্ত হৈ যাব। এই সত্ৰসমূহৰ উদ্ধাৰৰ ... প্ৰজন্মক জাগ্ৰত কৰিব লাগিব। লগতে লাগিব চৰকাৰৰ ... সহযোগ। ৰাইজে নেৰানেপেৰাকৈ লাগিলে চৰকাৰে সহায় ... নিশ্চয় বাধ্য হ'ব।◀


**প্ৰসঙ্গ পুথি—**

১। মহাপুৰুষ শ্ৰীশ্ৰী গোপালদেৱৰ চৰিত্ৰ— শ্ৰীশ্ৰী গোপালদেৱ ... সমিতি।

যুটীয়া সম্পাদক— শ্ৰী মোহন চন্দ্ৰ মহন্ত, ডাঃ নবীন চন্দ্ৰ ৰ...

২। শ্ৰীশ্ৰী গোপালদেৱ সৌৰৱণ— 'স্মৃতিগ্ৰন্থ' ৩৭৬ তম, তিৰো... ২০ বহাগ, ১৩৯৪ চন, শ্ৰীশ্ৰী গোপালদেৱ থান, শাখাকমিটি, পু... মুখ্য সম্পাদক— প্ৰভাত কুমাৰ বৰ্মণ

৩। জানা যেন কল্পতৰু— 'স্মৃতিগ্ৰন্থ' ১১, ১২, ১৩ অক্টোবৰ ... ভৱানীপুৰ নামঘৰ প্ৰাঙ্গণ, প্ৰবন্ধ— ভৱানীপুৰীয়া গোপালআতা ... ভৱানীপুৰ— শ্ৰীৰামকৃষ্ণ তালুকদাৰ

৪। স্মৰণি-জ্যোতি— 'স্মৃতিগ্ৰন্থ'-মহাপ্ৰভু শ্ৰীশ্ৰী জগন্নাথৰ ... ৰাজহুৱা নাম, পৰিচালনা সমিতি, কালঝাৰ সত্ৰ, ১৪১৩ চন (২...


*কোৱা বাহুল্য, কায়েমী শোষণতন্ত্ৰৰ স'তে পৰিবৰ্তনকামী সমাজৰ খাপ খাই চলা সম্ভৱ নহয়, যৌৱনৰ ধৰ্মই হ'ল অবিৰাম যোৱা, অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰি জীৱনক প্ৰতিষ্ঠা কৰা।*

*— মোহনকৃষ্ণ মিশ্ৰ*

B H B College Sarupeta

## সাম্প্ৰতিক পৰিস্থিতিত অসমীয়াৰ জাতীয় উৎসৱ

# বিহু আৰু ইয়াৰ অস্তিত্ব

**ৰীমা কাশ্যপ**
**উঃ মাঃ দ্বিতীয় বৰ্ষ**

**বিহুৰ উৎপত্তি আৰু পৰিচয়—** যি উৎসৱ কোনো জাতিয়ে স্বতঃস্ফূৰ্তভাৱে তথা উমৈহতীয়াভাৱে পালন কৰে সেই উৎসৱকে জাতিটোৰ জাতীয় উৎসৱ বোলে। প্ৰতি অসমীয়াই স্বতঃস্ফুৰ্ত তথা উমৈহতীয়াভাৱে বিহু পালন কৰে। বিহুৰ উৎপত্তি ক'ত কেনেকৈ হ'ল সেই বিষয়ে প্ৰকৃত তথ্য পোৱা নাযায়। বহু পণ্ডিতৰ মতে সংস্কৃত বিষুব শব্দৰ পৰা বিহু শব্দৰ উৎপত্তি। অসমীয়াৰ এই বিহু বছৰৰ তিনিটা ঋতুত পালন কৰা হয়। চ'ত আৰু বহাগ মাহৰ সংক্ৰান্তিত বহাগ বিহু বা ৰঙালী বিহু। পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিত মাঘ বিহু বা ভোগালী বিহু আৰু আহিন আৰু কাতি মাহৰ সংক্ৰান্তিত কাতি বিহু বা কঙালি বিহু পালন কৰা হয়।

**সাম্প্ৰতিক পৰিস্থিতিত বিহু—** অসমীয়াৰ জাতীয় উৎসৱ বিহুৰ আগৰ দিনৰ প্ৰকৃত ৰূপ আৰু সাম্প্ৰতিক পৰিস্থিতিত তাৰ ৰূপৰ মাজত বহুত ব্যৱধান আহি পৰিছে। যি সময়ত প্ৰকৃত ৰূপত বিহু পালন কৰা হৈছিল তেতিয়া ১০০% মানুহেই প্ৰত্যক্ষৰূপে কৃষি নিৰ্ভৰশীল আছিল। আৰু তাৰ লগত সংগতি ৰাখি বিহুও আছিল কৃষি উৎসৱ। কিন্তু আজি ৬০% মানুহে প্ৰত্যক্ষভাৱে কৃষি নিৰ্ভৰশীল আজিৰ যুৱ সমাজৰ একাংশই চহৰাঞ্চলত বহাগ বিহুক জনতাৰ অহিলাৰূপে ব্যৱহাৰ কৰিছে। আগতে ঘৰৰ বস্তুৰ পৰা ঘৰতে তৈয়াৰ কৰা পিঠা, পনা, সান্দহ আদি আজি দোকানতে পোৱা যায়। আজিৰ চহৰাঞ্চলটো দূৰেই গাঁৱৰ বিহুতো অপ-সংস্কৃতি সোমাই পৰিছে। গছৰ তলৰ বহাগ বিহু কেৱল দূৰদৰ্শনতহে দেখা যায়। সেই বিহু আধুনিক মঞ্চলৈ উঠি আহিল। তাৰো সামান্য অংশহে বিহু বা হুচৰিৰ বাবে থাকে বাকী অংশ আধুনিক তথা পশ্চিমীয়া সাংস্কৃতিক অনুষ্ঠানেৰে ভৰা। আজিৰ একাংশ আঢ্যৱন্ত অসমীয়াই ভোগালী বিহুৰ দিনা দৈ-চিৰা খোৱাতকৈ এখন ডাঙৰ হোটেলত খোৱাটো বেছি পচন্দ কৰা দেখা যায়। ই এটা অসমীয়া জাতিৰ বাবে বিহুৰ প্ৰতি অংশত আধুনিকতাই বিৰূপ প্ৰভাব পেলাইছে।

**বিহুৰ অস্তিত্ব—** কৃষিপ্ৰধান বিহুৰ অস্তিত্ব আজি সংকটত। বহাগ বিহু আৰু মাঘবিহুৰ ৰূপ যথেষ্ট সলনি হৈছে। ভিতৰুৱা গাঁৱৰ বাদে বাকী অংশত কাতি বিহুৱে অস্তিত্বৰ বাবে কৰা যুদ্ধ পৰাজয়ৰ মুখত। কাতি বিহুৰ অন্যতম প্ৰতীক আকাশ বন্তিৰ ব্যৱস্থাও কমি আহিছে।

ভোগালী বিহুত সজা ভেলাঘৰ আৰু ভেলাপুজি দিনে দিনে কমি আহিছে। বিহুত পিঠাৰ প্ৰচলন কমি আহিছে। ব্যৱসায়িকভাৱে বিহুত পিঠা,লাৰু, সান্দহ আদি বিক্ৰীৰ বাবে মুকলি কৰা হৈছে। তথাপিও ইয়াক আমি ভোগালী বিহুৰ উন্নতৰূপ বুলি মানি লব পাৰোঁ। কিন্তু আজিৰ ভেলাঘৰবোৰ যুৱ উশৃংখলতাৰ ভাণ্ডাৰ স্বৰূপ হৈ পৰিছে। যি ভেলাঘৰত গঞা বাইজে ভোজ ভাত খাইছিল তাত আজিকালি মাইক বজাই মদ্যপান কৰা হয়। ভোগালী বিহুৰ দিনা চিৰা, দৈ খোৱাৰ সলনি ৰেষ্টোৰাত চিকেন চাওঁ, কেক, কাটলেট খোৱাটো পচন্দ কৰিব। ম'হ যুঁজ, কণীযুঁজ, কুকুৰা যুঁজ আদি স্মৃতি হৈ ৰোৱাৰ উপক্ৰম। বহাগ বিহুৰ অনুষ্ঠান মঞ্চকেন্দ্ৰিক হৈ পৰিছে। ইয়াত বিহু, নাচ, হুঁচৰিতকৈ অন্যান্য অনুষ্ঠান যথেষ্ট বেছি হয়। তথাপিও যদি ইয়াক আমি বিহুৰ আধুনিকীকৰণ ৰূপে মানি লওঁ তেন্তে ইয়াৰ কিছুমান ইতিবাচক দিশ চকুত পৰে যেনে— মঞ্চকেন্দ্ৰীক অনুষ্ঠানত নানা নতুন শিল্পীৰ প্ৰতিভা প্ৰকাশ পায়। বিহু হুচৰি আৰু কুঁৱৰী প্ৰতিযোগিতা অনুষ্ঠিত হয়। বহাগী বিহুত মঞ্চ অনুষ্ঠানৰ লগতে নানা খেল-ধেমালী আৰু প্ৰতিযোগিতা অনুষ্ঠিত হয়।

সুখবৰ যে সুদূৰ আমেৰিকাত বিহু পালন কৰা হৈছে। আৰু এইবছৰ যথেষ্ট সংখ্যক নতুন বিহু গীতৰ ভি চি ডি প্ৰকাশ পাইছে। বিহুৰ আধুনিকীকৰণ হ'লেও প্ৰকৃত বিহুৰ অধিকাংশই অস্তিত্বৰ যুঁজত নামিব লগা হৈছে।

**সামৰণি—** সময়ৰ সৈতে সংস্কৃতি সলনি হ'ব ই ধ্ৰুব সত্য। সেইবুলি নতুনত্বৰ চৌত নিজৰ সংস্কৃতিৰ ভেটি অন্ততঃ নিজৰ জাতীয় উৎসৱৰ ভেটি উটি যাব দিব নোৱাৰি।◀

B.H.B College, Sarupeta

# সুস্থ শৈক্ষিক পৰিৱেশ
# ছাত্ৰ সংগঠনৰ প্ৰাসঙ্গি

ডেইজী পাঠক
স্নাতক প্ৰথম বৰ্ষ

ছাত্ৰ হ'ল বিপ্লৱৰ বাৰ্তাবাহক— লেনিন।

মানৱ জীৱনৰ মূল ভেটি হ'ল ছাত্ৰ জীৱন। ছাত্ৰাৱস্থাতে ব্যক্তি এজনৰ মানসিকতাক প্ৰভাৱিত কৰে তেওঁৰ ঘৰুৱা পৰিৱেশ, আৰ্থ-সামাজিক ৰাজনৈতিক পৰিস্থিতি আৰু পৰিয়ালগত শ্ৰেণী চেতনাই। হিটলাৰৰ ফেচিবাদী আগ্ৰাসনৰ সময়ত জাৰ্মানীৰ বৃহৎ অংশৰ ছাত্ৰই হিটলাৰৰ সমৰ্থনত অৱস্থান লৈছিল। নাজীবাদকো নৈতিক সমৰ্থন দিয়াৰ উপৰি সৈন্যবাহিনীতো তেওঁলোকে বিপুল পৰিমাণত নামভৰ্তি কৰিছিল। ছাত্ৰ সমাজৰ এই ভূমিকা আছিল প্ৰতিক্ৰিয়াশীল। কিন্তু ইয়াৰ পূৰ্বে ৰাছিয়াত সংঘটিত হোৱা সমাজতান্ত্ৰিক বিপ্লৱত সৰ্বহাৰাৰ শ্ৰেণী চেতনাৰে উদ্বুদ্ধ ছাত্ৰ সমাজে বিপ্লৱ সংঘটিত কৰাত যি ভূমিকা লৈছিল, সেয়া প্ৰগতিশীল। সেয়েহে ছাত্ৰ মাত্ৰকে প্ৰগতিশীল বা প্ৰতিক্ৰিয়াশীল এই দৃষ্টিভংগী শুদ্ধ নহয়।

আজি সম্প্ৰতি অসম তথা ভাৰতবৰ্ষত অলেখ ছাত্ৰ সংগঠন আছে আৰু নিতৌ ন ন ছাত্ৰ সংগঠনে গজালি মেলিছে। ভৱিষ্যতে এই সংখ্যা আৰু বাঢ়িব। অথচ অসম তথা ভাৰতবৰ্ষত ছাত্ৰ সমাজৰ সমস্যা সমাধান হোৱা দূৰৈৰ কথা সামগ্ৰিক সমস্যা বৃদ্ধিহে হৈছে। ছাত্ৰ সমাজৰ মৌলিক সমস্যা সমাধান কৰাৰ ওপৰত গুৰুত্ব নিদি নিজ নিজ জাতি-জনগোষ্ঠীৰ বিষয়ে কিছুমান প্ৰশ্নক লৈ যুঁজাৰ বাবে শক্তি ব্যয় কৰিছে। অৱশ্যে ছাত্ৰ সমাজৰ মৌলিক সমস্যা সমাধানৰ লগতে এক সুস্থ শৈক্ষিক বাতাৱৰণ গঢ়ি তুলিবৰ চেষ্টা চলোৱা বহু ছাত্ৰ সংগঠনো আছে। এনেকুৱা



*ব্যক্তিগত শিক্ষানুষ্ঠানবোৰ*
*হোৱাৰ উপৰি সেইবোৰৰ*
*পৰিৱেশো হ'ল অগণতান্ত্ৰি*
*শিক্ষক শিক্ষয়িত্ৰীসকলক অ*
*দৰমহাত কাম কৰিবলৈ বা*
*কৰোৱা হয়। তেওঁলোকক*
*আৰু আন্দোলনৰ সুযোগ*
*মালিকসকলে নিদিয়ে। এই*
*চৰকাৰৰো কোনো নিয়ন্ত্ৰণ*
*হস্তক্ষেপ নাই।*

B.H.B. College, Sarupeta

মানৱজাতিৰ শত্ৰুসকলে মানুহৰ চিন্তা আৰু কৰ্মকাণ্ডক ভিন্ন ধৰণেৰে ভাগ ভাগ কৰি মানৱতাকে বিকৃত আৰু পঙ্গু কৰিবলৈ ষড়যন্ত্ৰ চলাইছে সাম্ৰাজ্যবাদৰ মতাদৰ্শগত তাত্বিকসকলে সেই উদ্দেশ্যে নতুন নতুন তত্ত্ব বাহিৰ কৰি আছে।

গণতান্ত্ৰিক আৰু প্ৰগতিশীল ছাত্ৰ সংগঠনে ব্যাপক ছাত্ৰৰ ঐক্য সুনিশ্চিত কৰাৰ স্বাৰ্থতেই কেতবোৰ আশু কাৰ্যসূচীৰ ভিত্তিত গণ আন্দোলনৰ মঞ্চত সমবেত হোৱাকে বৰ্তমান সময়ত প্ৰাসংগিকতা আহি পৰিছে। কাৰণ শিক্ষাৰ সকলো স্তৰতে ব্যৱসায়ীকৰণ আৰু বাণিজ্যিকীকৰণ বৃদ্ধি কৰি বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে শিক্ষাক এটি পণ্য সামগ্ৰীত পৰিণত কৰিবৰ বাবে চেষ্টাৰ ত্ৰুটি কৰা নাই। ব্যক্তিগত শিক্ষানুষ্ঠানবোৰৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে অসমতো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শ্ৰেণীগত বিভাজন প্ৰক্ৰিয়া এটা গা কৰি উঠিছে। আমাৰ দেশত চৰকাৰী শিক্ষাৰ নীতি আৰু সম্প্ৰসাৰণ বৰ্ত্তি থকালৈকে শিক্ষাগত বৈষম্যই গা কৰিব নোৱাৰিছিল আৰু সকলোৰে বাবে শিক্ষা ধৰণৰ এটা বিশ্বাস আৰু দাবী সাৰ্বজনীন হৈ উঠিছিল। স্বাভাৱিকতে স্কুল কলেজত সমাজৰ ধনী-দুখীয়া ছাত্ৰছাত্ৰীবোৰ শ্ৰেণীৰে ল'ৰা-ছোৱালী আহি সমবেত হৈছিল আৰু একেলগে পঢ়া-শুনা কৰিছিল। গতিকে ক'ব নোৱাৰাকৈ [illegible] মনত ৰাষ্ট্ৰীয় বা জাতীয় ঐক্য আৰু দেশাত্মবোধ [illegible] আঁচোৰ পৰিছিল, কম বেছি পৰিমাণে হ'লেও [illegible] সেই জাতীয় ঐক্য আৰু দেশপ্ৰেমৰ ভাৱধাৰাৰ [illegible] আৰম্ভ কৰিছে। এটা হ'ল শিক্ষাৰ [illegible] আৰু আনটো গেৰুৱাকৰণ। ইয়াক ৰোধ [illegible] গণতান্ত্ৰিক আৰু প্ৰগতিশীল ছাত্ৰ সংগঠনসমূহৰ। [illegible] শিক্ষানুষ্ঠানবোৰ বন্ধী হোৱাৰ উপৰি সেইবোৰৰ [illegible]

মতাদৰ্শও সক্ৰিয় হৈ উঠে। দেশপ্ৰেম, জাতীয় ঐক্য সংহতি আৰু সেৱাৰ মনোভাৱৰ সলনি ব্যক্তিগত স্বাৰ্থ আৰু তীব্ৰ প্ৰতিযোগিতাৰ পৰিৱেশ এটাহে সযত্নে লালন-পালন কৰা হয়। এইটো ঠিক যে ভোগবাদী আদৰ্শটো বিদ্যালয়সমূহলৈ বাহিৰৰ পৰাহে সোমাইছে। সাম্ৰাজ্যবাদী বিশ্বায়নৰ নিকৃষ্ট ভোগবাদী দৰ্শনৰ চিকাৰ হৈছে সকলো। মাত্ৰ কথা হৈছে এয়ে যে গণতান্ত্ৰিক পৰিৱেশৰ অভাৱত এনে ব্যক্তিগত শিক্ষানুষ্ঠানবোৰত ভোগবাদী আদৰ্শ বেছি সবল হ'বলৈ সুযোগ পায়।

সেয়ে দেশৰ গণতান্ত্ৰিক ছাত্ৰ সংগঠনৰ সন্মুখতো এটা প্ৰবল প্ৰত্যাহ্বান আহি পৰিছে। দুখীয়া ছাত্ৰৰ ক্ষেত্ৰত দুৰৱস্থাত ভুগি থকা চৰকাৰী বা প্ৰাদেশীকৃত স্কুলবোৰৰ ছাত্ৰ-ছাত্ৰীৰ মাজতেই গণতান্ত্ৰিক ছাত্ৰ সংগঠনৰ কাম-কাজ সীমিত নাৰাখি ব্যক্তিগত শিক্ষানুষ্ঠানবোৰত থকা বাধাবোৰ অতিক্ৰম কৰি শৈক্ষিক ক্ষেত্ৰখন [illegible] পুনৰ জীৱনৰ কাৰণে গণতান্ত্ৰিক ছাত্ৰ সংগঠনে যুঁজিব লাগিব। নিয়মীয়া পাঠদান, পাঠগ্ৰহণ, বৈজ্ঞানিক পাঠ্যক্ৰম আৰু শিক্ষানুষ্ঠানবোৰ গণতান্ত্ৰিকভাৱে পৰিচালনাৰ দাবীত ছাত্ৰসমাজক ঐক্যবদ্ধ আৰু সজাগ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। এ[illegible] ক্ষেত্ৰক শিক্ষক আৰু অভিভাৱকসকলেও প্ৰয়োজন হ'লে সংগঠি[illegible] আৰু নেতৃত্ব দিব লাগিব।

মানৱজাতিৰ শত্ৰুসকলে মানুহৰ চিন্তা আৰু কৰ্মকাণ্ডক ভি[illegible] ধৰণেৰে ভাগ ভাগ কৰি মানৱতাকে বিকৃত আৰু পঙ্গু কৰিবা[illegible] ষড়যন্ত্ৰ চলাইছে সাম্ৰাজ্যবাদৰ মতাদৰ্শগত তাত্বিকসকলে সে[illegible] উদ্দেশ্যে নতুন নতুন তত্ত্ব বাহিৰ কৰি আছে। এইবোৰ জীৱন অ[illegible] সৃষ্টিৰ তত্ত্ব নহয়, নৈৰাজ্যবাদ আৰু চৰম বিভ্ৰান্তিহে দৰ্শন। সেয়ে [illegible] গণতান্ত্ৰিক আৰু প্ৰগতিশীল ছাত্ৰ সংগঠনে সেইবোৰ তত্ত্বৰ বিৰু[illegible] [illegible] সংকীৰ্ণতা, ভেদাভেদ, সামাজি[illegible] [illegible] পৰা মানৱজাতিক [illegible] [illegible] নতুন ইতিহাস গঢ়াৰ সম্ভ[illegible] [illegible] সমাজৰ আগত তুলি ধৰিব লাগিব।

B.H.B. College Sarupeta

# চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠা
# বনাম
# ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠা
# এটি পৰ্যালোচনা

নীলাক্ষী দাস
উঃ মাঃ দ্বিতীয় বৰ্ষ

শিক্ষা হ'ল এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। ই মানুহৰ মনৰ অজ্ঞান আন্ধাৰ দূৰ কৰি জ্ঞানৰ নতুন পোহৰ বিলায়। ইয়ে মনৰ জড়তা আঁতৰাই মগজুৰ উৎকৰ্ষ সাধন কৰি নব্য নতুন জ্ঞান গৰিমাৰ উন্মেষ ঘটায় বাবে; সৰ্বতোপ্ৰকাৰৰ উন্নতি সাধন কৰি এটা জাতি সমাজত সভ্য জাতি ৰূপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰে।

ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ। দেশৰ স্বাধীনতাই বাষষ্ঠি বছৰ অতিক্ৰম কৰিলে। এই বাষষ্ঠি বছৰে স্বাধীন দেশখনৰ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত যি শিক্ষা নীতি গ্ৰহণ কৰি আহিছে তাৰ দ্বাৰা দেশৰ সৰ্বস্তৰত শিক্ষা বিস্তাৰ সম্ভৱ নহয় কিয়নো ই সম্পূৰ্ণৰূপে ত্ৰুটিপূৰ্ণ। অথচ শিক্ষাৰ অধিকাৰক আমাৰ দেশৰ সংবিধানে প্ৰদত্ত আৰু মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছে। সংবিধান প্ৰণয়নৰ সময়তে ১৪ বছৰ বয়সলৈকে সাৰ্বজনীন আৰু বিনামূলীয়া শিক্ষা দিয়াৰ নীতি গ্ৰহণ কৰা হৈছিল যদিও ই ফুটুকাৰ ফেনতহে পৰিণত হোৱাৰ উপক্ৰম হৈছে। কিয়নো আমাৰ দেশৰ ৩৬.৬% শতাংশ লোক আজিও নিৰক্ষৰ।

আমাৰ দেশৰ ৰাজহুৱা খণ্ডৰ কিছুমান শিক্ষানুষ্ঠান চৰকাৰৰ নিজা উদ্যোগত স্থাপিত হয় আৰু আন কিছুমান ৰাইজে স্থাপন কৰে। ৰাইজে স্থাপন কৰাবোৰকে চৰকাৰে স্বীকৃত দি প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰে আৰু এই শিক্ষানুষ্ঠানবোৰে চৰকাৰী নীতি-নিয়ম মানি চলিবলৈ বাধ্য থাকে। কিন্তু চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহৰ দুৰ্বলতাৰ সুযোগ লৈ এটা শ্ৰেণীয়ে ব্যৱসায়িক দৃষ্টিভংগীৰে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান গঢ় দিব ধৰিছে। তাৰ

পৰিণতি স্বৰূপে বৰ্তমান সময়ত চৰকাৰী খণ্ডৰ শিক্ষ
ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ প্ৰাধান্য বেছি দেখিবলৈ
ফলত শিক্ষা ব্যৱস্থাটো এক পংগুত পৰিণত হৈছে। চ
শিক্ষানুষ্ঠানত নপঢ়ি ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত না
কোনেও আপত্তি তুলিব নোৱাৰে; যদিহে ব্যক্তি
শিক্ষানুষ্ঠানক চৰকাৰে নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা থাকে
সম্প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত এক ডাঙৰ প্ৰত
চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠন বনাম ব্যক্তিগত খণ্ডৰ শিক্ষ

স্বাধীনোত্তৰ ভাৰতবৰ্ষত শিক্ষাক সেৱা খণ্ডৰ
হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। কিন্তু শিক্ষা
অৰাজকতাই বিৰাজ কৰিছে। শিক্ষাৰ শিতানত
কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰবোৰে বাজেটত যি
ধাৰ্য কৰি আহিছে সেয়া ইমানেই কম যে ইয়াৰ দ্বাৰা
বিশাল দেশখনৰ জনগণৰ বাবে শিক্ষা গ্ৰহণৰ প্ৰয়ো
প্ৰদান আৰু উন্নত আধুনিক শিক্ষাৰ প্ৰসাৰ সম্ভৱ ন
সময়ত দেশৰ মুঠ জাতীয় উৎপাদনৰ ০.৮২% ধন
শিতানত ব্যয় কৰা হৈছে। ইয়াৰ অৱশ্যম্ভাৱী ফল
বিভিন্ন শিক্ষানুষ্ঠান সমূহ তীব্ৰ অৰ্থনৈতিক সংকটত নি
উদাহৰণৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শেহতীয়া
যথেষ্ট। উচ্চশিক্ষাৰ শিক্ষানুষ্ঠানসমূহ সংকটত নিম
অৰ্থই হৈছে আমাৰ দেশৰ সাধাৰণ মানুহৰ ল'ৰা-
শিক্ষা লাভৰ পূৰ্বৰ যিকণ সুবিধা আছিল সেয়াও টু

B.H.B. College Sarupeta

ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান বুলিলে সাধাৰণতে কোনো ব্যক্তি বা ব্যক্তিসমষ্টিয়ে নিজ অৰ্থৰে পতা শিক্ষানুষ্ঠানক বুজা যায়। ব্যক্তিগত খণ্ডৰ গৰাকীয়ে অৰ্থৰ জৰিয়তে বিজ্ঞাপনে বা আন কোনো উপায়েৰে হওঁক নিজ শিক্ষানুষ্ঠানক অধিক জনপ্ৰিয় কৰি তোলে। তাত উচ্চমানৰ শিক্ষকো নিয়োগ কৰে। তাৰ ফলাফল যদি উন্নত মানৰ হয় তেতিয়া সকলোৱে স্বাভাৱিকতে তেনেকুৱা শিক্ষানুষ্ঠানৰ প্ৰতি আগ্ৰহান্বিত হয়। সেয়ে হয়তো সাধাৰণৰ শ্ৰেণীৰ মানুহ এজনেও নিজৰ সন্তানক তেনে শিক্ষানুষ্ঠানত পঢ়ুৱাবলৈ বিচাৰে। অৱশ্যে আৰ্থিক সংকট সিহঁতৰ মাজত প্ৰাচীৰ হয়।

উত্তৰণৰ নতুন দিগন্তলৈ দৃষ্টি প্ৰসাৰিত কৰি নতুন প্ৰজন্মই কণ্ঠত ধৰণা কৰিছে বিজয়ৰ গান। একবিংশ শতিকাৰ দুৰ্নিবাৰ গতিৰে প্ৰত্যাহ্বান গ্ৰহণ কৰি এই উত্তৰ প্ৰজন্মই সন্মুখলৈ আগুৱাবলৈ যেন বদ্ধপৰিকৰ। বিশ্ব জয়ৰ লক্ষ্যৰে বিদ্যায়তনিক উৎকৰ্ষতাৰ অস্ত্ৰ ধাৰণ কৰা নতুন প্ৰজন্মই সাব্যস্ত কৰা বিজয় যাত্ৰাৰ প্ৰাৰম্ভিক দলিল উন্নতমানৰ পৰীক্ষাৰ ফলাফল। কিন্তু সিহঁতৰ এই ফলাফল সত্ত্বেও হেঙাৰ ৰূপে থিয় দিয়ে— আৰ্থিক সংকট আৰু শিক্ষানুষ্ঠানৰ প্ৰতিযোগিতাই।

শিক্ষা বিভাগটো হ'ল এটা মানুহ গঢ়াৰ উদ্যোগ। সমসাময়িক সমাজ, সভ্যতা, সংস্কৃতি, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত মানুহক উপযুক্ত ৰূপত গঢ় দিয়াৰ দায়িত্ব বিভিন্ন শিক্ষানুষ্ঠানৰ জৰিয়তে শিক্ষক সমাজে লয়। বাস্তৱ জীৱনত নিত্য ব্যৱহাৰ্য প্ৰয়োজনীয় বস্তুসমূহ বিভিন্ন উদ্যোগে তৈয়াৰ কৰে। বস্তুসমূহ উৎপাদন কৰোতে আমাক বিভিন্ন কেঁচামালৰ প্ৰয়োজন হয়। সেয়ে নিম্নমানৰ কেঁচামালৰ পৰা আমি উচ্চ মানবিশিষ্ট সামগ্ৰী আশা কৰিব নোৱাৰো। ঠিক একেদৰে শিক্ষানুষ্ঠানসমূহত শিক্ষা গ্ৰহণৰ বাবে নামভৰ্তি কৰা সকলো ছাত্ৰ-ছাত্ৰীৰ বুদ্ধিমত্তা সমপৰ্যায়ৰ নহয়। তেনেদৰে শিক্ষানুষ্ঠানত পাঠদান কাৰ্যত ব্ৰতী হোৱা শিক্ষক-শিক্ষয়িত্ৰীসকলো একে মানৰ নহয়। আন এটা উল্লেখযোগ্য দিশ হ'ল কিছুমান আগশাৰীৰ ব্যক্তিগত আৰু চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানত কেৱল উচ্চ মানৰ নম্বৰৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি হয়। আনহাতে চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণকাৰীৰ দাবী ভিত্তিত নিম্নমানৰ ফলাফল দেখুওৱা ছাত্ৰ-ছাত্ৰীক নামভৰ্তি কৰিবলৈ কৰ্তৃপক্ষ বাধ্য হয়। তাৰ ফলত ফলাফলৰ ক্ষেত্ৰতো আকাশ-পাতাল প্ৰভেদ দেখিবলৈ পোৱা যায়। ইয়াৰ বাবে অৱশ্যে শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষক জগৰীয়া কৰাটো অনুচিত। আন এটা কথাও উনুকিয়াব লাগিব যে গ্ৰামাঞ্চল আৰু চহৰাঞ্চলৰ অন্তৰ্গত কিছুমান শিক্ষানুষ্ঠানৰ অনুশাসনহীনতা, শিক্ষক-শিক্ষয়িত্ৰীৰ অনিয়মীয়া উপস্থিতিৰ ফলতো এনে ধৰণৰ ফলাফল প্ৰদৰ্শন কৰিব নোৱাৰে। এইটো অৱস্থাৰ বাবে শিক্ষা বিভাগৰ বিষয়াসকলো কিছু পৰিমাণে জগৰীয়া। বিভাগীয় বিষয়াসকলে যদি সততা আৰু নিষ্ঠাৰে নিজৰ দায়িত্বত ব্ৰতী হ'লহেঁতেন, বিভাগীয় নীতি-নিয়ম উলংঘা কৰা শিক্ষকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিলেহেঁতেন তেতিয়া হ'লে কিছু হ'লেও সংস্কাৰ নতুবা পৰিবৰ্তন সকলোৰে দৃষ্টিগোচৰ হ'লহেঁতেন।

চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ ক্ষেত্ৰত আন এক সমস্যা হৈছে- বৰ্ধিত মাচুল। আমাৰ দেশৰ জনমূৰি আয় উন্নত দেশৰ তুলনাত অতি নগণ্য বুলি ক'ব পাৰি। এতিয়াও আমাৰ ২৬% লোক দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰে। গতিকে তেওঁলোকৰ আয় অৰ্জনৰ পৰিমাণো সামান্য। বৰ্ধিত মাচুলৰ হেতু আমাৰ দেশৰ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভৰ পৰা বঞ্চিত হৈছে তাক তথ্যৰ দ্বাৰা প্ৰমাণৰ প্ৰয়োজন নাই। আনহাতে, বৰ্তমান ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত মেধাতকৈ ধনক অধিক প্ৰাধান্য দিয়া দেখা যায়। আজিকালি ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত Donation দিয়াটো এটা নিয়মত পৰিণত হৈছে। কোনো অভিভাৱকৰ যদি আৰ্থিক দিশটো সবল হয় তেওঁলোকৰ সন্তান কম মেধাৱী হ'লেও ধনৰ বলত বহুতো প্ৰতিষ্ঠানত নামভৰ্তি কৰিব পাৰে। আনহাতে বহুতো মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে ধনৰ অভাৱত তেনেবোৰ প্ৰতিষ্ঠানত নামভৰ্তি কৰিব নোৱাৰে। ফলত শ্ৰেণীৰ বৈষম্যই গা কৰি উঠা দেখা যায়। অৱশ্যে এটা কথা উল্লেখ কৰিব লাগিব যে এই ক্ষেত্ৰত চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানতো ধনৰ লেনদেনৰ চলাৰ্থ কৰ্তা থকাৰ বিনিময়ত মেধা সম্পন্ন ল'ৰা-ছোৱালীবোৰ বঞ্চিত হোৱাও পৰিলক্ষিত হৈছে।

চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানৰ আন এটা সমস্যা হৈছে শিক্ষক আৰু ছাত্ৰৰ অনুপাতৰ ব্যৱধান। বহুতো শিক্ষানুষ্ঠান আছে য'ত ছাত্ৰৰ সংখ্যা অধিক কিন্তু ছাত্ৰৰ অনুপাতত শিক্ষকৰ সংখ্যা নিচেই কম। যাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কৰোতে বাধাগ্ৰস্ত হয়। বহু বছৰ ধৰি চৰকাৰে অৰ্থনৈতিক সংকটৰ অজুহাত দি বহু ভেঞ্চাৰ শিক্ষানুষ্ঠান প্ৰাদেশীকৰণ কৰা নাই আৰু খালী পদ সমূহতো শিক্ষক নিযুক্তি কৰা নাই। ফলত গোটেই শিক্ষা ব্যৱস্থাটোত অৰাজকতাই দেখা দিছে। প্ৰয়োজনীয় শৈক্ষিক সা-সঁজুলিৰ লগতে শিক্ষক-কৰ্মচাৰীৰ অভাৱত শৈক্ষিক পৰিবেশ দিনে দিনে ভয়াবহ ৰূপ ল'বলৈ ধৰিছে। বহুতো শিক্ষানুষ্ঠানত অৱসৰ বা মৃত্যু হোৱা শিক্ষক কৰ্মচাৰীৰ পদত নতুন নিযুক্তি নিদিয়াৰ ফলত শিক্ষক-ছাত্ৰৰ অনুপাত বৃদ্ধি হোৱা দেখা গৈছে। এনেকুৱা বহুতো শিক্ষানুষ্ঠান আছে য'ত শিক্ষক এজনৰ শিক্ষক হোৱাৰ নিম্নতম যোগ্যতাও নাই। তেনে ব্যক্তিৰ ওপৰতে চৰকাৰে অৰ্পণ কৰিছে শিক্ষাদানৰ দায়িত্ব। এয়া হৈছে চৰকাৰৰ ভুল শিক্ষা নীতিৰ প্ৰতিফলন। এনেবোৰ কাৰণত ছাত্ৰ আৰু শিক্ষকৰ মাজত সহযোগিতা স্থাপনৰ পৰিবৰ্তে সিহঁতৰ মাজত ব্যৱধান ক্ৰমাৎ বৃদ্ধি হোৱাহে পৰিলক্ষিত হৈছে।

ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত অধিক পৰিমাণৰ ধন

B.H.B College Sarupeta

বিনিময়ৰ নামভৰ্তি কৰা হয়। বৰ্তমান নিবনুৱা সমস্যা দ্ৰুত হাৰত বৃদ্ধি পোৱাৰ বাবে উচ্চমানৰ মেধাবী শিক্ষকসকলে কম বেতনৰ বিনিময়ত এনেকুৱা শিক্ষানুষ্ঠানত শিক্ষকতা কৰে। যাৰ ফলত মালিক গোষ্ঠীটোৰ আৰ্থিক দিশ টনকিয়াল হয় যদিও নিয়োজিত শিক্ষকসকলে কম বেতনতে শ্ৰম বিক্ৰী কৰিব লগা হৈছে। যাৰ ফলত শিক্ষাদান কাৰ্যত তেওঁলোকৰ উৎসাহ কমি যোৱাই স্বাভাৱিক। ইয়াৰ উপৰি শিক্ষকসকলে অকল পাঠ্যক্ৰমৰ বিষয়বস্তুৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা বাবে ছাত্ৰ-ছাত্ৰী সকলেও ভাটৌৰ দৰে মুখস্থৰ ওপৰত গুৰুত্ব দি বেছি নম্বৰ আহৰণ কৰি উন্নত মানৰ ফলাফল আহৰণ কৰে যদিও সিহঁতে প্ৰকৃত জ্ঞান আহৰণ কৰাৰ পৰা আঁতৰি আহি একো একোটা যন্ত্ৰত পৰিণত হৈ পৰে।

বৰ্তমান সময়ত চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানক অবহেলা কৰাৰ মূল কাৰক হিচাপে চৰকাৰকে জগৰীয়া কৰিব লাগিব। কিয়নো চৰকাৰে শিক্ষাৰ খণ্ডত ব্যয় কৰা ধনৰ পৰিমাণ যথেষ্ট কম। কাৰণ আমাৰ দেশীয় চৰকাৰে সাম্ৰাজ্যবাদী বিশ্বায়নৰ নী ফলত বিশ্ববেংক আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ নী লগা হোৱাত শিক্ষা শিতানত যে ব্যয় কৰ্তন কৰি সৰ্বজনবিদিত। উদাহৰণস্বৰূপে, প্ৰাথমিক শিক্ষাক বাবে চৰকাৰে কেতবোৰ আঁচনি প্ৰস্তুত কৰি তা দিছে যদিও অবাধ দুৰ্নীতিৰ কবলত পৰি এইবোৰ বিপৰীতে শৈক্ষিক পৰিৱেশ অধিক বিনষ্টহে পৰিণতিতে আৰ্থিকভাৱে স্বচ্ছল মধ্যবিত্ত ঘৰৰ খণ্ডৰ শিক্ষানুষ্ঠানৰ প্ৰতি আকৃষ্ট হৈ চৰকাৰী খ প্ৰতি আওকণীয়া মনোভাব পোষণ কৰা দেখা এই বৈষম্যমূলক নীতিবোৰ পৰিহাৰ কৰিলে হয়তো শিক্ষানুষ্ঠান আৰু ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান প্ৰতিযোগিতাখন কিছু পৰিমাণে হ'লেও ৰোধ অন্যথা আমাৰ দেশৰ গোটেই শিক্ষা ব্যৱস্থাটো খণ্ডত জাহ যোৱাৰ উপক্ৰম হ'ব।◀

# লাই ডিটেক্টৰ কি?

নিতুস্মিতা চৌধুৰী
উঃ মাঃ প্ৰথম বাৰ্ষিক

অপৰাধী বাছি উলিয়াবলৈ অফিছ কাৰখানাৰ কৰ্মচাৰীয়ে ফাঁকি দিলে তাক বুজিবলৈ বা ৰোগীয়ে কোৱা মিছা কথা ধৰা পেলাবলৈ আজিকালি পৃথিৱীৰ বিভিন্ন দেশত 'পলিগ্ৰাফ' নামৰ এবিধ যন্ত্ৰ ব 'লাই ডিটেক্টৰ বুলি কয়। এই যন্ত্ৰত মানুহৰ ৰক্তচাপ, নাড়ীৰ স্পন্দন, শ্বাস-প্ৰশ্বাসৰ হাৰ আদি জুখি এখন পৰ্দাতে তাৰ তৰংগ প্ৰকৃতি দেখুওৱা হয়। পৰীক্ষা কৰা মানুহজনক প্ৰশ্ন সুধিলে তেওঁ মিছা কথা ক'ব খোজাৰ লগে লগে ৰক্তচাপ, নাড়ীৰ স্পন্দন আদিৰ যি পৰিবৰ্তন হয় তাক পৰ্দাৰ তৰংগ চায়েই তৎক্ষণাত বুজিব পাৰি। ১৯২০ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ কিলাৰ আৰু লাৰছনে নিজা নিজাকৈ এনে যন্ত্ৰ সাজি উলিয়াইছিল। ১৯৩০ চনত ছালৰ স্পৰ্শকাতৰতা আদি ধৰিব পৰাকৈ কিলাৰে যন্ত্ৰটো উন্নত কৰে।◀

B.H.B. College, Sarupeta

# তছলিমা নাছৰিন আৰু বিভ্ৰান্ত নাৰীবাদ


মিতালী দাস
স্নাতক দ্বিতীয় বৰ্ষ


*তছলিমাৰ গদ্যসংকলন 'নিৰ্বাচিত কলম'খনে ভাৰতত আনন্দ পুৰস্কা... লাভ কৰাৰ পাছতে কিতাপখ... বহুলভাৱে প্ৰচাৰিত হয়। কাক... আলোচনী আদিত তছলিমাৰ ৰচনা... লৈ অত্যন্ত হীন প্ৰবন্ধপাতি প্ৰকা... হয়। তছলিমাই অত্যন্ত তীৰ্যকভা... ক্ষুৰধাৰ ভাষাৰে নাৰী নিপীড়... সম্পৰ্কে যে লিখিছে সেই সম্প... সন্দেহ নাই তেওঁৰ ৰচনা সমূ... নগ্নভাৱে সমাজৰ এখন চিত্ৰ অংক... কৰিছে য'ত নাৰী মাথো এক পণ্য...*

নাৰীবাদৰ জন্ম আধুনিক মানৱ সভ্যতাৰ এটা উল্লেখযোগ্য ঘটনা। নাৰীও মানুহেই আৰু মানুহৰ সমাজত পুৰুষৰ যি স্থান বা মৰ্যাদা আৰু অধিকাৰ নাৰীৰো সেয়াই হোৱা উচিত এই ধাৰণাই নাৰীবাদী আন্দোলনৰ উন্মেষ। এই ধাৰণা প্ৰথম প্ৰকাশিত হয় ফৰাচী দাৰ্শনিক কডচৰ গ্ৰন্থত। নাৰীবাদ ধাৰণাৰ বিকাশৰ ক্ষেত্ৰত বিপ্লৱী বৃটিছ মহিলা মেৰী ওলষ্টনক্ৰাফুটৰ অৱদান বিশেষভাৱে স্বীকৃত। তেওঁৰ প্ৰখ্যাত ৰচনা Vindication of the right of woman গ্ৰন্থত এই ধাৰণা বিস্তাৰিত হয় আৰু ইংলেণ্ডত ই সামাজিক ধাৰণা হিচাপে গঢ় ল'ব ধৰে। অৱশ্যে ইয়াৰো এশ বছৰৰ আগত বৃটিছ চিন্তাবিদ জনলকৰ ৰচনাত ব্যক্তি হিচাপে পুৰুষ আৰু নাৰী সমতাৰ কথা পোৱা গৈছিল। তেতিয়াৰ পৰা এই ধাৰণা চিন্তাশীল তথা প্ৰচাৰধৰ্মী বিভিন্ন ৰচনা আৰু সামাজিক ৰাজনৈতিক সংগঠন তথা সভা-সমিতি প্ৰসাৰিত হয়। ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা ই নাৰী মৰ্যাদা আৰু নাৰী অধিকাৰৰ এক শক্তিশালী আন্দোলন হৈ উঠিল। বৰ্তমান বিংশ শতিকাত এই আন্দোলনে ভাৰতকে ধৰি আজি পৃথিবীৰ প্ৰায়বোৰ দেশতেই বিকাশ লাভ কৰিছে ই অৱশ্যই আনন্দৰ কথা।

বাংলাদেশৰ বিতৰ্কিত নাৰীবাদী লেখিকা তছলিমা নাছৰিনৰ নাৰীবিষয়ক ৰচনাসমূহে সম্প্ৰতি ভাৰত আৰু বাংলাদেশ দুয়োখন দেশতে পাঠক সমাজৰ মাজত আলোড়নৰ সৃষ্টি কৰিছে। কোনোৱে তছলিমাৰ লেখাক সমৰ্থন কৰিছে। আকৌ আন এচামে নিন্দা কৰিছে। তছলিমাৰ গদ্যসংকলন 'নিৰ্বাচিত কলম'খনে ভাৰতত আনন্দ পুৰস্কাৰ লাভ কৰাৰ

B.H.B. College, Sarupeta

পাছতে কিতাপখন বহুলভাৱে প্ৰচাৰিত হয়। কাকত আলোচনী আদিত তছলিমাৰ ৰচনাক লৈ অত্যন্ত হীন প্ৰবন্ধপাতি প্ৰকাশ হয়। তছলিমাই অত্যন্ত তীৰ্যকভাৱে ক্ষুৰধাৰ ভাষাৰে নাৰী নিপীড়ন সম্পৰ্কে যে লিখিছে সেই সম্পৰ্কে সন্দেহ নাই তেওঁৰ ৰচনা সমূহে নগ্নভাৱে সমাজৰ এখন চিত্ৰ অংকন কৰিছে য'ত নাৰী মাথো এক পণ্য। নাৰী যেন এগিলাছ গাখীৰ যাক পি খাব পাৰি, নাৰী যেন এক সুস্বাদু ফল যাক চোবাই খাব পাৰি (নিৰ্বাচিত কলম)। এইধৰণৰ লেখাসমূহে নাৰী সমাজৰ সমৰ্থন আদায় কৰিব পাৰিব তাত নিঃসন্দেহ। কিন্তু গভীৰ প্ৰত্যাশাৰে তছলিমাৰ সমগ্ৰ ৰচনা পঢ়িলে ই সাধাৰণ পাঠক সকলৰ মনত উজুটিৰ সৃষ্টি কৰিব। নাৰী নিপীড়ন আমাৰ সমাজৰ এক বাস্তৱ সত্য। ইয়াৰ বিৰুদ্ধে সুচিন্তিত আৰু বৈজ্ঞানিক উপায়েৰে সংগ্ৰাম কৰাটোহে আচল কথা। কিন্তু তছলিমাৰ কিছু লেখা পঢ়িলে নাৰীবাদ সম্পৰ্কেই সাধাৰণ নাৰী সমাজ বিভ্ৰান্ত হ'ব। তেখেতৰ প্ৰকাশিত সাক্ষাৎকাৰ, নিৰ্বাচিত কলম আদিৰ পৰা কেইটামান উদ্ধৃতি দাঙি ধৰিলো।

(১) হয় মই অভিশাপ দিছো, আৰু খাদ্য নহয়, নাৰী এইবাৰ খাদক হওঁক। পুৰুষৰ খাদ্য হোৱাৰ অভিশাপ উচ্চাৰিত হওঁক সকলো নাৰী কণ্ঠত। নাৰীয়ে ধৰ্ষণ কৰিবলৈ শিকক, ব্যভিচাৰ কৰিবলৈ শিকক। নাৰী খাদকৰ ভূমিকালৈ নাহিলে তাইৰ খাদ্য কলংক কেতিয়াও নাতৰে। (নি. ক)

(২) সতিত্বৰ অৰ্থই হৈছে যৌনাংগক অচল কৰি ৰখা। (নি. ক)

(৩) পুৰুষে ভাবে তাৰ মঙহাল পেশী আৰু চাৰি ইঞ্চিৰ পুৰুষাঙ্গৰে পৃথিবী জয় কৰিব। চাৰি ইঞ্চিৰ বাহাদুৰি যথেষ্ট হৈছে। এইবাৰ বাপু, পথ বাছি লোৱা। (নি. ক. পৃঃ ১০৬)

(৪) বেশ্যাসকলে অসামাজিক গ্ৰাহক সকলৰ আশাত নিজকে সজায় আৰু ভদ্ৰ মহিলা সকলে সজায় সামাজিক গ্ৰাহক (খদ্দৰ) সকলৰ আশাত। এই ধৰণৰ সাজোন-কাচোনৰ উদ্দেশ্য গ্ৰাহক পোৱাটো (নি. ক. পৃঃ ১১)

(৫) মই এনে নাৰী চিত্ৰকৰ চাব বিচাৰো যি চিত্ৰকৰে পুৰুষৰ সুঠাম বাহু, পুৰুষৰ নিতম্ব উৰু আৰু পুৰুষৰ যৌনাংগৰ ছবি আঁকিব। পুৰুষ মডেলবোৰে নাৰী শিল্পীৰ সন্মুখত উলংগ হৈ বহিব নাৰী শিল্পীয়ে তেওঁলোকৰ ছবি আকিব, মূৰ্তি সাজিব আৰু শেষত মডেল সকলক উপভোগ কৰিব এই ঘটনা ঘটা নাই কিয়? (নি. ক. পৃঃ ২৮)

(৬) মই অবাধ যৌন স্বাধীনতাত বিশ্বাস কৰো তাৰ বাবে বিয়াৰ প্ৰয়োজন নাই। এনে কৰিলে কোনেও আপোনাৰ ওপৰত [illegible] নোৱাৰে। একেটা কাৰণতে মোৰ কোনো সন্তান হওঁক মই [illegible]। (সাক্ষাৎকাৰ Savy সৈতে)

এইধৰণৰ চিন্তাক [illegible] নাৰীবাদ বুলি কব পৰা যায়নে?

নাৰীবাদ মানেই পুৰুষ বিদ্বেষ নেকি? নাৰীবাদে ... স্বাধীনতা, বিবাহত অবিশ্বাস, ব্যভিচাৰক বুজায় নেকি? ... চালে দেখা যায় তছলিমাই নাৰী-পুৰুষৰ সুস্থ সম্প... সন্দেহৰ চকুৰে চাইছে। মাতৃত্বক অস্বীকাৰ কৰিছে। ধৰ্ষণ... প্ৰতিধৰ্ষণ কেতিয়াও হ'ব নোৱাৰে। সমাজত ঘটি ... নিৰ্যাতনবোৰৰ প্ৰতিকাৰ কৰিবলৈ নাৰীয়ে পুৰুষক ধৰ্ষ... শিকক বুলি তছলিমাই আগবঢ়োৱা পৰামৰ্শ নাৰীসমাজে... কৰে সি কেনে এক ব্যভিচাৰ আৰু বিকৃত সংস্কৃতিৰ জ... সম্পৰ্কে তছলিমাই এবাৰলৈ চিন্তা কৰি চাইছেনে? স... যৌনাংগক অচল কৰি ৰখা। মগজুৰ বিকৃতি নঘটিলে ... এনে মন্তব্য কৰিব পাৰেনে?

এইটো অনস্বীকাৰ্য যে পুঁজিবাদত নাৰীৰ মৰ্যাদা ... অৱনমিত হয়। নাৰী হৈ পৰে ভোগৰ সামগ্ৰী কিনা-... পৰা পণ্য সামগ্ৰী। ই এক ঐতিহাসিক বিজুতিৰ ফল। ন... এনে অৱক্ষয়ৰ মূল কাৰণ বিচাৰিলে দেখা যায় যে সম... কৃষিৰ আৱিষ্কাৰ হ'ল আৰু তাৰ শ্ৰম বিভাজনৰ সৃষ্টি হ... পৰা উৎপাদন প্ৰক্ৰিয়াৰ ওপৰত থকা নাৰীৰ পূৰ্ব কৰ্তৃ... ধৰিলে। আগতে মাতৃপ্ৰধান সমাজখনত সমাজৰ ... জননী বা মাতৃবিধিৰ দ্বাৰা পৰিচালিত হৈছিল। কি... প্ৰক্ৰিয়াৰ ওপৰত নাৰীৰ কৰ্তৃত্ব অৱসানৰ লগে লগে ... পৰিবৰ্তন হ'ল। তাৰ ঠাই ল'লে পুৰুষ প্ৰধান সমাজ... সেই কাৰণে নাৰী আন্দোলনৰ প্ৰগতিশীল ... শ্ৰেণীবিভাজন অৱসান ঘটোৱাৰ ওপৰত নাৰী মুক্তি ... বুলি মত প্ৰকাশ কৰে। লেনিনে সেয়ে সমাজত... আন্দোলনৰ মুখ্য আৰু প্ৰধান কৰ্মসূচী হিচাপে যে...

এচামে নাৰী মুক্তিৰ প্ৰশ্নটো সুকীয়াকৈ ... তেওঁলোকে সমাজৰ সকলো নাৰী নিৰ্যাতনৰ উৎস ... দেখা পায় আৰু পুৰুষবিদ্বেষী হৈ উঠে। এই প্ৰৱণ... সুস্থ বিকাশক ব্যাহত কৰাই নহয়; নাৰী মুক্তিৰ মৌলি... ধাৰণাটোকেই জনমানসত বিভ্ৰান্ত কৰি প্ৰকাৰান্তৰে... বিৰুদ্ধেহে কাম কৰে।

তছলিমা নাছৰিনকো আমি এই শাৰীৰ নাৰী... পাৰো। নিৰ্বাচিত কলমত এক ৰূঢ় বাস্তৱ আৰু ত... ধৰিছে। সেইটো স্বীকাৰ কৰিব লাগিব। কিন্তু সমস্যা... আৰু তাৰ সমাধানৰ বেলিকা যিবোৰ পৰামৰ্শ আ... কোনো নাৰীৰ বাবে গ্ৰহণযোগ্য নহয়। যেনে নাৰী... শিকক পুৰুষৰ যৌনাংগৰ ছবি নাৰী চিত্ৰকৰে আঁ... মডেলক উপভোগ কৰক— ইত্যাদি চিন্তাই ন... সচেতনভাৱে আগুৱাই নিয়াৰ সলনি বিভ্ৰান্তহে ... পঢ়ি সঁচা অৰ্থত নাৰী মুক্তিৰ কাৰণে কাম কৰি...

B.H.B College, Sarupeta

**তছলিমা নাছৰিনৰ দুপাতেই অস্ত্ৰ যৌনতা আৰু ইছলাম। পিছে এই অস্ত্ৰৰে তছলিমাই সঁচাকৈ পাৰিবনে নতুন সমাজ গঢ়িব। পাৰিবনে নাৰীৰ হেৰুওৱা স্বাধীনতা আৰু লুণ্ঠিত সামাজিক মৰ্যাদা পুনৰ প্ৰতিষ্ঠিত কৰিব?**

নাৰীকৰ্মী সকল কেতিয়াও অনুপ্ৰাণিত হ'ব নোৱাৰে। অবাধ মুক্ত যৌন স্বাধীনতা (যাক তছলিমাই কেৱল লিখাতেই আবদ্ধ নাৰাখি নিজৰ ব্যক্তিগত জীৱনত অনুসৰণ কৰিছে) নহয়। পাশ্চাত্য সংস্কৃতিৰে উদ্বুদ্ধ এমুঠিমান লোকহে মুক্ত যৌন স্বাধীনতা বা লিভ টুগেদাৰক নাৰী স্বাধীনতা বুলি জ্ঞান কৰে। আমাৰ দেশত বোধ হয় পতিতা সকলেহে একমাত্ৰ এনে মুক্ত যৌন জীৱন যাপন কৰে। তছলিমাই তেতিয়াহলে নাৰী সমাজক একো গৰাকী পতিতা হ'বলৈ উৎসাহিত কৰিছে।

তছলিমা নাছৰিনে লিখিছে, নাৰীকলৈ ব্যৱসায় কৰিবলৈ গলে কোনো পুঁজি বা বুদ্ধি বৃত্তিৰ প্ৰয়োজন নহয়। কিন্তু তছলিমাই এই কথাটো কেতিয়াও ভাবি চোৱা নাই যে তেওঁৰ নাৰী তথা যৌনতা বিষয়ক লেখাবোৰকলৈ কোনোবাই ভাল ব্যৱসায় কৰিব পাৰে। ধৰ্ষণ, বাছ টেম্প আদিত পুৰুষৰ অশ্লীল ব্যৱহাৰ, নাৰীৰ বহুবিবাহ, বিবাহ ইত্যাদিকে নাৰী নিৰ্যাতনৰ ৰূপ হিচাপে তছলিমাই প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছে। কিন্তু তছলিমাই কেতিয়াও নাৰীৰ সামাজিক অৱস্থান আৰু তাৰ অৰ্থনৈতিক অধিকাৰৰ প্ৰশ্নটো স্পষ্টৰূপত দাঙি ধৰা নাই। নাৰী অৱস্থানৰ পৰিৱৰ্তন যে আচলতে এটা সম্পূৰ্ণ ৰাজনৈতিক প্ৰশ্ন এই কথাটোক তছলিমাই ইচ্ছাকৃতভাৱে পাহৰি থাকিব পাৰে। আৰ্থ-সামাজিক ব্যৱস্থাটো এনেই ৰাখিব আৰু নাৰীৰ সামাজিক অৱস্থানৰ দ্ৰুতপৰিবৰ্তন হৈ যাব ... তছলিমাই নাৰী মৰ্যাদাৰ অৱক্ষয়ৰ বাবে আমাৰ সমাজৰ শ্ৰেণীবিভাজনৰ কেতিয়াও জগৰীয়া কৰা নাই। আৰ্থ-সামাজিক ব্যৱস্থাটোক আঘাত কৰা নাই। কৰিছে পুৰুষ সকলকহে। ... উত্থাপন কৰিছে ঠিকেই কিন্তু কিন্তু গভীৰলৈ যোৱাৰ ... সম্পৰ্কে তছলিমা নিমাত। এক সচেতন ঐক্যবদ্ধ আন্দোলন কৰা তেওঁ হয়তো ভাবিব পৰা নাই। সন্ত্ৰাসবাদী ... সংগঠিত কৰা এই জটিল ৰাজনৈতিক কষ্টকৰ কামটো কৰিব নোৱাৰি অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰেৰে হঠাৎ ৰাইজক চমক খুৱাই দিব পৰাকৈ সন্ত্ৰাসবাদৰ আশ্ৰয় লয় তেনেকৈ তছলিমাৰ ক্ষেত্ৰতো দেখা গৈছে নাৰী নিৰ্যাতনৰ বিৰুদ্ধে নাৰীৰ অধিকাৰৰ সপক্ষে প্ৰয়োজনীয় দীৰ্ঘস্থায়ী গণ আন্দোলন গঢ়ি তোলা কামটোৰ সলনি তছলিমাই প্ৰচাৰ মাধ্যমৰ শিৰোনাম দখলৰ প্ৰচেষ্ট চলাই আছে। তছলিমমাই নাৰী মুক্তিৰ সন্দৰ্ভত এই বাস্তৱ আৰু বৈজ্ঞানিক পথ সম্পৰ্কে যে অজ্ঞ সেই কথা বিশ্বাস কৰিব নোৱাৰি। কিন্তু এই পথ কষ্টকৰ পথ, ইয়াত খ্যাতি কথা যশস্যা নাই, আৰু মাথো ত্যাগহে কৰিব লাগে সেই কাৰণে তছলিমাই হয়তো বাছি লৈছে হঠাৎ প্ৰেষ্ট্ৰিয়ট হোৱা। ৰাতিৰ ভিতৰতে বিশ্ববিখ্যাত বিতৰ্কিতা হৈ উঠাৰ সহজ, সেন্সৰীয়া পথ। কোনে জানে ইছলামক বাৰবাৰ আক্ৰমণ কৰা পবিত্ৰ কোৰানৰ সংশোধন দাবী কৰাৰ আঁৰত এটা সক্ৰিয়া ষড়যন্ত্ৰতো ক্ৰিয়াশীল হৈ থকা নাই। পাশ্চাত্য জগতখনে ইতিমধ্যে হাত বাউলি দি মাতিছেই। সাম্ৰাজ্যবাদীহঁতৰ বাবে আজি তছলিমা নাছৰিন অমূল্য সম্পদ হৈ পৰিছে। বিশেষকৈ যেতিয়া তছলিমাই ইছলামৰ ওপৰত আক্ৰমণ নমাইছে। সাম্প্ৰদায়িকতাৰ প্ৰশ্নত তছলিমাৰ উপন্যাস 'লজ্জা'ই ভাৰতৰ প্ৰতিক্ৰিয়াশীল আৰু উগ্ৰ হিন্দু সাম্প্ৰদায়িক চক্ৰক কেনেকৈ সহায় কৰিছে সৰ্বজনবিদিত, লজ্জাত প্ৰকৃততে বাংলাদেশৰ সাম্প্ৰদায়িক পটভূমিৰ যি চিত্ৰ অংকন কৰিছে সি অসম্পূৰ্ণ, বহু সময়ত অতিৰঞ্জিত আৰু ভুল তথ্যৰে পৰিপূৰ্ণ।

বহুতে ক'ব খোজে তছলিমা নাছৰিনৰ দুপাতেই অস্ত্ৰ যৌনতা আৰু ইছলাম। পিছে এই অস্ত্ৰৰে তছলিমাই সঁচাকৈ পাৰিবনে নতুন সমাজ গঢ়িব। পাৰিবনে নাৰীৰ হেৰুওৱা স্বাধীনতা আৰু লুণ্ঠিত সামাজিক মৰ্যাদা পুনৰ প্ৰতিষ্ঠিত কৰিব? পাৰিবনে তছলিমা বাংলাদেশ ভাৰতৰ নাৰী আন্দোলনৰ বাবে এটি প্ৰেৰণা হৈ উঠিব ... তছলিমা সম্পৰ্কে নৱ মূল্যায়নৰ সময় হ'ল। (সহায় লৈ)◄

B.H.B College Sarupeta

# উত্তৰ আধুনিকতাবা
## এটি পুনৰউত্থানবাদী ধা

মিঠুন শৰ্মা
স্নাতক প্ৰথম বৰ্ষ

১৯৮৫ চনতে বিশিষ্ট সমাজতাত্ত্বিক এল ব্ৰেখট ৰেলমাৰে সঠিকভাৱেই মন্তব্য কৰিছিল যে উত্তৰ আধুনিকতাবাদৰ ধাৰণাটো যোৱা দশকৰ নান্দনিক সাহিত্যিক তথা সমাজতাত্ত্বিক পৰ্যালোচনাৰ আটাইতকৈ দুৰ্বোধ্য আৰু জটিল ধাৰণাত পৰিণত হৈছে।

In it's broad usages, this is a variety of c
tecture, paieting, music, poetry, fiction etc) for
seemed to be related if at all with a laid backs
style and a vogue desire to have done with the p
high modernist culture. In philosophical terms p
shares something with the critique of enlightme
truth claims mounted by thinkers of a liberal c
partsuasion.

উত্তৰ আধুনিকতাবাদ বাস্তৱিকতে এনে এক ব্যাপক দ
সাংস্কৃতিক আৰু ভাষাতাত্ত্বিক ধাৰণা যে ইয়াৰ সন্তোষজনক স
কঠিন। উত্তৰ আধুনিকতাবাদ সম্পৰ্কে নিৰন্তৰ আঁহফলা বিত
অধিক জটিল কৰি তুলিলে।

১৯৮৫ চনতে বিশিষ্ট সমাজতাত্ত্বিক এল ব্ৰেখট ৰেলম
মন্তব্য কৰিছিল যে উত্তৰ আধুনিকতাবাদৰ ধাৰণাটো যোৱা
সাহিত্যিক তথা সমাজতাত্ত্বিক পৰ্যালোচনাৰ আটাইতকৈ দু
ধাৰণাত পৰিণত হৈছে।

দৰাচলতে 'উত্তৰ আধুনিক' অভিধাটো উনৈশ শতিকা
ব্যৱহাৰ কৰি থকা হৈছে। ইংৰাজ চিত্ৰকৰ জন বটকিন চেপমে
চনতে ফৰাচী প্ৰগতিবাদী চিত্ৰতকৈ উন্নতমানৰ চিত্ৰক 'উত্ত
বুলি অভিহিত কৰিছিল। অ'ছৱাল্ড স্পেঙ্গলাৰ (১৮৮০-১৯
ডিক্লাইন অৱ দ্যা ৱেষ্ট আৰু 'মেন এণ্ড টেকনিক্স' আৰু মাৰ্টি হ
১৯৭৬) ৰ প্ৰযুক্তি বিষয়ক বিশদ লেখাবোৰতো একেটা সুৰ
পোৱা যায়।

**ক্ৰমবিকাশ ঃ** এটি বিশেষ ধাৰা হিচাপে উত্তৰ আধুনিক
ৰাজনীতি, সাহিত্য, প্ৰভৃতি সকলো ক্ষেত্ৰকে সামৰি ল'লেও

B.H.B. College, Sarupeta

দৰ্শনৰ ভেটিতহে প্ৰতিষ্ঠিত। দাৰ্শনিক চিন্তাৰ স্নায়ুকেন্দ্ৰ বুলি খ্যাত ফ্ৰান্সতহে ইয়াৰ চিন্তাৰ প্ৰথম অভিব্যক্তি ঘটে। কুৰি শতিকাৰ ৭০ ৰ দশকত যিসকল দাৰ্শনিক চিন্তাবিদৰ লেখাত এই মতবাদে আত্মপ্ৰকাশ কৰে, তেওঁলোকৰ ভিতৰত লুই আলতুছাৰ (১৯১৮-১৯৯০), তেওঁৰ ছাত্ৰ মিশ্বেল ফুকো (১৯২৬-১৯৮৪), জাক দেৰিদা, (১৯৩০-২০০৪), ৰোলা বাৰ্ত (১৯১৫-১৯৮০), জাক লাকাঁ (১৯০১-১৯৮১) প্ৰভৃতি উল্লেখযোগ্য। স্বৰূপাৰ্থত উত্তৰ আধুনিকতাবাদ এই চিন্তানায়ক সকলৰ সমাজ, সাহিত্য জীৱনবোধ বিষয়ক দাৰ্শনিক চিন্তাৰ সমাহাৰ। দৃষ্টিভঙ্গীৰ কিছু পাৰ্থক্য থাকিলেও সামগ্ৰিকভাৱে তেওঁলোকৰ ঐকমত্য লক্ষণীয়।

উত্তৰ আধুনিকতাবাদৰ উন্মেষৰ সময়ছোৱাৰ ঐতিহাসিক তাৎপৰ্য চাবলগীয়া। ৬০ দশকৰ আৰম্ভণিতে ফ্ৰান্সৰ তদানীন্তন উপনিবেশ আলজেৰিয়াৰ স্বাধীনতা যুদ্ধৰ প্ৰতি সমৰ্থন জনাই শতাধিক ফৰাচী বুদ্ধিজীৱীয়ে এটি বিবৃতি প্ৰকাশ কৰিছিল। আলোড়ন সৃষ্টিকাৰী এই বিবৃতি ফৰাচী কৰ্তৃপক্ষৰ বাবে আছিল দেশদ্ৰোহিতাৰ নামান্তৰ। বিবৃতিটো প্ৰস্তুত কৰি উলিয়াইছিল মৰিছ ব্লাংছোঁ (১৯০৭), আৰু তেওঁৰ পৰা বাস্তৱবাদী বন্ধুবৰ্গই। কিন্তু এই বিবৃতি জনিত বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈ পৰে জাঁ-পল ছাৰ্ত্ৰ (১৯০৫-১৯৮০), দক্ষিণ পন্থীসকল সেয়েহে ছাৰ্ত্ৰৰ গ্ৰেপ্তাৰৰ দাবীত সৰব হৈ উঠে। পিছে ৰাষ্ট্ৰপতি চাৰ্লজ আন্দ্ৰে যোছেফ মাৰি দ্যা গলে কেৱল এই দাবী অগ্ৰাহ্য কৰাই নহয়, তেওঁ ইয়াকো কয় যে ভল্টেয়াৰক গ্ৰেপ্তাৰ কৰিব পৰা নাযায়। ইতিমধ্যে 'বীয়িং এণ্ড নাথিংনেছ' গ্ৰন্থৰ বাবে খ্যাতি লাভ কৰা দাৰ্শনিক ছাৰ্ত্ৰই এইখিনি সময়তে 'ক্ৰিটিক অৱ ডায়ালেক্টিকেল ৰীজন' নামৰ গ্ৰন্থখন প্ৰকাশ কৰি সুধী সমাজত অধিক সমাদৃত হ'বলৈ ধৰে। ছাৰ্ত্ৰৰ চিন্তা চেতনা যেতিয়া এই ধাৰাত প্ৰবাহমান, ঠিক তেতিয়াই প্ৰকাশিত হয় মিশ্বেল ফুকোৰ দ্য অৰ্ডাৰ অৱ থিংছ (১৯৬৬)। ফুকোৰ এই লেখাটি প্ৰকাশ হোৱাৰ লগে লগেই ল' আৰ্ক পত্ৰিকাত ছাৰ্ত্ৰই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছিল যে এই মুহূৰ্তত বুৰ্জোৱা সকলে যি বিচাৰি আছিল ফুকোৱে সেই কামটোকে কৰিলে। ছাৰ্ত্ৰৰ মতে ইতিহাসক আক্ৰমণ কৰাৰ আঁৰত বিজন ব্যক্তি ফুকোৰ আক্ৰমণৰ মূল লক্ষ্য আছিল মাৰ্ক্সবাদ, কিয়নো মাৰ্ক্সৰ ঐতিহাসিক বিশ্লেষণ আছিল বুৰ্জোৱা সকলৰ বিৰুদ্ধে শেষ প্ৰতিৰোধ।

ছাৰ্ত্ৰ আৰু ফুকোৰ এই বৌদ্ধিক আঁৰিয়া-আঁৰিৰ সময়তে ফুকোৱে ১৯৬৯ চনত পেৰিচত 'কলেজ দ্য ফ্ৰান্সত' চিন্তা পদ্ধতিৰ ইতিহাসৰ অধ্যাপক হিচাপে যোগ দিয়ে এই মহাবিদ্যালয়ত কোনো পৰীক্ষা ব্যৱস্থা নাই, নাই কোনো শিক্ষাগত অৰ্হতাৰ সন্মান। অকল আগ্ৰহ থকা জনৰ আনন্দতেই শ্ৰোতা সকলে তাত ভিৰ কৰে। এই মহাবিদ্যালয়ত অধ্যাপনা কৰাৰ যোগেদি ফুকোৱে নিজৰ চিন্তাধাৰা গঠন আৰু প্ৰচাৰ কৰাৰ সুযোগ লাভ কৰে। উল্লেখযোগ্য যে

এইখিনি সময়তে তেওঁ জৰ্জ দুমিজেল, ৰোলা বাৰ্ত, ক্লদ লেভি
জাক লাকা, জাক দেৰিদাৰ বৌদ্ধিক সমৰ্থন লাভ কৰে।
যিকোনো বিষয়তে এই বুদ্ধিজীৱী সকলৰ মতৰ ব্যৱধান থাকি
এইটো কথাত তেওঁলোকে সহমত পোষণ কৰিছিল যে '
লাগিব ছাৰ্ত্ৰৰ বৌদ্ধিক আধিপত্য'।

ফ্ৰান্সত উত্তৰ আধুনিকতাবাদী চিন্তাৰ উত্থাপনন
১৯৬৮ চনৰ ছাত্ৰ আন্দোলনৰো ভূমিকা আছে। ২ য় মহ
সময়লৈকে মূলত গ্ৰাম্য সমাজজীৱনৰ ধাৰা অব্যাহত থকা
পৰৱৰ্তী দুটা দশকত এই জীৱনৰ আমূল পৰিৱৰ্তন ঘটিবলৈ
পশ্চিম ইউৰোপত এই দুটা দশকত পুঁজিবাদী উৎপাদন
বিকাশ ঘটে। পুঁজিবাদী বিকল্পৰ প্ৰভাৱ ফ্ৰান্সত পোনপটিয়াকৈ
গতিকে কেৱল অভিজাত বিশ্ববিদ্যালয়বোৰত ন-চহকী প
বোৰৰ পৰা অহা ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ প্ৰৱেশ অ
সাব্যস্ত কৰাৰ ক্ষেত্ৰত উদ্দাম বিদ্ৰোহী হৈ উঠিছিল। প্ৰকৃতত
ছাত্ৰ-ছাত্ৰী সকলে যি বিচাৰিছিল সেয়া আছিল দ্ৰুত অত্যাধুনি
আৰু বুৰ্জোৱাকৰণ। সেয়েহে বিদ্ৰোহৰ কালত ফ
বিশ্ববিদ্যালয়বোৰৰ পুনৰ্গঠন কৰা হৈছিল মাৰ্কিন বজা
প্ৰতিযোগিতা সৰ্বস্ব শিক্ষানুষ্ঠানৰ আহিত।

উত্তৰ আধুনিকতাবাদী চিন্তাধাৰাত এই ছাত্ৰ আন্দো
তাৎপৰ্য এয়ে যে ই বাওঁপন্থী প্ৰত্যক্ষ গভীৰভাৱে জোকাৰি গৈ
বুৰ্জোৱা বুদ্ধিজীৱী সকলৰ মতে এই আন্দোলনে এইটো ক
প্ৰমাণিত কৰে যে ৰাষ্ট্ৰীয় বঞ্চনাৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ অ
গোড়া মাৰ্ক্সবাদী সকলে কোৱাৰ দৰে অকল সৰ্বহাৰা
শ্ৰেণীৰেই নাথাকে, এই বিদ্ৰোহৰ অধিকাৰ আৰু দায়িত্ব স
অন্যান্য ব্যক্তিৰো থাকে। আন কথাত মাৰ্ক্স নিৰ্ণীত ডায়াৰে
বা দ্বন্দ্বৰ পৰিসৰৰ বাহিৰতো এনে কোনো বিপ্লৱো ঘটিব
যাৰ তাৎক্ষণিক সামাজিক প্ৰভাৱ প্ৰতীয়মান নহ'লেও অন্ততঃ
সংখ্যক ব্যক্তিক নতুন সামাজিক বা ৰাজনৈতিক চিন্তাৰে
কৰিব পাৰে। মাৰ্ক্সবাদী দ্বান্দ্বিক বিশ্লেষণক নস্যাৎ কৰিব
উত্তৰ আধুনিকতাবাদী সকলৰ কাৰণে বিপ্লৱৰ এনে ব্যাখ্যা
সহজ আবেদন আছে।

**এজন পাঠকৰ চকুৰে উত্তৰ আধুনিকতাবাদ**— 'পৃথি
কোনো বিশ্ববীক্ষা থকা সম্ভৱ নহয়। এই মহাবিশ্ব সম্পৰ্কে 
সঠিক সাৰ্বিক (Universal) সামান্য জ্ঞান থকা বা অৰ্জন কৰা
নহয়।' উত্তৰ আধুনিকতাবাদী সকলে এই তত্ত্বৰ উদ্ভাৱন কৰি
প্ৰসাৰৰ বাবে নানাভাৱে বহুল প্ৰচাৰো চলাই আহিছে।

বিশ্ববীক্ষা হৈছে প্ৰকৃতি, সমাজ, মানুহ আৰু পৃথিৱীত
অৱস্থান সম্পৰ্কে বিভিন্ন অভিমত ভাৱনা, নীতি নিয়ম আৰু প্ৰ
সামগ্ৰিকতা যি প্ৰতিজন ব্যক্তি, মানুহ সামাজিক গোষ্ঠী শ্ৰে
সমগ্ৰ সমাজখনৰ গতিপথ নিৰ্ধাৰণ কৰে। নিৰ্ধাৰণ কৰে ম

B.H.B College, Sarupeta

**বস্তু বা মানুহ, প্ৰকৃতি, সমাজ আৰু সমাজৰ মানুহৰ অ**
**সম্পৰ্কে কোনো সাধাৰণ বৈশিষ্ট্য আৰু গুণধৰ্ম বিষয়ক**
**বক্তব্য বা চিন্তা থকা সম্ভৱ নহয় বা গঢ়ি তোলা অসম্ভৱ**
**তেওঁলোকৰ মতে সমাজ বিকাশৰ কোনো সাধাৰণ নি**
**বিকাশৰ কোনো সাধাৰণ সূত্ৰ থাকিব নোৱাৰে।**

আত্মিক গুণ, ৰাজনৈতিক সচেতনতা, সামাজিক ক্ৰিয়া কলাপ, প্ৰাকৃতিক বিজ্ঞান, সামাজিক ঐতিহাসিক কূট-কৌশলগত আৰু দাৰ্শনিক জ্ঞান আৰু এক নিৰ্দিষ্ট ভাবাদৰ্শৰ ভিত্তিত এই বিশ্ববীক্ষা গঢ়ি উঠে। উত্তৰ আধুনিকতাবাদৰ মতে 'পৃথিৱীত কোনো বিশ্ববীক্ষা থকাটো সম্ভৱ নহয় (Universal)। প্ৰত্যেক বস্তু বা কাৰণ বা প্ৰক্ৰিয়াৰ বৈশিষ্ট আৰু গুণধৰ্ম এটা আনটোৰ পৰা পৃথক। সিহঁতৰ মাজত কোনো সাধাৰণ গুণধৰ্ম বা বৈশিষ্ট্য নাই।' যিহেতু পৃথিৱীত একে ধৰণৰ কোনো বস্তুৱেই নাই বা সাধাৰণ বৈশিষ্ট্য সম্পন্ন দুটা বা ততোধিক একো নাই বুলি মানি লৈ উত্তৰ আধুনিকতাবাদে কৰলৈ বিচাৰে যে পৃথিৱীত এনে কোনো চিন্তা বা বক্তব্য নাই যি সকলোকে একধৰণৰ সূত্ৰবদ্ধ কৰিব পাৰে। ধৰা হওঁক দুজন পৃথক পৃথক ব্যক্তিৰ কথা। উত্তৰ আধুনিকতাবাদৰ মতে এওঁলোকৰ কোনো সাধাৰণ বৈশিষ্ট্য সাৰ্বিক বৈশিষ্ট্য থকাটো সম্ভৱ নহয়। সেইকাৰণে তেওঁলোকৰ ভাষাত বস্তু বা মানুহ, প্ৰকৃতি, সমাজ আৰু সমাজৰ মানুহৰ অৱস্থিতি সম্পৰ্কে কোনো সাধাৰণ বৈশিষ্ট্য আৰু গুণধৰ্ম বিষয়ক কোনো বক্তব্য বা চিন্তা থকা সম্ভৱ নহয় বা গঢ়ি তোলা অসম্ভৱ। অৰ্থাৎ তেওঁলোকৰ মতে সমাজ বিকাশৰ কোনো সাধাৰণ নিয়ম নাই। বিকাশৰ কোনো সাধাৰণ সূত্ৰ থাকিব নোৱাৰে।

পৃথিৱীত বিশ্ববীক্ষা থকাটো সম্ভৱ। আছে আৰু নতুন নতুন বিশ্ববীক্ষা গঢ়ি উঠিব। মাৰ্ক্সবাদৰ মতে পৃথিৱীত একেবাৰে একেধৰণৰ বস্তু নাই এই কথা যিদৰে সত্য তেনেদৰে এনে কোনো বস্তু নাই যাৰ মাজত অভিন্নতা নাই ইও সত্য। বিভিন্ন বস্তু যিদৰে সুনিৰ্দিষ্ট আৰু বিশিষ্ট তেনেদৰে কোনো কোনো দিশৰ পৰা এটা আনটোৰ অনুৰূপত ঘটে। এটা বস্তুৰ যিবোৰ বৈশিষ্ট্যই আন বস্তুৰ পৰা তাক পৃথক কৰে তাক একক বৈশিষ্ট্য বোলা হয়। বস্তু বা

সমাজৰ একক বৈশিষ্ট্য আৰু সাৰ্বিক বৈশিষ্ট্য প
একক থাকে একমাত্ৰ সেই সংযোগৰ মাজত যা
লৈ যায়। সাৰ্বিক থাকে মাত্ৰ এককৰ মাজত বা
প্ৰতিটো এককেই কোনো নহয় কোনো ভাবে স

উত্তৰ আধুনিকতাবাদীৰ মতে পৃথিৱীৰ
একক। অৰ্থাৎ এটা বস্তু বা বিষয়ত বা সমাজ অ
ধৰণৰ। সিহঁতে কৰ খোজে যে সমাজ পৰিবৰ্তন
নিয়ম থাকিব নোৱাৰে। কিন্তু ওপৰৰ আলোচনাৰ
হব পাৰো যে বস্তু সমূহৰ বৈশিষ্ট্যৰ মাজত যি
আছে তেনেদৰে সিহঁতৰ মাজত সাধাৰণ বৈশি

শক্তিৰ নিত্যতা সূত্ৰ নিউটনৰ মহাক
ইত্যাদি। এই সূত্ৰবোৰে বস্তু বা শক্তি সম্পৰ্কে
দিয়ে। কিন্তু উত্তৰ আধুনিকতাবাদেই বস্তু
বহুমাত্ৰিকতাৰ মাজত। মাৰ্ক্সীয় দৰ্শন মতে স
বিকাশৰ নিয়ম গঢ়ি উঠে সাৰ্বিক বৈশিষ্ট্যৰ গু

কোনো অভিমত বা ধাৰণাক আমি তে
বুলি কম যেতিয়া তাৰ প্ৰধান ধাৰণা প্ৰমাণিত
(১) বাস্তৱ ঘটনা (২) মানুহৰ অভিজ্ঞতাৰ
বিজ্ঞানৰ তথ্য যোগানৰ জৰিয়তে। উত্তৰ আ
অভিজ্ঞতাৰ সৈতে খাপ নাখায়।

যিটো বাস্তৱ বিশ্লেষণৰ সৈতে নি
আৰু তথ্যৰ পৰিপন্থী। অন্য দিশত মাৰ্ক্সবাদ
বাস্তৱৰ সৈতে, মানুহৰ অভিজ্ঞতাত মিলাই
কৰে বিজ্ঞানে যোগোৱা তথ্যৰে। আৰু ম
অভিজ্ঞতাৰ জৰিয়তে। এই কাৰণে মাৰ্ক্সবাদ
কৰ্মৰ বিজ্ঞানসম্মত পথ নিৰ্দেশক।◀

B.H.B. College, Sarupeta

# শিশু শ্ৰমিক সমস্যা

ভূপালী চৌধুৰী
উঃ মাঃ ২য় বস

আজিৰ সমাজত অতিকৈ বিচাৰ বিবেচনা আৰু চিন্তনীয় বিষয়টো হৈছে শিশু শ্ৰমিক সমস্যাৰ সমাধান কৰা। জাতি এটাৰ প্ৰগতিৰ বাবে দেশ এখনৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ বাবে দেশৰ সকলো নাগৰিকে প্ৰকৃত আৰু উপযুক্ত শিক্ষাৰে শিক্ষিত হোৱাটো অতি আৱশ্যক। যদি সকলো নাগৰিকে প্ৰকৃত শিক্ষা নাপায় তেতিয়া দেশৰ মানব সম্পদৰ প্ৰকৃত বিকাশ নহয় আৰু লগতে সমাজখনো নিম্ন মানৰ হয়। সেয়েহে আমি আমাৰ নিজৰ অস্তিত্বক বচাই ৰখাৰ বাবে প্ৰতিজন নাগৰিক অহোপুৰুষাৰ্থ কৰাৰ প্ৰয়োজন।

সমাজত অৰ্থনৈতিক, ৰাজনৈতিক বাতাবৰণ যি হাৰত সলনি হৈছে, তাৰ পৰা আমি ভৱিষ্যৎ প্ৰজন্মক বচাই ৰাখিবলৈ হ'লে আজিৰ শিশু সকলৰ স্থিতি আৰু স্বাধীনতাৰ ওপৰত চিন্তা চৰ্চা কৰাটো অতিকে প্ৰয়োজন। কিন্তু আজিও বহুতো শিশু সিহঁতৰ মৌলিক অধিকাৰ সমূহৰ পৰা বঞ্চিত হৈ আছে। যিবোৰে শিশুৰ ভৱিষ্যতৰ সুন্দৰতাৰ পৰা সম্পূৰ্ণৰূপে আঁতৰাই ৰখা হৈছে। ইয়াৰ ফলত কম বয়সীয়া শিশু সকলে ভোগ আৰু অপৰাধ প্ৰৱণতাত মগ্ন হৈ নিজকে ধ্বংসৰ মুখলৈ ঠেলি দিছে। এনেবোৰ সমস্যা সমাধানৰ বাবে চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি আগবঢ়াইছে যদিও সেইবোৰ সঠিকভাৱে ব্যৱহৃত হোৱা নাই বুলি ক'ব পাৰি, কাৰণ বাস্তৱত ধৰা দিয়া দৃশ্যবোৰে আঁচনিসমূহৰ বিফলতাৰ বিষয়েহে সাক্ষী বহন কৰিছে। কিন্তু এইটো কথাও সত্য যে শিশু শ্ৰমিকৰ সমস্যাক লৈ চৰকাৰে যিমান কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰক কিয়, জনসাধাৰণৰ প্ৰচেষ্টা আৰু কিছুমান বে-চৰকাৰী সংগঠনৰ অনুপ্ৰেৰণা অত্যন্ত প্ৰয়োজন তেতিয়াহে এই দুয়োপক্ষক যুটীয়া প্ৰচেষ্টাত শিশু শ্ৰমিক সমস্যাৰ দৰে বিশাল সমস্যাটোৰ ওৰ পৰিব।

সাধাৰণতে হোটেল, ৰেস্তোৰা মানুহৰ ঘৰত নানা কল-কাৰখানাত আজিও বহু শিশু এমুঠি ভাতৰ সন্ধানত নিয়োজিত হৈ আছে। কিন্তু ইয়াৰ বাহিৰে যে সিহঁতৰো কোনো উপায় নাই। অদক্ষ, অকৰ্মণ্য পিতৃ-মাতৃৰ বোজা স্বৰূপ এই শিশুবোৰে অনাহাৰ অনিদ্ৰাত দিন কটাবলগীয়া হৈছে। সেয়েহে 1996 চনত সমাজত অন্ধাকাৰৰ পিনে ধাৱমান হোৱা এনে শিশুৰ বিকাশৰ বাবে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে ছয়বছৰৰ পৰা চৌধ্যবছৰ বয়সলৈকে সকলো ল'ৰা-ছোৱালীক বিদ্যালয়ত বিনামূলীয়া পাঠদান আৰু মধ্যাহ্ন ভোজনৰ ব্যৱস্থা কৰিছে। কিন্তু পেটৰ ভোক নিবাৰণতকৈ বিদ্যালয়লৈ যোৱা কাৰ্য অভিভাৱক সকলৰ বাবে উৰ্দ্ধত নহয়। গতিকে 1986 চনৰ Child Labour Prohibition and Regulation Act সংশোধনী আইনৰ যোগেদি 2006 চনৰ 10 অক্টোবৰৰ পৰা নতুনকৈ আইন জাৰি কৰে যে কোনো মালিকে শিশুক শ্ৰমিক হিচাপে ঘৰুৱা কামত নিয়োগ কৰিব নোৱাৰে আৰু নিয়োগ কৰিলে তেওঁৰ জেল আৰু 20,000 টকা পৰ্যন্ত জৰিমনা হ'ব। কিন্তু উল্লেখযোগ্য যে এই শিশু শ্ৰমিকবোৰ বিচাৰি উলিয়াব কোনে? ইয়াৰ সমাধানত ক'ব পাৰি যে বে-চৰকাৰীকৃত সংগঠনসমূহে এই শিশু শ্ৰমিক-সমূহক বিচাৰি সম্পূৰ্ণৰূপে চৰকাৰী ব্যৱস্থা সমূহ ভোগ কৰাত সহায় কৰিব। আৰু তেতিয়াহে চৰকাৰী প্ৰচেষ্টা আৰু বে-চৰকাৰী সংগঠনৰ অনুপ্ৰেৰণাত এই শিশু শ্ৰমিকবোৰে সঁচা ধৰণীৰ সেউজীয়া মানৱতা ভোগ কৰিব পাৰিব।◀

B.H.B. College, Sarupeta

# ন'বেল বঁটা বিজ
# অমর্ত্য সে

মৌচুমী কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

প্ৰথম ভাৰতীয় ন'বেল বঁটা বিজয়ী বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ মানসকুঞ্জ শান্তিনিকেতনত ১৯৩৩ চনৰ নবেম্বৰ মাহৰ ১১ তাৰিখে ড° অমর্ত্য সেনে জন্মলাভ কৰে। তেওঁৰ মাক দেউতাকৰ নাম ক্ৰমে শ্ৰীমতী অমৃতা সেন আৰু প্ৰয়াত আশুতোষ সেন।

সমাজকল্যাণ অৰ্থনীতিৰ গৱেষক ড° অমর্ত্য সেনে দৰিদ্ৰতা আৰু দুৰ্ভিক্ষৰ ওপৰত অনুসন্ধান চলাই মানবজাতিলৈ হীৰাবুলীয়া অবদান আগবঢ়োৱা হেতুকে 'ছুইডিছ অকাডেমি অফ্ চাইঞ্চেজ' এ ১৯৯৮ চনত তেওঁক অৰ্থবিজ্ঞানত ন'বেল বঁটা প্ৰদান কৰিছে।

তিনিটা সন্তানৰ পিতৃ ড° অমর্ত্য সেনে বঙালী ভাষাৰ বিখ্যাত লেখিকা নবনীতা দেৱসেনৰ সৈতে প্ৰথমে দাম্পত্য জীৱন পাতনি মেলিছিল যদিও সেই বিয়া স্থায়ী হোৱা নাছিল। পিছত তেওঁ আমেৰিকা নিবাসী অধ্যাপিকা এমাক বিয়া কৰায়।

পশ্চিমবংগত শিক্ষা লাভ কৰা ড° অমর্ত্য সেনে প্ৰেছিডেন্সী কলেজৰ পৰা স্নাতক উপাধি লাভ কৰাৰ সময়তে মাত্ৰ ১৯ বছৰ বয়সতে এবিধ ৰোগত আক্ৰান্ত হৈছিল। সেয়ে চিকিৎসাৰ বাবেই মাকে তেওঁক ইংলেণ্ডলৈ পঠিয়াই দিছিল। ইংলেণ্ডৰ কেমব্ৰিজ বিশ্ববিদ্যালয়ত তেওঁৰ চিকিৎসা আৰু পঢ়া-শুনা দুয়োটাই একেলগে চলে। চিকিৎসকলৰ যত্নত তেওঁ ৰোগমুক্ত হয় আৰু কেমব্ৰিজৰ ট্ৰিনিটি কলেজৰ পৰা ডক্টৰেট উপাধি লাভ কৰে।

বৰ্তমান কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ ট্ৰিনিটি কলেজৰ 'মাষ্টৰ' পদত নিযুক্ত ড° অমর্ত্য সেনে ইয়াৰ আগেয়ে আমেৰিকাৰ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়, লণ্ডন স্কুল অফ ইকনমিকছ, ক'ৰনেল ষ্টেনফোৰ্ড কেলিফোৰ্ণিয়া, দিল্লী আৰু যাদবপুৰ বিশ্ববিদ্যালয় আদিত অধ্যাপনা কৰে।

মাত্ৰ ৯ বছৰ বয়সতে ১৯৪৩ চনত বংগদেশত সংঘটিত হোৱা ভীষণ দুৰ্ভিক্ষ প্ৰত্যক্ষ কৰা ড° সেনে ১৯৭৪ চনৰ বাংলাদেশৰ দুৰ্ভিক্ষৰ ব্যাখ্যা স্বকীয় দৃষ্টিকোণেৰে দাঙি ধৰিছে। ড° সেনৰ মতে, গণতান্ত্ৰিক ৰাষ্ট্ৰ তুলনাত অগণতান্ত্ৰিক ৰাষ্ট্ৰ

...হাতে ড° সেনে মত প্ৰকাশ কৰিছে

প্ৰচুৰ পৰিমাণে হ'লেও দুৰ্ভিক্ষ হ'ব পাৰে। কা

ফলত সৰ্বসাধাৰণ মানুহৰ ক্ৰয়ক্ষমতা নাথ

'ছুইডিছ অকাডেমি অফ চাইঞ্চেজ

বঁটা বিজয়ৰ কথা ঘোষণা কৰা সময়ত তে

তাত তেওঁ ১৯৯৮ চনৰ জুলাই মাহত

পাকিস্তানৰ এগৰাকী প্ৰাক্তন বিত্তমন্ত্ৰী মাহবু

ৰাষ্ট্ৰসংঘই আয়োজন কৰা এক বিশেষ

গৈছিল। মাহবুব উল হক আছিল ড° সে

শুনা কৰা দিনৰ বন্ধু।

নিজৰ কৰ্মৰ জৰিয়তে নিজৰ আৰু

ড° সেনৰ প্ৰকাশিত উল্লেখযোগ্য গ্ৰন্থ

ইকনমিকছ (১৯৬০), 'চয়েচ অফ টে

ইকনমিক ইনইকুৱেলিটি' (১৯৭৩), '

এণ্ড ডেভেলপমেন্ট' (১৯৭৫), 'পভাৰটি

'চয়েচ ওৱেলফাৰ এণ্ড মেজাৰমেন্ট' (

পাবলিক একচন' (১৯৮৯), 'দি ষ্টাণ্ডা

ইত্যাদি।

ড° অমর্ত্য সেনে সুদীৰ্ঘ দিন

বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থাকিলেও

ভাৰতীয় হৈ আছে।

ভাৰতৰ প্ৰথমগৰাকী ন'বেল বঁটা

ঠাকুৰে অগতানুগতিক নামেৰে নামকৰ

নিচিনাকৈ অনাগত দিনবোৰত আন আন

আৰু দেশৰ গৌৰব বঢ়াব পাৰে তাৰেই

B.H.B College, Sarupeta

# উদ্দীপ্ত স্বাধীনতা

শ্ৰেয়সী শ্ৰেয়ম

*মধ্যপ্ৰদেশৰ আচিবনতলা নামৰ এখন গাঁৱৰ এজনী ষষ্ঠ মান শ্ৰেণীৰ ছাত্ৰী 'স্বস্তি'। জগত চাবলৈ আৰম্ভ কৰাৰ আগতেই নিজৰ জীৱনটোকে শেষ কৰিলে স্বস্তিয়ে। তাই পঢ়া স্কুলখনত নতুন ইউনিফৰ্ম দিয়া হৈছিল। কিন্তু গৰমৰ বন্ধৰ পিছত স্কুল খোলাৰ লগে লগে নতুন কাপোৰ কিনিবলৈ অপাৰগ আছিল স্বস্তিৰ দৰিদ্ৰ খেতিয়ক পিতৃ। কেৱল স্বস্তি নহয়, গাঁৱৰ বহুতৰে ঘৰৰ একেই অৱস্থা। অথচ মধ্যপ্ৰদেশ চৰকাৰৰ আঁচনি মতে দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰীক বিনামূল্যে ইউনিফৰ্ম দিব লাগে। ঘৰুৱা পোছাকেৰেই স্কুললৈ গৈছিল স্বস্তি। তাৰ বাবে শিক্ষকৰ গালি শুনিব লগীয়া হয়, বন্ধু-বান্ধৱীৰ ঠাট্টা-ইতিকিং শুনিও নিমাত হৈ তাই ঘৰলৈ ঘূৰি আহে। পিছদিনা হঠাতে তাই কুঁৱাত জাঁপ দি আত্মহত্যা কৰে।*

**Zee News 7-7-06**

B.H.B. College, Sarupeta

এয়াই যদি বাস্তৱ হয় তেন্তে এনেদৰেই দেশৰ লাখ-লাখ কণ কণ মইনাই পাইছে নেকি ল'ৰালিৰ সোণোৱালী দিন, উপভোগ কৰিছে শিক্ষাৰ মৌলিক অধিকাৰ? জীয়াই থকাৰ স্বাধীনতা?

এবাৰ মনত পেলাওকচোন দিল্লী পাব্লিক স্কুলৰ কথা। বন্ধুবৰ্গৰ মাজত হিৰো হোৱাৰ মানসিকতাৰ বাবেই য'ত মোবাইলৰ কেমেৰাত বন্দি হয় ছাত্ৰ-ছাত্ৰী যৌন সম্ভোগৰ দৃশ্য। মনত পেলাওক উটি, দাৰ্জিলিঙৰ বোৰ্ডিং স্কুলৰ কথা (এতিয়া গুৱাহাটীৰ ওচৰতো গঢ়ি উঠিছে কাজিৰঙা একাডেমী দৰে লাখ টকীয়া স্কুল) য'ৰ ছাত্ৰ-ছাত্ৰীয়ে গৰমৰ বন্ধত ঘৰলৈ ঘুৰিবলৈ আহে এৰোপ্লেনত উঠি। (বিশ্বৰ আটাইতকৈ বেছি শিশু-শ্ৰমিক থকা দেশখনত কাক ঠগিবলৈ আমি গুণগুণাও সুৰীয়া গান 'স্কুল চলে হম'?) কিয় শিক্ষা দুখীয়াই কিনিব নোৱাৰা এক পণ্যত পৰিণত হৈ গৈ আছে। আৰু তাৰেই প্ৰতিৰোধ কল্পে শিক্ষাৰ ব্যক্তিগতকৰণ ৰোধ কৰিবলৈ গৈ কিয় কেৰালাত দুই শতাধিক এছ এফ আই কৰ্মীয়ে পুলিচৰ নিৰ্বিচাৰ আক্ৰমণত চিকিৎসাধীন হ'ব লগা হ'ল। (অৱশেষত এই সফল আন্দোলনৰ পৰিণতিত এছ এফ আইৰ সকলো দাবী মানি লৈছিল, তেতিয়াৰ কেৰালা চৰকাৰে) এই বিংশ শতিকাতো কিয় ফুটপাথত অনাহাৰে মৰে শিশু। কিয় গুলীখাই মৰে চাহ-শ্ৰমিক? কিয় ধৰ্মৰ নামত এতিয়া জীয়াই জীয়াই পুৰি মৰা হয় মানুহ? শৰণাৰ্থী শিবিৰত মাতৃয়ে কিয় পেটৰ ভোকত বিক্ৰী কৰিব লগীয়া হয় নিজৰ কন্যাক? কিয় চিকিৎসক হ'ব খোজা ল'ৰাজন হৈ পৰে পাণ দোকানী নাইবা দালাল, যাৰ আঁৰত থাকে শিক্ষাৰ বাণিজ্যিকীকৰণ পে চিট আদিৰ জটিল অৰ্থনৈতিক সমীকৰণ? স্বাধীনতাৰ ৫৯ বছৰৰ পিছতো কিয় মানুহে বাট-পথ, বিজুলী এটুপি বিশুদ্ধ খোৱা পানীৰ বাবে হাহাকাৰ কৰিব লাগে। উচ্চ মেধাবী ছাত্ৰয়ো কিয় হতাশগ্ৰস্ত হৈ আত্মহত্যা কৰে। শিক্ষয়িত্ৰী হ'ব খোজা ছোৱালীজনীয়ে কিয় বেটিকাৰ বন্ধু বিধায়কৰ ঘৰত ৰাত্ৰি যাপন কৰিবলগীয়া হয়? শিক্ষাৰ ক্ষেত্ৰত খৰচ কৰিবলৈ টকা নথকা চৰকাৰখনে কিয় দেশী-বিদেশী শিল্প পতিৰ পৰা ১ লাখ ৩ হাজাৰ ২২৩ কোটি ৮৪ লাখ টকাৰ আয়কৰ (লোকসভাত 10/7/04 তাৰিখে কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰীৰ বিবৃতি) আদায় কৰিব নোৱাৰে। কিয় দেশৰ কোটি কোটি কৃষকৰ ঘৰৰ ল'ৰা-ছোৱালীয়ে জীৱনৰ পঢ়াশালিত শিকিব লাগে দিনৰ পিছত দিন অনাহাৰে থাকিবলৈ। কেনেকৈ সৃষ্টি হয় শিশু ধৰ্ষণৰ দৰে পশুৰো অধম কাম কৰাৰ মানসিকতা।

আৰু সৰ্বোপৰি এনে ক্ৰেদাক্ত শ্বাসৰুদ্ধ মাজতো কেনেকৈ আমি থাকিব পাৰো চকু আত্মচিন্তাত নিমজ্জিত হৈ? কেনেকৈ শুনিব মেডোনা বা 'ভিগে হোঠ তেৰে' যি দেশত কা যায় লাঞ্ছিতা কুমাৰী গাভৰুৰ চিৎকাৰ? ১৮ ঘণ্টা আত্মহত্যা কৰা কৃষক বা নিচাগ্ৰস্ত প্ৰতিভাশালী চকুত চকু থৈ সুস্থ মগজুৰ মানুহে ক'ব পাৰিব পাণ এই তিনি নিচিন্তে আন।

ছাত্ৰ-ছাত্ৰী সকলেই হেনো সমাজত আটা অংশ। তেন্তে কেৱল কেৰিয়াৰ গঢ়াৰ এন্দুৰ দৌৰতে শেষ কৰিবলৈ প্ৰস্তুত নে আমি? আমাৰ সকলো প্ৰতি মানুহ হিচাপে নিম্নতম মানৱতা নে স্থিতাৱস্থা কৰি কেৱল আহাৰ নিদ্ৰা মৈথুন সৰ্বস্ব নিশ্চয়তা হ'ব বিচাৰো। কিয় সৰহভাগেই পাহৰি যায় নিজ যুক্তিত মানি লয় আপোন ভালেই জগত ভোগসৰ্বস্ব জীৱনৰ মৰিচীকা স্বপ্নত আবদ্ধ হৈ নাই এনেকৈতো নহ'ব। সমাজৰ আটাইতকৈ অগ্ৰ ছাত্ৰ-ছাত্ৰী সকলেই কান্ধ পাতি লব লাগিব সমূহ উত্তৰ বিচাৰৰ দায়িত্ব।

কিন্তু অসমত আমিয়েই হলো আটাইতকৈ অসম আন্দোলন আৰু আলফাৰ ভ্ৰান্ত আদৰ্শ অৱিশ্বাসী চক্ৰৰে দুৰ্বল কৰি দিয়ে কিবা কৰি মনোবল।

সেয়েহে সকলো ঘটনাৰ বৈজ্ঞানিক বিশ্লে প্ৰত্যেক ধৰ্ম, প্ৰত্যেক জাতি, প্ৰতিটো ভাষাৰ ছাত্ৰ সামাজিক আৰু ৰাজনৈতিকভাৱে সচেতন সমাজ বিকাশ সম্পৰ্কে বৈজ্ঞানিক দৃষ্টিভঙ্গী ছাত্ৰ-ছাত্ৰীৰ মাজতে ছটিয়াই দিব লাগিব সংগ্ৰা বীজ।

আশাবাদী মানুহ আমি হয়তো এদি দীপ্তিতেই উদ্ভাষি উঠিব অনাগত কালৰ দিন আৰু এয়া সম্ভৱ, কিয়নো এতিয়াও বহুতো নচিকেতা।

— *'সবাইতো আৰ নিজেকে বেচতে*

B.H.B College Sarupeta

# ন দৃষ্টিৰে চিপাহী বিদ্ৰোহ

ৰতন তালুকদৰ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

১৭৫৭ চনত পলাচী যুদ্ধত ইংৰাজে নবাব চিৰাজ উদ্‌দৌল্লাক পৰাজিত কৰিছিল, যাক ব্যৱহাৰিক ভাষাত ভাৰতত ইংৰাজ সাম্ৰাজ্যৰ আৰম্ভণি বুলি ক'ব পাৰি। এই শাসন প্ৰায় ডেৰশ বছৰ কাল চলে আৰু পলাচী যুদ্ধৰ ঠিক এক শতাব্দী পিছতেই এই ব্ৰিটিছ উপনিবেশ উনৈশ শতিকাৰ আটাইতকৈ ডাঙৰ সাম্ৰাজ্যবাদ বিৰোধী সংঘৰ্ষৰ কেন্দ্ৰলৈ ৰূপান্তৰিত হয়। ব্ৰিটিছ চৰকাৰৰ সেনাত কাম কৰা ভাৰতীয় চিপাহী সকলেই এই সংগ্ৰামৰ প্ৰথম আৰম্ভণি কৰে যদিওবা বিদ্ৰোহৰ আৰম্ভণি সেই সময়ৰ আটাইতকৈ ডাঙৰ চিপাহী গোট বেংগল আৰ্মীৰ দ্বাৰা হৈছিল তথাপি অতি সোনকালে এই বিদ্ৰোহক উত্তৰ আৰু কেন্দ্ৰীয় ভাৰতৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো লোকেই সমৰ্থন দিয়ে। ১৮৫৭ ৰ মহান সংগ্ৰামে হিন্দু আৰু মুছলমান সকলৰ একতাক দৃঢ় কৰিছিল আৰু সকলোৱে হাতত হাত ধৰি সাম্ৰাজ্যবাদ শাসনৰ বিৰুদ্ধে যুঁজিছিল। ১৮৫৭ চনৰ বিদেশী শাসন সাধাৰণ লোকৰ বাবে ঘৃণাৰ পাত্ৰ হ'ল। আৰু সকলোৱে কান ঠিয় হ'ল। প্ৰথম স্বাধীনতা সংগ্ৰাম, ১৮৫৭ ৰ মহান সংগ্ৰাম আন্তঃৰাষ্ট্ৰীয় মহত্বৰ বিষয় বস্তু হ'ল। মহান দাৰ্শনিক কাৰ্ল মাৰ্ক্সে ১৮৫৭ চনৰ বিদ্ৰোহক 'সৈনিক বিদ্ৰোহ নহয় কিন্তু ৰাষ্ট্ৰীয় বিদ্ৰোহ' বুলি অভিহিত কৰিছিল। হাজাৰ-হাজাৰ লোকে আমাৰ দেশত এক মহান স্থান দিবলৈ নিজৰ প্ৰাণ বলি দিছিল। আজি আমি যেতিয়া ১৮৫৭ চনৰ ডেৰশ বছৰীয়া জয়ন্তী পালন কৰি আছো। আমাৰ প্ৰধান কৰ্তব্য এইটো হ'ব লাগে যে আমি এই সংগ্ৰামৰ ৰাজনৈতিক শিক্ষাক সকলো লোকক প্ৰদান কৰাটো উচিত। ১৮৫৭ টোৱে এটা প্ৰধান সুযোগ প্ৰদান কৰিছিল যেতিয়া আমাৰ ভাৰতবৰ্ষত ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰবাদৰ বীজ সিঁচা হৈছিল। আজি আমি ৰাষ্ট্ৰ একতাক দৃঢ় কৰি নিজৰ ৰাজনৈতিক স্বাধীনতা আৰু আৰ্থিক প্ৰভুত্বক ৰক্ষা কৰিব লাগিব। ডেৰশ বছৰ আগতে আমাৰ পূৰ্ব পুৰুষে শক্তিশালী সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজি নিজৰ প্ৰাণ দান দিছিল। কিন্তু আজিও আমেৰিকাৰ সাম্ৰাজ্যবাদ, যিটোৱে সাধাৰণ মানুহৰ বাবে বিপদৰ সংকেত দিছে, আমি নিজৰ দেশক ইয়াৰ পৰা ৰক্ষা কৰা সংকল্প লব লাগিব। ১৮৫৭ ৰ শিক্ষাই আমাৰ মহানত্বক আগবঢ়াবলৈ আৰু সেই হাজাৰ-হাজাৰ শ্বহীদ সকলৰ প্ৰণাম জনাবলৈ যিসকলে আটাইতকৈ শক্তিশালী সাম্ৰাজ্যবাদী শক্তিক প্ৰথম আঘাত হানিছিল আমাক সচেতন আৰু কৰ্তব্য পৰায়ণ তথা নিষ্ঠাবান হ'বলৈ শিকায়।◀

B.H.B. College, Sarupeta

*ভিন্ন ছন্দ*

# একান্ত অনুভৱৰ স্বৰলিপি

# ঋতু আহে ঋতু যায়...

ৰাতুল কু
প্রবক্তা, ৰাজনীতি বিজ্ঞা

জীৱন নাওখনি অবিৰত প্ৰৱাহমান। হেজাৰ বাধাৰ আন্দোলনতো সৰ্পিল গতিৰে একান্ত মনোযোগে
কৰে, যেন অনিৰ্বাণ এক গতি... গতিশীলতা জীৱনৰ এক নিৰ্লোভ ভাস্কৰ্য। সময়ৰ সোঁতত আমিবোৰ মাথো
বাক্‌হীন পুতলা। সময়ৰ বোকোছাত ভিৰ দি ক'লৈ গতি কৰি আছোঁ আমি? ইঙ্গিত কোনোবা এক স্থানলৈ নে
দিনবোৰলৈ? সময়! তুমি অধিৰ কিয়? কিয় পাখিলগাই কেৱল গতিশীলতাকে তুমি আশ্ৰয় কৰি ল'লা? আমিও
সোঁতত আমি নিবিচাৰিলেও আগুৱাব লাগিব অবিৰাম তথাপিও কেতিয়াবা বৈ যাবৰ মন যায় সোণালী অতী
খুজিও স্থবিৰ হয় দুভৱিৰ খোজ। গতিশীলতাৰ নামত, পৰিৱৰ্তনশীলতাৰ নামত যাতে ম্লান হৈ নাযায় পৰম্পৰা
তাল, তাৰ প্ৰতি কিছু হ'লেও খবৰ ৰাখিব নোৱাৰানে?

অতীত মধুৰ। অতীত যেন এক অনুভৱী শিল্প। অতীততে থাকে কল্পনাখচিত মণি-মুক্তা। প্ৰাণময় দিনবো
এক সংমিশ্ৰিত কলা যেন অতীতৰ দিনলিপিবোৰ। মলয়াই, আকাশে, শেৱালীৰ সুৱাসে নিদিয়েনে তাৰেই
অতীত অতীতেই। কোনো যে বাট নাই, তালৈ ৰিং মাৰি যাবলে। আমি নিৰুপায়। বৰ্তমানৰ জঞ্জাল দিনবো
একোবাৰ উভতি যাবলৈ মন যায় মায়াময় অতীতলৈ, কিন্তু আমাৰ বাট চিৰৰুদ্ধ। কালৰ কুটিল গতিত আমি বৰ আ
যে বন্ধা!


সেউজ সুৰীয়া এটি গীত গাইছিল সেই দিনবোৰ...
নৈপৰীয়া এক দুপৰীয়াৰ নৈসৰ্গিক মায়াময় দুপৰীয়াৰ ৰৌদ্ৰস্নাতাত,
ক্ৰমাৎ হেৰাই গ'ল মোৰ তাৰৰ আঁত।
এতিয়াও বৈ আছোঁ তাকেই সুঁৱৰি...
কিয় জানো, মনে যে নামানে
ঋতু আহে ঋতু যায় বুলি।।"

## স্বপ্ন ... যেন জীৱনৰ এক প্ৰাচুৰ্য

বহুযুগৰ বেজাৰৰ দৰে স্বপ্নভঙ্গাৰ দুখে বৰকৈ আমনি কৰে। বাস্তৱ স্বপ্নৰ তাল মিলেই হৈছে প্ৰাত্যহিক
জীৱনৰ বাবে স্বপ্নৰো আছে এক বিশাল প্ৰয়োজন। সম-সাময়িক জীৱনৰ উপাদানবোৰৰ লগত একাত্ম হ'ব
জীৱন মানেই হৈছে বৰ্তমান। বাস্তৱৰ ভিত্তিতেই গঢ়ি উঠিব পাৰে প্ৰাচুৰ্যৰে ভৰা এক ভৱিষ্যৎ। স্বপ্ন ভাঙি গ'লে
লাগিব স্বপ্ন- জীৱনৰ আৰু ৰৌদ্ৰস্নাতা ভৱিষ্যতৰ কিয়নো স্বপ্নহীন জীৱন কাগজৰ এক নাৱৰ দৰে; যাৰ কোনো
নাই। স্বপ্নৰ ওপৰতে বগুৱাব লাগিব অনাগত সমধুৰ ভৱিষ্যতৰ পিনে। লক্ষ্য হোৱা উচিত যোগাত্মক ভৱিষ্য
[illegible] পৰা সমূলি বিদায় লৈ আগুৱাই যাম আমি পুবাৰ প্ৰভাতী কিৰণৰ উত্তাপলৈ...◀

B.H.B. College, Sarupeta

# অতিথি লিখক



<u>প্ৰবন্ধ</u>

ঐতিহাসিক প্ৰেক্ষাপটত বেজবৰুৱাৰ 'বীণ-বৰাগী' ।। উষা দাস ।। ৪১
কৰ্মৰ অভিব্যক্তিৰে গঢ়িব পাৰি জীৱন ।। মিনু পাটগিৰী ।। ৪৩
বধকাব্য আৰু ৰাম সৰস্বতী ।। কঞ্জু বৈশ্য ।। ৪৬
এনেকৈ আৰু কিমানদিন ।। অংকুমণি দাস ।। ৪৮
পুঁজিবাদী অৰ্থনীতি সংকটমুক্ত নে? ।। অনন্ত চন্দ্ৰ কলিতা ।। ৪৯
পণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ যুক্তিবাদী ঐতিহ্য ।। দ্বিজেন বৰ্মন ।। ৫৩

<u>কবিতা</u>

প্লাবিতা ।। সঞ্জীৱ কুমাৰ তালুকদাৰ ।। ৫৭
প্ৰেক্টিকেল ।। হুছেইন মহম্মদ ছাহজাহান।। ৫৭
দুসময়ৰ মালিতা ।। বিৰিঞ্চি কুমাৰ দাস ।। ৫
প্ৰবাহ ।। জুমি দাস ।। ৫
বৰ্ষপূৰ্তি ।। টুটুমণি ডেকা।। ৫

B.H.B. College, Sarupeta

# ঐতিহাসিক প্ৰেক্ষাপটত বেজবৰুৱাৰ 'বীণ-বৰাগী'

উষা দাস
প্ৰাক্তন ছাত্ৰী

জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম লক্ষ্মীনাথ বেজবৰুৱাদেৱে আধুনিক অসমীয়া সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠা কৰাই নহয়, মৃত অসমীয়া জাতিটোকো সঞ্জীৱনী সুধা ঢালি বিদেশীৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ কৰিলে। সাহিত্যৰ সকলো বিভাগতে সমানে হাত দি চালুকীয়া আধুনিক অসমীয়া সাহিত্যক সমকালীন ভাৰতীয় সাহিত্যৰ পৰ্যায়লৈ নিয়াৰ বাবে অহোপুৰুষাৰ্থ কৰিলে। বেজবৰুৱাৰ সমস্ত ৰচনাৰাজিৰ মাজেৰে একালে যেনেকৈ বুদ্ধিদীপ্ত হাস্যৰস প্ৰকাশিত হৈছে, আনকালে দেশপ্ৰেমৰ আবেগ উথলি উঠিছে। স্বদেশ আৰু জাতিৰ প্ৰতি থকা বেজবৰুৱাৰ অকুণ্ঠ প্ৰেমে সকলো বিৰুদ্ধ শক্তিৰ বিৰুদ্ধে থিয় হবলৈ তেওঁক উৎসাহ যোগাইছিল। জীৱিকা নিৰ্বাহৰ তাগিদাত সুদূৰ সম্বলপুৰৰ হাবিত কাম কৰোতেও অসমীয়া জাতি, অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ চিন্তাই তেওঁৰ মন প্ৰাণ ঢালি পেলাইছিল।

'কবিতা হয় যদি হওক, নহয় যদি নহওক'— এনে মানসিকতাৰে লিখা বেজবৰুৱাৰ আটাইবোৰ কবিতা ৰসোত্তীৰ্ণ নহলেও কেইটিমান কবিতাৰ আবেদন ৰসগ্ৰাহী পাঠকৰ মনত সদায়েই জীয়াই থাকিব। তেনে এটি কবিতা হ'ল 'বীণ বৰাগী'। জাতীয় চেতনা আৰু সবল আশাবাদৰ এক জ্বলন্ত প্ৰকাশ এই কবিতাটি। অসমৰ অতীত ঐতিহ্যৰ প্ৰতি বেজবৰুৱা সদায়েই সচেতন আছিল। গৌৰৱমণ্ডিত সেই সোণালী অতীতৰ প্ৰতি শ্ৰদ্ধাবান হৈ ভৱিষ্যতৰ পথত খোজ দিবলৈ সমগ্ৰ অসমীয়া জাতিক আহ্বান জনাইছিল। ১৯২৯ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত বেজবৰুৱাই কৈছিল— 'আমাৰ যে অতীত একেবাৰে মুঠেই উপেক্ষনীয় নহয়, বৰং একালত সি যে ভাৰতৰ সকলো উন্নত প্ৰদেশৰ নিচিনা বা ততোধিক আছিল, সেইটো জগতৰ আ... দাঙি ধৰা আৰু সেই ভাবতে অনুপ্ৰাণিত হৈ নিজৰ জাতীয় জী... শকতকৈ গঢ়ি লোৱা আৰু অতীত আৰু বৰ্তমান এই দুটাৰ মা... সম্বন্ধ আৰু সামঞ্জস্য ৰাখি ভৱিষ্যতৰ বাটেদি আগবঢ়া আমাৰ প্ৰ... কৰ্তব্য। অতীত ভৱিষ্যতৰ উৰ্বৰ ভূমি।' 'অসমীয়া ভাষা সাহি... শীৰ্ষক দীঘলীয়া প্ৰবন্ধটোত বেজবৰুৱাই অতীত অসমৰ ... মহাৰজাসকলৰ শৌৰ্য-বীৰ্য, বীৰ-বীৰাংগনা আৰু মহাপুৰুষস... কীৰ্তি-কাহিনী ৰোমন্থন কৰি অসমীয়া জাতি যে নিশকতীয়া, ... নহয় তাক যুক্তিৰে উপস্থাপন কৰিছে। বেজবৰুৱাৰ স... পৰাধীনতাৰ কবলত থকা অসমীয়া জাতিটোৱে নিজৰ অ... ঐতিহ্য পাহৰি বিদেশী সংস্কৃতিৰ ছত্ৰছায়াত প্ৰতিপালি... আভিজাত্যৰ ফোঁপোলা ৰূপেৰে নিজকে ধন্য মানিছিল। অ... বিদেশী ভাষাৰ অন্ধ অনুকৰণৰ ফলত মাতৃভাষাটোৱো এওঁ... মানত এলাগী হৈ পৰিছিল। অসমীয়া জাতিৰ এনে অধঃ... বেজবৰুৱাৰ দৰে সচেতন ব্যক্তিসকলৰ অন্তৰ কঁপাই দিছিল... তাৰেই ফলশ্ৰুতিত বেজবৰুৱাৰ কাপৰ পৰা সৃষ্টি হৈছিল ... বৰাগী'ৰ দৰে অপূৰ্ব কবিতা।

অতীত অসমীয়া সমাজ জীৱনৰ লগত ওতঃপ্ৰো... জড়িত হৈ থকা এক চিনাকি চৰিত্ৰ হৈছে বৰাগী ককাই। ... ককাইৰ গীতৰ সুৰে ল'ৰা-বুঢ়া, ডেকা-ডেকেৰী সকলো... কৰে। বেজবৰুৱাৰ প্ৰবাসী জীৱনত স্তূপীকৃত হৈ থকা ... অনুভূতিক উমাল কৰি তুলিছিল ভৰদুপৰীয়া চোতালত ব... গোৱা কোনোবা বৰাগীৰ বীণৰ মূৰ্চ্ছনাই। সেই সুৰত আ... কৰুণ কোমল আবেদন থিয়ে বেজবৰুৱাৰ হিয়া সেমেকাই ... বেদনাসিক্ত সেই সুৰত বেজবৰুৱাই কাৰ জীৱনক বন্দী...

B.H.B College, Sarupeta

তেওঁ ঠিক বুজিব পৰা নাই। কিন্তু বৰাগীলৈ তেওঁৰ এটি আবেদন তেওঁ কোনো দুখৰ কাহিনী শুনিব নোখোজে। সীতাৰ, দময়ন্তীৰ, শ্ৰীবৎস চিন্তাৰ করুণ কাহিনী তেওঁ শুনিব খোজা নাই। তেনেদৰে অতীত অসমৰ সতী জয়মতীৰ আত্মত্যাগ, বদন বৰফুকনৰ দেশদ্ৰোহিতা, মৰাণৰ বিদ্ৰোহ, মণিৰাম-পিয়লিৰ দেশৰ বাবে আত্মহুতি নতুবা চান্দ সদাগৰ আৰু বেহুলাৰ শাস্তিৰ কথা শুনি তেওঁৰ অন্তৰখন গধুৰ কৰি তুলিবলৈ বিচৰা নাই। এই কাহিনীবোৰে তেওঁক নিৰাশাৰে আচ্ছন্ন কৰি তুলিব। বেজবৰুৱাই নিৰাশাক প্ৰশ্ৰয় দিব নোখোজে। জাতিটোক প্ৰাণোচ্ছল আৰু গতিশীল কৰি ৰাখিব খোজে তেওঁ। তাৰ বাবে তেওঁক লাগে এটি আশাবাদী মন। তিমিৰাচ্ছন্ন নিশাৰ এন্ধাৰ ফালি আশাৰ জোনাকী বাটত খোজ দিবলৈ তেওঁৰ হেঁপাহ। সেয়ে তেওঁ বৰাগীক অনুৰোধ কৰিছে দেশৰ অতীত বুৰঞ্জীৰ পৰা গৌৰৱোজ্জ্বল কাহিনীবোৰ উদ্ধাৰ কৰি সুৰেৰে, গীতেৰে অমৃতৰ নিজৰা বোৱাবলৈ বাণ, ভগদত্ত, ভীষ্মক, শংকৰলাদিব, শংকৰ-মাধৱ, মাধৱ কন্দলি, ৰুদ্ৰসিংহ, চিলাৰায়, নৰনাৰায়ণ— অসমৰ এই মহান পুৰুষসকলৰ বীৰত্বব্যঞ্জক যুগমীয়া কাহিনীয়ে প্ৰতিকুল পৰিস্থিতিৰ বিৰুদ্ধে যুঁজিবলৈ বেজবৰুৱাক সাহস যোগাব। সেয়ে বেজবৰুৱাই কৈছে—

'শুনা ঐ বৰাগী
আনন্দ কাহিনী
অসমৰ যশৰাশি
হিয়া মোৰ হেৰ'
বলৱন্তক হোক
পৰাণ উঠক উলাসি।'

বৰাগী হৈছে সংসাৰ বিৰাগী পুৰুষ। জীৱনৰ অনিত্যতা, সংসাৰৰ অসাৰতা - এইবোৰেই সাধাৰণতে বৰাগীসকলৰ গীতৰ বিষয়বস্তু। কিন্তু বেজবৰুৱাই তেনে গীত বৰাগীৰ পৰা শুনিব বিচৰা নাই। সংসাৰৰ জয়গান গোৱা গীতহে তেওঁৰ কাম্য। সংসাৰৰ উষ্ণ মৰুভূমিত বৰাগীৰ গীতেহে শীতল জলধাৰা হৈ অসীম সুখ কঢ়িয়াই আনিব পাৰে। বেজবৰুৱাৰ ভাষাত—

'বজা ঐ বৰাগী
সংসাৰ বিৰাগী
সংসাৰৰ গুণগান;
সুৰদি শুৰলা
বেপটোৰে পতি
শীতল হওক প্ৰাণ।'

অতীত ঐতিহ্যক বুকুত খামোচ মাৰি ধৰিলেও বেজবৰুৱা আধুনিকতাৰো অগ্ৰদূত। অতীতৰ সম্পদবোৰৰ আধাৰত তেওঁ বৰ্তমানক নতুন ৰূপত গ্ৰহণ কৰিব খোজে। বেজবৰুৱাৰ বিশ্বাস অতীত বৰ্তমানৰ এই সোঁতাৰে চলমান জীৱনে অনাদি কাললৈ বাট

বুলিব—। বৰাগীৰ গীতটো তেওঁৰ বাবে উদ্দী
তেওঁ কামনা কৰিছে— যাতে তেওঁ পুৰণি পৃথি
চাব পাৰে—

'নতুন প্ৰাণৰ ন চকুযুৰি
দীপিতি ঢালি দে তাতে;
পুৰণি পৃথিৱী
নকৈ চাই লওঁ
দে বীণ এবাৰি মাত।'

ভগীৰথে পবিত্ৰ গংগা নমাই আনি পৃ
মুক্তি দিয়াৰ দৰে বৰাগীয়েও যেন তেওঁৰ গী
অসমবাসীক দেশপ্ৰেমত উদ্বুদ্ধ কৰে আৰু যে
দুখ নাইকিয়া কৰে। এই সুস্থ আশাবাদে কবি
মাত্ৰা দিছে।

অসমীয়া দেশপ্ৰেমমূলক কবিতাৰ ইতি
কবিতাটোৰ এক বিশেষ স্থান আছে। দেশপ্ৰে
বিষয় যদিও, অসমীয়া সাহিত্যত হেমচন্দ্ৰ গো
ইয়াৰ মুক্ত প্ৰকাশ ঘটে। বিদেশী শাসকৰ হা
উদ্ধাৰ কৰিবলৈ আৰু দেশৰ জনতাক স্ব
উজ্জীৱিত কৰাৰ বাবে কবি-সাহিত্যিক সকলে
আধাৰ কৰি লৈছিল। কমলাকান্ত ভট্টাচাৰ্য, অ
প্ৰসন্নলাল চৌধুৰী, নলিনীবালা দেৱী, জ্যো
আদি ৰোমাণ্টিক যুগৰ কবিসকলে কবিতা
যোৱাই অসমীয়া জাতিটোৰ জাতীয় চেত
অহোপুৰুষাৰ্থ কৰিছিল। ৰোমাণ্টিক কবিতৰ
কবিসকলৰ হাতত নতুন ৰূপত প্ৰকাশি উঠি
কবিৰ স্বদেশানুৰাগৰ ধাৰণা ৰোমাণ্টিক কবি
বহুখিনি আঁতৰি আহিছে। আধুনিক কবিৰ ম
বিস্তৃত। তেওঁলোকৰ দেশপ্ৰেম বিশ্বপ্ৰেমৰে
দেশৰ মাটিত ৰোপিত হৈ থকা অস্তিত্বৰ ঘা
অস্বীকাৰ কৰা নাই। হীৰেন ভট্টাচাৰ্য, নি
আৰম্ভ কৰি মেগন কছাৰী, কবিৰঞ্জন শই
মাজত সেই একেই সুৰ প্ৰোথিত হৈ আছে
বৰাগীৰ সুধাকণ্ঠ নিনাদিত হৈছে।

মুঠতে অসমীয়া দেশপ্ৰেমমূলক ক
বেজবৰুৱাৰ 'বীণ বৰাগী' এক উল্লেখযোগ্য
জাতিৰ জাতীয় চেতনা জাগ্ৰত কৰাৰ ক্ষে
মূল্য সদায়েই থাকিব। অৱশ্যে কাব্যিক
'প্ৰিয়তমাৰ সৌন্দৰ্য', 'মালতী', 'ভ্ৰম', 'ধ
কবিতাৰ সমকক্ষ 'বীণ বৰাগী'য়ে হ'ব
স্বদেশানুৰাগৰ জ্বলন্ত চানেকি হিচাপে 'বী
অসমৰ সাহিত্য কাননত সৌৰভ বিলাই থা

B.H.B. College, Sarupeta

# কৰ্মৰ অভিব্যক্তিৰে গঢ়িব পাৰি জীৱন

মিনু পাটগিৰী
প্ৰাক্তন ছাত্ৰী

পৃথিবীৰ গুণী জ্ঞানী পণ্ডিতসকলে জীৱনৰ বিষয়ে নানা মত নানা ব্যাখ্যা দাঙি ধৰি বিশ্লেষণাত্মক যুক্তি আগবঢ়াই গৈছে। কোনোজনে কৈছে জীৱন কৰ্ম আৰু আকাংক্ষাৰ সমষ্টি, কোনোৱে হয়তো কৈছে জীৱন আবেগ আৰু কৰ্মৰ সমষ্টি। কোনোবাৰ মতে জীয়াই থকাৰ কাৰণেই জীৱন। মুঠতে জীৱনৰ ওপৰত অনেক মতামত। সি যি কি নহওঁক জীৱন জীৱনেই। এই সংসাৰত জীৱন ধৰিলে জীৱনৰ প্ৰকৃত মৰ্যাদা ৰক্ষাৰ্থে আমি বিভিন্ন কামত আত্মনিয়োগ হ'ব লাগিব। কৰ্মৰ দ্বাৰাইহে নিৰূপণ হয় জীৱনৰ মান। চৰ্দাৰ বল্লভ ভাই পেটেলে এটি টোকাত এটি বাক্য লিখি গৈছে সেয়া হৈছে এনেধৰণৰ উক্তি, 'কামেই উপাসনা হ'ব লাগিব জীৱন।' যিজনে জীৱনত সুখ আৰু দুখ দুয়োকে হৰ্ষমনে গ্ৰহণ কৰিব জানে তেওঁহে জীৱনৰ সৌন্দৰ্য ভোগ কৰিব পাৰে। গতিকে সুখ-দুখ, হাঁহি-কান্দোন, হৰ্ষ-বিষাদ ইত্যাদিবোৰ জীৱন থাকিলে জড়িত হৈ থাকিবই। ভগৱানে জন্মৰ লগতে বিধানবোৰ দিয়ে। জীৱন মুখামুখি হৈ সমাধানেৰে সুস্থিৰ চিন্তা-চৰ্চাৰে সময়ৰ বাটত আগুৱাই গ'লে এদিন জীৱন সুন্দৰ হৈ উঠে।

ওপৰোক্ত বাক্যবোৰত জীৱন সম্পৰ্কে আলোচনা কৰোতে অকেইটা দিশেই আহি পৰে যদিও কৰ্ম আৰু ধৰ্মৰ ওপৰত আলোচনা কৰিম; কিয়নো আধ্যাত্মিক চিন্তা শক্তিয়ে জীৱনৰ বাটত পোহৰ পেলাওঁতে পোহৰ দেখুৱায়। আজিৰ বিশৃঙ্খল আৰু অস্থিৰ সমাজত বসবাস কৰা সকলো নাগৰিক তথা প্ৰজন্মৰ বাবেই দৰকাৰ হৈ পৰিছে ঈশ্বৰচিন্তা বা ভগৱানৰ প্ৰতি সাধনা। দুখত ভাগি পৰা সময়ত যদি অকমান শান্তি বিচাৰি ভগৱানৰ গুণানুকীৰ্তন কৰে বা নাম লয় অকণমান হ'লেও শান্তি পোৱা যায়। বৰ্তমান আমাৰ সকলোৰে বাবে সময়বোৰ দুৰ্বহ হৈ পৰিছে। যেন দ্বিধা, শঙ্কা, মৃত্যুৰ কৰাল গ্ৰাসৰ আৰ্তনাদে অচল কৰিছে জীৱন-যাপনৰ স্থান। একো কৰিব নোৱাৰি ভগৱানৰেই নাম লৈছে। তেওঁহে এককথাত কব পাৰি আধ্যাত্মিকতাই কলুষতা নাশ কৰি পোহৰৰ পথ দেখুৱাব পাৰে। সেই অনাদি শক্তিৰ ধাৰাক আমি নানা পদ্ধতি নানা উপাচাৰেৰে আৰাধনা কৰো। যিয়ে মনটোক স্থিৰ কৰি ঐকান্তিকতাৰে ভক্তিৰসত ডুব যায়, সেয়ে হৈছে ধৰ্ম। মানৱীয় অন্তৰৰ সৰলবিশ্বাস আৰু গভীৰ প্ৰেমেই হৈছে ধৰ্মৰ উদাহৰণ। এই বিষয়ে বিখ্যাত পণ্ডিত প'ল ব্ৰাউটনে কৈছিল যে "Faith which humbly acknowledges the existence of a higher power is a true instinct pla-planted in the heart of humanity"

বিভিন্ন ধৰ্মীয় অনুষ্ঠান, পূজা অৰ্চনাবোৰো হৈছে আধ্যাত্মিক অনুভূতিৰে আয়োজিত সংহতিৰ উৎসৱ। তেনেদৰে প্ৰত্যেক সম্প্ৰদায় বা জাতি গোষ্ঠীৰ মাজতে নিজ নিজ অনুভৱেৰে ঈশ্বৰ আৰাধনা কৰা দেখা যায়। মুঠতে যিয়ে যিভাৱে ঈশ্বৰক নাভাৱ কিয়, বা নামকৰণেৰে নামাতক কিয় অনাদি শক্তিৰ জ্যোতিৰ্ম এটায়ে পাশ্চাত্যৰ মানুহে সময়কেই ভগৱান বুলি মানে আৰু কৰ্মকে ধৰ্ম বুলি ভাৱে। বেদ, পুৰাণ, উপনিষদৰ পৰা গীতা ভাগৱতলৈকে ঈশ্বৰৰ নানা অৱতাৰ নানা কাহিনী বৰ্ণনা কৰা হৈছে শাস্ত্ৰৰ ভিতৰছোৱাত বিশ্বব্ৰহ্মাণ্ড সৃষ্টিৰ বিষয়ে বৰ্ণনা কৰোতে চাৰিযুগৰ কথা উল্লেখ আছে। প্ৰতিখন শাস্ত্ৰতে ভগৱান ভক্তি আত্মনিয়োগৰ কথা বৰ্ণনা কৰি জীৱনৰ প্ৰমূল্যবোধৰ বাবে, আলোড়িত কৰিব পৰা ভক্তি ৰসৰ ধাৰা বৰ্ণনা কৰি থৈ গৈছে মহা পুৰুষ সকলে। শাস্ত্ৰত উনুকিওৱা হৈছে যে—

B H B College Sarupeta

সঙ্গাৎ সঞ্জায়তে শ্ৰদ্ধা
শ্ৰদ্ধায়াঃ দৃষ্টি শুদ্ধতা
দৃষ্টি শুদ্ধেহি বিশ্বাসঃ
বিশ্বাসাৎ নিৰ্ব্বিচাৰতা
নিৰ্ব্বিচাৰাৎ ভবেৎ প্ৰেমঃ
প্ৰেমাশ্ৰ আত্ম সমৰ্পনঃ।।

শ্ৰদ্ধা, ভক্তি, দয়া, ক্ষমা জীৱনৰূপী মানুহৰ অন্তৰত থকা উচিত। যেতিয়া মানুহৰ দয়ামায়া নোহোৱা হয়, লোভ মোহ অহঙ্কাৰ বাঢ়ি যায়; অত্যাচাৰী অনাচাৰী হয়, তেতিয়াই দুৰ্যোৰ অমানিশাই তেনে জীৱনক বেৰি ধৰে। সেয়ে হৈছে কালৰূপী, সংহাৰ ৰূপী সময়;যাৰ অন্তৰালত লুকাই থাকে ভগৱানৰ নিৰ্দেশ।

আমি থোৰতে ক'ব পাৰো সকলো ভাল বেয়াৰ গৰাকী হৈছে 'মন'। মনটোৱে পৰিচালনা কৰে শৰীৰ বা জীৱনক। ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ মতে ভগৱানক বিচাৰি পাবলৈ হ'লে ঈশ্বৰ পূজাত মন নিয়োগ কৰিব লাগিব। তেতিয়াহে ঈশ্বৰৰ প্ৰকৃত সান্নিধ্য লাভ কৰিব পৰা যায়।

"Man cannot know god, unless he comes into cantact with him in a personal encounter as an object of worship."

পৃথিৱীত ধৰ্মৰ গ্লানি হ'লে অধৰ্মই গা কৰি উঠে। তেতিয়া ঈশ্বৰপুৰুষ অৱতাৰ লৈ সমাজ সুন্দৰ কৰিতোলে। ভগৱানে সদায়েই মনুষ্যৰ কল্যাণৰ বাবে অৱতাৰ লয় নানাধৰণৰ সংস্কাৰমুখী নীতিৰে, ৰূপেৰে। তেনেদৰে মহাত্মা গান্ধী, যীশুখৃষ্টইও মহানবাণী আগবঢ়াই কৈছে যে—

"I come to fulfill and not to destroy."

সংসাৰখনত অকল মানুহকেই ভগৱানে অধিকাৰ দিয়া নাই। সকলো জীৱজন্তু, গছ-গছনি, কীটপতঙ্গ আদি নিৰ্জীৱ, সজীৱ প্ৰাণীকে অধিকাৰ দিছে। তেওঁৰ মাহাত্ম্য বৰ্ণনা অপৰিসীম। তেওঁ সেইবাবে সংসাৰৰ অৰ্থ এনেদৰে দিছে যিয়ে পাৰ্থিৱ মায়াতকৈ ঈশ্বৰৰ মায়াত বেছি আত্মনিয়োগ হ'ব পাৰে। সং মানে মায়া আৰু সাৰ মানে ভগবান। সেইবাবে ৰামকৃষ্ণ পৰমহংসদেৱে কৈছে যে— "নিজকে ভালবাসাৰ নাম মায়া পৰকে ভালবাসাৰ নাম দয়া; শুধু নিজেৰ পৰিবাৰেৰ লোকদেৰ ভালবাসি এৰ নাম মায়া, শুধু নিজেৰ দেশেৰ লোক গুলিকে ভালোবাসি এৰ নামও তাই। কিন্তু সবদেশেৰ লোককে, সবধৰ্মেৰ ভালোবাসি এৰ নাম দয়া। মায়াতে মানুষ বদ্ধ, ভগবানেৰ থেকে বিমুখ; দয়াতে মানুহ মুক্ত, ভগবানেৰ প্ৰতি অভিমুখী'।

সেয়েহে ধৰ্মৰ চিন্তা চৰ্চাৰে কৰ্মমুখী হ'লে কেতিয়াও মানুহে সুখ সাগৰত বুৰিব নালাগে। দুখ বা সংঘাত জীৱনৰ বাবে সংসাৰ সমুদ্ৰ এটা টো বুলি ভাবি ললে বা এজাক ধুমুহা বুলি ভাবিলে অশান্তি নহয়। বৈদিক যুগত যাগ-যজ্ঞ, পূজা পাতল বেছি থকা বুলি প্ৰবাদ আছে। সেই যুগত দৈৱশক্তিৰ জৰি... কাম কাজ সম্পন্ন কৰিছিল। এতিয়া আধুনিক ... বিজ্ঞানৰ যুগতো পূজা-পাতল, নাম গুণ ঈশ্বৰৰ কী... বিশ্বাস কৰি চলি আছে সেয়েহে ঈশ্বৰ চিন্তাৰ ... দ্বাৰাই মানুহে সমাজৰ অস্থিৰতা দূৰ কৰি সুস্থ সম... পাৰে। এই ঈশ্বৰ শক্তিয়ে হৈছে সকলো সুখ শক্তি... শক্তি। "Wisdom is a sword and righte... shield."

মানুহে আজিৰ দিনত কৰিব নোৱাৰা এ... সভ্যতাৰ জখলাত বগাই যোৱা শিক্ষিত স... কুটাঘাতমূলক কাম কৰি জীৱনৰ খেলখেলা ... নিৰ্দয়তাৰে ধংস যজ্ঞ পাতি গৈছে। কুটুমে জ্বলা... তেজেৰে বন্তি। হয়, হ'বই কলিৰ শেষ মহাপুৰুষ ... আছিল ঈশ্বৰপুৰুষ। সেইবাবেতো পাঁচশবো ... লেখি থৈ গ'ল ভবিষ্যৎবাণী।

"কলিৰ শেষত হৈ'ব কল্কি অৱতাৰ।
কাটি মাৰি ম্লেচ্ছক কৰিব বুন্দামাৰ।।"

তেখেত যুগজয়ী, কালজয়ী, সৰ্বকালৰ ... অসমীয়াসকলৰ প্ৰাণে কান্দে, জাতিটোৰ দুৰ্যো... সোঁৱৰে। তথাপিও মোহান্ধত বলিয়া মানুহ ... অমৃতবাণীক মৰমেৰে ধৰি কৰ্মৰ বাটত আগব... ধৰ্ম পুৰুষ। মৰমক ধৰি ৰখাই ধৰ্ম। ধৰ্মই ম... ত্বৰলৈ নিব পাৰে। প্ৰতি উশাহ নিশাহ, শয়ন ... মাজতেই ঈশ্বৰক বিচাৰিব পাৰি। তেওঁক বিচাৰি... দৰকাৰ নাই। ধৰ্মৰ দ্বাৰাই ঈশ্বৰ চিন্তাৰে কৰ্মত... শ্ৰেষ্ঠতৰ পথৰ সন্ধান পায় আৰু জীৱনো ... ৰাধাকৃষ্ণণে লিখি থৈ গৈছে যে— "Art and ... ence and knowledge, love and se... cellent things in their over ways; the... the place of religions experience. N... rality, insperable as it is from religi... the substitute for religion. Religion ... and these are all attendent lords."

এইটো কথা সত্য যে আধ্যাত্মিক চিন্তা ... নহ'লে কোনো দিশেই সমাজ গঠনত স... ভগৱানক সুখত নহয়, দুখৰ মাজতহে পো... বছৰ কৌৰৱৰ অত্যাচাৰ সহ্য কৰি কাৰাগা... ভগৱানক লগ পাইছিল। পাণ্ডৱসকল উভতি ... পিছত কুন্তীৰ ওচৰৰ পৰা কৃষ্ণই বিদায় ল... কান্দি কৈছিল— 'হে কৃষ্ণ তুমি ওচৰত থাকো... দেখিছিলো, এতিয়া তুমি পাৰ্থিৱ সুখ সম্পদ ...

B.H.B. College, Sarupeta

জীৱন ভৱৰ পৰা আঁতৰি যাবা। গতিকে তুমি মোক পোহৰৰ পৰা বঞ্চিত কৰিলা। এনে সুখৰ এন্ধাৰ নালাগে; যি সুখে বিষয় বাসনাৰ অনলৰ বাহিৰে একো দিব নোৱাৰে। তুমি মোক পুনৰ জীৱন কুটিৰত আবদ্ধ কৰি ৰাখা য'ত পাওঁ তোমাৰ সান্নিধ্য, য'ত পাওঁ তোমাৰ চৰণৰ ছাঁয়া। সেই অনাবিল সুখ সমৃদ্ধিয়ে জীৱন ধন্য কৰে। ত্ৰিভুৱনৰ অমৃত মন্থন যেন সেই মুহূৰ্ত আছিল।' তেতিয়া কৃষ্ণই কুন্তীৰ আৱেগবিহ্বল নয়নৰ অশ্ৰু মচি কৈছিল— ধন্য! ধন্য পেহী তোমাৰ জীৱন। তোমাৰ এনে মহান আদৰ্শই সমগ্ৰ নাৰী জাতিকেই পুনৰ ধৈৰ্যৰ শিখা সহ্যৰ শলিতা হিচাপে জীয়াই থকাৰ পথ দেখুৱালে। সেইবাবে নাৰীৰ আন নাম জায়া। সেইবাবে নাৰী মহিমাময়ী, মাতৃ, ভগ্নী, কন্যা, জীয়াৰী বোৱাৰী ইত্যাদি হিচাপে ৰূপান্তৰ হৈ এক কথাত হৈ পৰিছে দেৱী। দেৱীৰ অন্য নাম অনন্যা।

আমি দৃঢ়ভাৱে ক'ব লাগিব জীৱনৰ উত্থান পতন হয় মাথোন মানুহৰ প্ৰবৃত্তিবোৰৰ বাবে। স্তৰে স্তৰে বংশ বিকাশ হৈ আহিছে। উত্তৰ প্ৰজন্মৰ পৰা ক্ৰমান্বয়ে ন প্ৰজন্মলৈ—। বংশৰ প্ৰভাৱ পৰিলেও সেই বুলি সকলো একে নহয়। শ্ৰীকৃষ্ণ এজনেই জন্মিছিল। মহাত্মা গান্ধী বা শ্ৰীমন্ত শঙ্কৰদেৱ আদি এজনহে জন্ম ধৰিছে। বাকী বংশত তেনে আদৰ্শৰ সন্তান জন্ম লোৱা নাই। তেওঁলোকে জন্ম লৈ পৃথিৱীখনক উপলব্ধি কৰিবলৈ জানিছিল। জীৱন ধৰি কিবা এটা স্মৃতিচিহ্ন এৰি থৈ যোৱাৰ বাবে অক্লান্ত পৰিশ্ৰম কৰিছিল। সংসাৰখনক ৰঙ্গমঞ্চ হিচাপে লৈ জীয়াই থকা কেইদিন নানা ধৰণৰ চৰিত্ৰৰ অভিনয় কৰি 'মানুহ' নামৰ শব্দটোক জীৱন্ত হিচাপে ৰখাৰ প্ৰচেষ্টাত সাধনা কৰি আগবাঢ়ি গৈছিল সত্যৰ পথেৰে। সেইবাবে আমি প্ৰত্যেকে ভাবিব লাগে কিবা কৰাৰ বাবে, দহৰ উপকাৰ, সমাজ সংস্কাৰ, শিক্ষানীতি, ৰাজনীতি সকলো ফালে যদি আমি মন দিওঁ তেতিয়া অন্ততঃ এটা নহয় এটা বিষয়ত আগবাঢ়িব পৰা যাব।

ওপৰোক্ত কথাবোৰৰ বাহিৰে আমাৰ নপ্ৰজন্ম বা ছাত্ৰ/ছাত্ৰী সকলৰ বাবে বিশেষ দৰকাৰ হৈ পৰিছে শিষ্টাচাৰ বা আচৰণ। অভিভাৱকবিলাকৰ প্ৰয়োজন হৈছে সন্তানসকলক সংস্কাৰমুখী কৰাৰ। ধনী বা দুখীয়া বুলি কোনো কথা নাই ঘৰ এখন যদি সংস্কাৰমুখী হয়, সন্তানসকলে সেই ঘৰৰ শিক্ষা লৈ পিছলৈ শিষ্টাচাৰী হয়।

সৰু কথা কেইটামানলৈ নজৰ দিওঁ আহক—

১। কোনোবা জ্যেষ্ঠ বা ডাঙৰ মানুহক পৰিচয় কৰাই দিলে অভিবাদন কৰি নমস্কাৰ বুলি কোৱা শিষ্টাচাৰ শিকা দৰকাৰ।

২। শিক্ষাগুৰু বা শিক্ষকৰ দৰে সন্মানীয় ব্যক্তিক দেখিলে তললৈ মুৰ দোৱাই খবৰ-বাতৰি লব লাগে।

৩। শিক্ষক/শিক্ষয়িত্ৰী সকলেও ছাত্ৰ-ছাত্ৰীক সন্তানৰ দৰে মৰমৰ দৃষ্টিৰে চোৱা উচিত। বদ্‌মাচ্ বা অসভ্য হ'লে মৰমেৰে বুজাই বঢ়াই ভাল পথলৈ আনিবলৈ চেষ্টা কৰিব লাগে। যদি তথাপি ঠিক নহয় সেই ছাত্ৰ বা ছাত্ৰীৰ পৰিয়ালৰ সতে যোগাযোগ কৰাৰ উপৰি ঘৰখনৰ সংস্কাৰ অধ্যয়ন কৰা উচিত।

৪। কনিষ্ঠ সকলে জ্যেষ্ঠ বা সন্মানীয় লোকৰ ওচৰত ৰাগিয়াল বস্তু সেৱন কৰিব নালাগে।

৫। ব্যৱহাৰ আৰু আচৰণ নম্ৰ আৰু মাৰ্জিত হোৱা উচিত।

৬। সময়ক অক্ষৰ দৰে হিচাপ কৰি চলিব লাগে।

৭। আজৰি সময়ত ভাল কিতাপ, আলোচনী, বাতৰিকাকত পঢ়াৰ উপৰি বাস কৰা চুবুৰিৰ খা-খবৰ ল'ব লাগে।

৮। শত্ৰুতাৰ উমান পালেই আদৰণি জনাই তৎক্ষণাত বন্ধুত্ব পাতিব লাগে।

এই বিলাকৰ উপৰি গল্প, কবিতা, প্ৰবন্ধ আদি লিখিবলৈ চেষ্টা কৰিব লাগে। কিয়নো জীৱনৰ শেষ আছে যিহেতু জীৱনটোক জীয়াই থাকোতে মূল্যাঙ্কন দিয়াৰ বাবে আমি প্ৰত্যেকে এবাৰ চেষ্টা কৰোঁচোন। ঘড়ীৰ কাটাৰ সতে গৈ আছে জীৱনৰ দিনবোৰ 'মানুহে অৱস্থাৰ দাস নহৈ সংগ্ৰাম কৰিব পাৰিলেহে মানুহ প্ৰকৃত অৰ্থত মানুহ হ'ব পাৰে' বুলি মেক্সিম গৰ্কীয়ে কৈছিল।

তেওঁ জীৱন সম্পৰ্কে উপলব্ধি কৰি কৈছিল যে 'জীৱনৰ প্ৰতি মুহূৰ্তৰে একোটা মহৎ উদ্দেশ্য আছে, সেই চৰম উদ্দেশ্য সাধনৰ কাৰণেহে কৰা কঠোৰ প্ৰচেষ্টাতেই জীৱনৰ অৰ্থও লুকাই আছে।' তেনেদৰে মহাত্মা গান্ধীয়ে ভগৱান ভক্তিৰ প্ৰতি উনুকিয়াই কৈছে— সন্তসকলৰ বাণী শুনা, শাস্ত্ৰপঢ়া, বিদ্বান হোৱা কিন্তু ঈশ্বৰক যদি হৃদয়ত স্থান দিয়া নাই তেন্তে একো কৰা নাই।

ভগৱান ভক্তি বা ঈশ্বৰ বিশ্বাসী হ'বলৈ বয়স বা সময়ৰ কথা নাই। আধ্যাত্মিক চিন্তা চৰ্চাই বদ্ অভ্যাস নাশ কৰে। মন পবিত্ৰ হয় হৃদয় মহান হয় আৰু নিজে নিজে সুখ শান্তিৰ উপলব্ধিত আনন্দ পোৱা যায়। পৃথিৱীত এনে কোনো নাই যে ভগৱানৰ নাম নলয়, বিশ্বাস নকৰে। জীৱনবাটত খোজ কাঢ়োতে কেতিয়াবা নহয় কেতিয়াবা ঈশ্বৰৰ নাম ল'বই লব। বেঞ্জামিন ফ্ৰেঙ্কলিনে টোকা এটা লিখি থৈ গৈছে— জীৱন আৰু সময়ৰ বিষয়ে— 'জীৱনক ভাল পোৱাজন সময় খৰচ কৰাত হিচাপী হ'ব লাগে। কাৰণ জীৱনে সময়ৰ সমষ্টি মাথো।◄

B.H.B. College, Sarupeta

# বধকাব্য আৰ
# সৰস্বতী


কঞ্জু বৈশ্য
প্ৰাক্তন ছাত্ৰী


বধকাব্যসমূহ নানা কষ্ট
প্ৰপীড়িত দৈত্য দানৱ আদিৰ
দ্বাৰা সদায় আক্ৰান্ত। বনচাৰী
পাণ্ডৱসকলৰ দুখাবহ কাহিনীৰ
যোগেদি ভক্ত কবিসকলে সংসাৰ
তাপক্লিষ্ট ভব গহনচাৰী,
মোহবাশাচ্ছন্ন মানৱ জীৱনৰ
প্ৰতিবিম্বহে উপলব্ধি কৰিছিল।
পুৰণি কাব্যত পাণ্ডৱৰ বনবাস
আৰু প্ৰব্ৰজন মানৱ জীৱনৰ
সংসাৰ যাত্ৰাৰ ৰূপক মাথোন।

বৈষ্ণৱ কবি ৰাম সৰস্বতী বা 'অসমীয়া
অনুবাদ কৰাৰ উপৰি জনসাধাৰণৰ চিত্তবিনো
কাব্য ৰচনা কৰে। ড° বাণীকান্ত কাকতি
'বধকাব্য' আখ্যা দিছে। কাব্যৰ বিষয়বস্তু মূ
পোৱা নাযায়। কবিয়ে যামল সংহিতা,
হংসকাৰী, ব্ৰহ্মবৈৰ্ত্ত আদি পুৰাণৰ পৰা
বুলি কৈছে যদিও এই কাব্যসমূহ ৰাম সৰস্ব
ক'ব লাগিব। প্ৰায়বোৰ বধকাব্যতে দেখুও
পাণ্ডৱসকলে লাঞ্ছিত বা পীড়িত হৈছে যদি
অসুৰক বধ বা পৰাজিত কৰি শেষত জয়
মধ্যযুগত ৰচিত বধকাব্যসমূহ প্ৰাচীন অ
প্ৰচলিত আৰু বিপুল সমাদৃত আছিল। এই ক
বঘাসুৰ বধ, খটাসুৰ বধ, জংঘাসুৰ বধ,
বধ, কুলাচল বধ, জটাসুৰ বধ, কালকুঞ্জ
অশ্বকৰ্ণ যুদ্ধ, কালযৱন বধ, কীচক বধ, পা
আদিয়েই প্ৰধান। এইবোৰৰ প্ৰায়বোৰেই
হৈছে। আখ্যানমূলক সাধাৰণ কাব্যক
আজিকালিৰ গল্প উপন্যাসৰ দৰে অসমীয়া
চিত্তবিনোদনৰ আহিলা স্বৰূপে কাম কৰা
হৰিপ্ৰাণ পাণ্ডৱসকলে কিদৰে ভক্তিৰ
দুৰ্গতি, বিপদ-আপদ আৰু দানৱ-দৈত্যৰ
পাৰিছিল সেই কথাও বধকাব্যসমূহে দাঙি
হৰি ভক্তিৰ পৰকাষ্ঠা প্ৰকাশ পাইছে।
সহজ সৰল পদ্ধতিত ৰচনা কৰা লঘু হ

B.H.B. College Sarupeta

বধকাব্যবোৰ ৰাম সৰস্বতীৰ অতি জনপ্ৰিয় কাব্য। ড° বাণীকান্ত কাকতিয়ে বধকাব্যসমূহক 'ৰূপক কাব্য' হিচাপে অভিহিত কৰি ইউৰোপীয় সাহিত্যৰ মধ্যযুগীয় ৰোমান্সৰ লগত তুলনা কৰিছে। বধকাব্যবোৰলৈ লক্ষ্য কৰিলে এইকেইটা বিশেষত্ব দেখা যায়—

ক। প্ৰকাশ ভঙ্গীৰ সৰলতা

খ। বীৰ, অদ্ভুত, হাস্য, ৰৌদ্ৰ ৰসাত্মক বৰ্ণনাৰ প্ৰাধান্য।

গ। যুদ্ধৰ পুংখানুপুংখ বিৱৰণ

ঘ। ভক্ত সমাজৰ প্ৰতিনিধি স্বৰূপ পাণ্ডৱৰ কৃষ্ণৰ সহায় শেষান্তৰত বিজয় প্ৰাপ্তি আৰু

ঙ। গল্পৰ ছলেৰে নৈতিক আদৰ্শ প্ৰচাৰ।

বধকাব্যসমূহ নানা কষ্ট প্ৰপীড়িত দৈত্য দানৱ আদিৰ দ্বাৰা সদায় আক্ৰান্ত। বনচাৰী পাণ্ডৱসকলৰ দুখাবহ কাহিনীৰ যোগেদি ভক্ত কবিসকলে সংসাৰ তাপক্লিষ্ট ভৱ গহনচাৰী, মোহপাশাচ্ছন্ন মানৱ জীৱনৰ প্ৰতিবিম্বহে উপলব্ধি কৰিছিল। পুৰণি কাব্যত পাণ্ডৱৰ বনবাস আৰু প্ৰব্ৰজন মানৱ জীৱনৰ সংসাৰ যাত্ৰাৰ ৰূপক মাথোন। বিবিধ ছন্দ, অলংকাৰেৰে পৰিপূৰ্ণ বধকাব্যসমূহ অনুপম সাহিত্য। অনন্ত কন্দলিয়ে ৰচিত বধ কাব্যত কৈছে—

নাচাহিলো কাব্যকোষ    ক'তো নাহি পৰিতোষ  
তৰ্কত কৰ্কশ ভৈল মতি।  
একে ভাগৱত শাস্ত্ৰ    চিত্তক তুলিলে মোৰ  
তাতেসে দ্ৰাবিল মোৰ ৰতি।।  
শ্লোক সংস্কৃত আমি    লিখিবাক ভাল জানি  
তথাপি কৰিলো পদবন্ধ।

লিখকসকলে বধকাব্যসমূহত অসুৰ বধৰ কাহিনীৰে সমস্ত কাব্যখনক অসমীয়া জীৱনৰ প্ৰতিবিম্ব যেন কৰি তুলিছে।

**বাধকাব্যসমূহৰ ৰচনা কাল ঃ** বধকাব্যসমূহৰ ৰচনা কাল সঠিকভাৱে ধৰা টান যদিও মোটামুটিভাৱে ক্ৰম এটা ইংগিত কৰিব পাৰি। ৰাম সৰস্বতীৰ বঘাসুৰ বধ কাব্যখন নৰনাৰায়ণৰ দিনত (১৫৪০-১৫৮৪) আৰম্ভ কৰিছিল যদিও উক্ত কাব্যখন সম্পূৰ্ণ হওঁতে মহাৰাজ নৰনাৰায়ণ জীৱিত নাছিল। ব্যাসাশ্ৰম, কুলাচল বধ তেওঁৰ পিছৰ বয়সৰ ৰচনা। ইয়াৰোপৰি ধৰ্মনাৰায়ণৰ ৰাজত্ব কালতো কেইখনমান বধকাব্য ৰচনা কৰা হয়। 'জয়দেৱ কাব্য' নামৰ বধকাব্য ধৰ্মনাৰায়ণৰ দিনতে লিখা হয়। কাৰণ কবিয়ে কৈছে—

পূৰ্বতে ৰচিলো মই পদ অনুপম।  
উদ্যোগৰ আদ্যকথা ভাগৱত জান।।  
ভীষ্মপৰ্ব নিবন্ধিলো ভীষ্মৰ নিৰ্যান।  
পাছে ঘোষ যাত্ৰা বনপৰ্ব যাৰ নাম।।  
জয়দেৱ নামে কাব্য বিৰচিলো সাৰ।  
শুক্লধ্বজ ৰাজ টীকা কৰিলন্ত যাৰ।।

একেদৰে খটাসুৰ বধ, কীচক বধ, মহীষ ৰাৱণ বধ, বৃত্তাসুৰ বধ আদি কাব্যসমূহ ৰাম সৰস্বতীয়ে শংকৰদেৱ পাটবাউসী অঞ্চলত থকা সময়ত লিখিছিল বুলি অনুমান কৰিব পাৰি। কাৰণ তেওঁ পাটবাউসীত থকা সময়তে কন্দলীয়ে তেওঁৰ অনুমতি লৈ প্ৰায়বোৰ কাব্য ৰচনা কৰে। এই বধকাব্যসমূহ অসমীয়া সমাজৰ উপজীৱ্য হৈ সদায় জিলিকি ৰ'ব।◀

**সকলো বাধা স্বত্বেও দৃঢ়, অবিচল নাগৰিক হিচাপে মানুহৰ জীৱন আৰু সমাজৰ প্ৰকৃত সত্য উদ্‌ঘাটন কৰাৰ দায়িত্ব লেখক-সাহিত্যিকসকলৰ ওপৰতেই ন্যস্ত হৈ আছে। ইয়াক গুৰুত্ব সহকাৰে তেওঁলোকে পালন কৰিবই লাগিব। লেখক-সাহিত্যিকসকলৰ তেনে এক দৃঢ়তা অবিহনে মানুহৰ বিলুপ্তপ্ৰায় মৰ্যাদা পুনৰ প্ৰতিষ্ঠা অসম্ভৱ।**

**—হেৰল্ড পিণ্টাৰ**

B.H.B. College, Sarupeta

# এনেকৈ আৰ... কিমানদিন...

অংকুমণি দাস
প্ৰাক্তন ছাত্ৰী

একেখন ঘৰতে আছিলো দুঘৰ মানুহ
উৰুখা ছালেৰে কাটে কাল
কাটে ৰাতি কাটে পানী (নীলমণি ফুকন)

আহোমে সাতৰাজি মাৰি একৰাজ কৰা এই অসমত তাহানিৰ পৰা বিভিন্ন জাতি, জনজাতীয় লোকে বাস কৰি আহিছে। কিন্তু অসমৰ এই সাতামপুৰীয়া ঐক্য আজি বিনষ্টৰ পথত। হৰিনাম, আজান, খেৰাইৰ ধ্বনিৰে মুখৰিত অসমৰ চাৰিও দিশে আজি হিংসাৰ গুমগুমণি। কোনেও তৰ্কিব পৰাৰ আগতেই আজি ইমানদিনে সমিলমিলে বাস কৰি অহা দুটা জনগোষ্ঠীৰ মাজত আৰম্ভ হ'ল সংঘাত। যেন প্ৰতিযোগিতা হ'ল কোনে কিমান হত্যা, লুণ্ঠন কৰিব পাৰে। তেনেই সৰু কথা একেটাক লৈ ইমানদিনৰ বিশ্বাস সম্ভাব সকলো ওফৰাই গঢ় দিলে বিভেদৰ ৰাজনীতি। বিভেদৰ ৰাজনীতিৰ তিলমানো ভূ-নোপোৱা নিৰীহ মানুহজাক হৈ পৰিছে ইয়াৰ চিকাৰ। লক্ষণীয় যে অতীজৰে পৰা সমিলমিলে বসবাস কৰি অহা অসমৰ জনগোষ্ঠীসমূহে আজি নিজকে অসমীয়া বুলি কোৱাৰ বিপৰীতে 'বড়ো' 'ৰাভা' মিছিং'... হিচাপে নিজৰ পৰিচয় দিব বিচাৰিছে। মাথোঁ এদিনতে এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি হোৱা নাই। আমিও কিছু জগৰীয়া এইসকলোবোৰৰ কাৰণে। উচিত মৰ্যাদা আৰু অতদিনে চলি অহা বঞ্চনাৰ যেন প্ৰতিশোধ এয়া।

৩০ অক্টোবৰ, দিনৰভাগৰ মাথোঁ কেইমিনিটমান সময়ৰ ব্যৱধানত অসমৰ চাৰিখন চহৰত বিস্ফোৰিত হ'ল দহটা বোমা। নিৰীহ আৰ্তজনৰ তেজেৰে ৰাঙলী হ'ল অসম। চৰকাৰে নিজৰ ফোপোলা সুৰক্ষাব্যৱস্থা তথা নিষ্কৰ্মা প্ৰশাসনক দোষাৰোপৰ বিপৰীতে বোকা ছটিয়াব ধৰিলে হুজী আলফা আদিক চৰকাৰী সুৰক্ষাব্যৱস্থাক বুঢ়া আঙুলি দেখুৱাই একেই ঘটনাৰ পুনৰাবৃত্তি ঘটিল নৱবৰ্ষৰ পহিলাদিনটোত আৰু ন জানুৱাৰীত। দোষী কৰায়ত্তৰ নামত কেইদিনমান মাথোঁ ভেকোঁভাওনা চলে। তাৰপিছত এদিন সকলো কথা তল পৰে। কিন্তু কিমানদিন এইদৰে সাধাৰণ খাটিখোৱা মানুহবোৰে সন্ত্ৰাসবাদৰ চিকাৰ হৈ থাকিব? ... সাধাৰণ ৰাইজ এতিয়া বাহিৰলৈ নোলায়, ... মুঠিত। কিন্তু সাধাৰণ খাটি খোৱা মানুহজাক? ... কৰে তেওঁলোকে ওলাই অহাৰ ওপৰত, তেওঁ... বচাব পাৰিবনে এই ধৰণৰ অমানৱীয় কাৰ্যৰ ...

সমগ্ৰ ভাৰতবৰ্ষৰ পিনে যদি আজি ... আজি কিছুদিনৰ পৰা চাৰিওফালে অশান্তিজৰ্জৰ... ঘটনাক কোনো ৰাজনৈতিক দলৰ সাম্প্ৰদায়িক... পোছাক পিন্ধোৱাৰ যেন চাৰিওদিশে। মানৱী... আওকাণ কৰি মাথোঁ ৰাজনৈতিক ইছু বনে... জন্মু কাশ্মীৰৰ অমৰনাথ ইছুৰ পৰা আৰম্ভ কৰি... যাজকসকলৰ ওপৰত কৰা অমানুষিক অ... নৱনিৰ্মাণ সেনাৰ কাৰ্যৰ ফলত উত্তৰপ্ৰদে... ঘটনাপ্ৰবাহ কোনোটো এটাৰ পৰা বিচ্ছিন্ন ... বেলেগ। ইয়াৰ উদ্দেশ্য আৰু ফল এটাই। এই ... উদ্দেশ্য এটাই সেয়া হ'ল মানুহক প্ৰকৃত স... ৰখা। মুদ্ৰাস্ফীতি বাঢ়িছে, নিত্য ব্যৱহাৰ্য সাম... দামত কিনিব লগা হৈছে, পিছপৰি থকা অ... ব্যৱস্থা। এই সকলোবোৰৰ পৰা আঁতৰি থাকি... হিংসা সন্ত্ৰাসৰ জালত সোমাই থাকক। বিশ্বৰ ... কোব সাধাৰণ মানুহৰ গাত পৰিছে। এই ... তথা শক্তিৰ বিৰুদ্ধে থিয় দিবৰ হ'ল সাধাৰণ ... তেজৰ লুকাভাকু নেখেলি, সন্ত্ৰাসৰ ভয়ত ... নাথাকি এই অপশক্তি তথা অমানৱীয় কা... আগবাঢ়ি আহক। আপোনালোকৰ ... Wordsworth ৰদৰে সুধিবলৈ মন নাযায়...

What man has made of ma...
Have I not reason to lame...
What man has made of ma...

B.H.B College Sarupeta

অভাৱত
ন হাতৰ
জ নিৰ্ভৰ
ক নিজক
লেখোঁ যে
একোটা
য়তাবাদৰ
অনুভূতিক
লা ব্যস্ত।
ত খ্ৰীষ্টান
মহাৰাষ্ট্ৰৰ
তৃত হোৱা
রূপ মাথো
ৰৰ ঘটনাৰ
ৰ আঁতৰাই
নুহে দুগুণ
সামাজিক
মনুহ হত্যা
অৰ্থনীতিৰ
ৰাজনীতি
ৰ মাজতে
র সোমাই
ন কৰিবলৈ
য়াবা কবি

# পুঁজিবাদী অৰ্থনীতি সংকটমুক্ত নে?

অনন্ত কলিতা
বিশিষ্ট অৰ্থনীতিবিদ

*১৯০৭ চনৰ পিছত বিশ্বৰ পুঁজিবাদ... অৰ্থনৈতিক মহাসংকটে ১৯২৯-৩০ চনত... আক্ৰমণ কৰিছিল। দ্বিতীয় মহাসমৰৰ পৰা... এই সংকট প্ৰশমিত হৈছিল। এই মহাসংকট... বৃটিছ বুজোৱা অৰ্থনীতিবিদ হুজ এম কিন্স... জন্ম দিছিল। কিন্সে পুঁজিবাদী অৰ্থনীতি... সংকটৰ পৰা উদ্ধাৰ কৰিবলৈ জনগণ... হাতলৈ ধন যোৱা, কৰ্মসংস্থান সৃষ্টি ক... ঔদ্যোগী কৃষিপণ্যৰ বজাৰ চাহিদা বৃদ্ধি কৰ... বিধান দিয়ে।*

চীন কিউবা, ভিয়েটনাম, উত্তৰ কোৰিয়াৰ বাহিৰে পৃথিৱীৰ আন আন দেশসমূহৰ অৰ্থনীতি হ'ল পুঁজিবাদী অৰ্থনীতি। এই অৰ্থনীতি বিকশিত হৈছে নব্য উদাৰতাবাদী পুঁজিবাদী অৰ্থনীতিলৈ। সমগ্ৰ পৃথিৱীৰ পুঁজিবাদী অৰ্থনীতিক ধনী দেশ কেইখনে নব্য উদাৰতাবাদী পৰ্যায়লৈ ৰূপান্তৰিত কৰাইছে। পুঁজিবাদী অৰ্থনীতিনো কিয় লেনিনে তেখেতৰ 'সাম্ৰাজ্যবাদ পুঁজিবাদৰ সৰ্বোচ্চ পৰ্যায়' গ্ৰন্থত কৈছে উৎপাদন সামাজিক, কিন্তু ভোগ দখলতা বা মালিকানা ব্যক্তি ভিত্তিক। "Production becomes social, but appropriation remains private, The social means of production remain the private property of few. উক্ত গ্ৰন্থত তেখেতে আৰু কৈছে, The immense progress of mankind which achieves this socialisation goes to benefit...the speculators." ... পৃথিৱীত আজিলৈকে উচ্চ স্তৰৰ জীৱন-যাপনৰ ... যি অনুসন্ধান প্ৰযুক্তিবিদ্যাৰ জন্ম দিছে, কিংবা আন আন ... সমৃদ্ধ কৰি তুলিছে, সেইবোৰৰ মালিক হ'ল— ... পুঁজিপতিসকল।

পুঁজিবাদৰ উত্থান তথা শোষণৰ আৰম্ভণি সম্বন্ধে কাৰ্লমাৰ্ক্সে তেখেতৰ বিখ্যাত গ্ৰন্থ ডাচ কেপিটেলত বিজ্ঞান সম্মতভাৱে আলোচনা কৰিছে। তেখেতে কৈছিল, বিনিময় প্ৰথা উদ্ভাৱন ... পৰা ক্ৰমে ক্ৰমে উদ্বৃত্ত মূল্যৰ সৃষ্টি হয় আৰু উদ্বৃত্ত ... হিচাপে শোষণৰ জন্ম হয়। উদ্বৃত্ত মূল্য আৰু ... পৰ্যায়ক্ৰমে দাস যুগৰ পৰা উন্নততৰ সামন্তবাদী আৰু পুঁজিবাদী যুগৰ সৃষ্টি কৰে। পুঁজিবাদৰ উন্নত স্তৰ সাম্ৰাজ্যবাদে ... পুঁজিৰ আধিপত্য। এই আধিপত্যৰ বাবেই ১৯৭০ ... পৃথিৱীৰ পুঁজিবাদী অৰ্থনীতি পৰ্যবসিত হৈছে নব্য উদাৰতাবাদলৈ। কাৰ্লমাৰ্ক্সে তেখেতৰ ডাচ কেপিটেলত ... ভৱিষ্যৎবাণী কৰি থৈছে যে পুঁজিবাদী অৰ্থনীতিৰ সংঘাতত অনি... আৰু ইয়াক সংকটমুক্ত কৰা অসম্ভৱ। লেনিনে কৈছে যে উৎপাদ... সামাজিক চৰিত্ৰ আৰু আত্মসাতৰ ব্যক্তিগত চৰিত্ৰৰ দ্বন্দ্বই হ... পুঁজিবাদী সংকটৰ মূল কাৰণ। এংগেলছে তেখেতৰ 'এন্টি ডু... গ্ৰন্থৰ 'বিজ্ঞানৰ বিপ্লৱ' অধ্যায়ত এনেকৈ লেখিছে 'পুঁজি... অৰ্থনীতিৰ এই সংকটসমূহ সামাজিক উৎপাদন আৰু পুঁজি... ভোগ দখলৰ মাজত থকা বিভেদৰ বাবে ভয়ংকৰ হৈ ফাটি প... সাময়িকভাৱে সামগ্ৰীৰ সঞ্চালন (লেনদেন) শূন্যত পৰিণত ... আকৌ সঞ্চালনাৰ বাহন মুদ্ৰা তেতিয়া নিজেই হৈ পৰে সঞ্চা... প্ৰধান বাধা। পণ্য উৎপাদন আৰু সঞ্চালনৰ হেতু নিয়মেই স... হৈ যায়। অৰ্থনৈতিক সংঘৰ্ষ শীৰ্ষ পৰ্যায়লৈ গতি কৰে। বিনি... পদ্ধতিৰ বিৰুদ্ধে উৎপাদন পদ্ধতিৰ বিদ্ৰোহ অনিবাৰ্য হৈ পৰে

B.H.B. College, Sarupeta

বৰ্তমান পুঁজিবাদী নব্যউদাৰতাবাদী সংকটৰ বাবে বুৰ্জোৱা অৰ্থনীতিকসকল তথা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি বাৰাক অবামাকে ধৰি বিভিন্ন ৰাষ্ট্ৰনেতাই বিত্তীয় অনুষ্ঠানৰ মালিক একচেটিয়া পুঁজিপতিসকল জগৰীয়া কৰিছে। তেওঁলোকৰ অধিক লাভৰ মানসিকতাই বিশ্বৰ পুঁজিবাদী অৰ্থনীতিলৈ নমাই আনিছে এই সংকট। আচলতে উদ্বৃত্ত মূল্য বা আয়ৰ পৰিসৰ বৃদ্ধি কৰাৰ পদ্ধতিয়েই হ'ল পুঁজিবাদৰ চৰিত্ৰ। পুঁজিবাদ প্ৰতিষ্ঠিত হৈছে ইয়াৰ ওপৰতেই। কাৰ্লমাৰ্ক্সে তেখেতৰ ডাচ কেপিটেলত উদ্বৃত মূল্য বা লাভ আৰু শোষণৰ ভিত্তিত পুঁজিবাদ কেনেকৈ প্ৰতিস্থিত হৈছে তাৰ ব্যাখ্যা সুন্দৰকৈ কৰিছে। লেনিনৰ ৰচনাৱলীত আমি পাওঁ— 'শক্তিশালী সামাজিক উৎপাদিকা শক্তিসমূহ এচাম ধনীলোকৰ হস্তগত হোৱাৰ বাবেই বৃহৎ বিপৰ্যয় হৈ পৰে অনিবাৰ্য। লাভেই হ'ল ধনীসকলৰ একমাত্ৰ চিন্তা।' পুঁজিবাদী অৰ্থনীতিৰ চৰিত্ৰ সম্বন্ধে মাৰ্ক্সবাদী পৰ্যালোচনা যোৱা এশ বছৰ ধৰি আজিলৈকে সঠিক বুলি প্ৰমাণিত হৈ আহিছে। পুঁজিবাদী অৰ্থনীতিৰ সংকট আৰম্ভ হয় ১৮২৫ চনত। মাৰ্ক্সৰ ডাচ কেপিটেলৰ প্ৰথম প্ৰকাশ হৈছিল ১৮৬৭ চনত। ১৮৬৭ চনত মাৰ্ক্সে পুঁজিবাদী অৰ্থনীতিৰ চৰিত্ৰৰ বিজ্ঞানসম্মত পৰ্যালোচনাত কৈছিল যে পুঁজিবাদী অৰ্থনীতি সংকটসহচৰ। এই সত্য প্ৰমাণিত হয় ১৮২৪ চনত হোৱা প্ৰথম পুঁজিবাদী অৰ্থনীতিৰ সাধাৰণ সংকটৰ সময়ত। ইয়াৰ পিছত ক্ৰমে ১৮৩৮, ১৮৪৭, ১৮৫৭, ১৮৭৩, ১৮৯০, ১৯০০ আৰু ১৯০৭ চনত পুঁজিবাদী অৰ্থনীতি মহাসংকটৰ দ্বাৰা আক্ৰান্ত হয়। এই সংকটৰ ফলত পুঁজিবাদ বিকশিত হোৱা দেশসমূহৰ অৰ্থনীতিও আক্ৰান্ত হৈছিল।

১৯০৭ চনৰ পিছত বিশ্বৰ পুঁজিবাদী অৰ্থনৈতিক মহাসংকটে ১৯২৯-৩০ চনলৈ আক্ৰমণ কৰিছিল। দ্বিতীয় মহাসমৰৰ প্ৰৱাহে এই সংকট প্ৰশমিত হৈছিল। এই মহাসংকটে বৃটিছ বুৰ্জোৱা অৰ্থনীতিবিদ হজ এম কিন্সৰ জন্ম দিছিল। কিন্সে পুঁজিবাদী অৰ্থনৈতিক সংকটৰ পৰা উদ্ধাৰ কৰিবলৈ জনগণৰ হাতলৈ ধন যোৱা, কৰ্মসংস্থান সৃষ্টি কৰা উদ্যোগী কৃষিপণ্যৰ বজাৰ চাহিদা বৃদ্ধি কৰাৰ বিধান দি ১৯৩৬ চনত লেখি উলিয়াইছিল The general they of Unemploy ment, interest and or money কিন্সৰ বিধান মতেই আমেৰিকা, বৃটেইনকে ধৰি পৃথিৱীৰ সকলো পুঁজিবাদী দেশেই সংকটৰ পৰা উদ্ধাৰ পাইছিল। ১৯৩৩ চনত ফ্ৰেংকলিন ডি ৰুজভেল্টে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈয়েই কিন্সৰ বিধানমতে 'নিউডিল' আঁচনিৰ দ্বাৰা বহু কোটি ডলাৰ সামাজিক। অন্তঃগাথনিত খৰচ কৰি কৰ্মসংস্থান আৰু জনগণৰ ক্ৰয়ক্ষমতা বৃদ্ধি কৰি পণ্যৰ চাহিদা বৃদ্ধিৰে অৰ্থনৈতিক সংকটৰ মোকাবিলা কৰিছিল।

জে এম কিন্স অৱশ্যে মাৰ্ক্সবাদী অৰ্থনৈতিক তত্ত্বৰ সমৰ্থক

*বিশ্ববেংকৰ হিচাপ মতে ১৯... বিলিয়ন ডলাৰ লগ্নি পুঁজিৰ প... চনত ১৩৪২ বিলিয়ন ডলাৰ হ... সঞ্চালনৰ বিষয়ে লেলিনে ... তেখেতৰ 'সাম্ৰাজ্যবাদ পুঁজিবাদ... এইদৰে কৈছে— 'পুৰণি ধৰ... অধীনত অবাধ প্ৰতিযোগিতা অ... পণ্য ৰপ্তানিয়ে আছিল তাৰ ... আধুনিক পুঁজিবাদৰ অধী... একচেটিয়া বাণিজ্যৰ প্ৰচলন ... ৰপ্তানিয়েই তেতিয়া পুঁজি... বৈশিষ্ট্যমূলক লক্ষণ।*

নাছিল। তেখেতে "Essays on Pers... মাৰ্ক্সৰ ডাচ কেপিটেল সম্বন্ধে এনেকৈ ... lete economic text book not ... erroneous but without interes... for the modern world." কিন্সৰ উ... বিশ্ব বেংক আৰু আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰ... 'ব্ৰিটন উড্‌চ' নামৰ ঠাইত কিন্স আৰু কেই... আলোচনাৰ ফলশ্ৰুতি হ'ল এই বিশ্ববেংক ... ভাণ্ডাৰ। সেই কাৰণে ইয়াক কেতিয়াব... উড্‌চ' চিষ্টেম বুলিও কোৱা হয়। ইয়াত ... বিনিময়ৰ বাবে সোণৰ দামক ভিত্তি হিচাপে ... system) ধৰা হৈছিল।

দ্বিতীয় মহাসমৰৰ পিছত আমেৰি... শীৰ্ষতম ঔদ্যোগিক, মনিটাৰী আৰু সামৰি... চনত আমেৰিকাৰ ঔদ্যোগীয় উৎপাদন ... পৰিমাণতকৈ দুগুণৰো অধিক হ'ল। ১... উৎপাদন কৰিছিল পৃথিৱীৰ মুঠ কয়লা ... শতাংশ, তেল উৎপাদনৰ দুই তৃতীয়াং... টন তীখা, ১ নিযুত টন এলুমিনিয়াম, ১.২ ... কৰিছিল। উৰা জাহাজ, সমুদ্ৰ জাহাজ, ... সাসৰঞ্জাম ৰাসায়নিক দ্ৰব্যকে ধৰি নানা ... ক্ষমতা আমেৰিকাই আহৰণ কৰিছিল। ...

B.H.B. College, Sarupeta

আৰু এটম বোমৰ গৰাকী হৈ আমেৰিকা যুক্তৰাষ্ট্ৰ বিশ্বৰ পুঁজিবাদীগোষ্ঠীৰ নেতা হৈ পৰিছিল।

সেই সময়ৰ কমিউনিষ্ট দেশ ছোভিয়েট ইউনিয়ন দ্বিতীয় মহাসমৰত হৈ পৰিছিল বিধ্বস্ত। দেশৰ প্ৰায় দহ শতাংশ (২০ নিযুত) লোকৰ মৃত্যু হৈছিল। তথাপিও ১৯৫০ চনত ষ্টেলিনৰ নেতৃত্বত চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনা সম্পূৰ্ণ কৰি উদ্যোগী উৎপাদন ১৯১০ চনৰ তুলনাত ৭১ শতাংশে বৃদ্ধি কৰিছিল। কয়লা উৎপাদন হৈছিল ২৫০ নিযুত টন আৰু তীখা ২৫ নিযুত টন। ৰেড আৰ্মী হৈছিল অতি বৃহৎ আৰু শক্তিশালী। ১৯৪৯ চনত ছোভিয়েট ইউনিয়নে এটম বোম তৈয়াৰ কৰিছিল। পৃথিৱীত সমান্তৰালভাৱে চলিছিল দুই অৰ্থনীতি। পুঁজিবাদী অৰ্থনীতি ব্যক্তিগত মালিকনা উদ্বৃত মূল্যৰ ভিত্তিত আৰু আনটো হ'ল সমাজবাদী অৰ্থনীতি উৎপাদন ব্যৱস্থাত ব্যক্তিগত মালিকানা বিপৰীতে সমাজৰ মালিকানা। উল্লেখনীয় কথাটো হ'ল ১৯২৯-৩০ চনৰ পুঁজিবাদী অৰ্থনীতিৰ মহাসংকটে ছোভিয়েট ইউনিয়নৰ অৰ্থনীতিক আক্ৰান্ত কৰিব পৰা নাছিল। আনহাতে গ্ৰীচ, ইটালী আৰু ফ্ৰান্সত কমিউনিষ্ট দলৰ প্ৰভাৱ বৃদ্ধি হোৱা কাৰণে আমেৰিকা যুক্তৰাষ্ট্ৰ শংকিত হৈ পৰিছিল।

দ্বিতীয় মহাসমৰৰ পৰৱৰ্তী কালছোৱাত প্ৰযুক্তি বিদ্যাৰ অভূতপূৰ্ব বিকাশ ঘটিছিল। ফলত উৎপাদনৰ উপকৰণবো অভূতপূৰ্ব উন্নতি হৈছিল। ইলেকট্ৰনিক প্ৰযুক্তিৰ প্ৰয়োগৰ ফলত কমসংখ্যক শ্ৰমিকৰ দ্বাৰাই উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিব পৰা হৈছিল। ১৯৫০-৬০ চনত আগৰ বৃহৎ কাৰখানাটোৰ সমাহিত গঢ়ি উঠিছিল আন আন বৃহৎ কাৰখানাবোৰ। ১৯৬১ চনৰ আৰম্ভণিত আমেৰিকা যুক্তৰাষ্ট্ৰত বছৰেকত এহাজাৰ কাৰখানা/কোম্পানীৰ একত্ৰীকৰণ (Merger) হৈছিল। আমেৰিকাত কোম্পানী সমূহে পৃথিৱীৰ তেলৰ উৎপাদন নিয়ন্ত্ৰণ কৰিছিল। সেইদৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ অটোমোবাইল উদ্যোগ GM ford chrysler ৰ দ্বাৰা বিদ্যুৎ GE আৰু Western electronic ৰ দ্বাৰা কম্পিউটাৰ। BM ৰ দ্বাৰা টেলিকমিউনিকেচন নিয়ন্ত্ৰিত হৈছিল।

এই সময়ছোৱাত উন্নত পুঁজিবাদী দেশকেইখনে পৃথিৱীৰ অৰ্থনীতিত প্ৰভুত্ব চলাইছিল। উদ্যোগীয় উৎপাদনৰ পাঁচ ভাগৰ তিনিভাগ আৰু দুই তৃতীয়াংশ বাণিজ্য এই দেশকেইখনৰ পৰা আহিছিল। সেই সময়ছোৱাত পুঁজিৰ সঞ্চালন বৃদ্ধি হ'বলৈ ধৰিলে ১৯৬৭ চন আৰু ১৯৭১ চনৰ মাজত প্ৰত্যক্ষ বিদেশী লগ্নি বৃদ্ধি হ'ল শতকৰা হিচাপত ব্ৰিটেইনৰ ৮, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ১০, জাপানৰ ১২, পশ্চিম জাৰ্মানীৰ ২৪.৫। ১৯৯৯ চনৰ Financial Times ৰ তথ্য অনুযায়ী বিশ্বৰ ৫০০ বৃহত্তম কোম্পানীৰ ২৪৪ টা আমেৰিকাৰ, জাপানৰ ৪৬ টা আৰু জাৰ্মানীৰ ২৩ টা। বিশ্বায়নৰ

*এই উচ্চ লালসাৰ বাবে বিশ্বৰ বৃ... পুঁজিপতিসকলে মানৱ সমস্যাৰ প্ৰ... দায়বদ্ধতাৰ কথা পাহৰি গ'ল। তেওঁলো... দেখিলে— পুঁজি উৎপাদনশীল খণ্ডত ল... কৰাতকৈ উৎপাদনহীন ফটকাবাজী ব্যৱসা... নিয়োজিত কৰিলে অধিক লাভ আৰু অধি... উদ্বৃত্ত মূল্যৰ সৃষ্টি কৰিব পাৰি।*

ফলত লগ্নি পুঁজিৰ সঞ্চালন বা ৰপ্তানি দ্ৰুতগতিত অগ্ৰসৰ হ... বিশ্ববেংকৰ হিচাপ মতে ১৯৯০ চনৰ ৬৯ বিলিয়ন ডলাৰ ল... পুঁজিৰ পৰিমাণ ২০০৮ চনত ১৩৪২ বিলিয়ন ডলাৰ হয়। পুঁজি... যুক্ত সঞ্চালনৰ বিষয়ে লেলিনে ১৯১৬ চনত তেখেত... 'সাম্ৰাজ্যবাদ পুঁজিবাদৰ সৰ্বোচ স্তৰ'ত এইদৰে কৈছে— 'পুৰ... ধৰণৰ পুঁজিবাদৰ অধীনত অবাধ প্ৰতিযোগিতা আছিল। তেতিয়... পণ্য ৰপ্তানিয়ে আছিল তাৰ বিশিষ্ট লক্ষণ। আধুনিক পুঁজিবাদৰ অধীনত যেতিয়া একচেটিয়া বাণিজ্যৰ প্ৰচলন হ'ল। পুঁজিৰ ৰপ্তানিয়েই তেতিয়া পুঁজিবাদক দিলে বৈশিষ্ট্যমূলক লক্ষণ।

পৃথিৱীৰ সকলো দেশৰে বজাৰৰ স্বৰূপ হ'ল, সাম্ৰাজ্যবাদী দেশৰ কোম্পানীবোৰক সিহঁতৰ উৎপাদিত পণ্য বিক্ৰী কৰিবলৈ আৰু অধিক লাভৰ বাবে কম খৰচত পণ্য উৎপাদনৰ বাবে লগ্নি পুঁজিৰ স্বাধীনতা প্ৰদান কৰা। তত্বগতভাৱে পুঁজিবাদৰ নব্য উদাৰতাবাদী নীতি ৰূপায়ণৰ বাবে উন্নত দেশৰ চৰকাৰসমূহে সকলোধৰণৰ কৌশল আৰু হেচা প্ৰয়োগ কৰে। আমি আগতে উল্লেখ কৰিছো। কিন্সৰ তত্ব প্ৰয়োগ কৰি ১৯৩১ চনত পুঁজিবাদক সাধাৰণ সংকটৰ পৰা ৰক্ষা কৰা হৈছিল। কিন্সে পুঁজিবাদী অৰ্থনীতিত চৰকাৰৰ নিয়ন্ত্ৰণৰ যুক্তি দৰ্শাইছিল। ১৯৭০ চনলৈকে সকলো পুঁজিবাদী দেশে এই তত্ব অনুসৰণ কৰিছিল। ১৯২৯ চনৰ পৰা দীৰ্ঘ দিন ধৰি পুঁজিবাদী অৰ্থনীতিৰ সাধাৰণ সংকটৰ গ্ৰাসত নপৰাৰ কাৰণে বুৰ্জোৱা অৰ্থনীতিবিদ সকলে কবলৈ ধৰিলে মাৰ্ক্সবাদ অসত্য, অবাস্তৱ আৰু অপ্ৰচলিত। পুঁজিবাদ সংকটমুক্ত। নব্যউদাৰতাবাদী অৰ্থনীতি বা বিশ্বায়িত অৰ্থনীতিৰ বাটেৰেহে বিশ্বৰ জনগণৰ আৰ্থিক উন্নয়ন আৰু দৰিদ্ৰতা নিবাৰণ সম্ভৱ। তেওঁলোকে মাৰ্ক্সীয় অৰ্থনীতিক বিদায় দি এইদৰে মুক্ত অৰ্থনীতি বা নব্য উদাৰতাবাদী অৰ্থনীতিক প্ৰশ্ৰয় দিলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ন'বেল বটা বিজয়ী অৰ্থনীতিবিদ মিল্টন ফ্ৰিডমেনৰ নেতৃত্বত আদাম স্মীথৰ অদৃশ্য হাতৰ তত্বক উন্নত কৰি স্ব -নিয়ন্ত্ৰিত, বা নিয়ন্ত্ৰণহীন অৰ্থনীতিৰ সপক্ষে যুক্তি দিলে। বৃহৎ পুঁজিপতিসকলে বজাৰ

B.H.B. College, Sarupeta

শক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত অৰ্থনীতিৰেই পোষকতা কৰিছিল। গতিকে সিহঁতৰ প্ৰতিনিধি আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰোণাল্ড ৰিগানে, ব্ৰিটিছ প্ৰধানমন্ত্ৰী মাৰ্গাৰেট থাচাৰে মিল্টন ফ্ৰিডমেনৰ স্ব-নিয়ন্ত্ৰিত অৰ্থনীতি ৰূপায়ণৰ বাবে প্ৰথম পদক্ষেপ গ্ৰহণ কৰে। ইয়াৰ পিছত ধনী দেশকেইখনৰ উদ্যোগত ইউৰোপৰ দেশসমূহ, জাপানকে ধৰি সমগ্ৰ পৃথিৱীতে ৰূপায়িত হ'বলৈ ধৰে স্ব-নিয়ন্ত্ৰিত বা নব্য উদাৰতাবাদী অৰ্থনীতি। ইয়াৰ বাবে বিশ্ব বেংক, বিশ্ব বাণিজ্য সংস্থা আৰু আন্তৰ্জাতিক মুদ্ৰাভাণ্ডাৰৰ সক্ৰিয় ভূমিকা প্ৰণিধানযোগ্য।

ভাৰতত ইয়াৰ ৰূপায়ণৰ বাবে সক্ৰিয় উদ্যোগ লৈছিল বৰ্তমানৰ আমাৰ প্ৰধানমন্ত্ৰী ড° মনমোহন সিং ডাঙৰীয়াই। ভাৰতত নব্য উদাৰতাবাদী নীতি আৰম্ভণি হৈছিল ১৯৯১ চনৰ পৰা। ভাৰতৰ স্ব-নিৰ্ভৰশীল অৰ্থনীতিক বিদায় দি পুঁজি তথা পণ্যৰ বাবে ভাৰতৰ বজাৰখন মুক্ত কৰি দিয়া হ'ল সাম্ৰাজ্যবাদী দেশসমূহৰ বৃহৎ পুঁজিপতি গোষ্ঠীৰ স্বাৰ্থৰ সপক্ষে ভাৰতৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহ ব্যক্তিগতকৰণ কৰা হ'ল। ভাৰতৰ বাঁওদল, ট্ৰেড ইউনিয়ন তথা গণতান্ত্ৰিক শক্তিৰ প্ৰতিবাদ মৰ্মে বিত্তীয় খণ্ডৰ সংস্কাৰ সম্পূৰ্ণ কৰিব নোৱাৰিলে। যদিও বিদেশী বেংকসমূহক ভাৰতৰ মাটিত ব্যৱসায় কৰাৰ অবাধ অধিকাৰ প্ৰদান কৰিলে।

পুঁজিবাদৰ চৰিত্ৰ হ'ল কেনেকৈ অতি সোনকালে অধিক লাভ কৰি উদ্বৃত্ত মূল্যৰ পাহাৰ গঢ়িব পাৰি। এই উচ্চ লালসাৰ বাবে বিশ্বৰ বৃহৎ পুঁজিপতিসকলে মানৱ সমস্যাৰ প্ৰতি দায়বদ্ধতাৰ কথা পাহৰি গ'ল। তেওঁলোকে দেখিলে— পুঁজি উৎপাদনশীল খণ্ডত লগ্নি কৰাতকৈ উৎপাদনহীন ফটকাবাজী ব্যৱসায়ত নিয়োজিত কৰিলে অধিক লাভ আৰু অধিক উদ্বৃত্ত মূল্যৰ সৃষ্টি কৰিব পাৰি। গতিকে তেওঁলোকৰ অধিক পছন্দৰ বিনিয়োগ হ'ল চেয়াৰ মাৰ্কেট। মিল্টন ফ্ৰিডমেনৰ তত্ত্ব মতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰকে ধৰি অৰ্থনীতিৰ সকলো দিশ অনিয়ন্ত্ৰিত হৈ পৰিল। বজাৰ শক্তি অথবা অদৃশ্য হাতৰ মায়াত বন্দী হৈ পৰিল অৰ্থনীতি। আমেৰিকা যুক্তৰাষ্ট্ৰীয় কৰপোৰেটসকলৰ মুঠ লাভৰ ৯০ শতাংশ আহিছিল অবিত্তীয় খণ্ডৰ পৰা। কিন্তু নব্য উদাৰতাবাদী অৰ্থনীতিৰ ৰূপায়ণৰ পিছত পুঁজি লগ্নিৰ দৃশ্যপটেই সলনি হৈ গ'ল। ২০০৭ চনত আমেৰিকাৰ কৰপোৰেটসকলৰ মুঠ লাভৰ ৪০ শতাংশ বিত্তীয় খণ্ডৰ আৰু ৬০ শতাংশ অবিত্তীয় খণ্ডৰ পৰা অহা।

১৯৯৫ চনৰ পৰা পৃথিৱীত ৯৫ শতাংশ পুঁজিৰেই লেনদেন হৈছে উৎপাদনহীন বিত্তীয় খণ্ডত। ফটকাবাজী ব্যৱসায়ে টকাৰ সলনি টকা উৎপাদন কৰে, পণ্য উৎপাদন নকৰে। আৰু এয়া হ'ল বৰ্তমান অৰ্থনৈতিক সংকটৰ মৌলিক কাৰণ। সমগ্ৰ পৃথিৱী আক্ৰান্ত

*বৰ্তমানৰ অৰ্থনৈতিক সংকটে কো
মানুহক কৰ্মহীন কৰিছে, দুৰ্ভিক্ষৰ মু
দিছে। আমেৰিকা, জাপান আদিৰ
উন্নত দেশৰ লোকসকল গৃ
পদপথলৈ নামি আহিব লগা হৈ
অৰ্থনীতিবিদসকল বিপাঙত পৰি
অস্পৃশ্য গ্ৰন্থ ডাচ কেপিটে
বিচাৰিছে সমাধান।*

হোৱা এই সংকট ১৯৩০ চনৰ মহাসংকটত
বুলি আনকি বুৰ্জোৱা অৰ্থনীতিবিদসকলেও
কেপিটেলৰ ভৱিষ্যৎ বাণীয়ে সোঁৱৰায় এটা
পিছত দেখা দিয়া আনটো সংকট ততোধিক
ery factor which works against a
the old crisis, carries within itsel
far more powerful future crisis."

বৰ্তমানৰ অৰ্থনৈতিক সংকটে কোটি
কৰিছে, দুৰ্ভিক্ষৰ মুখলৈ ঠেলি দিছে। আমে
দৰে অতি উন্নত দেশৰ লোকসকল গৃহহীন
আহিব লগা হৈছে। বুৰ্জোৱা অৰ্থনীতিবি
তেওঁলোকৰ অস্পৃশ্য গ্ৰন্থ ডাচ কেপিটে
সমাধান। নব্য উদাৰতাবাদী অৰ্থনীতিৰ
ৰাষ্ট্ৰপতি তথা নীতি নিৰ্ধাৰক নব্য উদাৰতাবা
পৰিবৰ্তন আশা কৰিছে। কিন্তু প্ৰকৃত স
অৰ্থনীতি মৌলিকভাৱে সলনি নোহোৱা
নাথাকক কিয়, ইয়াৰ পতন অনিবাৰ্য। মাৰ্ক
বাবে প্ৰতিপন্ন হৈ আহিছে। যেতিয়ালৈকে
চৰিত্ৰ আৰু আত্মসাতৰ ব্যক্তিগত চৰিত্ৰৰ
নহয়, পুঁজিবাদ হ'ব সংকটৰেই নামান্তৰ। ই
ঘটাব নোৱাৰে। উৎপাদনৰ উপায় উপক
মালিকানাৰ বিলোপ ঘটাই সমাজৰ মালি
এই দ্বন্দ্বৰ অৱসান হ'ব আৰু সেয়াই নি

B.H.B College, Sarupeta

# পণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ যুক্তিবাদী ঐতিহ্য

দ্বিজেন বৰ্মন
অধ্যাপক, পুথিমাৰী মহাবিদ্যালয়

**অসমত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিপৰীতে ঊনবিংশ শতিকাত আৰম্ভ হোৱা বিজ্ঞান মনস্কতাৰ অন্যতম বাটকটীয়া হিচাপে হেমচন্দ্ৰ বৰুৱাৰ নামটোকে স্মৰণ কৰিব পাৰি।**

ইংৰেজ শাসকৰ বাবে সেই শতিকাটোত আৰম্ভ হোৱা নৱ-উন্মেষে অসমৰ সমাজ জীৱনক সকলোফালৰ পৰা আলোকিত কৰিছিল। আমাৰ ৰাজ্যত বিদেশী শাসনৰ সৈতে বৰ্জিত খুৱাই আধুনিক শিক্ষা, সংস্কৃতি, প্ৰশাসন, অৰ্থনীতি, সমাজনীতি আৰু সাংস্কৃতিক নীতি গঢ় লৈছিল। অসমীয়া ভাষা-সাহিত্যৰ সূচনাই এচাম স্থানীয় লোকক নিজৰ সমাজখনৰ আঁসোৱাহবোৰ চালি-জাৰি চাই প্ৰতি ব্যৱস্থা হিচাপে সংস্কাৰৰ দিশত আগ বাঢ়িবলৈ প্ৰেৰণা যোগাইছিল। ঔপনিবেশিক শাসনৰ অৱধাৰিত ফল আছিল পশ্চিমীয়া শিক্ষাৰ প্ৰচলন। তাৰ ওলোটা ফল ভোগ কৰিব লগা হৈছিল সেয়া বিদেশী শাসকৰ বাবে অনাকাংক্ষিত আছিল। নতুন অভিজাত আৰু মধ্যশ্ৰেণীৰ মনোজগতত থূপ খোৱা ভাবনাবোৰ পুৰণি ঐতিহ্য আৰু চিন্তাৰ প্ৰতি ঘোৰতৰ শত্ৰু হৈ পৰিছিল। এই ক্ষেত্ৰত নতুন ভাবনাৰ যুগান্তকাৰী চিন্তাবিদসকলৰ ভিতৰত আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ নাম ল'ব পাৰি। যুক্তিবাদ আৰু বৈজ্ঞানিক চিন্তাৰ গৰাকী হিচাপে হেমচন্দ্ৰ বৰুৱাক আটাইৰে আগত স্থান দিব লাগিব। নৱ-জাগৰণৰ পটভূমিত আমি শিক্ষা, চিন্তা, সমাজ চেতনা আৰু যুক্তিবাদৰ প্ৰবক্তা ওজা পণ্ডিতজনৰ মূল্যায়ন কৰিব লাগিব।

আধুনিকতাৰ অগ্ৰদূত আৰু নৱজাগৰণৰ পথিকৃত পণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ যুগমীয়া অৱদান বিশেষকৈ অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত ঐতিহাসিক ভূমিকাৰ কথা সোঁৱৰাৰ লগে লগে তেওঁৰ যুক্তিবাদী ঐতিহ্যৰ পিনেও লক্ষ্য কৰাটো যুগুত। কাৰণ তেওঁৰ ঐতিহাসিক ভূমিকাই চমক সৃষ্টি কৰিছিল। কোনো আনুষ্ঠানিক শিক্ষা নোহোৱাকৈ ভাষা-সাহিত্যৰ প্ৰতিটো দিশত যুক্তিপূৰ্ণ ব্যংগাত্মক লেখাৰে পণ্ডিতজনাই এটি নতুন ধাৰাৰ সূচনা কৰিছিল। যতীন্দ্ৰ নাথ গোস্বামীৰ ভাষাত—'আনন্দৰাম ঢেকিয়াল ফুকন আছিল বংগৰ নৱ জাগৰণৰ তৰংগ দেখা মানুহ আৰু হেমচন্দ্ৰ হ'ল সেই ঢৌৰ শব্দ শুনা লোক। নিজৰ একাগ্ৰতা আৰু অধ্যৱসায়ৰ বলত হেমচন্দ্ৰই বাল্যকালতে পিতৃহাৰা হৈয়ো খুৰাক লক্ষ্মীনাথ বৰুৱাৰ তত্ত্বাৱধানত শিৱসাগৰৰ কাছাৰীত শিক্ষা নবিচৰ কামত নিযুক্ত হৈ তাতেই ইংৰাজী শিকিবলৈ সুবৰ্ণ সুযোগ লাভ কৰিছিল। তাৰ পিছৰ অধ্যায়টোৰে সৃষ্টি কৰিলে আধুনিক অসমৰ যুক্তিবাদী ঐতিহ্যৰ মহানায়কজনৰ, যাৰ নাম ওজা হেমচন্দ্ৰ বৰুৱা। বৰ্ণবাদী আৰু ৰক্ষণশীল অসমীয়া মধ্যবিত্তই জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ ক্ষেত্ৰত কৰাৰ দৰে হেমচন্দ্ৰৰ বেলিকাও বীক্ষা আঁৰ কৰাৰ প্ৰৱণতা দেখুৱাইছে। সৰ্বোপৰি অসমীয়া মধ্যবিত্তৰ এক বৃহৎ অংশই আজিৰ যে যুক্তিবাদ আৰু বৈজ্ঞানিক চিন্তা-চৰ্চাৰ পৰা বহু আঁতৰত অৱস্থান কৰি আছে সাম্প্ৰতিক কালৰ ভৌতিক কৰ্মকাণ্ডই তাৰ প্ৰমাণ। সেই প্ৰৱণতাৰ বাবেই তেওঁলোক অতিসম্প্ৰতি নব্য আৰু আমদানিকৃত কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ সহচৰ হৈ পৰিছে। তেনে পৰিস্থিতিৰ ভয়াবহতা

B H B College Sarupeta

> *বাংলা নৱ-জাগৰণৰ এজন বাটকটীয়া ঈশ্বৰচন্দ্ৰ বিদ্*
> *হেমচন্দ্ৰৰ বহুক্ষেত্ৰত মিল দেখা যায়। যিদৰে বাংলা*
> *আধুনিক গদ্যৰীতিৰ প্ৰাণ প্ৰতিষ্ঠা হৈছিল ঈশ্বৰচন্দ্ৰ দ্বাৰা*
> *অসমীয়া ভাষা-সাহিত্যৰো আধুনিক পদ্যৰীতি হেমচন্দ্ৰই*
> *বিধৱা বিবাহৰ ক্ষেত্ৰতো বংগৰ ঈশ্বৰচন্দ্ৰই বাট দেখুৱ*

অনুধাবন কৰিয়েই এই লেখাৰ জৰিয়তে আধুনিকতাৰ অগ্ৰদূত পণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ জীৱনদৰ্শন পাদপ্ৰদীপলৈ তুলি অনা হৈছে। কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ গড্ডালিকাৰ পৰা নৱ-প্ৰজন্মক উদ্ধাৰ কৰি যুক্তিবাদ আৰু বৈজ্ঞানিক মানসিকতাৰ দৰ্শন বিস্তাৰ ঘটাবলৈ যাওঁতে পথভ্ৰষ্ট মধ্যবিত্তই সহজতে কোৱাৰ দৰে মাৰ্ক্সবাদে আমাৰ ঐতিহ্যক বুজিব নোৱাৰে ধৰণৰ আপ্তবাক্যক থাওকতে উৰুৱাই দিবলৈ আমাৰ হাতত মাৰ্ক্সবাদৰ বাবে অপৰিহাৰ্য যুক্তিবাদ আৰু বিজ্ঞানমনস্কতা যে আমাৰেই ঐতিহ্যৰ অংগ তাক বুজাই দিয়াটো অত্যন্ত জৰুৰী। পণ্ডিত হেমচন্দ্ৰ বৰুৱাই উনবিংশ শতিকাৰ ইউৰোপত দেখা দিয়া সাম্যবাদী আন্দোলনবিলাকৰ বিষয়ে জনাৰ উপায় নাছিল। কিন্তু ইংৰাজী শিক্ষাৰ আলমত আধুনিক শিক্ষাৰ ছাঁ-পোহৰত ভাৰতীয় চাৰ্বাক, সাংখ্য আৰু বৌদ্ধ দৰ্শনৰ যুগান্তকাৰী যুক্তিবাদী আৰু বাস্তৱ ব্যাখ্যাৰে পুষ্ট হৈ হেমচন্দ্ৰই নিজৰ ব্যংগাত্মক আৰু তাচ্ছিল্যৰে ভৰা লেখাৰে তদনীন্তন অসমীয়া ৰক্ষণশীল অভিজাত তথা মধ্যবিত্তক থকা সৰকা কৰিছিল। আমাৰ ভাষা-সাহিত্যৰ ওজা পণ্ডিতজনাৰ বিভিন্ন লেখাত তাৰ উজ্জ্বল চানেকি থূপ খাই আছে। সেয়ে নৱ-জাগৰণৰ আৰু আধুনিকতাৰ পথিকৃত হেমচন্দ্ৰ বৰুৱাৰ জন্মদিনটোত 'কু-সংস্কাৰ বিৰোধী দিৱস' পালন কৰিবলৈ লোৱা হৈছে। অসমৰ যুক্তিবাদী আৰু বিজ্ঞানমনস্কতাৰ আন্দোলনটোক ই নিশ্চয় নতুন গতিপথ আৰু শক্তি প্ৰদান কৰিব, এই প্ৰত্যাশা আমাৰ আছে।

অসমৰ আধুনিকতাৰ অগ্ৰদূত, অসমীয়া নৱ-জাগৰণৰ পথিকৃত পণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ জন্ম হৈছিল ১৮৩৫ চনৰ আঘোন মাহৰ ২৪ তাৰিখৰ দিনা তেতিয়াৰ শিৱসাগৰৰ অন্তৰ্গত গোলাঘাট মহকুমাৰ দেৰগাঁৱত ওচৰত অৱস্থিত মিছামৰা মৌজাৰ ৰজাবাহৰ গাঁৱৰ এটি সম্ভ্ৰান্ত পৰিয়ালত। অসমীয়া ভাষা-সাহিত্য, অভিধান, বিজ্ঞান-মানসিকতা, যুক্তিবাদ, স্বাভিমান আৰু শুদ্ধ ব্যাকৰণৰ জনক হৈছে হেমচন্দ্ৰ বৰুৱা। হোমেন বৰগোহাঞিয়ে পণ্ডিতজনাক 'আধুনিকতাৰ অগ্ৰদূত' বুলি কৈছে। এনে এজন যুগন্ধৰ ব্যক্তিৰ যুক্তিবাদী ঐতিহ্যৰ যুগসন্ধিৰ দীক্ষা হিচাপে গণ্য কৰিব পাৰি।

হেমচন্দ্ৰই আমাৰ জাতীয় জীৱনৰ সমগ্ৰ
দিছিল। কিয়নো সেই সময়ত অসমীয়া
মানুহক মানসিক পংগুতাই আৱৰি ধৰিছিল
নাথকা অৱস্থা বিৰাজ কৰিছিল। তেওঁৰ জন্মৰ
ভাষা-শিক্ষাৰ পোষকতা কৰি ৰচনা কৰা
শি...নীতি' ঘোষিত হৈছিল। তেনে শুভ
সাহিত্যৰো ওজাজনৰ জন্ম হৈছিল। পিছলৈ
হেমচন্দ্ৰই নানা প্ৰতিকূলতাৰ মাজেৰে লুকাই
লগাত পৰিছিল। কাৰণ তেতিয়াৰ দিনত
যোৱাৰ দৰে কথা আছিল। ৰক্ষণশীল ব্ৰাহ্মণ
বুলিয়ে ভাবিছিল। কিন্তু তেনে এটি সম্ভ্ৰান্ত
পৰিয়ালত জন্মিয়ো হেমচন্দ্ৰই ওৰেটো জীৱন
স্থাপন কৰি যুগমীয়া কীৰ্তি ৰাখি থৈ গৈছে

বাল্যকালতে পিতৃহীন হোৱা হেমচন্দ্ৰ
অধ্যৱসায়ৰ বলতে ইংৰাজী ভাষা-সাহিত্যৰ
কিন্তু প্ৰবল বাধা পাইছিল দদায়েকৰ পৰা
নোপোৱাকৈ লুকাই-চুৰকৈ ইংৰাজী শিক্ষিত
অসমৰ সমাজ জীৱনৰ সকলো দিশতে প
হৈছিল। হোমেন বৰগোহাঞিয়ে সঠিকভা
ইংৰাজী উচ্চ শিক্ষাৰ ব্যৱস্থা আৰম্ভ হোৱা
অসমীয়াও স্বতন্ত্ৰ ভাষাৰূপে ১৮৭৩ চনত
প্ৰায় চল্লিশৰ দুৱাৰদলিত ভৰি দিবৰ সময়ত
তেনে এটা যুগত এজন মানুহে স্কুল-কলেজ
বিজ্ঞানৰ ইমানবোৰ বিভিন্ন ক্ষেত্ৰত আধুনি
এটা বিস্ময়কৰ কথা, ততোধিক বিস্ময়কৰ
ক্ষেত্ৰতে তেওঁ চিৰস্থায়ী কীৰ্তি অৰ্জন কৰি
তেওঁ আছিল অসমত আধুনিকতাৰ বহুমু

বাংলা নৱ-জাগৰণৰ এজন বাটকটীয়া
লগত হেমচন্দ্ৰৰ বহুক্ষেত্ৰত মিল দেখা যায়
সাহিত্যৰ আধুনিক গদ্যৰীতিৰ প্ৰাণ প্ৰতি

B.H.B. College, Sarupeta

ঠিক সেইদৰে অসমীয়া ভাষা-সাহিত্যৰো আধুনিক গদ্যৰীতি হেমচন্দ্ৰই সূচনা কৰিছিল, বিধৱা বিবাহৰ ক্ষেত্ৰতো বংগৰ ঈশ্বৰচন্দ্ৰই বাট দেখুৱাইছিল। আমাৰ ওজা পণ্ডিতজনাই ঈশ্বৰচন্দ্ৰৰ যুগান্তকাৰী পদক্ষেপৰে সমৰ্থন কৰি কৈছিল— 'পূজনীয় বিদ্যাসাগৰে বিধৱা বিবাহক যে শাস্ত্ৰসিদ্ধ ইয়াকে প্ৰমাণ কৰিয়েই মনে মনে নাথাকিল, আপোনাৰ পুতেকৰে সৈতে বিধৱাৰ বিবাহ পাতি দিলে। কালৰ সোঁতত তেওঁ উটি গ'ল, কিন্তু তাৰ বালিত যি খোঁজৰ সাঁচ থৈ গৈছে সি চিৰকাললৈ থাকিব, লুপ্ত নহয়।' নিজৰ ধৰ্মমত সম্পৰ্কত হেমচন্দ্ৰই বিদ্যাসাগৰৰ দৰে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰা নাছিল। তেওঁ দ্ব্যৰ্থহীনভাৱে কৈছিল— 'মই নাস্তিক। হিন্দুৰ সাংখ্য দৰ্শনতে ঈশ্বৰ মনা নাই।' সংস্কাৰমুক্ত পণ্ডিতজনাই প্ৰতি খোজতেই যুক্তিবাদৰ পথেৰে আগবাঢ়িছিল। শাস্ত্ৰাদিৰ ক্ষেত্ৰত তেওঁৰ মত আছিল এয়ে যে- 'যুক্তিহীন বিচাৰেন ধৰ্মহানি প্ৰজায়তে।'

ৰক্ষণশীল অসমীয়া বৰ্ণহিন্দু সমাজত থকা ধ্যান-ধাৰণাক এটা এটাকৈ নাকচ কৰি হেমচন্দ্ৰই দুৰ্দান্ত সাহসৰ পৰিচয় দিব পাৰিছিল। ঊনবিংশ শতিকাৰ প্ৰসিদ্ধ বুদ্ধিজীৱী সকলৰ সৰহখিনিয়েই ইংৰাজী শিকাৰ ক্ষেত্ৰত প্ৰবল বাধাৰ সন্মুখীন হৈছিল, নিৰ্যাতনৰো কবলত পৰিছিল। হেমচন্দ্ৰৰ নিজৰ ভাষাতে ক'ব পাৰি— 'আমাৰ দেশৰ মানুহে ইংৰাজী পঢ়িলে জাত যাব বুলি স্কুলত পঢ়িবলৈ নিদিয়ে। কিয়নো তেওঁবিলাকৰ মানত মানুহৰ জাত চুলিত থাকে আৰু ধৰ্ম কাপোৰত থাকে, এই কাৰণে যদি আমাৰ দেশৰ মানুহে চুৰিয়া নিপিন্ধে, ঠেংগা ইত্যাদি পিন্ধে তেনেহ'লে ধৰ্ম নষ্ট পায় হায় হায় কেনে দেশ। মানুহৰ জাতি-ধৰ্ম চুলি আৰু কাপোৰত থাকে। অসম দেশৰ মানুহে জাত নাথাকে বুলি ল'ৰাক বিদ্যা নিশিকায়...তেওঁবিলাকে ল'ৰাই ইংৰাজী পঢ়িলে বাপেক-মাকৰ পিণ্ড নিদিয়ে বুলি কয়।' বাংলা ভাষাত 'আসাম বুৰঞ্জী' প্ৰণেতা হলিৰাম ঢেকিয়াল ফুকনক তেওঁৰ দেউতাক পৰশুৰাম বৰুৱাই সংস্কৃত ভাষাতহে শিক্ষা দিয়াইছিল। আনকি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ দেউতাকেও পুতেকৰ বাবে ইংৰাজী শিক্ষাৰ বিৰোধিতা কৰিছিল। এনে এক ৰক্ষণশীল সামাজিক পৰিৱেশত ইংৰাজী শিক্ষাৰ বিৰোধিতা কৰিছিল।

নাৰী শিক্ষাৰো ঘোৰ সমৰ্থক হেমচন্দ্ৰই সেই যুগতে ৰক্ষণশীল সমাজক প্ৰত্যাহ্বান জোকাৰি দিছিল। বিশিষ্ট লেখক পৰমানন্দ মজুমদাৰৰ ভাষাত ক'বলৈ হ'লে—'হেমচন্দ্ৰ বৰুৱাৰ ভূমিকা এই ক্ষেত্ৰত কেৱল আগবণুৱাই নাছিল, নাৰীক সন্মান জনোৱাটো তেওঁৰ জীৱনৰে এক মহত্তম ব্ৰত আছিল।' 'অৰুণোদই'ৰ পাতত তেওঁ 'স্ত্ৰী শিক্ষা' সম্পৰ্কে ১৮৬১ চনৰ মে' মাহত এটি নাতিদীৰ্ঘ প্ৰবন্ধ লিখিছিল। উক্ত লেখাত হেমচন্দ্ৰৰ নাৰী সম্পৰ্কে থকা ইতিবাচক মনোভাৱৰে প্ৰকাশ হৈছে। তেওঁ দৃঢ়তাৰে কৈছিল, 'তোমালোকেও তোমালোকৰ তিৰোতাৰ অহিতে যি কু-সংস্কাৰ আছে, তাক এৰি পেলাই সিহঁতক জ্ঞান বিদ্যা শিকাই উত্তম সংগী জ্ঞান কৰা, কাৰণ সিহঁত তোমালোকৰ শৰীৰত এফাল আৰু উত্তম বন্ধু।' হেমচন্দ্ৰৰ আধুনিক মনৰ পৰিচয় পোৱা যায় বিভিন্ন দিশত। বিয়াৰ ক্ষেত্ৰত নাৰী-পুৰুষৰ মাজত বুজাপৰাৰ বিষয়েও তেওঁ প্ৰেম-প্ৰীতিৰ হকে যুক্তি আগবঢ়াইছে এই বুলি— 'জীয়াই থকা যায় মানে যাৰ যাৰ সৈতে পৰম বন্ধুভাৱে থাকিব লাগিব, তেওঁৰনো ৰূপ-গুণ কেনে, তাক নাজানি যে বন্ধুত্ব কৰা যায়, ইয়াতকৈ অসুখৰ কথা আন কি আছে।'

নৱজাগৰণৰ পথিকৃত পণ্ডিতজনাই নিজৰ সংস্কাৰমুখী যাত্ৰাত এলান্ধুকলীয়া সমাজ আৰু সমাজ প্ৰতিভূসকলক ব্যংগতাৰে ভাৰাক্ৰান্ত কৰিছিল। তাচ্ছিল্যৰে ভৰা বাক্যবাণেৰে তেওঁ কানি ৰৰবিহৰ বিপক্ষে ৰাইজক সজাগ কৰিছিল। 'কানীয়াৰ কীৰ্তন'ত হেমচন্দ্ৰই লিখিছে— "মহাজন কি ভণ্ড! কানি খায়, তেওঁ সৈ নেকাঢ়ে। আজিকালি সন্ত, মহন্ত একো চিনিব নোৱাৰা হ'ল। কানি সাত-সুৰাৰ লগত এক সুৰা তাকো আমাৰ মহন্তসকলে খাবলৈ ধৰিছে এইবোৰ মহাজনে আৰু শিচক কি কৰিব?" ইয়াৰ মূলতে আছিল তেওঁ সামাজিক দায়বদ্ধতা। ধৰ্মৰ কামত চলি থকা অধৰ্মীৰ কু-কাৰ্যবোৰ উদঙাই দিয়াটোৱেই আছিল তেওঁৰ উদ্দেশ্য। ৰক্ষণশীলতা আৰু ভণ্ডামিক হেমচন্দ্ৰই কাহানিও সুদাই এৰা নাছিল। 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰি' নামৰ পুথিখনত তেওঁ কৈছে এনেদৰে— 'আমাৰ শিদ্ধ পুৰুষৰ সমান শুচি আৰু ধনী লোক জগতত নাই। তেওঁ ঘৰত বাজে আন সকলো অনাচাৰী আৰু পণ্ডিত। এই কাৰণে সূৰ্য দেৱতা পাটত থাকে মানে তেওঁ কাৰো ঘৰত অন্নগ্ৰহণো নকৰে, আন কি? শূদিৰে অনা পানীৰ ব্যৱহাৰ নাই। কিন্তু সূৰ্য অস্ত হ'লে কি কৰা যায় তাক কোনে চায়?' উক্ত ৰচনাখনৰ সামৰণিত কৈছে—'...অস্ অস্! হ'ল আহি ঘোৰ কলিকাল, ধৰ্মৰ কঠীয়াতলি পাপৰ ভঁৰাল। তাল, মালা, ফোট, পূজা আৰু হোমৰ ছাঁই, বাহিৰৰ দৃষ্টি, তাত পতিয়ন নাই।'

বয়স বঢ়াৰ লগে লগে হেমচন্দ্ৰৰ যুক্তিবাদী আৰু সংস্কাৰমুখী মনৰ দৃঢ়তা তীব্ৰ হৈছিল। ব্যংগ আৰু তাচ্ছিল্যৰে ভৰা অভিব্যক্তি আৰু বৌদ্ধিকতাৰে তেওঁ বৰফশীতল সমাজত তীব্ৰ উত্তাপৰ সৃষ্টি কৰিছিল। ভণ্ডামি তেওঁ মুঠেও সহিব নোৱাৰিছিল। হেমচন্দ্ৰৰ এই দৃঢ় মতৰ কথা সুঁৱৰি কনকলাল বৰুৱাই 'বাঁহী'ৰ পাতত এনেদৰে লিখিছিল— 'তেওঁৰ মানত নীতি আৰু ধৰ্ম একে আছিল। যাৰে নৈতিক চৰিত্ৰ ভাল সেয়ে ধাৰ্মিক এনে তেওঁ বুজিছিল। ভণ্ডামি তেওঁ সহিব নোৱাৰিছিল। তেওঁৰ তেনে তেনে কাৰ্য কৰিবলৈ তেওঁ অলপো সংকোচ নকৰিছিল। কোনো সাম্প্ৰদায়িক ধৰ্মমতলৈ তেওঁৰ আস্থা আছিল বুলি একেবাৰেই ক'ব নোৱাৰি'। অৱশ্যে হেমচন্দ্ৰই দৃঢ় সংস্কাৰৰ মূলতে ভাঙিব লগা হৈছিল। কিন্তু তেওঁ উদ্ভাসিত হৈছিল বীৰৰ বেশেৰে। যুদ্ধ ক্ষেত্ৰত বীৰ হ'ব পাৰি। কিন্তু সমাজ



B.H.B. College Sarupeta

সংস্কাৰৰ বেলিকা কেইজন বীৰ ওলাব! অন্ততঃ হেমচন্দ্ৰৰ দৰে নিজৰ যুক্তিবাদী দৰ্শনৰ বাবে বীক্ষাৰ কোঠাটোত তলা ওলোমাই থৈছে আমাৰ জাতীয় সাহিত্যিকসকলে। এনেবোৰ কাৰণতে আজিকোপতি হেমচন্দ্ৰৰ উচিত মূল্যায়ন নহ'ল। বৰ্ণবাদী, ৰক্ষণশীল আৰু স্বাৰ্থপৰ অসমীয়া মধ্যবিত্তই সংস্কাৰবাদী আৰু যুক্তিবাদী হেমচন্দ্ৰৰ জীৱন বীক্ষাৰ সৈতে একাত্ম হ'ব নোৱাৰাটোৱে স্বাভাৱিক। সেয়েহে আমি ক'ব পাৰো যে যুগন্ধৰ ব্যক্তিজনৰ ক্ষেত্ৰত সামগ্ৰিক অনীহাৰ মূলতে হৈছে বৰ্তমানৰ সাহিত্য জগতৰ কাণ্ডাৰী সকলৰ মানসিকতাত পৰিলক্ষিত হোৱা ভৌতিক দৰ্শনৰ কদৰ।

হেমচন্দ্ৰ আছিল মানৱপ্ৰেমী। সমাজখনক ধুই নিকা কৰাৰ বাবে তেওঁ সকলো সময়তে, সকলো দিশতে আধুনিকতাৰ পৰশ দিছিল। ভাষা-সাহিত্য, পদ্যৰীতি, যুক্তিবাদ, নাৰীশিক্ষা, বিধবা বিবাহ, সমাজ-সংস্কাৰ আদি সকলো ক্ষেত্ৰতে তেওঁ ভূমুকি মাৰিছিল। তাৰবাবে তেওঁ কাহানিও হাৰমনা নাছিল, আপোচতো দূৰৰ কথা। অৱশ্যে আইন সংস্কাৰবাদীৰ লেখীয়াকৈ তেৰোঁ ব্ৰিটিছ বিৰোধী নাছিল। শ্ৰেণী চৰিত্ৰ তেওঁৰো আছিল। কিন্তু তাৰ মাজতে কানিৰ বিৰুদ্ধে গ্ৰহণ কৰা স্থিতিয়ে তেওঁক নিশ্চয় ব্ৰিটিছৰ বিপক্ষে যাবলৈ বাধ্য নকৰা নহয়। আনপিনে কৃষকৰ বৰ্ধিত ভূমি ৰাজহ হ্ৰাস কৰিবলৈ তেওঁ ব্ৰিটিছৰ ওচৰত আৰ্জি পেচ কৰিছিল। তেওঁৰ তেনে শ্ৰেণী স্থিতিৰ পটভূমিকাও আমি মনত ৰখা ভাল। যুগন্ধৰ পণ্ডিতজনৰ পৰা আমি নৱ জাগৰণৰ শিপাডাল লাভ কৰিছো। দোষ-দুৰ্বলতাৰ ওপৰলৈ তেওঁ হয়তো যাব পৰা নাছিল। তাৰ বিপৰীতে সঁচাৰ্থতে তেওঁক ওজা বুলিব পাৰি। তেঁৱেই প্ৰথমজন অসমীয়া, যিয়ে নিজাববীয়াকৈ অভিধান প্ৰণয়ন কৰি গৈছিল।

অসমীয়া ভাষা-সাহিত্যৰ ওজাজনৰ দেহাৱসান হোৱাৰ শতাধিক বছৰ হ'ল। সুধী সমাজত 'আধুনিকতাৰ অগ্ৰদূত' জনৰ যুগমীয়া আদৰ্শৰাজি আৰু জীৱন-বীক্ষাৰ কৰ্ষণ হোৱাটো ইতিবাচক দিশ বুলি বিনাদ্বিধাই ক'ব পাৰি। বৰ্তমানৰ অসমীয়া সাহিত্যৰ কাণ্ডাৰী(!) সকলে তেওঁৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰা বুলি ক'ব নোৱাৰি। সংস্কাৰমুক্ত দৰ্শন অবিহনে হেমচন্দ্ৰৰ জীৱন-বীক্ষাৰ উমান পোৱাটো সহজসাধ্য নহয়। এই যুঁজখনক মতাদৰ্শগত দিশেৰে চোৱা উচিত। পৰিকৃত পণ্ডিতজনাৰ সমগ্ৰ সত্তাৰ কেন্দ্ৰস্থল গুৱাহাটীৰ

উজানবজাৰত নামমাত্ৰ এখন ফলকে তেওঁৰ ...
অনাদৃতভাৱে। ভাষা-সাহিত্যৰ তথাকথিত ...
দিশ চাবলৈ আহৰি নাই।

আমাৰ সমাজখনত পুনৰ বৰ্ণবাদ আৰু ...
উঠিছে। বিশেষকৈ অভিজাত আৰু মধ্যবিত্ত ...
অবৈজ্ঞানিক ভাবধাৰাই সমাজত পুনৰাই ...
হেমচন্দ্ৰই চিনাক্ত কৰা তেতিয়াৰ কানি ...
মধ্যবিত্তৰ বংশধৰসকলে এতিয়া নিচাজাতীয় ...
কৰি আছে। অন্ধবিশ্বাস আৰু কু-সংস্কাৰো এ...
আৰু আমদানিকৃত ভ্ৰান্ত ধাৰণা আৰু কু...
'ৰক্ষাবন্ধন', 'ৰেইকী', 'ফেংছুই', 'বাস্তুশাস্ত্ৰ' ...
মাৰ্কা কৰ্মশালাই পুনৰাই অবৈজ্ঞানিক ধ্যান-...
কৰি আছে। অসমলৈ সঘন আগমন ঘটি...
পুৰুষসকলৰ। তেওঁলোকক আদৰি ল'বলৈ ...
সদায় প্ৰস্তুত থাকে। যোৱা বছৰ যোগাচাৰ্য ...
মিঠাতেল ভেজাল কৰি কুখ্যাতি অৰ্জা ...
বহন কৰিছিল।

আমি যেন হেমচন্দ্ৰই তাচ্ছিল্য কৰা ...
আছো, বৰবেছি আগুৱাব পৰা নাই। ...
দি বিদেশৰ ভ্ৰান্ত ধাৰণা আৰু প্ৰকৃতি 'ৰেই...
লগত 'ওম' জাতীয় ভৌতিকতাৰ খিচিৰি ...
অস্থিৰতাৰ প্ৰস্তুতি চলি আছে। এওঁলোকেই ...
মাতি আনিছে। শিপাহীন শিক্ষাৰে ...
উজানবজাৰত ভূত দেখে। হেমচন্দ্ৰৰ উচি...
এইবোৰ দিশ চালি-জাৰি চোৱাৰ প্ৰয়োজন ...
বৈজ্ঞানিক চিন্তাইহে প্ৰজ্ঞাৰ এগছি বন্তি ...
জীৱনাদৰ্শ অসমৰ সমাজ জীৱনত অনুভূত ...
কু-সংস্কাৰ আঁতৰোৱাৰ ক্ষেত্ৰত আমাৰ বাবে ...
জীৱন বীক্ষা সংস্কাৰিত নহয়। তেওঁৰ শি...
(ড° গিৰীশ বৰুৱা)। হেমচন্দ্ৰৰ যুক্তিবাদী ঐ...
নিশ্চয় আন্ধাৰ আতৰাবলৈ উদ্বুদ্ধ কৰিব।◀

*সাহিত্য, শিল্প, কবিতা, সুকুমাৰ কলা সকলোবোৰেই হ'ল মূলতঃ শ্ৰেণী ভিত্তিক সামাজিক অভিজ্ঞতাৰ অভিব্যক্তি।*

*— বিজনলাল চৌধুৰী*

B.H.B College, Sarupeta

# কবিতা

## প্লাবিতা

সঞ্জীৱ কুমাৰ তালুকদাৰ
প্ৰাক্তন ছাত্ৰ

নদীৰ আকুলতাক
উপেক্ষা নকৰে আকাশে
সিঁচি দিয়ে উদাৰতা
নদীৰ বুকুলৈ'...
আকাশৰ উদাৰতা বুকুত সাৱটি
নদীও হয় পুলকিতা দেহে মনে।
সময়ৰ সোঁতত
নদীৰ বুকুলৈ' প্লাৱন আহে...
আকাশে নাৰাখে খবৰ
প্লাবিতা নদীৰ...
প্লাৱন বাগৰি যায়
পথাৰে পথাৰে
মাথোঁ এৰি যায়
পথাৰৰ বুকুত
কেতিয়াবা এটা পলসৰ
নতুবা,
শুকান বালিচৰ...।।

## প্ৰেক্তিকেল

হুছেইন মহম্মদ ছাহজাহান

পেক্তিকেল হ'ব নোৱাৰিম
তোমালোকৰ চাহিদা অনুযায়ী
প্ৰেক্তিকেল মানেতো সৰলতাৰ বাৰ বজাই
ঘোচখোৰ কেৰাণীৰ চকু
প্ৰেক্তিকেল মানেতো
ঘোচ দি এটা চাকৰি যোগাৰ
প্ৰেক্তিকেল মানেতো
৩৪-২৮-৩৬ জোখৰ পত্নী যোগাৰ
প্ৰেক্তিকেল মানেতো
চকু মুদি সকলো সহি থকাৰ মন্ত্ৰ

ক্ষমা কৰিবা
মই নাভাবো
উশাহ লোৱাৰ নামেই জীয়াই থকা

## দুঃসময়ৰ মালিতা

বিৰিঞ্চি কুমাৰ দাস

সময় এতিয়া দুঃসময়
ধুলিয়ৰি বাট
চাইচিতি চলিবি
বোপাই অ'
য'তে আছ' কুশলে থাক।

গ'ল বেলি বাৰিষাটোৱে
খৰাঙেৰে ৰং চালে
খোৰোঙতো পাবলে নাই
ভোকৰ এমুঠি ভাত।

আদৰৰ পথাৰৰ
হেঁপাহৰ শইচে
আঁতৰেৰে পোনালে বাট
চাইচিতি চলিবি বোপাই অ'
ধুলিয়ৰি বাট।

মহাজনী আদৰত ভোল নাযাবি
অ' মোৰ বুকুৰে ধন
ভোগত মত্তসবে কেনেদৰে বুজিব
ভোকৰ যন্ত্ৰণা।

এতিয়া যেনি-তেনি
ৰজাৰ ঘাট
চাইচিতি চলিবি বোপাই অ'
ধূলিয়ৰি বাট।

B.H.B. College, Sarupeta

## প্ৰৱাহ

জুমি দাস
প্ৰাক্তন ছাত্ৰী

হয়তোবা, তুমি যিখন নদীৰ সোঁতত
ডুব গৈ আছা
সেই সোঁতেই মোক হাত বাউলি মাতে;
তুমি যিখন আকাশৰ স্বৰলিপিত
নিজকে হেৰুৱাইছা
সেই শৃংখলাই এতিয়া শূন্যতাক খামুচি আছে।
আলফুলীয়া জোনাকৰ বেৰাজ শুনি
তুমি উচুপি উঠিছা!
অঘৰী বতাহ এজাকে
তোমাৰ ভূগোলৰ পৰিসীমা চুইছে।
কিমান সৰলতাৰে তুমি আপোন কৰি লৈছা
মুঠি মুঠি দুখৰ কিছু হুমুনিয়াহ;
হয়তোবা একে উশাহতে তুমিও ক'ব নোৱাৰা
হৃদয়ৰ সোণাৰুফুলীয়া উত্তাপত
বতাহবোৰ বাজি উঠিব খোজেনে?
কাণ পাতিলেই শুনো
তোমাৰ প্ৰেমৰ ঠিকনাত
এজাৰৰ খিলখিল হাঁহি।
পিছে, মোৰ গোপন নিশ্বাসত বগুৰা বাই আছে
যাযাবৰী সপোনৰ
এজাক কৃষ্ণচূড়া উৎসৱ।


## বৰ্ষপূৰ্তি

টুটুমণি ডেকা
প্ৰাক্তন ছাত্ৰী

আৰু এটা বছৰ
পাৰ হৈ গ'ল
নকৈ ফুলিব খোজা পাহিটিও
মৰহি গ'ল,
আছে মাথোঁ হৃদয় সাগৰত
উৰ্মিৰ বোল
মনৰ সজাত বন্দী চৰাইজনীও
কেনিবাদি উৰি গুচি গ'ল।
বিচিত্ৰ ধৰণীৰ ক্লেদমুক্ত মৰমে
কৰিছে মৃতম্লান মন
আদৰৰ মাটিডোখৰ হ'ল
বাকৰিত পৰিণত
মোৰ সোণফুলা মাটিত
সৰিয়হো নুফুলা হ'ল
নিষ্ঠুৰ সময়ে সঁচাকৈয়ে কাঢ়ি নিলে
সেউজীয়া জীৱনৰ মূল।
আৰু এটা বছৰ আহিল
নতুন বেশেৰে ৰঙীণ সাজ পিন্ধি
আজি নাই একোৱে অকণো
নতুনক জনাবলৈ আদৰণি
সিও আহিছে হয়তো উগ্ৰমূৰ্তি ধাৰ
মোৰ বিমৰ্ষিত জীৱনটোক
একেবাৰে ধূসৰিত কৰিম বুলি।

B.H.B. College, Sarupeta

কাহিনীকাৰে কাহিনী লিখিলেও
কাহিনী চৌপাশে ঘূৰি ঘূৰে
কাহিনীকাৰে পোহৰ পেলাই চাইছে




সংসঙ্গ ।। ৰূপাঞ্জলী তালুকদাৰ ।। ৬১

বিদ্ৰোহ ।। মনালিছা বৰ্মন।। ৬৩


দৰা আহি আছে ।। নিলোৎপল চৌধুৰী।। ৬৫

আধুনিকতাৰ নগ্নতা ।। তাপসৰঞ্জন তালুকদাৰ।। ৬৮

শিশু শ্ৰমিকৰ পণ ।। কন্যাকুমাৰী দাস।। ৬৯


# গল্প গুচ্ছ

B.H.B. College, Sarupeta



# সৎসঙ্গ

ৰূপাঞ্জলী তালুকদাৰ
স্নাতক ২য় বৰ্ষ

বেলিটোৱে নিশাৰ আন্ধাৰ অতিক্ৰম কৰি পৃথিৱীত ভুমুকি মাৰিবলৈ যো-জা কৰোতেই হৰেশ্বৰ পাঠকৰ বোকা পাটীৰ পৰা উঠিল। এইখিনি সময় পাঠকৰ উপভোগৰ সময়। এইখিনি সময়ত গা-পা ধুই এবাৰ নাম গুণ নোগোৱালৈকে পাঠকৰ মনৰ খু-দুৱনি নমৰে। গাঁৱৰ মানুহে এতিয়ালৈ শোৱাপাটী এৰা নাই সেয়ে পাঠকে গাঁৱৰ সিমুৰৰ পৰা পাক এটা মাৰি আহে। এইখিনি সময়তে দিনত মাকলু বাঁহ বিচাৰি ফুৰা মিএগকেইটাই [illegible] বাওনা হয়। শাক পাচলিৰ বেপাৰী ধীৰেন ভকতেও [illegible] সময়তে তেওঁক 'বাপ ভালনে?' বুলি কৈ গাই অহা [illegible] গীতটিকে গুণ-গুণাই আঁতৰি যায়। কেইবাটাও অনামী চৰায়ে 'হৰি বিবিকি' আৰু কৃষ্ণৰ আন নামবোৰেৰে চিএগৰি চিএগৰি পাঠকৰ [illegible] যেন হৰিকথাৰ হাত উজান দিয়ে। শালিকাকেইটাই অৱশ্যে [illegible] মাতেৰেই ভকতৰ খা-খবৰ লোৱা যেন লাগে।

[illegible] সলনি হ'ল। দিনলিপিও সলনি হ'ল আগৰ দিনৰ [illegible] হৰিনামৰ মাহাত্ম্য গুচিল। বসন্ত ৰোগতো বেজীৰ পৰা হ'ল। সৰুৰে পৰা পাঠকে নামঘৰত ৰামকৃষ্ণৰ ভাও লৈ লৈ আদবয়সীয়া হ'ল। তাল, খোল, কীৰ্তন ভাগৱতৰ মাজতে জীৱনটো যাঠি বছৰীয়া কৰিলে। কিন্তু আজি-কালি আৰু আগৰদৰে নাম প্ৰসঙ্গ কৰিব নোৱাৰে। নতুন প্ৰজন্মই ঈশ্বৰ কি নুবুজে। ঈশ্বৰ নাম মহৌষধি বুলি মানি ল'ব নোখোজে। সামান্য ব্লাডপ্ৰেছাৰ বঢ়া-টুটা হ'লেই ল'ৰা-ছোৱালীয়ে থকা-খুন্দাকৈ পঠিয়ায় হাস্পতাললৈ। এসোপা পিল আৰু বটলভৰ্তি মোনাখন মজিয়াত থৈ বাওনা হয় নামঘৰলৈ। কিন্তু কিমান দিন স্বনিৰ্ভৰশীল হৈ চলিব পাঠক।

বুদ্ধ পূৰ্ণিমাৰ পালনাম উপলক্ষে অহা গপেশে গম পালে যে দেউতাকৰ মাজে মাজে প্ৰেছাৰৰ প্ৰ'ব্লেম হয়, মূৰ ঘূৰায় গতিকে গপেশে তেওঁৰ লগতে নি দেউতাকক জি এম চি ত ভৰ্তি কৰাৰ সিদ্ধান্ত ল'লে। ঘৰত চলি থকা আলোচনাৰ বুজ লৈ পাঠকে গম পালে যে এইবাৰ আৰু পিল বটলৰ পৰা হাত সাৰিব নোৱাৰিব, পিল বটলেই হ'ব তেওঁৰ জীৱনদাতা, জীৱনৰ মহৌষধি। তেওঁ ঘৰৰ বাপনাতে বহি হুক্-হুকুকৈ কান্দি দিলে। তেন্তে এই যাঠি

B.H.B. College Sarupeta

বছৰে তেওঁ ভ্ৰমকে বকি আছে নেকি? এই ৰাম নামৰ অস্তিত্ব নাই নেকি? ...হৰেশ্বৰ পাঠকে আৰু চিন্তা কৰিব নোৱাৰিলে। তেওঁ থাপনাতে কৃষ্ণমূৰ্তি ধ্যান কৰি মূৰ দোৱাব বিচাৰিলে। কিন্তু তেওঁৰ চকুপানী এখন প্ৰকাণ্ড প্ৰাচীৰ হৈ গ'ল। তেওঁ সুন্দৰৰ ৰূপ পান কৰাৰ সুযোগ নাপালে।

গুৱাহাটীলৈ যোৱাৰ আগতে হৰেশ্বৰ পাঠকে নামঘৰৰ দিহা এটা লগাই থৈ যাব লাগিব বুলি ভাবি বৰদেউৰীৰ ঘৰলৈ খোজ ল'লে। পদূলি পাৰ নৌহওতেই সেইফালৰ পৰা মাৰুতি গাড়ী এখন তেওঁৰ সন্মুখত ৰ'লহি। 'আপুনি গোপেশ দাসৰ ঘৰটো...?' মাৰুতিৰ ড্ৰাইভাৰজনে পাঠকক সুধিলে। 'আপোনাৰ কিবা সকাম...?' পাঠকে সুধিলে । 'নাই তেনে বিশেষ একো নাই, তেওঁৰ দেউতাকক জি এম চি লৈ নিব। সেয়ে তেওঁ...!' 'কি কলি! গপেশৰ দেউতাকক জি এম চিত থবি? তইঁতে এই বুঢ়াবয়সত মোৰ প্ৰেছাৰ নুঠা কৰিবি? সকলো মানুহে নিয়ম মাফিক চলিলে কাৰো ব্লাড প্ৰেছাৰ নাবাঢ়ে তইঁতে জাননে? পাঠকে চেষ্টা কৰিও পুতেকক সম্মত কৰিব নোৱাৰিলে। অনিচ্ছা সত্বেও, মূৰত এপাচিমান জিনজিননি লৈ পাঠক গুৱাহাটী পালে।


পাঠকে চকু মেলি দেখিলে ভকতসকলে লগ লাগি ইজনে-সিজনক কিবা কৈছে। কিবা ভাওনাপতাৰ যো-জা কৰিছে নেকি? অ' নামঘৰটো ইমান ডাঙৰ হব বুলিতো ভবা নাছিলো। ইমান ডাঙৰ...। জয়ৰাম তই মোক মতা নাইতো? পাঠকে নামঘৰৰ কথাকে ভাবি অহা কাৰণে হাস্পতালৰ বগা আহল-বহল কোঠাটোকে নামঘৰ বুলি ভাবিছে। বগা কাপোৰ পিন্ধি অহা-যোৱা কৰা নাৰ্ছসকলক ভকতযেন পাইছে।

'গপেশক বিচাৰিছে? আহিব তেওঁ ৰিপোৰ্ট এটা আনিবলৈ ওপৰলৈ গৈছে। অলপ জিৰণি লওক। ধাত্ৰী এজনীয়ে ক'লে। পাঠকে ওপৰফালে মুখ কৰি ভাবিব ধৰোঁতে দেখিলে চেলাইনৰ বটল এটাই টহ-টহকৈ তেওঁৰ ফালে চাইছে। এৰা। ঠিকেই মই হাস্পতালতে আছো।

ডাক্তৰৰ দেহত কৰা পৰীক্ষাবোৰে গপেশৰ মনত খেলি-মেলি লগালে। দেহত কিবা অচিন ৰোগ। বেমাৰ ধৰা নপৰিল। অসমৰ বাহিৰলৈকে নিব লাগিব। দিল্লী অথবা মুম্বাইলৈ। দেৰি নকৰি গপেশ হাস্পতালৰ বাহিৰে বাহিৰে আহি টকা-পইচাৰ লগতে মৃণালক লৈ গ'ল। ইংৰাজী, হিন্দী কব লাগিলে গপেশে পাৰিব। মিছলত পঢ়া ল'ৰা। গাঁৱৰ মানুহবোৰে পাঠকক নেদেখি আকুল

হৈ আছে সেয়ে আশ্বাসেৰে মৃণালে জেঠাক...
অসমৰ বাহিৰৰ এখন মুম্বাইৰ হা...
কৰোৱা হ'ল। কিন্তু ইয়াতো তেওঁৰ বে...
চিন্তাত, পৰিবেশ পৰিবৰ্তনত পাঠক অ...
অনিচ্ছা সত্বেও নানা যন্ত্ৰপাতি অপাৰেচন...
মুঠতে হাস্পতালৰ কামোৰ কেইটাও ...
নোহোৱালৈকে হাতৰ পৰা এৰা নিদিয়ে ...
কৰ্কটৰোগ হ'ব পাৰে। গতিকে সুস্থ দেহৰ ...
সোমোৱাকৈ এডাল পাইপ লগাই দিলে। ...
অন্ততঃ মুখখন আছিল। ঈশ্বৰ গুণানুকী...
লগত গাঁৱৰ উন্নতি সম্পৰ্কে কথা পাতিছি...
এদিনতো মৰিমেই। একে টানে পাঠকে...
আনিলে। গপেশৰ মূৰত একো নো...
মানুহবিলাকৰ বুঢ়াৰ প্ৰতি দৃষ্টি পৰিল।
মৃণালে গপেশ আৰু ডাক্তৰক ...
গাওঁমুখী ৰেলগাড়ীৰ টিকট সংগ্ৰহ কৰি ...
আসনত বহি পৰিল। এই চাৰিদিন সি...
বতৰাও নচলিল। প্ৰত্যেকে নিজৰ নিজৰ ...
একোখন লৈ আহি থাকিল। মৃণালে মাজে...
দিহা কৰি দিলে। জীৱনৰ কথা ভাবিহে ...
তেওঁৰ চকুৰ পৰা অহৰহ চকুপানী বৈ ...
মানুহবোৰে ৰেলষ্টেচনত পাঠকক ...
তেওঁলোকৰ আশা পাঠক উভতি আহি...
নতুন পাঠকে তেওঁক গামোছাৰে আদৰি...
ৰেলৰ পৰা নামি অহা গপেশ...
পেলোৱা কুটিল দৃষ্টি মৃণালৰ মলিন মু...
দেখি মুখৰ হৰিনাম অন্তৰ্ধান হ'ল। নতুন ...
সেৱা জনালে যদিও কোনেও তাল...
মুখেৰে ৰাম কৃষ্ণ উচ্চাৰিব নোৱাৰিলে। ...
হৈ নামঘৰ পালে। নতুন নামঘৰ উদ্বোধন...
হৰেশ্বৰ পাঠকক আজ্ঞা দি জয়ধ্বনি ...
বন্তি প্ৰজ্বলন কৰি ৰাইজৰ আগত আঁঠু ...
দেহত ঢলি পৰিল। শ শ লোকৰ চকু পানী...
ইমানবোৰ লোকৰ চকু পানী দেখি পাঠকে...
'সাধুসঙ্গ লৈ সাধা জীৱৰ মুকুতি।' ◀

B.H.B. College, Sarupeta



# বিদ্ৰোহ

মনালিছা বৰ্মন
সংস্কৃত বিভাগ, স্নাতক ২য় বৰ্ষ

অত্যন্ত গেলা গৰম। নিশা হৈ অহা সত্ত্বেও মানুহবোৰে ভালদৰে শুব পৰা নাই। কোনোবাই বেলকনিত বহি, কোনোবাই চোতালত বহি আড্ডা দিছে, কোনোবাই আকৌ ৰাস্তাত নিশাচৰৰ দৰে ঘূৰি ফুৰিছে। কিয়নো বাৰে বাৰে মানুহৰ সৰু-সৰু চিঞৰ-বাখৰে মোক বাৰুকৈয়ে আমনি দিছে। তথাপিও বাহিৰলৈ এবাৰ ওলাই যাবৰ বাবে বিছনাখনৰ পৰা উঠিব পৰা নাই। কাৰণ মই আজি গ্ৰন্থমেলাৰ পৰা অনা ফণীন্দ্ৰনাৰায়ণ দেবচৌধুৰীৰ "অনুৰাধাৰ দেশ"ৰ মাজত নিমগ্ন হৈ আছো। তথাপি অসহ্য গৰমত মাজে মাজে মনোযোগ বিচ্ছিন্ন হৈছে। বহু কষ্ট কৰি "কাৰোবাৰ লগত শ্বেয়াৰ কৰিলে তোমাৰ কষ্ট যদি কিঞ্চিৎমানো লাঘৱ হ'ব বুলি ভাবা, তেনেহ'লে সেই শ্বেয়াৰ লোৱাৰ ভাৰ প্ৰথমতে মোকেই দিবা।" অৰুণাভে অনুৰাধালৈ কোৱা কথাকেইশাৰীৰ মাজত প্ৰৱেশ কৰিছিলো। সেই সময়ত হঠাৎ যেন কাৰোবাৰ উচুপনি শুনি মনটো ভীতিবিহ্বল হ'ল। সেয়েহে বিছনাৰ পৰা উঠি কোনেনো কান্দিছে তাৰ উমান ল'ব বিচাৰিলো।

হয়, ৰণৰ ৰুমৰ পৰা উচুপনি ভাহি আহিছে। ৰণৰ দেউতাক শ্ৰীযুত বিনয় চৌধুৰীয়ে ঠিকেই অনুমান কৰিছে। তাৰ পিছত তেওঁ লাহেকৈ ৰণৰ ৰুমৰ লাইটটো জ্বলাই দি ৰণৰ ওচৰলৈ গ'ল।

ঃ কি হৈছে অ' ৰণ। তই এই ৰাতিখন কিয় কান্দিছ? দেউতাকে আচৰিত হৈ সুধিলে।

ঃ নাই একো হোৱা নাই। ৰণে দেউতাকলৈ চাই ক'লে।

ঃ কিন্তু ৰণ, তোৰ চকু ৰঙা পৰি আছে আৰু উখহি উঠিছে দেখোন। তই মোৰ পৰা কিবা লুকুৱাইছ ৰণ। আজিকালি দিনৰ দিনটো কʼত ঘূৰি ফুৰ অ'। তোৰ লগত কথা ক'বলৈ সময়ে নাপাওঁচোন। বিনয় চৌধুৰীয়ে একমাত্ৰ পুত্ৰ ৰণক ক'লে।

ঃ দেউতা, হঠাৎ এটা ভয়ানক সপোন দেখিছিলো। কিজানিবা সপোনতে বহুত কান্দি থাকোতে ডাঙৰকৈ কান্দোন ওলাই আহিছিল। ৰণে খৰধৰকৈ কথাখিনি কৈ শেষ কৰিলে।

ঃ অ' হব পাৰে দে। এতিয়া ভালদৰে শুই থাক। এইবুলি কৈ দেউতাক গুচি গৈ পুনৰ তেওঁৰ অনুৰাধাৰ দেশত নিমজ্জিত হ'ল। ৰণে লাইটটো অফ কৰি শুব খুজিলে।

কিন্তু শুব জানো পাৰিব? সিটো আজি এটা মাৰাত্মক অঘটন ঘটাইছে। সি এজন বন্ধু হত্যাকাৰী লগতে দুৰ্নীতিগ্ৰস্ত চাৰিজন লোকৰ হত্যাকাৰী। আৰু আজিয়েই তাৰ এই ঘৰত শেষ নিশা।

ৰণ অতীতলৈ উভতি গ'ল। ৰণ, অৰ্ণৱ আৰু পাৰ্থ— তিনিও প্ৰাথমিক স্কুলৰ পৰাই ভাল বন্ধু। তিনিও পঢ়াত বৰ চোকা। ইংৰাজীত মেজৰ লৈ তিনিওৰে বি.এ আৰু এম.এত ৫৫%ৰ ওপৰত নম্বৰ ৰাখি সুখ্যাতি অৰ্জন কৰিলে। কিন্তু নিয়তিৰ কি পৰিহাস। কোনো এজনেও কৰ্মসংস্থান গঢ়িব পৰা নাই। সিহঁতে বিভিন্ন বিভাগত ইণ্টাৰভিউ দিলে। কিন্তু চাকৰি পোৱা জানো সম্ভৱ!

B.H.B. College, Sarupeta

তথাপিও পাৰ্থই দুৰ্নীতিৰে তিনি/চাৰি লাখ টকা ভৰি গুৱাহাটীস্থ ষ্টেটবেংকত মেনেজাৰৰ পদটো পালে। যিহেতু সি এজন ধনী ব্যৱসায়ীৰ দুলাল।

কিন্তু..... অৰ্ণৱ আৰু ৰণ এজন প্ৰাথমিক স্কুলৰ সাধাৰণ শিক্ষকৰ ল'ৰা। দেউতাকহঁতে যিখিনি দৰমহা পায় সেইখিনিৰে পৰিয়ালটো টনা-টনিকৈ চলে। গতিকে অৰ্ণৱ আৰু ৰণে তিনি/চাৰি লাখ টকা দি চাকৰি কিনি লোৱাৰ সাহস কৰিব নোৱাৰে। তথাপি ৰণ আৰু অৰ্ণৱে ইণ্টাৰভিউ দি ভাগৰি পৰা নাই। আজি ছয় বছৰে একেইে প্ৰশ্ন, একেই উত্তৰ। ইণ্টাৰভিউৰ নামত কত টকা পানী হ'ল তাৰ লেখ-জোখ নাই। সেয়েহে এইবাৰ অৰ্ণৱে চাকৰিৰ আশা বাদ দি ঘৰতে সৰুকৈ এখন গেলামালৰ দোকান দি ল'লে, কিন্তু ৰণে সহজতে হাৰ মনা বিধৰ নহয়। তাৰ মতে যোগ্যতা থকা জনেহে চাকৰি পাব লাগে। টকা-পইচাৰ লেনদেন নহয়।

কেইমাহমান আগৰ কথা। ৰণৰ ষ্টেটবেংকৰ মেনেজাৰ পদৰ বাবে কলিং আহিছিল। তাৰপিছত সি নিৰ্দিষ্ট তাৰিখত ইণ্টাৰভিউ দিব ওলাই গৈছিল। সি Written ত পাছ কৰিছিল। সেইকাৰণে এইবাৰ তাক Oral ৰ কাৰণে মাতি পঠিয়াইছিল। যি হয় হ'ব— এইদৰে ভাবি সি ওলাই গ'ল।

ইণ্টাৰভিউ আৰম্ভ হৈ আছে। এশমান ল'ৰা-ছোৱালীয়ে শাৰী পাতিছে। সেইদেখি ৰণৰ মূৰ গৰম হৈ গ'ল। এটা পদৰ বাবে কিমানে যে ভিৰ কৰিছে। এনেকৈ থাকোতে এইবাৰ ৰণৰ পাল পৰিল। ৰণে লাহেকৈ অফিচলৈ সোমাই গৈ দেখিলে যে পাৰ্থ তথা কেইজনমান বেংকৰে বিষয়া উপস্থিত আছে।

ঃ কি নাম? পাৰ্থই চিনি নোপোৱা ভাও ধৰি ৰণলৈ চাই ক'লে।

ঃ ৰণজিৎ চৌধুৰী। ৰণে লাহেকৈ ক'লে।

ঃ শিক্ষাগত অৰ্হতা? আন এজন বিষয়াই সুধিলে।

ঃ এম.এ, ইংৰাজীত অনাৰ্চ।

ঃ Documents খিনি দি তুমি এতিয়া যাব পাৰা। বিষয়াজনে ক'লে।

ঃ ছাৰ, মই মানে .... ৰণৰ কথা শেষ নৌহওতেই পাৰ্থই ক'লে— তুমি যদি এমাহৰ ভিতৰত চাৰি লাখ টকা দিব পাৰা তেন্তে তুমি আগষ্ট মাহৰ আৰম্ভণিতে join কৰিব পাৰা। এইবাৰ ৰণৰ খঙে মূৰৰ চুলি পালেগৈ আৰু কালৈকো নাচায় ৰপৰপাই ক'লে—

ঃ শুন পাৰ্থ। তোৰ সন্মানৰ খাতিৰত মই মনে মনে আছিলো। কিন্তু এতিয়া সময় উকলি গ'ল। তয়ো দুৰ্নীতিৰে চাকৰিটো লৈ আমাকো সেই পথলৈ নিব খুজিলি। এজন শিক্ষিত মেনেজাৰ হৈ কেনেকৈ ইণ্টাৰভিউ ল'ব লাগে তাক নাজানিলি।

ঃ পাৰ্থই নিজৰ সন্মানত আঘাত লগাত ৰুক্ষ ক'লে— মনে থাক মি. ৰণজিৎ চৌধুৰী। এজন Respec
ৰ লগত কেনেকৈ কথা কব লাগে তাক নিশি
যাব পাৰ। ৰুমৰ বাকী ব্যক্তিসকলে ইজনৰ সি

ঃ ৰণে খং আৰু হতাশ মিশ্ৰিত কণ্ঠেৰে
কৰি পঢ়িছিলো চাকৰি এটা পাম বুলি আৰু সম
জীয়াই থকাৰ ইচ্ছা আছিল। কিন্তু এতিয়া সে
নহ'ব। যিহেতু সমাজত এতিয়া পঢ়াৰ কো
আছে মাথো টকাৰ। আজিৰ পৰা মইও সমা
দুৰ্নীতিগ্ৰস্ত ভ্ৰষ্টাচাৰীসকলৰ বিপক্ষে মাত ম
এইদৰে খং-ক্ষোভ প্ৰকাশ কৰি তাৰ পৰা ব

তেতিয়াৰ পৰাই স্ফূৰ্তিবাজ ল'ৰা হিচা
হ'ল। কোনো ব্যক্তিৰ লগত কথা কব নে
নকৰে। দিনটো ঘুৰি ফুৰে কিবা এটা উদ্দেশ্যত
ঘৰলৈ ওভতে। আজি সি ঘুৰিছে কেইটামা

পাৰ্থৰ দৰে কেইজনমান দুৰ্নীতিগ্ৰস্তই প
ৰামলালৰ দোকানত সদায় আড্ডা মাৰে,
খাই নিচাৰ কোবত লেৰেজান হৈ ৰাতি ১১
নিত্য নৈমিত্তিক ঘটনা হৈ পৰিছে। আজি
ৰণে আজিও দূৰৰ পৰাই সিহঁতক লক্ষ্য ক

ঃ এয়াই সুবৰ্ণ সুযোগ— ৰণে ভাবি
আগতে সংগঠনৰ ল'ৰা এজনে দি যোৱা বি
পিনে টোঁৱাই ক'লে— তহঁতৰ দৰে সমাজ
কৰা আৰু গোপনে হত্যা, লুণ্ঠন, ধৰ্ষণ; ভ
থকা সকল ক্ৰমে মৃত্যুৰ ওচৰ চাপি
চাৰিওজনলৈ বিভলভাৰৰ ট্ৰিগাৰ টিপিলে।
একো বুদ্ধি পাণ্ডিৱ নোৱাৰাত থিতাতে মৃ

ইফালে ৰণে তীব্ৰ বেগেৰে বাইক
ৰাতি ১১ মান বজাত আৰু ঘৰ সোমাই
পৰিছিল। ৰণৰ তেনেকুৱা ঘটনা নিত্য-নৈ
গুৰুত্ব নিদিলে।

ৰাতিপুৱাবলৈ বেছি সময় নাই।
মনত নানা প্ৰশ্নই ভুমুকি মাৰিছে। কি ক
বুলিবলৈ সিহঁত দুজনেই। দেউতাকক অ
ইচ্ছা নথকা সত্বেও ৰণে প্ৰতিশ্ৰুতি অ
সিদ্ধান্ত ল'লে। ৰণে সন্তৰ্পণে দেউতাক
ভিতৰলৈ গ'ল। দেউতাকৰ শান্তিত
'অনুৰাধাৰ দেশ'খন পৰি আছে।

লাহে লাহে ৰণ দেউতাকৰ ভ
দেউতাকৰ অজানিতে ভৰি চুই আশী
পৰিল। দেউতাকে সাৰ পোৱাৰ আ
গ'ল....। কেৱল সাক্ষী হৈ ৰ'ল অন্ধকাৰ

B.H.B. College, Sarupeta

# দৰা আহি আছে

নিলোৎপল চৌধুৰী
উঃ মাঃ দ্বিতীয় বাৰ্ষিক



পদুলিমুখত তিৰোতাজনীক বিদায় দি পূজাই খৰ-খেদাকৈ ঘৰ সোমাল। দুমহলীয়া ঘৰটোৰ ওপৰলৈ উঠি গৈ পূজাই চকু-কাণ ঠেলি দিলে দূৰলৈ ...বহু দূৰলৈ। প্ৰতিঘৰ মানুহবে পদুলিমুখত মানুহৰ জুম। অহাই আহিছে, যোৱাই গৈছে। ভাবৰ আঁত হেৰাই যোৱাত এটি সময়ত পূজা তললৈ নামি আহিল।

আগধৰি কৰি থোৱা চাহ কাপ হাতত লৈ খং আৰু বিতৃষ্ণাত গিৰীয়েক দিগন্ত বৰুৱাৰ কমত সোমাল।

ঃ আকৌ কাৰ সৰ্বনাশ কৰিবলৈ ওলাইছে...? চাহ কাপ টেবুলত থৈ পূজাই দিগন্ত বৰুৱালৈ কেৰাহীকৈ চাই প্ৰশ্ন কৰিলে।

ঃ কিয়? তোমাৰ মুৰৰ বিকৃতি ঘটিল নেকি? তুমি জনা উচিত তোমাৰ স্বামী দিগন্ত বৰুৱা এজন উচ্চশিক্ষিত, উচ্চবংশীয়, সমাজখনৰ এজন আগশাৰীৰ ব্যক্তি। তদুপৰি দিগন্ত বৰুৱা এটা অফিচৰ ক্ষমতাশালী মুৰব্বী। আৰু কিবা লাগে? সগৌৰৱে পূজালৈ চাই প্ৰশ্নটোৰ উত্তৰ পঠিয়ালে। নাই, নালাগে। ইয়াতকৈ আৰু বেছি হ'লে তোমাৰ আকাংক্ষাৰ পাত্ৰটোৰ পানীখিনি উপচি পৰিব। ফলত তুমি অটায়ে পিচলি পৰি মৰিব লাগিব। কথাখিনি বিৰক্তিৰে পূজাই কৈছিল। ক্ষন্তেক বিৰতিৰ পিছত পূজাই দিগন্ত বৰুৱাক আকৌ প্ৰশ্ন কৰিছিল। দীপাৰ বিয়াখন তুমি চাৰখাৰ কৰি দিলা কিয়? তোমাৰোতো ডাঙৰ ছোৱালী আছে। তাইৰো যদি এনেকুৱা অৱস্থা হয় তেতিয়া তোমাৰ কেনেকুৱা লাগিব? ছিঃ ইমান নীচ তুমি।

ঃ পূজা মনে মনে থাকা, এইবিলাক মিছা, ভিত্তিহীন, কোনোবাই সাজি কোৱা কথাহে। শুনা, দীপাৰ দেউতাক বিকাশ চৌধুৰীৰ প্ৰমোচনৰ কাৰণে তুমি বিচাৰিছিলা দহ হাজাৰ টকা। শেষত নিজেই কেলেংকাৰীৰ জালত পৰি অফিচৰ ফাইল ইফাল-সিফাল কৰি নায়ক সাঁজালা চৌধুৰীক। প্ৰাপ্য প্ৰমোচন মিছা হ'ল আৰু শেষত বেচেৰা চাকৰিৰ পৰা বৰ্খাস্ত হ'ল। অকল সেয়ে নহয় নিজৰ অৰ্থ খৰচ কৰি এচাম মেৰুদণ্ডহীন যুবকক হাতত ৰাখি আজিও মানুহজনৰ অনিষ্ট কৰিবলৈ উঠিপৰি লাগি আছা। শুনা তুমি মানুহ হ'বলৈ চেষ্টা কৰা। মনত ৰাখিবা অৰ্থ আৰু সম্মা একেখন মোনাত থাকিব নোৱাৰে। বিৰক্তিভাবত কথাখিনি কৈ পূজা ভিতৰলৈ গুচি গ'ল।

ডিব্ৰুগড়ৰ কোনোবা এজন ব্যক্তিৰ লগত দীপাৰ বিয়া বন্দোবস্ত হৈছিল। অহাকালি দীপাৰ বিয়া। কিন্তু আজি ৰাতিপু ফোনযোগে দৰাঘৰে বিয়াখন বন্ধ কৰি দিলে। কথাখিনি বনজুই দৰে চাৰিওফালে বিয়পি পৰিল। ইকাণ-সিকাণকৈ এটি সময় কথাটো প্ৰফেচাৰ দীপক দত্তৰ কাণত পৰিল। দীপক দত্ত গাঁওখন এজন উদীয়মান ডেকা। স্থানীয় কলেজখনৰ প্ৰফেচাৰ। মানুহজ অমায়িক। ধীৰস্থিৰ। সকলোৰে সমাদৃত।

সিদিনা কলেজলৈ নগৈ দীপক দত্ত বহু সময় কমৰ ভিতৰ আবদ্ধ হৈ থাকিল। বিভিন্ন চিন্তাই দত্তক জুমুৰি দি ধৰিলে— সৌসিদিনা কলেজখনৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ আদৰণি সভা নিশাৰ ফাংচনত কোনোবাই গাইছিল— এইখন সমাজ আম সমাজ, ইকুল নাপাও মই সিকুল ___ কেন মাজ পমীত [?] ৰৈ থ অচল জাহাজ....। বিকাশ চৌধুৰী-বিজন মানুহক দেখি সকলোৱে মুখলোৱাৰ_ কথাখিনি ভাবি ভাবি মুখটো আচৰাই [?] কৰ বিছনাত পৰি এক ভাৱত মগ্ন হৈ পৰিল। দিগন্ত বৰুৱা! যিজ ব্যক্তিয়ে নিজৰ ল'ৰা-ছোৱালীক শাসন কৰিব নোৱাৰে, যিজ ব্যক্তিৰ ল'ৰা-ছোৱালী দুই মহলীয়া বিল্ডিংত বিভ্ৰান্ত মনে স

B.H.B. College, Sarupeta

যুবকৰ লগত আনন্দত আত্মহাৰা হৈ আড্ডা মাৰিব পাৰে- সেইজন ব্যক্তিয়ে হ'ল আজিৰ সমাজৰ ত্ৰাণকৰ্তাবিধাতা। সেইজন ব্যক্তিৰ পৌৰোহিত্যত এটি গুণ্ডাবাহিনীয়ে জনৰৱ তুলি দিলে- দীপা লাঞ্ছিতা, ধৰ্ষিতা বুলি। বিয়া ভাগিল। বিকাশ চৌধুৰীৰ ঘৰখনত পানীত হাঁহ নচৰা অৱস্থাই দেখা দিলে। দীপাজনী বলিয়া হৈ পৰিল। মুহূৰ্ততে ডিব্ৰুগড়ৰ সেই ল'ৰাজনৰ কথা মনত পৰিল। তেওঁলৈ দত্তৰ পুতৌ জন্মিল, নিজৰ মতামত উপেক্ষা কৰি উৰা-বাতৰিক বিশ্বাস কৰা আজিৰ সমাজৰ এক শ্ৰেণী শিক্ষিত ডেকাৰ এনে পশুসুলভ মনোবৃত্তিৰ কথা ভাবি দত্তই ঘৃণাত নাক কোঁচাই দিলে।

হাতৰ চিগাৰেটটো পুৰি পুৰি তাপ লগাত ধৰ্ফৰ্কৈ উঠি চিগাৰেটৰ টুকুৰাটো পেলাই দি দীপক দত্তই ফোনটো হাতত লৈ বন্ধু অজিত চৌধুৰীৰ লগত কথা হ'ল।

ঃকোন ? .......

ঃ মই দীপক দত্তই কৈছো। অলপ পিছতে তই মোৰ ইয়ালৈ আহি যা।

ঃ কিয়?

ঃ পিছত জানিবি। এটি জৰুৰী আলোচনা আছে। নিলকমলো আহিব। এতিয়া থৈছো।

ৰিচিভাৰটো থৈয়েই দীপক দত্ত বাহিৰলৈ ওলাই বন্ধুদ্বয়ৰ অপেক্ষাত পদূলিমুখত ৰৈ থাকিল। কিছুসময় পিছতেই বন্ধুদ্বয় দীপকৰ ঘৰত উপস্থিত হ'ল। চাহ-পানী খাই উঠাৰ পিছত দীপা সম্বন্ধে বহু কথাই তিনিওৰে মাজত আলোচনা হ'ল। কথাৰ মাজতেই দীপক দত্তই আৰম্ভ কৰিলে- দিগন্ত বৰুৱা। সমাজসেৱীৰ নামাবলী গাত মেৰিয়াই লৈ নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে বিভিন্ন দুস্কাৰ্যৰে আমাৰ সমাজখন ধ্বংসৰ গৰাহলৈ ঠেলি দিয়া ভণ্ড প্ৰতাৰক চামটোক যথোচিত শিক্ষা দিয়াৰ সময় আহি পৰিছে। সম্প্ৰতি আমাৰ সমাজত মহাব্যাধিস্বৰূপ হৈ পৰা উচ্ছৃংখল যুৱ মানসিকতাই কিদৰে এটা শান্তিপ্ৰিয় পৰিয়াললৈ অশান্তিৰ ধুমুহা কঢ়িয়াই আনিব পাৰে তাৰ জ্বলন্ত নিদৰ্শন বিকাশ চৌধুৰীৰ ঘৰখন। আমি বহি থাকিলেই নহ'ব। অন্যায়ৰ প্ৰতিবাদত সদলবলে আগবাঢ়ি যাব লাগিব। অন্যায়ক মষিমূৰ কৰি এক সুশৃংখল পৰিবেশৰ সৃষ্টি কৰিব লাগিব। মহতৰ্বাৰ্খিবি এজোপা আহত গছৰ চৰম বৃদ্ধি হ'বলৈ সময় লাগিব। সেই আহঁতজোপাৰ তলত মানুহ হিচাপে থাকিবলৈ আমি চেষ্টা কৰিব লাগিব। জীৱন-যুদ্ধত মানুহ ক্লান্ত হ'ব পাৰে। হ'ব পাৰে নিঃশেষ। কিন্তু আমি কেতিয়াও অপমানিত আৰু পৰাজিত হৈ বাচি থাকিব নোৱাৰো।

সেই কাপুৰুষৰ হাতত বিভিন্ন অস্ত্ৰ আছে- বন্ধু দুজনে কোৱা কথাখিনি টানি নি দীপক দত্তই পুনৰ আৰম্ভ কৰিলে। কাপুৰুষৰ হাতত অস্ত্ৰ থাকিলেও শত্ৰুক বধ কৰিব নোৱাৰে। আনহাতে সাহিয়াল মানুহে খালী হাতেৰেও শত্ৰুক বধিব পাৰে। সাহসেই

তেওঁৰ অস্ত্ৰ। আৰু শুন মানুহ যিমান
সোনকালে মৰেও। তইঁতে কি ভাব
সমাজৰ এই নাঙঠ মনোবৃত্তিক মষিমূৰ
সময়। তই থিকেই কৈছ।ময়ো ভাবো
এৰিব নাপায়। কাম এটা আধা কৰাকৈ
অভাব স্বীকাৰ কৰা, ব্যৰ্থতাৰ ওচৰত
অজিত চৌধুৰীয়ে ক'লে।

শেষত মই ক'ব বিচাৰিছো— কৃত
হ'ল গোটেই জীৱন ধৰি এটা মহৎ ল
দুৰূহ কৰ্মৰ সাধনাত সকলো সময়তে নি
নিলকমলে ব্যক্ত কৰিলে। চাব্বাচ। দীপ
ধৰিলে— মই সমগ্ৰ মানৱ জাতিৰ ক
কৰিব নোৱাৰিবও পাৰো। কিন্তু এই ধৰ্ষি
অলপ মঙ্গল কামনা কৰিব পাৰিলেই

কিন্তু কেনেকৈ? কিদৰে? বন্ধুদ্ব

তেতিয়াহ'লে শুন— দীপক দত্তই
ছোৱালীক কেইজনমান উতনুৱা ল'ৰাই
লোভত পৰি দলবদ্ধভাৱে ধৰ্ষণ ক
ছোৱালীক এজনী কলুষিতা, ব্যভিচাৰি
ছোৱালীজনীক উপযুক্ত পাত্ৰত সংস্থা
বিয়া হ'ব লাগিব আগৰ নিৰ্দ্ধাৰি
আহাকালিয়েই।

খন্তেক বিৰতিৰ পাছত তিনিওজ
হ'ল। তেওঁলোকক দেখি গাঁৱৰ দুই-
ইতিমধ্যে ৰভাৰ কাম-কাজ মোটামুটি
আচবাব প্ৰায় সকলো বস্তু যোগা
আত্মীয়স্বজন আহি ঘৰ ভৰি পৰিছে। কি
নাই। সকলো যেন প্ৰচণ্ড ধুমুহাত শি
ভাঙি আধামৰা হৈ আছে। কোনো
নাই। ইয়াৰ বিকল্পও একো কৰিব প
এটি নিৰ্জীৱ জড় পদাৰ্থৰ দৰে এখন চ
চাই আছে। মুখেৰে কিন্তু এষাৰো ক

এটা সময়ত বন্ধু তিনিওজনে
দীপাৰ দেউতাকৰ পৰা বিয়াখনৰ
দেউতাকে চকু পানী মচি ভঙা ভ
শেষলৈকে সকলো কথা বিৱৰি ক'লে

বিকাশ চৌধুৰীৰ পৰা কথাখিনি
ক'লে—ঠিক আছে। আপুনি অধৈৰ্য
তাৰিখতে হ'ব লাগিব। আমি ইতিমধ্যে
কাৰণে ঠিক কৰিছে ইয়ালৈ আহিছো।

B.H.B. College, Sarupeta

কৈ উঠিল— আমি এতিয়া উঠো। আবেলিলৈ আকৌ আহিম।

বিকাশ চৌধুৰীয়ে ছুশমাযোৰ খুলি এক অদ্ভুত চাৱনিৰে তেওঁলোকৰ ফালে দুখোজ আগবাঢ়ি গ'ল। মুখেৰে কিন্তু একো কথাই ওলাই নাহিল।

উপস্থিত থকা আটায়ে কিংকৰ্তব্যবিমূঢ় ভাবত তেওঁলোক যোৱাৰ ফালে চাই থাকিল। এটি সময়ত গুণগুণনি আৰম্ভ হ'ল— কোনোবাই ক'লে, ক'ৰ নোবাবো, ক'ৰ পানী ক'লৈ যায়। আমি কিন্তু কথাটো বিশ্বাস কৰিবলৈ টান পাইছো। এনে নাভুত-নাশ্ৰুত কথা শুনাও নাই, দেখাও নাই। এজনী তিৰোতাৰ মুখৰপৰা কথাখিনি ওলাই আহিল।

কিছুসময়ৰ বাবে বিকাশ চৌধুৰীৰ ঘৰখনত নিৰৱতাই বিৰাজ কৰিলে। কথাখিনিৰ একো আঁত ধৰিব নোবাৰি চৌধুৰীয়ে পিছফালে গৈ প্ৰকাণ্ড আঁহতজোপাৰ তলত বহি পৰিল। ইফালে দীপাই বিছনাত শুই পৰিল। দুই-এজনী তিৰোতাই ধৰ্মীয় আখ্যানেৰে আতিগুৰি নোহোৱা কথাৰে দীপাক বুজাবলৈ চেষ্টা কৰিলে। কিন্তু কোনে কি ক'লে একোৱেই দীপাৰ কাণত নোসোমাল।

সময় কিমান গ'ল দীপাৰ খেয়াল নাই। সৰলা, কৰবী আৰু জুপিতৰাই আহি দীপাৰ গাত হাত দিয়াতহে অচেতন অৱস্থাৰ পৰা সচেতন মুহূৰ্তলৈ আহিল। দীপাৰ বান্ধৱী তিনিজনীয়ে তাইক বিভিন্ন ধৰণে মনে সজা সাহস দিবলৈ ধৰিলে। জুপিতৰা চঞ্চলা। খৰস্ৰোতা নদীখনৰ দৰে তাইৰ মুখেদি এবাৰ কথা ওলালে কথাৰ আৰু ওৰ নপৰে। তাই কৈ গ'ল। দত্ত ছাৰে চোৱা দৰা বেয়া হ'ব নোবাৰে। তেখেতে ধীৰ-স্থিৰ,গম্ভীৰ, সাগৰ সদৃশ। কলেজত সকলো ল'ৰা-ছোৱালীয়ে তেখেতক সমীহ কৰি চলে। মোৰ মতে তই বৰ ভাগ্যৱতী। কাৰণ ছাৰে চোৱা দৰা কোনোপধ্যেই অমানুহ হ'ব নোবাৰে। সৰলা, তই দেখোন মনে মনে থাকিলি? তোৰো দেখোন এই মাহৰ শেষৰ ফালে বিয়া। কি? সেয়েহে বলা আকাশ-পাতাল চিন্তাত ব্যস্ত। জুপিতৰাই হাস্যৰসৰ হাঁহি মাৰি ক'লে।

দীপা উঠ। তোক দেখিছো অহাৰ পৰাই দেখোন একো নোকোৱাকৈ চকু পানী মচি আছ— কথাখিনি ক'ব লাগে কাৰণেই সৰলাই ক'লে।

আকাশখন ক'লা মেঘেৰে ঢাকি থৈছে। কেইটামান নাঙঠ কৰীয়া ম'হে দীপাক খেদিব ধৰিছে। দীপা আগে আগে, ম'হৰ জাকটো পিছে পিছে। দীপাই দৌৰিছে আৰু ধুপুচ ধুপুচকৈ পৰিছে। এটি সময়ত এটি বিকট চিএৰ মাৰি দীপাই সাৰ পাই উঠিছে।

ঃ আজি দীপাৰ বিয়া।

এটি জিজ্ঞাসু মনোভাবেৰে বহুত মানুহৰ বিয়াখনত সমাগম হৈছে। কাৰো মুখত হাঁহি নাই। সকলো যেন এটি অনিশ্চয়তাৰ ভাবত যান্ত্ৰিক গতিৰে আগবাঢ়িছে। ভাব হয় এইখন ৰভাতলি নহয়— যেন এখন মৰিশালীহে।

দীপক দত্ত, অজিত চৌধুৰী আৰু নিলকমলে ৰাতিপুৱাৰ পৰাই বিয়াখনত লাগি আছে। সকলো কাম নিয়াৰিকৈ চলাই নি আছে।

সময় ৰৈ নাথাকে। এটি সময়ত দৰা পক্ষৰ বাবে ৰভাতলিত বহা সৰঞ্জাম ঠিক-ঠাক কৰা হৈছে। দিনটোত কইনাপক্ষৰ পৰা জাউৰিয়ে জাউৰিয়ে দৰা সম্পৰ্কে দীপক দত্তলৈ প্ৰশ্ন আহিছে। দত্তয়ো যি প্ৰশ্নৰ যেনে উত্তৰ দিব লাগে দি আছে।

আঠ বাজিল। ন বাজিল। দৰা চাবে দহমান বজাত আহি পোৱাৰ কথা। দীপক দত্তই ৰাইজলৈ সম্বোধি এযাৰ অনুৰোধ আগবঢ়ালে।

ঃ আপোনালোক থাকক। আমি দৰা পক্ষৰ খবৰটো লৈ আহো। তিনি বন্ধুৱে তিনিখন বাইকত উঠি ৰভাতলিৰ পৰা বাহিৰ ওলাল।

কিছুসময় বাগৰিল। চাৰে দহ বজাত ৰভাতলিৰ মানুহখিনি এক প্ৰকাৰ অধৈৰ্য হৈ পৰিল। বিভিন্ন জনৰ মাজত বিভিন্ন প্ৰতিক্ৰিয়া সংমিশ্ৰণ ঘটাই এটি সময়ত এটি বিৰূপ আলোচনাৰ সৃষ্টি হোৱাৰ সম্ভাৱনাই দেখা দিলে। ঠিক এইখিনি সময়তেই বন্ধু তিনিজনে ৰভাতলিত প্ৰবেশ কৰিলে। খন্তেকৰ বাবে ৰাইজখিনি ক্ষান্ত হৈ পৰিল।

ৰাইজৰ প্ৰশ্ন অহাৰ আগে আগে প্ৰফেচাৰ দীপক দত্তই থিয়হৈ সকলোকে সম্বোধি ক'বলৈ ধৰিলে ঃ শ্ৰদ্ধাৰ ৰাইজ, দৰা আহি আছে। দত্তৰ কথাখিনি শুনি উদ্বিগ্নতাত বৈ থকা বিভিন্নজনে শেহতীয়াকৈ বিয়া খাই কইনাক আশীৰ্বাদ, উপহাৰ আদি দি ঘৰা-ঘৰি গ'ল। ওচৰ-চুবুৰীয়া, শুভাকাংক্ষী সকলোৱে বিয়া চাবলৈ বৈ আছে।

ঃ হঠাৎ দত্তই সকলোকে সম্বোধি ক'বলৈ আৰম্ভ কৰিলে। ৰাইজ, দীপাক মই বিয়া কৰাম। যদি আপোনালোকৰ, দীপাৰ ঘৰখনৰ আৰু দীপাৰ আপত্তি নাই, মই প্ৰস্তাৱ দিছো। আজি এই মুহূৰ্ততে, এই ৰভাতলিতে মই দীপাক বিয়া কৰাম।

সমজুৱা বিকাশ চৌধুৰীয়ে কথাখিনি শুনি অবাক দৃষ্টিৰে দত্তৰ মুখলৈ চাই থাকিল। কৃতজ্ঞতাৰ চকুপানী চকুত মুকুতা হৈ জ্বলি উঠিল। সমজুৱাই হৰ্ষধ্বনি দি কইনাক চোতাললৈ উলিয়াই আনি দীপক দত্তৰ ওচৰত থিয় কৰালে। দত্তই সেন্দুৰৰ ফোঁট এটি পিন্ধাই ওৰণি টানি দি হাতত ধৰি জীৱন লগৰীৰূপে লাঞ্ছিতা-বঞ্চিতা-ধৰ্ষিতা দীপাক উপযুক্ত স্ত্ৰীৰ মৰ্যাদা দি সাৱটি ধৰিলে।

— দৃশ্যটো দেখি বিকাশ চৌধুৰীয়ে কি ক'ব কি নক'ব ঠাৱৰ কৰিব নোৱাৰা হ'ল। মাথোঁ অবাক হৈ পৰা কণ্ঠস্বৰত সকলোৱে শুনিলে—'ইয়াতকৈ ডাঙৰ উপহাৰ মোক কোনো কালে কোনেও দিব পৰা নাছিল।' — কৃতজ্ঞতাৰ চকুপানীৰে উত্তৰ দিলে বিকাশ চৌধুৰীয়ে। ❖

B.H.B. College, Sarupeta

# আধুনিকত
# নগ্নতা

তাপসৰঞ্জন তালুক



সৌ মানুহজনী দেখিছেনে? দেখিছে, অ মই তাইৰ কথাকে কৈছো। তাইৰ নাম চামেলি। জন্মৰে পৰা তাই এনেকুৱা নাছিল। কিন্তু আজিৰ আধুনিক সমাজৰ কৃপাতে তাইৰ এই অৱস্থা...

চামেলি মহানগৰীলৈ আহিছিল আজিৰ পৰা তিনি/চাৰি বছৰ আগতে। কোনো গাঁৱৰ এক অখ্যাত পৰিয়ালৰ জীয়ৰী চামেলি। মাতৃৰ লগত মহানগৰীলৈ আহোঁতে হয়তো ভৱিষ্যতৰ পৰিণতি এনেকুৱা হ'ব বুলি ভবা নাছিল দহ বছৰীয়া চামেলিয়ে। মহানগৰীলৈ আহি ফুটপাথত থাকিও তাই দেখিছিল ভৱিষ্যতৰ নানা সপোন। মাকে বেলেগৰ ঘৰত দিন হাজিৰা কৰিয়ে সিহঁতৰ দুজনীয়া পৰিয়ালটো পোহপাল দিছিল। কেতিয়াবা কেতিয়াবা সিহঁতে পুৰণি দিনৰ কথা ৰোমন্থন কৰি দুখত ভাগি পৰিছিল। সিহঁতৰ আগতে হাজিৰা কৰি খাবলগীয়া অৱস্থা নাছিল। যেতিয়া গাঁৱৰ ৰাইজে মাকক ডাইনী বুলি সন্দেহ কৰি মাৰধৰ কৰিছিল তেতিয়া চামেলিৰ পিতৃয়ে ৰাইজক বাধা দিছিল আৰু ৰাইজৰ প্ৰহাৰত দেউতাকৰ মৃত্যু হৈছিল। তাৰ পিছত মাকে আৰু চামেলিয়ে পলাই মহানগৰলৈ আহিছিল। বৰ বৰ আমিচোন আচল কথাটোৰ পৰা আঁতৰি আহিছো। আমি চামেলিৰ কথাকে পাতি আছিলো নহয় জানো চামেলিৰ মাকৰ মৃত্যু হৈছে। তাইৰ এই অৱস্থা মাকে বেছিদিন সহ্য কৰিব নোৱাৰিলে। তাইৰ বাৰু কি হৈছিল?


পেটৰ তাড়নাত মাকে তাইকো কে
কাম কৰিবলৈ পঠাইছিল। কিন্তু মাকে ভ
বাবে কামত পঠোৱাৰ পৰিণতি ইমান 
ধনীৰ পুত্ৰৰ বেয়া নজৰ চামেলিৰ ওপ
টকাৰ জোৰত ধনীয়ে নিজৰ পুত্ৰক ৰাইজ
কৰিলে। ইফালে বাৰ বছৰীয়া ছোৱালী 
তাই পাগলী হ'ল আৰু তাইৰ মাকে সেই
ধৰিলে। কিন্তু অৱশেষত মাকো ঢুকাল। 
দেখিছে অ অৰবিন্দ। আপুনি চিনি 
মদাহীটোৱেই সেই কেঁচুৰাটো বৰ্তমান 
চামেলিৰ মাক ঢুকোৱাৰ পৰাই সি কেঁচু

আপুনি কি সুধিছে? তাৰ স্বাৰ্থ 
স্বাৰ্থপৰ। আছে তাৰ স্বাৰ্থ আছে, তাৰ স্ব
পথৰ দাঁতিত চামেলি উলংগ হৈ 
ভদ্ৰলোকবোৰে কেৱাহীকৈ চাই যাব, 
কাপোৰ তুলি দিয়ে। সি চাব নোৱাৰে। 
ভদ্ৰ সমাজে সেইটো নোৱাৰে। তেওঁলো

কিন্তু এই অৰবিন্দ এজন মদাহী 
কিয়? কাৰণ মানৱতাবোধ যাৰ থাকে সি
হকে কাম নকৰে।

অৱশেষত মোৰ মনত এটাই প্ৰ
ভদ্ৰ কোন আমি নে অৰবিন্দ?◀

B. H. B. College, Sarupeta



# শিশু শ্ৰমিকৰ পণ

কন্যাকুমাৰী দাস
স্নাতক তৃতীয় বৰ্ষ

B.H.B. College Sarupeta

হতাশাৰে ভৰা নিপুলৰ হৃদয়খন, য'ত হয়তো ফুলা নাই কাহানিও আশাৰ ফুল আৰু অকালতে সহিব লগা হৈছে সি কঠোৰ শ্ৰমৰ যন্ত্ৰণা, নেত্ৰহীন পিতৃ আৰু ৰুগীয়া মাকক চকুৰ সন্মুখত লৈ সি কৰিব লগা হৈছে জীয়াই থকাৰ সীমাহীন সংগ্ৰাম আৰু এনেদৰে এখন কোমল হিয়া পৰিণত হ'ল এটি ভংগস্তুপত, 'তোৰ এনে অৱস্থাৰ বাবে দায়ী আমি' মাক দেউতাকৰ এইষাৰ কথাই তাক প্ৰায়েই দুৰ্বল কৰি তোলে, কিন্তু সি দুৰ্বল হ'ব নোৱাৰে, সি দুৰ্বল হ'ব নোৱাৰে এইকাৰণেই যে সীমাহীন কষ্ট সহ্য কৰি হ'লেও সি মাক-বাপেকৰ কাৰণে কৰি যাব লাগিব আজিৰ এই কোলাহল আৰু হিংসাপূৰ্ণ সমাজখনৰ মাজত জীয়াই থকাৰ সংগ্ৰাম, কাৰণ দশোদিশৰ শূন্যতাৰ মাজতো তাৰ হৃদয়ত আছে মাক-বাপেকৰ প্ৰতি তাৰ দায়িত্ববোধ, যি দুজন ব্যক্তিয়ে তাক যোগাই থাকে এক প্ৰেৰণা, হয়তো চাৰিওদিশৰ অন্ধকাৰৰ মাজত এটি জোনাকী পৰুৱাই দি যায় কিছু সান্ত্বনা 'মোৰো আছে অন্ধকাৰ দূৰ কৰিব পৰা এটি সম্বল', সেয়ে আজি নিপুলৰ পণ 'মই হ'ম সমাজৰ অগণন শিশু শ্ৰমিকৰ মাজৰ এটি জোনাকী পৰুৱা আৰু মোৰ এই ক্ষুদ্ৰতম শক্তিৰে মই সিহঁতকো একো একোটা জোনাকী পৰুৱাৰ ৰূপত গঢ়ি-তুলিম, যিয়ে আমাৰ সমাজখনৰ অন্ধাকাৰ দূৰ কৰিবলৈ কিছু হয়তো সক্ষম হ'ব।'◀

## অসমৰ
## বিশিষ্ট
## ইতিহাসবিদ
# অমলেন্দু গুহৰ সৈতে মুখামুখি

**প্ৰশ্ন ঃ- সাম্প্ৰতিক সময়ত অসমৰ পৰিস্থিতিত ছাত্ৰ সকলৰ কৰ্তব্য আপুনি কি বুলি ভাবে?**

— কৃষ্ণকান্ত সন্দিকৈ বিদেশৰ পৰা আহি অসম ছাত্ৰ সন্মিলনৰ চেয়াৰমেন (Chairman) হৈছিল। ভাৰতৰ ছাত্ৰ সকল ৰাজনীতি বিমুখ হ'ব নালাগে। ইতিহাস কেৱল মানৱতাৰে হয়। ইতিহাস মানৱতাৰ পৰা সৃষ্টি হয়। ছাত্ৰ-ছাত্ৰী সকলৰ বৰ্তমান যি বেয়া পৰিস্থিতি হৈছে তাক বৈজ্ঞানিক দৃষ্টিভংগীৰে বিচাৰ কৰা উচিত। কিয়নো এয়া কম্পিউটাৰৰ যুগ।

**প্ৰশ্ন ঃ- সংস্কৃতত এষাৰ কথা আছে 'ছাত্ৰানং অধ্যয়নং তপঃ' কিন্তু আজিৰ এই অগ্নিগৰ্ভ অসমত এই কথাষাৰৰ প্ৰাসংঙ্গিকতা কিমান দূৰ বুলি আপুনি ভাবে?**

— ছাত্ৰ-ছাত্ৰী সকলে পঢ়া-শুনাত মনোযোগ দিয়াৰ লগতে সমাজৰ ওপৰতো গুৰুত্ব দিব লাগিব। আমেৰিকা আদি সাম্ৰাজ্যবাদী দেশ সমূহে পোনপটীয়াভাৱে ছাত্ৰ-ছাত্ৰীক শোষণ কৰিছে। সেয়েহে ছাত্ৰ সকলৰ কৰ্তব্য কেতিয়াও 'তপঃ' হ'ব নোৱাৰে।

**প্ৰশ্ন ঃ- অসমৰ বিদেশী প্ৰবজন সমস্যা সম্পৰ্কে আপোনাৰ মতামত কি বাৰু?**

— বিদেশী সমস্যাটো কেতিয়াও সাম্প্ৰদায়িক হোৱা উচিত নহয়। ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ সঠিক মূল্যাংকন কৰিব লাগিব। বিদেশী সমস্যাটোৰ সমাধান ৰাষ্ট্ৰৰ দ্বাৰাহে সম্ভৱ।

**প্ৰশ্ন ঃ- সৰুপেটা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আপোনাৰ কিবা ক'ব লগা আছে নেকি?**

— সৰুপেটা কলেজৰ ছাত্ৰ-ছাত্ৰী সকলক মোৰ মৰম আৰু ভালপোৱা যাচিছো। মই আলোচনীলৈ বাট চাই ৰ'লো।

**প্ৰশ্ন ঃ- শেষত এনে কিবা বিষয় বৈ গ'ল নেকি যিটো আপোনাৰ কোৱাৰ ইচ্ছা আছিল অথচ মোৰ নহ'ল?**

— বিশেষ তেনেকৈ নাই, যদিও ঘোষে (GHOSH) তেখেতৰ ছি অফ্ পপিছ্ (Sea of Poppies) গ্ৰন্থখন লিখাৰ সময়ত মোৰ লিখনিৰ পৰা যথেষ্ট সহায় পাইছে বুলি কিতাপখনত উল্লেখ কৰিছে। মোৰ বৰ ভাল লাগিছে।

B.H.B. College, Sarupeta

# অসমৰ বিশিষ্ট চিন্তাবিদ

# ড° শিৱনাথ বৰ্মনৰ সৈতে কিছু সময়

*মানুজনক লগ পাইছিলো বি এইচ্ বি মহাবিদ্যালয়তেই। তাতেই জানিব পাৰিছিলো কেইদিনমান পিছতেই তেখেতে চীনলৈ যাব। সেইজন বিশিষ্ট চিন্তাবিদ বুদ্ধিজীৱী ড° শিৱনাথ বৰ্মনৰ কাষ চাপিছিলো মই চীনৰ পৰা তেখেতে উভতি অহাৰ পিছত। কিছু নতুন কথা জনাৰ মানসেৰে তেওঁক চীন সম্পৰ্কে সুধিছিলো। পাঠকৰ আগত তেওঁৰ কথাৰ কিয়দাংশ তুলি ধৰা হ'ল।— সম্পাদিকা*

**প্ৰশ্ন ঃ আপুনি চীন দেশলৈ গৈছে। বৰ্তমান সময়ত তেওঁলোক যিধৰণে আগুৱাই গৈছে তাৰ কাৰণ কি বুলি ভাবে?**

— চীন দেশ এখন স্বাধীন দেশ আছিল, এতিয়া স্বাধীনভাবেই থাকে। তেওঁলোকে নিজৰ ভাষা ব্যৱহাৰ কৰে। তেওঁলোকে সকলো কামত অনুশাসন মানি চলে। যিকোনো কামৰ ক্ষেত্ৰতেই চৰকাৰী প্ৰতিনিধি থাকে। চৰকাৰে Apartment সজাই দিয়ে।

চীনৰ মানুহবোৰ খুবেই পৰিশ্ৰমী। উদ্যোগৰ পৰা আদি কৰি বিভিন্ন কামতেই মহিলাৰ অংশগ্ৰহণ চকুত লগা। প্ৰায় ৫৫ % মহিলা ঔদ্যোগিক কামৰ লগত জড়িত। তাত তথাকথিত গণতন্ত্ৰ নাই। ন্যায় ব্যৱস্থা খুবেই কঠোৰ। মানুহবোৰে অবাবত সময় নষ্ট নকৰে।

**প্ৰশ্ন ঃ তাত আপুনি থকা কেইদিনত তেওঁলোকৰ ধৰ্ম-সংস্কৃতি - শিক্ষা সম্পৰ্কে কি অনুভৱ হৈছিল?**

— চীনত ধৰ্মৰ ক্ষেত্ৰত বাধ্যবাধকতা নাই। পৰ্যটকৰ বাবে বিভিন্ন ঠাইবোৰ সজাই তোলা হয়। তেওঁলোকে ভৌতিক কথা বৰবাত বিশ্বাস নকৰে।

সাংস্কৃতিক ক্ষেত্ৰত চীন দেশ খুবেই আগবঢ়া। বসন্তকালীন উৎসৱ সুন্দৰভাবে কৰে। উৎসৱ পাৰ্বণত পৰম্পৰাগত সাজপাৰ ব্যৱহাৰ কৰে। হোটেল আদিত প্ৰাচীন আৰু আধুনিকৰ সুন্দৰ সমন্বয়ৰ সমাহাৰ দেখা যায়। ৰাস্তা-পদূলি পৰিস্কাৰ। ৰাস্তাৰ কাষে-কাষে গছ-ফুল ৰোৱে। জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত খুবেই কঠোৰ। শিক্ষাৰ ক্ষেত্ৰত খুবেই গুৰুত্ব দিয়া পৰিলক্ষিত হয়। ব্যক্তিগত শিক্ষা নাই। ব্যক্তিগত শিক্ষানুষ্ঠান নাই বুলিলেই হয়।

**প্ৰশ্ন ঃ আপোনাক এইবাৰ অসম সম্পৰ্কে সোধো। বৰ্তমান অসমত শিক্ষাৰ যি অৱস্থা সেয়া কি ধৰণে নোহোৱা কৰিব পৰা যাব?**

উত্তৰ— চৰকাৰী শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। চৰকাৰী বিষয়াবোৰে যিধৰণে দুৰ্নীতিত নামিছে জনমত সবল নহ'লে দূৰ কৰা সম্ভৱ নহ'ব। ব্যৱস্থা এদিনতেই সলনি নহয়। ৰাইজ সজাগ হ'ব লাগিব। মানুহৰ মানসিকতা ব্যক্তিগতৰ প্ৰতি আকৃষ্ট হৈছে। মুখে দেশপ্ৰেমৰ কথা মৌখিকভাবে কয়, কিন্তু তথাকথিত বৌদ্ধিক দাসত্ব যোৱা নাই। চৰকাৰী শিক্ষাৰ উন্নতিৰ বাবে আমি সচেতন হ'ব লাগিব, গুৰুত্ব দিব লাগিব। সংগঠিত হ'ব লাগিব। বিদেশী খেদা নেতাবোৰেই সন্তানক বিদেশী বিদ্যালয়ত পঢ়ায়।

**প্ৰশ্ন ঃ বিদেশী আন্দোলন সম্পৰ্কে আপুনি কি ক'ব খোজে?**

উত্তৰ— আন্দোলনত তেওঁলোকৰ দেশপ্ৰেমতকৈ আত্মপ্ৰেম বেছি আছিল। বিদেশী খেদাৰ নামত মুছলিম বিৰোধিতা চলি আছিল। মই নিজেও এইটো কোৱাৰ বাবে 'অসম বিৰোধী চক্ৰ' হৈ গ'লোঁ। যদি সঠিকভাবে কামবোৰ হ'লহেঁতেন তেতিয়া অসমীয়া মুছলমানসকলেও সহায় কৰিলেহেঁতেন। কিন্তু এতিয়া মুছলমান মানুহ সংকতি হৈ পৰিছে। এই ক্ষেত্ৰত হিন্দুত্ববাদৰ ভূমিকা বেছি। প্ৰব্ৰজন হৈছে সেয়া অস্বীকাৰ কৰিব নোৱাৰি। এই ক্ষেত্ৰত প্ৰশাসন সচেতন নহয়।

**প্ৰশ্ন ঃ সাম্প্ৰতিক পৰিস্থিতিত ছাত্ৰ কৰ্তব্য।**

— ছাত্ৰসকল সজাগ হৈ, একত্ৰিত হৈ কাম কৰাৰ দৰকাৰ।

**প্ৰশ্ন ঃ সৰুপেটা তথা বি এইচ্ বি সম্পৰ্কে।**

— সৰুপেটাৰ ছাত্ৰ-ছাত্ৰী নগৰীয়া ছাত্ৰতকৈ বেছি সচেতন দেখিছোঁ, ভাল লাগিছে দেখি। নগৰীয়া জীৱন ভাল নহয়।

B.H.B. College, Sarupeta

**নাটক**

# স্বাধীনতা

**ফণীধৰ তালুকদাৰ**

**নাটকৰ চৰিত্ৰসমূহ ঃ**

**বুঢ়ী আইতাক ঃ** বয়স ৭০ বছৰ
**বোৱাৰী (মাক) ৰেণু ঃ** বয়স ২৫-৩০ বছৰ
**ৰিম্পী (ডাঙৰ জীয়েক) ঃ** বয়স ৯-১১ বছৰ
**ছিম্পী (সৰু জীয়েক) ঃ** বয়স ৭ বছৰ
**লগৰ স্কুলীয়া ছোৱালী ঃ** লতিকা, নমিতা, গীতিকা ঃ বয়স ৭ৰ পৰা ১১ বছৰ মান
বোমা-বিস্ফোৰণৰ দৃশ্যৰ পিছত মৃতদেহ চাবৰ বাবে অন্যান্য পথচাৰী বা অভিভাৱক মঞ্চলৈ উলিয়াব পাৰি।

**প্ৰথম দৃশ্য**

(বেক গ্ৰাউণ্ডত মৃদুসুৰত ভায়োলিনৰ স্বৰ বাজি থাকিব, লাহে লাহে পট উঠে)

(অসমীয়া গাঁৱলীয়া সমাজৰ দৃশ্য ঃ পৰম্পৰাগত অসমীয়া নিম্নবিত্ত পৰিয়ালৰ খেৰবাঁহৰ আটোমটোকাৰিকৈ সজা ঘৰ দুৱাৰ। গৃহস্থ পৰিয়ালৰ চোতাল। চোতালৰ সন্মুখত বাগিচা। ক্ষীণ চাকিৰ পোহৰত ঢাৰি বা কঠত বহি বুঢ়ী আইতাকে গ্ৰীষ্মকালি নাতিনীয়েক-ইঁতক সাধুকথা কৈ আছে, কথাৰ মাজে মাজে বিচনীৰে বিচি আছে। গ্ৰীষ্মকাল যদিও আকাশ ফৰকাল। মাজচোতালত তুলসীৰ তলত বন্তি এগছি জ্বলি আছে। নাতিদূৰত এজোপা শেৱালি ফুলৰ গছ।)

**ৰিম্পী ঃ** আইতা, আইতা যোৱা কালিৰ আধৰুৱা সাধুটো কোৱা না ... আইতা...

**ছিম্পী ঃ** আইতা, সেই যে গান্ধী মহাৰাজৰ সাধুটো, কালি যে কৈছিলা, কোৱাচোন আইতা...

**আইতা ঃ** মইনাহঁত, সেয়া বহুত কথা, তোমালোকৰ দেউতাৰাই তেতিয়া পৃথিৱীৰ বেলিৰ পোহৰ দেখাই নাই, মাতৃগৰ্ভতেই আছিল।

**ৰিম্পী ঃ** কোৱা আইতা

**আইতা ঃ** আমাৰ দেশখন তেতিয়া সাত সাগৰ তেৰ নদীৰ সিপাৰে বাস কৰা বগা বণিকে দখল কৰি আছিল। সেই সময়ত আমাৰ মাত-মতাৰ অধিকাৰ নাছিল। বগা বণিকহঁতে আমাক দাস হিচাপে ব্যৱহাৰ কৰিছিল....।

**ৰিম্পী-ছিম্পী ঃ** ইমান অন্যায় ....

**আইতা ঃ** সোণজনীহঁত। আমাৰ দেশৰ মানুহে এই অন্যায়ৰ ... প্ৰতিবাদ কৰিছিল। হাজাৰ হাজাৰ মানুহে এই অন্যায়ৰ বিৰু... মাত মাতিবলৈ গৈ কাৰাবৰণ কৰিছিল; বন্দুক বেয়নেটৰ আঘা... জীৱনলৈ ঘূৰীয়া হৈছিল আৰু কিছুমানক ... (ফেঁকুৰি উঠে)

**ৰিম্পী-ছিম্পী ঃ** কি আইতা, তুমি কিয় কান্দিছা?

**আইতা ঃ** নহয় অ' মইনাহঁত! গান্ধী মহাৰাজৰ নিৰ্দেশত এ... তহঁতৰ ককাদেউতাই হাতত ত্ৰিৰংগ লৈ আগবাঢ়িছিল স্বাধীনতা... অহিংস সংগ্ৰামত।

**ৰিম্পী ঃ** কোৱা আইতা, কোৱা আমাৰ শুনিবলৈ বৰ মন গৈছে...

**আইতা ঃ** বগা বণিকহঁতে নিয়োগ কৰা জল্লাদৰ গুলীৰ আঘাত... তোমালোকৰ ককাদেউতাই হাঁহি হাঁহি দেশৰ কাৰণে বুকুত ত্ৰিৰং... সাৱটি শ্বহীদৰ মৃতুবৰণ কৰিলে। (উদাত্ত সুৰত)

**আইতা ঃ** সোণজনীহঁত, যিটো বাটে মণিৰাম-পিয়লি, কুশলকোঁৱৰ, কনকলতা, ভোগেশ্বৰী, ৰাউতা-মদন, ক্ষুদিৰাম, কানাইলাল, ভগৎসিং গ'ল সেইবাটেই তহঁতৰ ককাদেউতাও গুচি গ'ল... দেশৰ কাৰণে।

**ৰিম্পী-ছিম্পী ঃ** আইতা, দেশৰ কাৰণে প্ৰাণ আহুতি দিবলৈ গ'লে কিমান যে আনন্দ লাগিব। আমিও, আমিও প্ৰাণ দিবলৈ যাম... (বেক গ্ৰাউণ্ডত উচ্চস্বৰত ভায়োলিন বাজি উঠিব।)

**আইতা ঃ** (ক্ৰন্দনৰত হৈ -জোৰকৈ চিঞৰি উঠিব) মইনাহঁত, তেনেকুৱা অমংগলীয়া কথা নক'বা।

(ৰিম্পী-ছিম্পীৰ মাক ৰেণু সোমাই আহে, হাতত পিঠা-পনা চাহ)

**ৰেণু ঃ** ৰিম্পী, ছিম্পী তোমালোকে আইতাক কিয় দিগ্‌দাৰ দি আছা?

B.H.B. College Sarupeta

এই চাহ আৰু তোমালোকে ভালপোৱা ঘিলা পিঠা আনিছোঁ লোৱা।

**ৰিম্পী-ছিম্পী ঃ** মা, এইবোৰ লৈ যোৱা, আজি আমাৰ এইবোৰ খাবলৈ মুঠেই মন নাই। আজি আমি ওৰে ৰাতি গান্ধী মহাৰাজৰ কথাই শুনিম, আমাৰ দেউতা-ককাদেউতাৰ দৰে গান্ধী মহাৰাজৰ দৰে দেশৰ কাৰণে শ্বহীদ হ'বলৈ আমাৰো খুব মন।

**ৰেণু ঃ** নকবা মাজনী, তেনেকুৱা কথা নক'বা। আমি .... আমি তোমালোকক... (ফেকুৰি উঠে) হেৰুৱাব নোৱাৰিম। তোমালোক আমাৰ যে চকুৰ মণি, জীয়াই থকাৰ অৱলম্বন। (আবেগিকভাৱে দুয়োকো সাবটি থোকাথুকি মাতৰে মইনাহঁত, মইনাহঁত বুলি গালে মুখে চুমা খায়)।

**আইতা ঃ** (কিছু প্ৰকৃতস্থ হৈ) ৰ'বা ৰেণু নাকান্দিবা, মইতো কন্দা নাই। তুমি বীৰ শ্বহীদৰ পত্নী আৰু বোৱাৰী, তোমাৰ মুখত কান্দোন শোভা নাপায়।

**ছিম্পী ঃ** মা, তুমি এনেকুৱা কি কৰিছা?

**ৰিম্পী ঃ** আইতা, আমাৰ দেউতাৰ কথা কোৱাচোন।

**আইতা ঃ** তোমালোকৰ ককাদেউতাক হেৰুৱাইছো দেশৰ স্বৰাজৰ কাৰণে আৰু দেউতাৰাক ...

**ৰিম্পী-ছিম্পী ঃ** (কোৱা আইতা)

**আইতা ঃ** দেউতাৰাক হেৰুৱাইছো.... সন্ত্ৰাসবাদীৰ কবলৰ পৰা দেশ ৰক্ষাৰ সংগ্ৰাম কাৰ্গিল যুদ্ধত। তোমালোক তেতিয়া নিচেই সৰু।

**ৰিম্পী-ছিম্পী ঃ** মা, আইতা; আমাৰ দেউতা, ককাদেউতা এতিয়া ক'ত আছে?

**ৰেণু ঃ** সৌ যে আকাশত তৰা হৈ আছে।

**ছিম্পী ঃ** মা,মা, দেশৰ কাৰণে মৰিলে আকাশৰ তৰা হয় নেকি?

**ৰিম্পী ঃ** মা, আইতা! বা-বা কি মজা হ'ব! আমিও দেশৰ কাৰণেই মৰিম। আমিও আকাশৰ তৰা হ'ম।

**আইতা, ৰেণু ঃ** (দুয়ো একেলগে চিৎকাৰ কৰি উঠে আৰু ফেঁকুৰি ফেঁকুৰি কয়)

মইনাহঁত তেনেকুৱা কথা নক'বা। তোমালোকে এতিয়া ভাত-পানী খাই শুই থাকা। কাইলৈ ৰাতিপুৱাই উঠি পতাকা উত্তোলন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব লাগিব, কাইলৈ, কাইলৈ যে পোন্ধৰ আগষ্ট। আমাৰ দেশৰ স্বাধীনতা দিৱস।

**ৰিম্পী-ছিম্পী ঃ** নহয় আইতা, আজি আমি নোশোও, কেৱল দেশৰ কথাই শুনিম, কাইলৈৰ সেই দিনটোক আমি উজাগৰে স্বাগতম জনাম। কিজানিবা আমিও আকাশৰ তৰা হোৱাৰ সুযোগ লাভ কৰোঁৱেই বা।

(আইতাক আৰু ৰেণুৱে মইনাহঁত বুলি চিএৰি ৰিম্পী আৰু ছিম্পীক সাবটি ধৰে) লাহে লাহে মঞ্চ অন্ধকাৰ হয়।

(প্ৰত্যুষ মুহূৰ্ত, নেপথ্যত আগৰ দৃশ্যৰ অন্ধকাৰ হোৱাৰ পিছতে তেজৰে কমলাপতি শীৰ্ষক বৰগীতটো বাজি থাকে। কাহিলি-কাহিলি পোহৰ। ৰিম্পী-ছিম্পীয়ে নাচি 'ঘৰৰ চোতালত বনৰীয়া আমি বনৰীয়া চৰাই...' শীৰ্ষক গীতটো মুখেৰে গুণগুণাই মনৰ হেঁপাহত ঘৰৰ সন্মুখৰ বাগিচাত ফুল ছিঙে, আইতাকক টোপনিৰ পৰা উঠিবলৈ বিঙিয়াই মাতে, লগৰ বান্ধৱী নমিতা, গীতিমা, লতিকা আদিক চিএৰি চিএৰি ফুল ছিঙিবলৈ মাতে, পিন্ধনত স্কুলৰ ইউনিফৰ্ম। বান্ধৱীসকলে মঞ্চৰ অইন এটা দিশৰ পৰা নাচি নাচি জঁপিয়াই জঁপিয়াই প্ৰৱেশ কৰিব, সকলোৱে লগে-ভাগে ফুল ছিঙিব আৰু 'বনৰীয়া আমি' শীৰ্ষক গীতটোত অংশগ্ৰহণ কৰিব।

**ৰিম্পী ঃ** আইতা, অ' আইতা উঠা উঠা। আজি অত পৰে শুই থাকানে?

**ছিম্পী ঃ** মা, আইতা উঠা, আমি পতাকা উত্তোলনৰ কাৰ্যসূচীলৈ যাওঁ, আমাৰ ৰাজহুৱা খেল পথাৰত পতাকা উত্তোলন হ'ব।

**ৰিম্পী ঃ** অ' লতিকা, গীতিমা,নমিতা তহঁতে বেছিকৈ ফুল ছিঙ, হেলা নকৰিবি, বহুত ফুলৰ প্ৰয়োজন হ'ব। দেশৰ কাৰণে শ্বহীদ হোৱা আটাইবোৰ বীৰ-বীৰাঙ্গনাৰ প্ৰতিকৃতিত আমি মালা পিন্ধাব লাগিব।

(ফুল ছিঙা হোৱাৰ পিছত আটায়ে শাৰী পাতি এটাৰ মাৰ্চপাষ্টৰ আৰ্হিত সমদলৰ আখৰা কৰে আৰু মঞ্চৰ নেপথ্যত জ্যোতিপ্ৰসাদৰ 'গাঁৱৰ ল'ৰা, গাঁৱে গাঁৱে বস্তি জ্বলাই যাওঁ আমি' শীৰ্ষক গীতটো বাজে। লাহে লাহে বেলি উঠি আহে মঞ্চ সম্পূৰ্ণ পোহৰ হয়।)

**ৰিম্পী-ছিম্পী ঃ** মা, আইতা, উঠা উঠা বেলি হ'ল; আমাৰ যাবলৈ পলম হ'ল।

**মাক, আইতাক ঃ** (মঞ্চৰ অইনটো ফালেৰে চকু মোহাৰি মোহাৰি সোমাই আহে) ৰিম্পী, ছিম্পী মাজনীহঁত এই কাহিলি পুৱাই ইমান চিঞৰ বাখৰ কিয় কৰিছ, তোমালোকে গম পোৱা নাই- আজি কিছুমান সংগঠনে স্বাধীনতা দিৱসৰ কাৰ্যসূচী বৰ্জনৰ আহ্বান জনাইছে।

**ৰিম্পী ঃ** নহয় মা, আমি যামেই। আমি কাৰো বাধা নেমানো, তোমালোকে আমাক আনন্দেৰে যাবলৈ অনুমতি দিয়া। কিয়নো....

**মাক, আইতাক ঃ** কিয়নো ... তাৰ মানে কি ক'ব খুজিছ মাজনী?

**সকলোৱে সমস্বৰে ঃ** আইতা, স্বাধীনতা আমাৰ জন্ম স্বত্ব, আমাক অংশগ্ৰহণত কোনেও বাধা দিব নোৱাৰে।

**মাক ঃ** যা যা মইনাহঁত; তহঁতক আমি আশীৰ্বাদ কৰিছোঁ, তহঁতে দেশৰ নাম উজলাবি.... যা যা তহঁত দীৰ্ঘায়ু হ! (আৱহ সংগীত বাজি উঠে) তদুপৰি দেশৰ কাৰণে মৰিব পাৰিলেও...

**লতিকা, নমিতা, গীতিমা ঃ** ব'ল ব'ল, আমাৰ যাবলৈ হ'ল...।

**ৰিম্পী-ছিম্পী ঃ** মা... আইতা আমি যাওঁগৈ।

(আটায়ে মাক আৰু আইতাকক প্ৰণাম কৰে, পিৰালিত উঠি ঘৰৰ বেৰত আঁৰি থোৱা দেউতাক আৰু ককাকৰ ফটোখনত প্ৰণাম

B.H.B. College, Sarupeta

কৰে। আটায়ে ঘৰৰ পৰা ওলায়। আইতাক আৰু মাকে চকুৰে মনালৈ চাই থাকে আৰু ভিতৰলৈ সোমাই যায়।) মঞ্চ দৃশ্য শূন্য হৈ পৰে। মঞ্চৰ লাইট নুমাই যায়। পট পৰে)

## দ্বিতীয় দৃশ্য

(অলপ পিছত নেপথ্যত জ্যোতিপ্ৰসাদৰ "বিশ্ব বিজয় ন জোৱান'.... শীৰ্ষক গীতটো বাজি থাকে। পট উঠাৰ লগে লগে হাতে হাতে জাতীয় পতাকা লৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকল শাৰীপাতি মঞ্চলৈ সোমাই আহে। সমদল কৰি অহা ল'ৰা-ছোৱালীসকলে 'ভাৰত মাতাকী জয়, মহাত্মা গান্ধী কী জয়' ইত্যাদি শ্লোগন দি আহে; গীতৰ তালে তালে মঞ্চত সমদলটো পতাকা লৈ তিনি পাক ঘুৰোঁতে হঠাতে এটি প্ৰচণ্ড বিস্ফোৰণ হ'ল, ল'ৰা-ছোৱালীবোৰ উফৰি পৰে; চৌপাশে হুৰা-দুৰা লাগে। এটি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি হয়— পুলিচৰ হুইচেল আৰু চাইৰেণ বাজে; কিছুপৰ হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে অন্যান্যসকলৰ লগতে ৰিম্পীৰ মাক আৰু আইতাক আহি নিঠৰ হৈ থকা শিশুসকলক লক্ষ্য কৰে আৰু ৰিম্পী-ছিম্পীৰ মৃতদেহৰ ওপৰত চিংকাৰ কৰি বাগৰি পৰে; নেপথ্যত কৰুণ সুৰৰ ঐক্যতান বাজে, ক্ৰমে গভীৰৰ পৰা গভীৰতৰ হৈ পৰে। পট পৰে)

## তৃতীয় দৃশ্য

(নেপথ্যত কৰুণ সুৰ) কৰুণ সুৰৰ তালে তালে আমাৰে মইনা শুবরে, বাৰীত বগৰী ৰুবৰে' শীৰ্ষক গীতটো বাজি থাকে, ৰিম্পী-ছিম্পীৰ মাকে আউলি-বাউলি চুলিৰে মঞ্চলৈ সোমাই আহে, মাজে মাজে বেৰৰ প্ৰতিকৃতিবোৰলৈ চায়, মাজে মাজে আকাশলৈ ৰ লাগি চাই থাকে। মাজে মাজে ৰিম্পী-ছিম্পীৰ কানি-কাপোৰ লাৰি চায়, সাবটি লয়। মাজে মাজে হাঁহে, মাজে মাজে কান্দে, মাজে মাজে কিতাপ-পত্ৰ, পিন্ধা কাপোৰ-কানি খেলাৰ সামগ্ৰীবোৰকে কোলাত লৈ নিচুকায়। আইতাক সোমাই আহে; বোৱাৰীয়েকক বুজাবৰ চেষ্টা কৰে...।)

**আইতাক ঃ** বোৱাৰী আইজনী মোৰ, দুখ নকৰিবা; সিহঁত দেশৰ শ্বহীদ হ'ল, দেউতাক ককাকৰ পথকে বাছি ল'লে, আ... ভাগ্যৱতী। (মাকে নিৰুত্তৰ হৈ ৰয়, আকাশৰ পিনে ৰ' ... ৰয়)

**আইতাক ঃ** বোৱাৰী আমাৰ ৰিম্পী-ছিম্পী সৌৱা আকা... হৈ গ'ল, নিতৌ সন্ধিয়া সিহঁতক দেখিবলৈ পাবা।

**মাক ঃ** আই সঁচাই নে? সিহঁতক মাতক; সিহঁতে আ... একো খোৱা নাই; মই ভাত ৰান্ধি থৈছোঁ— বেচেৰীহঁতৰ ... লাগিছে সিহঁতে দেশৰ স্বাধীনতা দিবসলৈ গৈছে......

**আইতা ঃ** আহিব বোৱাৰী; সিহঁত মৃত্যুঞ্জয়ী বীৰ-বীৰাঙ্গনা... মৰিব নোৱাৰে; এই দেশৰ আকাশ বতাহ; নৈ-নিজৰা, গছ-... পাহাৰ-পৰ্বত, চৰাই-চিৰিকটি, পশু-পক্ষী সকলোৰে মাজত... আছে— সিহঁত মৰিও অমৰ....

**মাক ঃ** আই সঁচাই নে? সিহঁত আহিবনে? সিহঁত আহিব... অ' অ' সিহঁত আহিব; সিহঁত আহিব; সিহঁতে স্কুললৈ যাব; ... মানুহ হ'ব, দেশৰ কাম কৰিব, বঢ়িয়া হ'ব। নহয়নে আই, তদু...

**আইতা ঃ** তদুপৰি, তদুপৰি কি বোৱাৰী?

**মাক ঃ** তদুপৰি, তদুপৰি, সিহঁতে আপোনাৰ মুখত সাধু শু... সেই যে গান্ধী মহাৰাজৰ সাধু; দেশৰ স্বৰাজৰ সাধু।

(আইতাকে কান্দি দিয়ে, বোৱাৰীয়েকে পুনঃ 'আমাৰে ম... শুবৰে...' নিচুকনি গীত গায়। মঞ্চত ঐক্যতান বাদনৰ কৰুণ... ঘনীভূত হয়... বোৱাৰী বেশুৰে গীতৰ শেষত নীৰৱ-নিস্তব্ধ... একে থৰে আকাশৰ পিনে ৰ' লাগি চাই থাকে; আইত... 'বোৱাৰী' বুলি জোৰকৈ চিঞৰি বোৱাৰীয়েকক সাবটি ধৰে; ... আন্ধাৰ হয়।

নেপথ্যত এটি প্ৰতিবাদী মিচিল হোৱাৰ শব্দ শুনিবলৈ পা... যায়। প্ৰতিবাদীসকলে "আমাক মৃত্যু নালাগে", "জীৱন লা... হিংসা নালাগে, শান্তি লাগে", "সন্ত্ৰাসবাদ নিপাত যাওক", "আ... জীৱন সুৰক্ষিত কৰক", "শিশু হত্যাৰ বিচাৰ লাগে" — ইত্যা... শ্লোগান দিয়া শুনিবলৈ পোৱা যায়। লাহে লাহে পট পৰে।)

B.H.B. College, Sarupeta



কবিতা মানে নাৰীৰ দেহ নহয়
কবিতা মানে আগুন
কবিতা মানে মেহনতী মানুহৰ
চকুৰ প্ৰজ্জ্বলিত আগুন...


শীতৰ ৰাতি ।। কন্যাকুমাৰী দাস ।। ৭৭
তোমাৰ স্মৃতি ।। উত্তম গয়াৰী ।। ৭৭
এই খনেই মোৰ দেশ ।। মানবেন্দ্ৰ ডেকা ।। ৭৭
মোৰ কবিতা ।। মঞ্জুমণি দাস ।। ৭৮
শান্তি ।। কমী দাস ।। ৭৮
তোমাৰ ভাবনাই যেতিয়া মোক উন্মনা কৰে ।। সীমান্ত সাউদ।। ৭৮
আজি আমি যি বাট এৰি আহিছো ।। ডেভিদ তালুকদাৰ ।। ৭৯
প্ৰত্যাশাৰ ছবি ।। নীলাক্ষী দাস ।। ৭৯
নৱ যাত্ৰী আমি ।। মোঃ ছানিদুল বেগ।। ৮০
চিঠি ।। মিচ্ ভাগ্যশ্ৰী নাথ।। ৮০


# কবিতাৰ কবি ২

B.H.B. College, Sarupeta

## শীতৰ ৰাতি

কন্যাকুমাৰী দাস
স্নাতক দ্বিতীয় বৰ্ষ

সেমেকা সেমেকা যেন
এটি মধুৰ নিশা;
আবেগে কঁপাই তুলিছে
মোৰ উন্মনা হিয়া।
সৌৱা চোৱা
গছৰ সৈতে কুঁৱলীৰ নিবিড় আলিংগন
আৰু
মোৰ চৌদিশে নিসংগতা।
প্ৰকৃতিৰ চাকনৈয়াত পৰিও
শীতৰ ৰাতিটো ভাবাক্ৰান্ত হোৱা নাই,
সংগোপনে বিলাই গৈছে সি
কুঁৱলীসনা সপোনবোৰ
আৰু মাজে মাজে
দুই এজাক চেঁচা বতাহ
গছৰ প্ৰতিটো পাতে যেন
নিৰবে উপভোগ কৰিছে
কুঁৱলী আৰু নিশাৰ মিলন
আৰু মই
স্মৃতিৰ পাত লুটিয়াই
মগ্ন এক অনাবিল মাদকতাত
এতিয়া,
সংগোপনে শুই পৰিল
শীতৰ সেমেকা ৰাতিটো।।



## তোমাৰ স্মৃতি

উত্তম গয়াৰী
উঃ মাঃ প্ৰথম বৰ্ষ

নৈখন পাৰ হোৱা
ছৈ দিয়া নাওখন দেখিলে
মোৰ বুকুখনত বৈ বৈ বাজে
এটি অবুজ দুখৰ সুৰ।
নৈ পৰীয়া আইতলৈপাৰ
ফুলৰ পৰা এটি দুখে
বিভিয়াই মাতে মোক।
আইতৰ তলত তোমাৰ সুবাস।
বতাহতো ভাঁহি আহে
তোমাৰ হাঁহি টুকুৰা-টুকুৰাকৈ।
মই মাথোঁ বৈ বৈ শুনি যাওঁ সকলো।
চকুৰ পৰা দুখবোৰ
বৰষুণৰ পানী হৈ সৰে।
মই এতিয়া ঘূৰি ফুৰো অধৰী হৈ
কঢ়িয়াই লৈ বুকুত এবুকু জুই।
যাৰ কাৰণেই উত্তাপত
টুকি টুকি জ্বলে
বুকুৰ ভিতৰত গোপনে সাৰথিকৈ ৰৈ থকা
তোমাৰ স্মৃতিবোৰ।

## এই খনেই মোৰ দেশ

মানবেন্দ্ৰ ডেকা
স্নাতক প্ৰথম বৰ্ষ

এই খনেই মোৰ দেশ
বাতৰি কাকতত চকু ফুৰালে
চকু মোৰ কপালত উঠে।
বৰ বৰ আখৰৰ শিৰোনাম
বোমা বিস্ফোৰণত নিহত আহত, গুলীয়াই হত্যা
ইত্যাদি ইত্যাদি
এশ এবুৰি সমস্যাৰে জৰ্জৰিত
এই খনেই মোৰ দেশ।
দেশৰ শান্তিৰ হকে
ক'ত মাতৃৰ বুকু উদং হ'ল
কত শিশু পিতৃহাৰা হ'ল
কত শিশুৰ সোণালী শৈশৱ অকালত মৰহি গ'ল,
সমস্যাৰে সমাধান কিন্তু কোনোদিনেই নহ'ল।
হ'ব কেনেকৈ? কোনে কৰিব?
হত্যাই যদি দেশ প্ৰেম হয়
মানৱ যদি দানৱ হয়
মিছা যদি সঁচা হয় সঁচা যদি মিছা হয়
শাসক যদি শোষক হয়
শিয়াল যদি ৰজা হয়
তেনে নীলা শিয়ালৰ মাতত
আন্ধাৰ নিশাবোৰ আৰু বেছি জয়াল হ'ব।
এইখন মোৰ দেশ বুলি ক'বলৈকো
এদিন হ'য়তো
ভাষা মোৰ কণ্ঠতে লুকাব।

B.H.B. College, Sarupeta

## মোৰ কবিতা

মঞ্জুমণি দাস
প্ৰথম বাৰ্ষিক

মোৰ কবিতাৰ শব্দবোৰ
একেবাৰে ঠুনুকা
তুমি কিন্তু
চিঞৰি চিঞৰি নপঢ়িবা
ভাঙি চিৰা-চিৰ হ'ব।।

মোৰ কবিতাবোৰত
সুৰ নিদিবা
কোনোবা প্ৰেমিকৰ
গজল বুলি ক'ব।।

মোৰ কবিতাবোৰ
ফুচ-ফুচাই নপঢ়িবা
মোৰ হিয়াত
প্ৰতিধ্বনিত হ'ব।।

মোৰ কবিতাবোৰ
খোলা আকাশৰ তলত
মুঠেই নপঢ়িবা
আখৰবোৰ নেদেখা হ'বা।।

মোৰ কবিতাবোৰ
বতাহতো নপঢ়িবা
শব্দবোৰ উৰুৱাই নিব

মোৰ কবিতাবোৰ
আনে শুনাকৈ
তুমি নপঢ়িবা
প্ৰেমিক বুলি জোকাব।।

## তোমাৰ ভাবনাই যেতিয়া মোক উন্মনা কৰে

সীমান্ত সাউদ
উঃ মাঃ প্ৰথম বাৰ্ষিক

তোমাৰ কথা ভাবিলে
বাঁহীৰ মাতবোৰ কবিতা হৈ
বাজি উঠে মোৰ গহন বনত
হৃদয়ে গুঞ্জন তোলে

নৈ পাৰৰ সৰিয়হ ডৰা হালধীয়া হ'লে
বতাহতো মই শুনা যেন পাওঁ টোপনিতে
তোমাৰ ভৰিৰ নুপুৰৰ শব্দ
মোৰ গাত গজি উঠে তেতিয়া
প্ৰেমৰ কবিতাৰ সেউজীয়া শব্দ

খৰিকাজাঁই ফুলৰ সৌৰভত
মই বিভোৰ হৈ পৰো
তোমাৰ ভাবনাই যেতিয়া মোক উন্মনা কৰে
ফুলৰ পাহিয়ে পাহিয়ে
দেখো তোমাৰ ছবি

খৰিকাজাঁই ফুলৰ সৌৰভত
মই বিভোৰ হৈ পৰো
তোমাৰ ভাবনাই যেতিয়া
মোক উন্মনা কৰে

## শান্তি

ৰুমী দাস
উঃ মাঃ প্ৰথম বাৰ্ষিক

শীতৰ কুঁৱলী ফালি
ওলাই আহে ৰদালি
নিৰিবিলি সুগন্ধি পদূলিত
ভাল লাগে পখীৰ কিৰিলি
হত্যা, হিংসা, ধৰ্ষণ, অপহৰণ
একোকে নালাগে ভাল
নৱবৰ্ষই দিয়ক শান্তি
শান্তিহে চিৰ জ্যোতিষ্মান
নিবিছাৰো চকুলো
নিবিচাৰো ধ্বংস
একোটাই শক্তি হৃদয়ত লৈ প্ৰেম
আমি সকলো মিলি
কৰো ধৰণী ধুনীয়া...



B.H.B. College, Sarupeta

# আজি আমি যি বাট এৰি আহিছো

ডেভিদ তালুকদাৰ
স্নাতক প্ৰথম বৰ্ষ



আজি আমি যি বাট এৰি আহিছো,
সেই বাটেৰে এদিন দুয়ো গৈ আছিলো।
আজি যি সুৰে আমাক এৰি থৈ গুচি গৈছে
সেই সুৰে এদিন আমাৰ কাণবোৰ উপচি আছিল
নদীও এখন আছিল
এখন পাহাৰ
পাহাৰত এটা ভগ্ন মন্দিৰ
পুখুৰী এটা
এখন পাহাৰ
এখন পথাৰ
এখন আকাশ
পুখুৰীৰ জলতৰংগ মৌনতাবোৰে
মোক তোমাৰ শীৰ্ণ হাত দুখনলৈ লৈ গৈছিল
তোমাৰ বুকুলৈকে মোৰ হুমুনিয়াহবোৰ বিয়পিছিল।
আৰু খিল খিল এজাক বতাহে
মোৰ চুলিবোৰৰ তোমাৰ চুলিবোৰলৈ
নদী এখন বোৱাইছিল
জোনাকৰ।
আজি আমি যি বাট এৰি আহিছো
সেই বাটেৰে এদিন দুয়ো গৈ আছিলো
শ্মশান অথবা বধ্যভূমিলৈ
অহৰহ।
তোমাৰ শীৰ্ণ হাত দুখনে খেপিয়াইছিল
মোৰ মৌনতা
সেই মৌনতাৰ ৰাতি
মোক আৰু অধিক মৌন কৰি তুলিবলৈ
মোলৈ এবাটি চকুপানীৰ মদ
আগবঢ়াই দিছিল
এনেদৰে আমি মৃত্যু উপত্যকা এটা সাজিছিলো
বিষণ্ণ মৌনতা
চকুপানী আৰু এন্ধাৰৰ মাজত
আৰু চকুপানী যে দেখা নাযায় এন্ধাৰত
সেয়ে আজি আমি সেই বাটটো এৰি আহিছো।

# প্ৰত্যাশাৰ ছবি

নীলাক্ষী দাস

দিন-ৰাতিৰ পাৰ্থক্য পাহৰি
আনন্দৰ অপাৰ মধুৰতাৰে
হৃদয়ৰ নিভৃত কোণত
সাঁচি থৈছো,
সেউজীয়া প্ৰত্যাশা।
কিণকিণীয়া এজাক তেজৰ বৰষুণৰ
প্ৰবাহমান চিৰন্তন গতি,
নিৰিবিলি আকাশৰ
নীলিমতাত লীন হৈ যায়।
তেজাল বেলিৰ সোণালী প্ৰখৰত
সংগোপনে বৈ যায়
দুখৰ অনন্ত নদী;
ভাঙি যায়
সঞ্চিত সমস্ত সেউজীয়া।
পাহৰণিৰ দৰে স্মৃতিময়
প্ৰত্যাশাৰ দীপ্ত শিখাক,
আঁকোৱালি লয়,
জোনাকৰ দলিচাই।

B.H.B. College, Sarupeta

# নৱ যাত্ৰী আমি

**মোঃ ছানিদুল বেগ**
**উঃ মাঃ প্ৰথম বাৰ্ষিক**

নৱ পথৰ নৱ যাত্ৰী আমি
নতেজৰ ন- আবিস্কাৰী
এক অসীম শক্তিৰ চিৰ অধিকাৰী
অহিংসা প্ৰেম আমাৰ চিৰলগৰী
নৱ পথৰ নৱ যাত্ৰী আমি।
আমি আঁতৰাম সমাজৰ কু-সংস্কাৰ
বজাই যাম স্বাধীনতাৰ সংগ্ৰাম।
জনাম প্ৰণাম ভকত, মহাত্মাক
উজলাম পবিত্ৰ ভাৰত ভূমিৰ নাম
সত্য সু-কৰ্ম প্ৰতিষ্ঠাকাৰী আমি
কু-কৰ্মৰ অনিষ্টকাৰী আমি
নৱ পথৰ নৱ যাত্ৰী আমি
সেৱা কৰো মাতৃৰ দুখনি চৰণ
আমি জনাওঁ সত্যক স্বাগতম
আমাৰ ধৰ্ম- 'সত্যম শিৱম সুন্দৰম'
হিন্দু মুছলমান বুলি নাৰাখো ভেদাভেদ সমূলি,
মিলি- উৰুৱাও বিজয় পতাকা আমি
অসম মাতৃৰ সকলোৰে মিলি
নৱ পথৰ নৱ যাত্ৰী আমি।




সকলোৰে লিখাৰ দৰে শেষত নিলিখো
আজিলৈ সামৰো বুলি,
কাৰণ মোৰ চিঠিৰ আৰম্ভণি আৰু সামৰণি
মই নিজেই নাজানো...

# চি

**মিচ্ ভাগ্যশ্ৰী**
**স্নাতক তৃতীয়**

এদিন তোমালে লিখিম
এখন্তেক মনটোক শান্তি
যদিওবা নাপাওঁ তোমাৰ পৰা
তোমালে লিখিম
প্ৰথমে নিলিখো মৰম ল'ৱ
মৰমবোৰ যে বুজি নোপোৱা
নিলিখো তাৰিখ বা
কাৰণ দিব যে নেৱাৰিম
তথাপি তোমালে লিখিম
বিৱৰি নকওঁ মোৰ উকা দিনবোৰৰ
সেমেকা ৰাতিবোৰেও যে আহি
তুমি জানা... বৰষুণ মোৰ ভাল
বৰষুণে মোৰ মনটো
বৰষুণৰ নিশা গভীৰ
নাহিলা কিয় শীতল
মোৰ মনটোকে সান্ত্বনা
এদিন তোমালে লিখিম
সকলোৰে লিখাৰ দৰে শেষত
আজিলৈ সামৰো
কাৰণ মোৰ চিঠিৰ আৰম্ভণি আৰু
মই নিজেই
নুসুধো আমনি দিলো নেকি
কাৰণ মোৰ পৰা আমনি পাবলৈ
তোমাৰ ওচৰত
তথাপি এদিন তোমালে লিখিম
এখন্তেক মনটোক শান্তি

B.H.B. College, Sarupeta




# Bodo & English Section


बर' आरो असमिया रावनि रुजुथायारि सावरायथाय ॥ Ananda Lahary ॥ 83

नोंखौल ॥ ऋषिकेश गायारी ॥ 84

उखैनाय ॥ श्रीज्योतिष बर' ॥ 84

Entrepreneurship as a key Agent of Economic Development of Assam ॥ Dr. Gayatri Medhi ॥ 86

AGE CANNOT WITHER HER... ॥ Dr. C. Densingh ॥ 89

Global Financial Crisis : The Genesis and Repenseusions on India ॥ Baban Bayan ॥ 91


B.H.B. College, Sarupeta

# बर' आरो असमिया रावनि रुजुथायारि सावरायथाय

**Ananda Lahary**
**Lect. Bodo. Deptt.**

बर' आरो असमिया मोननैबो सुबुं फोलेरनि मानसिफोरा थि खाथि थाज्लायनानै रायजो जाबोनाय राव। गोबां बोसोर कांनिफ्रायनो बे राव फोलेर मोननैनि सुबुंफोरा मोनसे ओनसोल बा जायगायावनो थानानै रायजो जाबोदों। बिब्दि ज'ज' जाजाय बोलायनायनि जाहोनावनो मोनसेया मोनसेनि सायाव गोहोम ग्लैदों राव, हारिमु, थुनलाइ बायदि बिथिङाव। नाथाय बर' आरो असमिया राव मोननैया मोनसे राव फोलेरनिनो राव नङा। मोननैबो रावानो गुबुन गुबुन राव फोलेरनिफ्राय जोनोम जानाय राव। बर' रावा जादों Sino-Tibetan राव फोलोरनि Tibet-Burman दालायनि Assam Burmese हानजानि सिङाव थानाय Bodo-Naga फोलेरनि मोनसे राव। गुबुन फारसे असमिया रावा जादों Indo-European राव फोलेरनि Indo-Aryan हानजानि मोनसे राव। बे बिथिंनिफ्राय नायोब्ला नुनो मोनो मोननैबो रावहानो गावबा गावनि आंगो माखासे आखुथायफोर थागोन। बर', कच, कछारी, चुतिया बायदि बायदि हारिया हायेनावनो थाना आय रावारिनि गोहोमाव गोग्लैनानै, माखासेया हिन्दु घोरोमखौ गोबाना लादोंमोन। बिनि जाहोनाव बर' आरो असमिया रावनि गेजेराव गोबां सोदोंबनि सोलाय सोल' जादोंमोन। बर' आरो असमिया रावनि गेजेराव माखासै बिथिङाव गोरोबनाय दङोब्लाबो माखासे बिथिङाव गोरोबैयो दं। बे राव मोननैनि गेजेरावं गोरोबनाय आरो गोरोबै थुकोखौ एसेबांदि सावरायनो हायो।

बर' रावजों थुनलाइनि जोनोमा जागायजेनदोंमोन 1919 इं माइथायाव दाबानाय बर' सात्र सनमिलननि खुगा लाइसि 'बिबार' नुजानाय माइथाइनिफ्राय। बे लाइसिनि गेजेरजोंसो बर' राव थुनलाइ फेहेरनाय हाबाबलिया जागायो। नाथाय असमिया रावनि थुनलाया बै समसिम बर' रावनिखौ रुजुनायाव गोबां जौगाखां महर लाबायमोन। बर' आरो असमिया मोननैबो रावानो खुगा थुनलाइ एबा सुबुं थुनलाइनि बिथिङाव जोबोद थोनि।

बर' रावहा गासै मोन 6 गारां हांखोफोर दं। जायहांखोफोरखौ बर' रावनि गुबै हांखो महरै बाहायनाय जायो। बेफोर हांखोफोरा जादों/इ, उ, ओ, ए, अ, आ/ गुबुन फारसे असमिया रावहा गासै 8 गारां हांखोफोर दं। बेफोर जादों/ i, u, e, o, e̲, a, o̲/ बर' आरो असमिया रावनि गारां हांखोनि बिथिङाव गोरोबलायैया जादों बर' रावाव बाहायनाय/ ओ/ हांखोखौ असमिया रावाव बाहायनाय नुनो मोना। मोननैबो रावनि गारां हांखोनि बिथिङाव गोरोबलाइनायखौबो नुनो मोनो। जैरै-मोननैबो रावनि गारां हांखोफोरा गारां गोनां (Voiced) आरो Vocalic एबा खुगाजों रिखां होजानाय। बर' रावाव बिखाव गारां हांखो (Semi-vowel) फोरखौ लाफानानै गासै मोन 16 खौरां हांखोफोर दं। बेफोर हांखोफोर जादों/ फ थ ख ब द ग म न ङ स ज ह र ल व य/ गुबुन फारसे असमिया रावाव गासै मोन 23 खौरां हांखोफोर दङ। बेफोर जादों /ph bh th dh kh gh p b t d k g m n j s z x h r l w j/गारां हाखो बादिनो खौरां हांखोनि बिथिङावबो बर' आरो असमिया रावनि गेजेराव गाखासै गोरोबलायनाय नुनो मोनो।

बर' रावनि मोनसे आलादा गख'जाथाव आशुवा जादों देंखो एबा सुर। बर' रावबा मोनसे देंखो एबा सुर गोनां राव। बर' रावहा देंखो एबा सुर थानाय बादिनो असमिया रावहाबो मोनसे गरां नारसिन बोलो (stress) बाहायनाय खान्थि दं। बे मोननै आखुनि गेजेराव गोरोबलायैया जादों असमिया रावनि गारां नारसिन बोलोआ बर' रावनि देंखो एबा सुरनिखुइ गोनांथिया खम। बिदिन्थि बादियै असमिया रावनि सोदोबाव stress आसरासनम्रायै नैथि रिसार खोन्दोयाव गोग्लैथो। नाथाय खामरुप ओनसोलनि असमिया रावाव stress आ सेथि रिसार खोन्दोयावसो गोग्लैयो। जैरै korisil (Upper Assam) Karisil (Kamrup) । बर' रावनि थाखाय थि देंखो एबा सुर दंखासो। बेफोर जादों -

राव बिगियाननि बादिब्ला बर' आरो असमिया मोननैबो रावावनो आथोन (Gender) आ गोननै रोखोमनि दं - जोला आथोन आरो जो आथोन। मोननैबो रावावनो जोला आथोन दिन्थिग्रा आरो जो आथोन दिन्थिग्रा सोगोब दं। जैरै बर' रावाव जोला आथोन दिन्थिनो थाखाय हौवा, बुन्दा, फान्था, दावला बायदि



B.H.B. College, Sarupeta

सोदोब आरो जो आथोन दिन्थिनो हिन्जाव, बुन्दि, फानथि, दावजो बायदि बायदि सोदोब बाहायनाय जायो। बेबादिनो असमिया रावाव जोला दिन्थिनो 'मता' आरो जो आथोन दिन्थिनो 'माइकि' सोदोबखौ बाहायनाय जायो। मोननैबो रावावनो मोनथाय राहाजों आथोन सोलायनो हायो। बे राहाफोरा जादों –

(a) थि सोदोब बाहायनानै। जैरै -

| **जोला आथोन** | **जो आथोन** |
|---|---|
| बर' - हौवा मानसि | हिनजाव मानसि |
| असमिया - मता मानुह | माइकि मानुह |

(b) उलथा आथोन दिन्थिग्रा सोदोब बाहायनानै। जैरै

| **जोला आथोन** | **जो आथोन** | |
|---|---|---|
| बर' | आफा | आइ |
| असमिया | कखा | आइता |

(c) जो आथोन दाजाबदा दाजाबनानै। असमिया रावाव माखासे जो आथोन दाजावदाफोर दङ। बेफोर जादों -- इ, नि, अनि, रि बायदि बायदि।

| जैरै | जोला आथोन | जो आथोन |
|---|---|---|
| | ग्रिहस्थ | ग्रिहस्थनि |
| | हिन्दु | हिन्दुअनि |

बर' रावाव नाथाय बेबादि जो आथोन दाजाबदाफोर गैय॥ अब्लाबो बर' रावाव माखासे अराय जो आथोन दिन्थिग्रा दाजावदाफोर दं। बेफोर जादों स्रि, थि, रि बायदि बायदि। जैरै- सनास्रि, दाबाथि, अनारि बायदि बायदि।

बर' आरो असमिया मोननैबो रावावनो सानराय मोननै रोखोमनि दं। बेफोर जादों से सानराय आरो बां सानराय। बां सानराय दिन्थिनो थाखाय - बर, बिलाक, हत, मका बायदि दाजाबदाफोरखौ असमिया रावाव बाहायनाय जायो। गुबुन फारसे फोर, मोन, माखा, बायदि दाजाबदाफोरखौ बां सानराय दिन्थिनो थाखाय बर' रावाव बाहायनाय जायो। मोननैबो रावावनो बां सानराय दिन्थिनो थाखाय बैफोर जादाबदाफोरखौ बाहायनाय जायो। बर' आरो असमिया मोननैबो रावावनो मोनथाम रोखोमनि सुंबुं दिन्थिग्रा मुंरायफोर दं। बेफोर जादों गिबि सुबुंसाय (First person) गेजेर सुबुंसाय (Second person) आरो उजेर सुबुंसाय (Third person)। नाथाय बर' रावहा असमिया रावाव थानाय बादि मान दिन्थिग्रा मुंराफोर नुनो मोना। बिदिन्था बिमावा मोननैबो रावावनो मोनथाय रोखोमनि दं। बेफोर जादों - जापु बिदिन्था (Present Tense), जाखां बिदिन्था (Past Tense) आरो इयुन बिदिन्था (Future Tense)। बर' आरो असमिया मोननैबो रावावनो जाफु आरो जाखां बिदिन्थाखौ मोनथाम मोनथाम बाहागोयाव बाहागो खालामबावनाय जादों। इयुन बिदिन्थायाव नाथाय मोननैबो रावावनो जेबो बाहागो गैया। माखासे बिदिन्था दाजाबदा (Tense suffix) फोरखौबो मोननैबो रावावनो बाहायनाय नुनो मोनो।

'बर' आरो असमिया मोननैबो रावावनो मावरिजाय बेखेवफा दाजाबदाफोर दं। बे दाजाबदाफोरा बिमुं (noun), मुंसय (pronoun), थायलालि (adjective) आरो अनजिमा (numreal) फोरनि उनावबो जयो। माखासे अनजिमाफोरखौ थि दिन्थिग्रा महरै मोननैबो रावावनो बाहायनाय जायो। गोजाम रावखान्थिनि बादिब्ला बाथ्रा (sentence) खौ गोरलै (simple), बांबा (complex) आरो गलायमोनदेर (compound) बाहागोयाव बाहागो खालामनो हायो। नाथाय बाथ्रानि दाथायखौ नायनानै बर' आरो असमिया मोननैबो रावावनो बाथ्राखौ गोरलै आरो बांबा मोननै बाहागोयावल' बाहागो खालामनाय जादों। सोदोब बाखिनि बिथिङाव मोननैबो रावानो जोबोद गोनां होननानै बुंजायो। मोननैबो रावहानो बिमा रावनि सोदोब आरो दाहार लानाय सोदोबफोर दं।

गोजौनि बिजिरनायनिफ्राय मोनदाङो मोननैबो रावनि आखुथायफोरा गोबां बिथिङाव गोरोबलायनाय दं। नाथाय अब्लाबो जोनोमजों लोगोसे फैफाखानाय माखानो आंगो आखुफोरा थाखायो होननाय बादिनो बर' आरो असमिया राव मोननैहाबो आंगो आखुथायफोर दं। जाय आखुथायफोरा बर' राव आरो असमिया राव महरै सिनायथि होबोदों। मोननैबो रावानो आथिखालाव आसामजों लोगोसे सा-सानजा रायजोफोरनि माखासे ओनसोलाव बाहायजानाय राव। नाथाय बर' रावा असमिया रावजों रुजुनाय खम बिबांनि बाहायजानाय राव। थेवब्लाबो बर' रावाबो लोनो राव नंलिया। बे रावाबो आथिखालाव भारत संबिजिरनि ८ सिं फारियाव थिसनजानाय राव। बे रावजोंबो आथिखालाव मुलुग सोलोंसालिनि दिग्रि लानो हानाय जाबाय। बे रावनि थुनलाइ सोरजिनानै साहित्य एकाडेमि बान्था मोननायनि खावु दंसै।❖

B.H.B. College, Sarupeta

## नोंखौल

**ऋषिकेश गायारी**
**T.D.C. III Year**

आंनि थेर बेथेर जालांनाय जिउखौ
गोदानै सुजुनो होननानै
नोंखैल' हास्थायदों,
आंनि लाथिख' जालांनाय जिउखौ
गोदानै सुजुनो होननानै
नोंखौनो अनसायदों।
हमदां हागोन होननाया
माथो आनज्राय लांखो।
आंबो समाय लाबाय नोंखौलं
गोजां मोनगोन होननानै,
नथाय दाबोनो जाफुं जोबाखै
गोसोनिफ्राय दाबोनो थाङाखै
बेवबो बे दुखुथिया जिउआ
मानोबा नोंनि अननाय लुबैयो
अरायबो नोंखौल' मोननो लुबैयो।



## उखैनाय

**श्रीज्योतिष बर'**
**T.D.C. 1st Year**

बे फैलाव मुलुगाव -
दं सोस्बाहाखि उखैनाय ?
दं सोरबाहाखि गांनाय लुंबैनाय ? ?
मुलुग साथिफबनाय
लैथो-लैथोमाहाखि दंजानों
गांनाय लुबैनाय ?
बैसोमुथिखौ सौ फ्लंलांनाय
हिमालय हाजो-हाजोमाहाखि
दंजानो उखैनाय ?
दंजानो बिहाखि गांनाय-लुबैनाय ?
मुलुग मिथिंगा बिखानि
जिब-जुनार मानसि-दुनसि,
बिफां-लायफां, दावमा-दावसा फोरहाखि
दंजानो उखैनाय ?

दंजानो बिसोरहाखि गांनाय-लुबैनाय ?
दं ....
बयहाबो दं उखैनाय
बयहाबो दं गांनाय-लुबैनाय...।
रावनिबो गांनाय उखैनायखौ
रावबोराव मिथिस'आ,
नोंनिखौ आं मिथिया, आंनिखौ नों।
नाथाय...
सोस्बाहाखि रावनि गांनाय-उखैनायखौ
सुफुंजोबनो हादोंना ?
हायाखै रावबो हायाखै...।
लैथो-लैथोमायाबो हा मुलुगखौ
लोमसाव जोबनो हायाखै,
बैसोमुथिखौ सौफ्लंलांनाय
हिमालय हाजो-हाजोमायाबो
अखां मुलुगखौ सौफ्लंजोबनो हायखौ...।
रावबो राव गावगावनि
गांनाय लुबैनायखौ सुफुंजोबनो हाजोबा,
मुलुगनि गोहोगोरा जोहोलाव
जोहोलाव जोफोरनाव सोंनानाय,
बिसोरनि गांनाय-उखैनायां माबायदि,
राबन, नेपलियन, हितलार,
कनकलता, मेनास, सिता, मोननाव।
बिसोरनि गांनाय उखैनायखौ
मुलुग जारि मिना दावो खिन्थायो...।
दं बयहाबो उखैनाय,बयहाबो गांनाय-लुबैनाय,
नाथाय, रावबो राव गाव गावनि
गांनाय-उखैनायखौ सुफुंजोबनो हाया॥

B H B College, Sarupeta

# Entrepreneurship

## as a key Agent of Economic Development of Assam

**Dr. Gayatri Medhi, Lecturer, Economics Deptt.**

In the new era of privatisation, liberalisation and globalisation, entrepreneurship is regarded as one of the most important indicators of economic development of most of the developing economies like India. In recent time, development of entrepreneurship has become a serious area of study .It is considered to be a panacea for creating wealth, generating employment and providing new varieties of goods and services for various section of the people around the globe.

The spirit of enterprise makes a man entrepreneur, and such a spirit transformed him from an ordinary cattle rearere to a settled agriculturist, to a famous businessman and to a recognized industrialist .In fact entrepreneurs are the person who initiate, organize manage and control any field of business sector or productive activity with maximum degree of efficiency. They challenge assumption recognize opportunities in period of change, reveal patterns where others see chaos and mobilize scarce resources to achieve their desired objectives. These special sections of their people have their own attitude of achieving knowledge, own way of thinking and also the capacity of generating new ideas for proper and efficient utilization of scarce resources of the nation's economy. The entrepreneurs have very little to do with money only. It goes beyond simply starting a company or a business.

It is a well-accepted phenomenon that the whole change and development of the modern civilization to a large extent is the result of trade, commerce and industrialisation. In this process of transformation and development, the human resource in general and entrepreneurs in particular can play a pivotal role. There is a growing realisation that both quantity and quality of entrepreneurs are of utmost significance for achieving the goal of ecanmic development. Active and enthusiastic enterpreneurs can fully exploit the potentialities of a country's available resources, like labour, capital, available raw materials, natural resourses, technology etc. and in this process they cane pave the way of economic development and growth.

Today, the basic nature of the Indian economy in general and Assam economy in particular, is changing in a significant manner along with the drastic change of nature of the world economy. The new economy is not about institution, but it is about people, the old economy was treating people as input, but the new changed economy starts to treat the people as the driving force, the creators of wealth, the

B.H.B. College, Sarupeta

innovators of products and services etc, The exiting gigantic organisation, large scale institution, big labour union etc, are now –a-days treated as old fashion. Under such a changed circumstances, if the big organisations and institutions are encouraged to exist and continue their business operations, their importance will gradually be diluted .The only driving force for the new economy is the small and medium enterprise creator, i.e., the new breed entrepreneurs. They have the ability and efficiency to spot and seize the opportunities surrounded to them. They have a gift for leadership. They have also the capacity to bounce back from any set backs and they see the failures just one step on the path to ultimate success of their goals*.

Emerson had rightly argued, that "Nothing great was ever achieved without enthusiasm." the specific quality of entrepreneurs is that they are ever enthusiastic. They have over confidence, on their business. This spirit of enthusiasm, confidence and courage takes the entrepreneur's away ahead of unprecedented economic crisis that we are facing till date. As crisis and opportunity are the two sides of the same coin, entrepreneurs can take a creative role under such a grave circumstances to overcome the crisis and seize the opportunity by creating new jobs and raising the volume of wealth.

The latest world Bank Report , 2009, ("Doing Business in India",2009) states that it is easier to start and operate business in India than it was three years ago . The report talks 17(seventeen)cities in India and Guwahati is one of them, where it is easier to start a business . India's Finance Minister Pranab Mukherjee also expressed optimism on Foreign Direct Investment in India in his recent budget speech (2009). In fact, the Indian economy in general and Assam economy in particular continues to be in the throes of momentous change that is the progressive reduction of barriers to capital flows and international trade, the spread of market based economies in the key sectors, exciting possibilities brought up by transformative technologies etc. These changes have opened up many opportunities to entrepreneurs and accelerated the process of wealth creation.

It need not to mention here that the changed globilisation process has also touched the small-scale industries of India as well as of Assam to a large extent. The small scale industries have their capabilities for gearing up quickly to meet emerging challenges in the global economy through constant innovation and adoption of cutting-edge technology to provide superior customer solutions. In Assam, the small scale industrial sector covers a wide spectrum of industries, categorized under small, tiny and cottage segments ranging from artisans/ handicraft units of production to modern production units with significant investments. This specific industrial sector has acquired a prominent place in the socio-economic development of the state as, it not only acts as a nursery for the development of entrepreneurial talent, but also produces a wide range of products of various qualities. Besides, these small scale industrial units are playing a vital role in augmenting the process of industrialisation of Assam and helped the state economy to keep parity with the new transformation process of the world economy to some extent. By the end of 2006-07, there are about 27,913 small scale industrial units in Assam and are providing employment to about 13,1,099 persons of various categories. As

B.H.B. College, Sarupeta

entrepreneurship is the capacity to perceive environment to identify opportunities, to mobilize resources to execute projects of more specifically the small scale industrial units of an economy, it is only the development of entrepreneurship that can help the state economy to over come the existing economic crisis and pave the way for accelerated rate of growth.

At present, the business world around the globe is in such a situation where there is uncertainty, electronic high ways like the internet, which is giving chance to small entrepreneurs to compete with large and multinational companies on a more level playing field. At this era of rapid change, it is no more possible to forecast prices, costs of production and interest rates as the changes are more frequent in the global market place. Therefore, today's entrepreneurs are transfering to be that section of special category of people who are not risk takers, but also are flexible, dynamic and have the capability to generate required change to adjust with changing preference of the masses. Besides, the entrepreneurs can generate large scale employment with relatively low capital investment, promote more balance regional development, equitable distribution of income, make use of untapped capital, natural and human resources and finally it also urge to take risk in the face of uncertainties and instabilities . In fact, entrepreneurship development implies development of small scale industries and it has a significant role in the economic development indirectly and directly as it can generate employment opportunities to engage educated unemployed youths of backward states like Assam.

Though there is an ample scale of development of entrepreneurship in small scale industrial sector of Assam, yet the reality will depend on how effectively we seize the various opportunities. Besides, the state government has to face various challenges in order to uplift the small scale industrial sector and to create an environment for successful entrepreneurship. The major challenges that lies ahead of the state government is to find out the most up to date and effective strategy for utilizing the materials, human resources, technological and social resources of the state economy in a most rapid, efficient and organized manner. Again, a totally new industrial policy is to be implemented by the state government in the most effective way where the main component to be included is adequate capital assistance, power subsidies, need based training assistance, up-to date technical assistance etc. More and above, for up grading the entrepreneurship as a key agent of economic development of Assam in real sense of the term, an industrial friendly environment is to be developed gradually through a combined effort of Government, financial industries, non-govt. organizations academicians, the general people etc......

B.H.B. College, Sarupeta

### *Notes and References :*


1) NEC (June 1990)- Evaluation study of Entrepreneurship Development Programmes.
2) IIE (2000)- Promoting New Entrepreneurs.
3) Mali, D.D. and Bondopadhyay, D. (1993)- Small Industry Development in North East.
4) G.P Prasain, Editor, (2006) – Entrepreneurship and Small Scale Industries.
5) Mali, D.D (2001) – A case for Entrepreneurship Education, Journal of the NEC, Shillong, Vol.21, No.1, Jan-March.
6) Desai, Vasant, (2004)- Dynamics of Entrepreneurial Development and Management.

# AGE CANNOT WITHER HER...

**Dr. C. Densingh**
**Senior Lecturer in English**

Ageing is a process that is difficult to tinker with. However, constant efforts are being made to arrest ageing.

How far it will be successful is another matter.

For the optimists, there is good news- the breakthrough is just round the corner.

We are still quite in the dark as to what will happen when mortality is done away with.

As is always with new scientific findings, it has advantages with its own downside to grapple with.

Age cannot wither her nor custom stale her infinite variety...

The Bard may ascertain in no uncertain terms the insatiable exquisiteness of Cleopatera's beauty. If might be a mere emotional outburst of an inspired poet because there is none to say for sure that Cleopatera remained sought after as in days of her youth even after age had caught up with her.

Ageing brings about innumerable changes both external and internal. Some grow old gracefully and some don't. Some become senile, childlike and irritable. Some truth sentimental and some stubborn and unyielding like Rakesh's father in one of Anita Desai's short stories. The antics of the old father get an elaborate treatment in the short story.

In some cases, their very own infirmities achieve what their strength and youthful strength could not.

Rajan, from the days of his childhood, was a problem-creator.

His father, Chinnaswamy, could not stand the faults and failures of his son.

Appreciative of his son's merits though he was, he turned a virtual tiger in aggression when he found his son off the track.

Rajan faltered on his first day at school. He tore his classmate's shirt with an old blade.

On receiving the complaint about what his son had done at school, Chinnaswamy beat his son black and blue.

Mark it; there were no tears from Rajan's eyes. He was unrepentant.

When he went to college, he was reported to be bunking off regular classes to go to the cinema.

Rajan was caught when he was at it.

Chinnaswamy virtually tore him to pieces. Rajan stood still; no tears and no sign of regret.

Rajan was soon at his antics. He was spotted courting a young girl next door.

Chinnaswamy could not stand romance of any kind. He made his son learn a lesson the hard way.

B.H.B. College, Sarupeta

And yet, no tears.

Rajan was now a married man well settled in life. He had his own children now going to school.

Chinnaswamy had a plot of land lying close to the village pond. It was held in reverence as it was a piece of ancestral property.

There was a financial crisis in the family. Rajan, without consulting his father, decided to sell it to tide over the problem.

When the news of his son daring to sell the ancestral property reached him, Chinnaswamy was simply shattered.

He called his son straight to his room.

Rajan entered the room posthaste.

Chinnaswamy was simmering with anger.

He did not ask his son for explanation.

He slapped him first and went on beating him with his bare hands. It lasted for a good five minutes.

Rajan stood still as long as his father beat him.

Suddenly a change occurred. Tears welled up in Rajan's eyes and rolled down his cheeks. Yes, Rajan wept!

Chinnaswamy was surprised. He had never seen his son weeping when he beat him.

A day after the proposal to sell the land was dropped, Chinnaswamy asked his son:

*My son, What is wrong with you? I have beaten you many a time since your childhood. You never used to cry. Yesterday you cried your eyes out? What went wrong?*

*Dad, whenever you beat me in the past, it was painful. You were strong and healthy. Yesterday when you beat me, I suffered no pain. I remembered your old age and your loss of strength. It made me cry!*◀

The poetry of one age does not satisfy the next age,
but each new generation (while appreciating the old poetry)
demands poems which more peculiarly and specially express
its own poblems and aspirations.

(Christopher Caudwell)

B.H.B. College, Sarupeta

# Global Financial Crisis :
## The Genesis and Repensseusions on India

**Baban Bayan M A (Eco)**
**Ex-- Student**

The global financial crisis brewing for a while really started to show its effects in the middle of 2008. Around the world the stock markets have fallen, large financial institutions have collapsed or been bought out and governments in even wealthiest nations have had to come up with rescual package to bail out their financial system. On the one hand many people are concerned that those responsible for the financial problems are the ones being build out; while on the other hand, a global financial melt down will affect the livelihoods of almost everyone in an increasingly interconnected world. The problem could have been avoided if ideo logues supporting the current economic models weren't so vocal, influential and inconsiderate of others viewpoint and concerns.

A collapse of the vs sub-prime mortgage market and the reversal of the housing boom in other Industrial economics have had a ripple effect around the world furthermore, other weaknesses in the global financial system have surfaced some financial products and instrument have become so complex and twisted that as things start to unravel, trust extent of this problem has been so severe that some of the world's largest financial institution (Lehman Brothers, Menill Linch, Morgan Stanly AIG ect) have collapsed. Freddie Mac and Fannic Mac, two leading participant in the vs secondary mortgage market were affected by housing market down turn and credit crunch that began in 2007, eventual the two were placed into conservatorship (nationalized) on Sept. 7, 2008. Lehman Brothers one of the investment banks had to face liquidation after huge losses in the mortgage market. The government bailed out American International Group (AIG) at a cost of about 85 billion, the world's largest insurer. AIG became vulnerable because of intricate financial contracts, known as credit derivatives, which insured debt-holders against default. They are fashioned privately and sometimes beyond ken of regulators

**The Genesis :—** The heart of the crisis lies in the reckless ness of the banking system of vs that started giving loans to sub-prime borrowers (Those borrowers who have no capacity or track record of payment of loans from their incomes) in the belief that the real estate boom that had doubled home prices in the vs would allow people with even dodgy credit background to repay the loans being taken to buy or build homes.

Being faced the problem by the vs economy, the federal reserve reacted by raising the interest rates. The bank rates which had gone to the level of 1% were raised to more than 5% within a span of 18 months. This led to slowdown in the real estate prices and people stopped paying their loan installment. Since most of the loans were granted to the extent of

B.H.B. College, Sarupeta

100 percent of the cost of the property, borrowers started handing over the assets to the banks which led to cumulative fall in the prices. This became a vicious circle and suddenly the real estate prices went down so drastically that the banks were left with lost of real estate for which there were no buyers. Now this situation would probably have caused losses for the banks which had given loan on mass scales and they would have gone bankrupt. But here came the real adverse impact of liberalization and integration of world financial markets. The banks which had given loans had issued the bonds against their loans had issued the bonds against their loans which were purchased by a number of investment banks and other banks world over. The correct figure of losses made on account of such sub-prime loans is yet not available as a large number of banks have not yet provided for losses in the balance sheet in the hope that will be able to sell the properties with then. Still the losses which have been written off by various banks and other investor have crossed 600 billion.

Thereafter the problem of sub-prime losses led to the bigger problem of credit crisis though Lehman Brothers and Morgan stanley had enough of the capital with them but all of them were blocked by the assets for which there were no buyers. They required a lot of capital to pay off debts but due to lack of confidence in the market, they failed to attain support from other institution. The out come is that they collapsed.

**Repercussions on India :—** When a giant tree fails, it has the backwash spread effect all around. Financial crisis on for Indian corroborates and the subsidiaries of Lehmsn Brothers and Merill linch in Indian. Due to direct exposure, MTM loss of about Rs 309 crores Besides, some state owned banks had exposure in the instrument of these troubled vs financial institutions to the tune of Rs 234 crore. Among the public sector banks, SBI has an exposure of 5 million to Lehman through one of its foreign offices.

How the losses made in bad assets affect the good assets is known from the domino effect. Suppose lehman faces redemption and has to repay another bank it has borrowed from. If it sells the mortgage backed bonds whose price have fallen, it will not raise much as was earlier expected. So it tells some of the good assets or bonds which may have nothing to do with mortgages. But since the bank start dumping these assets, prices of these bonds also dip. This is when the crises is spreads from sub prime to prime. This led to heavy off loading of Indian stock by these foregn investors and consequent fall of Indian capital markets.


The financil turmoil is also expected to result in job losses. Investment bankers who could until a year ago choose their jobs are now being rendered unemployed Bonuses which were paid in stock are now worth nearly 70 percent less than what they were. This will affect the overall job market in financil sector in India.

**Concluding Remarks :—** To stop banks from going over board, capital requirements may have to be raised for derivatives position. Moreover, the accounting treatment in case of derivatives needs to be revised so that the balance sheet reflects true position of the exposure of a company in such derivatives. But all this may be easier said than done. This is going to be difficult as finance is the brain of the economy. For all its excesses, it allocates resources to where they are productive better than as central planner ever could.

***Courtesy to :***

1. *WWW pratiyogitakiran. com.(nov,2008)*
2. *WWW. crs com. (Nov,2008)*
3. *WWW. competition refresher. com (Nov,2008)*
4. *http:\\ google. com*
5. *The Economic Times, (oct 28, 2008)*

B.H.B. College Sarupeta




অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'সৃষ্টি'



মহাবিদ্যালয়ৰ কম্পিউটাৰ
বিভাগত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী




অসমীয়া বিভাগৰ সংগ্ৰহালয়



নিৰ্মীয়মান অৱস্থাত
মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ

B.H.B. College, Sarupeta

ৰ আন্তৰিক
কা হিচাপে
ই সকললৈ

নয়ৰ ছাত্ৰ-
হয়। ছাত্ৰী
া-ধেমালি
চলোবোৰ
অসম্পূৰ্ণ
তুলনাত
দ্যালয়ত
ঃপৰতহে
। ভাবে।
ীসকলে
কৰিছো
ৰ পাৰে
হয়।
নমিতা
ৰ বাবে
ৰিছো।
য মোৰ
মন্দিৰ
বেদনৰ

নী দাস
াদিকা
০ চন




B.H.B. College Sarupeta



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই যি সকল মহান ব্যক্তিৰ অশেষ প্ৰচেষ্টা আৰু ত্যাগৰ ফলত বি এইচ্ বি মহাবিদ্যালয়খন গঢ় লৈ উঠিছে সেই সকল ব্যক্তিৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। বি এইচ্ বি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনত যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে সাধাৰণ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰিলে তাৰ বাবে সেই সকললৈ মই মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

প্ৰকৃতিৰ মনোমহা পৰিৱেশৰ লগত স্থাপিত জ্ঞানৰ জ্যোতি বিলাই দিয়া এই ঐতিহ্যমণ্ডিত মহান অনুষ্ঠানটোলৈ সেৱা আগবঢ়াবলৈ পোৱাটোও এক গৌৰব তথা সৌভাগ্যৰ বিষয় প্ৰথম বাৰৰ বাবে এই পবিত্ৰ জ্ঞানৰ মন্দিৰটোৰ সেৱা আগবঢ়াবলৈ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে অতি গুৰুত্বপূৰ্ণ আসনত মোক নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰকৃতজ্ঞ

আমাৰ কাৰ্যকালৰ আৰম্ভণিতে আমাৰ মহাবিদ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক ভবেন্দ্ৰ তালুকদাৰ অকাল আৰু আকস্মিক বিয়োগত আমি বি এইচ্ বি মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গত মিলিত হৈ বিদেহী আত্মাৰ চিৰ শান্তিৰ বাবে গভীৰ শোক প্ৰকাশ কৰি ভগৱানৰ ওচৰত নীৰবে প্ৰাৰ্থনা জনাওঁ আৰু শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰোঁ

আমাৰ কাৰ্যকালত জুলাই আগষ্ট মাহত সমগ্ৰ অসমত প্ৰচণ্ড বানপানী হয়— বিশেষকৈ বৰপেটা জিলাৰ উক্ত বানপানীয়ে গুৰুত্বপূৰ্ণ অনিষ্ট সাধন কৰে। এনেকুৱা সময়ত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীৰ সৈতে মিলিত হৈ ছাত্ৰ-ছাত্ৰী সকলৰ ঘৰে ঘৰে গৈ সিহঁতৰ কিছু পৰিমাণে আশ্বাস কিছু পৰিমাণে মনোবল বৃদ্ধি কৰি আহিছোঁ।

আমাৰ বিদ্যালয়খনত প্ৰতি বছৰে বিভিন্ন উন্নয়নমূলক কাম কাজ কৰি থকা হয়। যাৰ ফলত আজি আমি আমাৰ মহাবিদ্যালয় খনক লৈ মূৰ দাঙি গৌৰৱেৰে কব পাৰো যে আমি বি এইচ্ বি মবাবিদ্যালয়ৰ ছাত্ৰ। আমাৰ কাৰ্যকালতো মহাবিদ্যালয়খনত বিভিন্ন উন্নয়নমূলক কাম-কাজ কৰা হৈছিল। ইয়াৰ ভিতৰত মহাবিদ্যালয়ৰ তোৰণ নিৰ্মাণ তোৰণৰ পৰা শ্ৰেণী কোঠা আৰু কাৰ্যালয়লৈ যোৱা পথ দুটি পকী কৰা হৈছিল। মহাবিদ্যালয়ৰ শোভা বৰ্দ্ধনৰ বাবে ফুলৰ বাগিছা পতা হয়, ছাত্ৰ একতা সভা, পতাকা উত্তোলন কৰা কংক্ৰিটৰ ষ্টেণ্ড, শৌচাগাৰ আদি নিৰ্মাণ কৰা হয়। প্ৰতিটো বিভাগতে সুকীয়া কোঠালীৰ সুবিধা কৰি দিয়া হয় আমাৰ সময় ছেৱাতে ছাত্ৰ একতা সভাৰ প্ৰতিজন ব্যক্তিকে বেজ প্ৰদান কৰা হয়। তদুপৰি আমাৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ স্থায়ী প্ৰেক্ষা গৃহ ছাত্ৰী আবাস আদিৰ কাম প্ৰায় সম্পূৰ্ণ হোৱা পথত।

মহাবিদ্যালয় এখনে পূৰ্ণাঙ্গ ৰূপ পাবলৈ হ'লে মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীসকলে কোনো ধৰণৰ সমস্যা বা অভাৱৰ সন্মুখীন হ'ব নালাগে। এই খিনিতে এইটোও স্বীকাৰ্য যে অভাৱ সমস্যা কেতিয়াও শেষ নহয়। তথাপিও কিছুমান মৌলিক সমস্যা আমাৰ দৃষ্টিগোচৰ হৈছিল তাৰ ভিতৰত অন্যতম আছিল এটা সুকীয়া ৰিডিং ৰুম কেইটামান শ্ৰেণী কোঠা, পুথিভঁড়ালত কিতাপৰ যোগান, খেলৰ সামগ্ৰী আদি। উক্ত সমস্যা সমূহ অতি সোনকালে দূৰ কৰিবৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষৰ ওচৰত মই অনুৰোধ জনালোঁ। আমাৰ কাৰ্যকালৰ আগে আগে এটা অত্যাধুনিক ব্যায়ামগাৰ মহাবিদ্যালয়ত সংস্থাপিত হয়।

বিগত বছৰৰ দৰে এইবাৰো আমি নবাগত ছাত্ৰ-ছাত্ৰীক আকোৱালী লবলৈ দুদিনীয়া কাৰ্যক্ৰমনিকাৰে ক্ৰমে নবাগত আদৰণি সভা মুকলি চ'ৰা আৰু সাংস্কৃতি অনুস্থান আয়োজন কৰা হয়। উক্ত নবাগত আদৰণি সভাত মহাবিদ্যালয়ৰ কৃতি ছাত্ৰ-ছাত্ৰীক সকলক পুৰস্কাৰ আৰু যোগ্যতাৰ প্ৰমাণ পত্ৰ দিয়া হয়। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰীক বিকাশৰ প্ৰতি গুৰুত্ব দি উলহ-মালহেৰে আয়োজন কৰা হয় মহাবিদ্যালয় সপ্তাহ। এই সাদিনীয়া কাৰ্যসূচীত আমি পোন প্ৰথম বাৰৰ বাবে কিছুমান প্ৰতিযোগিতা যেনে মেণ্টেল এবিলিটি টেষ্ট, খীচাগীত, বাস্কেটবল খেল আদি অনুষ্ঠিত কৰো। সাধাৰণ সম্পাদকৰ তৰফৰ পৰা পোন প্ৰথম বাৰৰ বাবে মহাবিদ্যালয় সপ্তাহ সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰোঁ। চূড়ান্ত পৰীক্ষাৰ আগমুহূৰ্তত সমূহ পৰীক্ষাৰ্থীক মহাবিদ্যালয়ৰ পৰম্পৰা। অক্ষুণ্ণ ৰাখি শুভেচ্ছা জ্ঞাপনাৰ্থে শুভেচ্ছামূলক সভা অনুষ্ঠিত কৰো। প্ৰতিবছৰে হৈ থকা শ্ৰীমন্ত শংকৰ দেৱৰ তিৰোভাব তিথি, মাধৱদেৱৰ তিথি, ফাতেহা ই দোৱাজ দহম, স্বাধীনতা দিবস আৰু সৰস্বতী পূজা এই আটাই কেইটা উৎসৱ শৃংখলাবদ্ধভাৱে অনুষ্ঠিত কৰা হয়। সৰস্বতী পূজাৰ উপদেষ্টা হিচাপে প্ৰদান কৰা দায়িত্ব শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী সকলৰ পূৰ্ণ সহযোগীতাত সু-শৃংখভাৱে সম্পাদন কৰা হয়।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালৰ সময়ত প্ৰতিটো ক্ষণতে সু-দিহা পৰামৰ্শ সহায় সহযোগিতা আগবঢ়োৱা মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়, মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষা গুৰু সকল, কৰ্মচাৰীবৃন্দক মই মোৰ ফালৰ পৰা শ্ৰদ্ধা সহকাৰে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত অনিচ্ছাকৃত ভুলৰ বাবে মাৰ্জনা বিচাৰি এই শিক্ষাৰ সাধনা ক্ষেত্ৰত বি এইচ্ বি মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু বি এইচ্ বি মহাবিদ্যালয়
ধন্যবাদ সহকাৰে
মনোৰঞ্জন তালুকদাৰ

B.H.B. College, Sarupeta



# আলোচনী সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল সতীৰ্থ তথা বি এইচ বি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগিতাৰ কথা কৃতজ্ঞতাৰে সুঁৱৰিছো যিসকলে মোক বি এইচ বি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ এটাৰ দায়িত্ব লোৱাৰ সুযোগ দিলে তথা মোৰ প্ৰতিটো পদক্ষেপতে সহায়ৰ হাত আগবঢ়োলে

বি এইচ বি এখন গ্ৰামাঞ্চলত স্থাপিত কলেজ। বিভিন্ন সুবিধা অসুবিধা আছে। তাৰ মাজতেই বিভিন্ন সাহিত্যনুষ্ঠান পতা হৈছিল। কিন্তু এটি অতি গুৰুত্বপূৰ্ণ ক্ষেত্ৰত আমি সতৰ্ক নজৰ দিয়াৰ প্ৰয়োজন আহি পৰিছে। মহাবিদ্যালয় সপ্তাহৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অনীহা। আলোচনী বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি উৎসাহজনক আছিল। মোৰ কাৰ্যকলাপৰ প্ৰধান কৰ্মসূচী মহাবিদ্যালয় সপ্তাহত মুঠ ৬টা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো।

আমাৰ কাৰ্যকালত তথা আমাৰ সম্পাদনাত নৱাগতসকলৰ আদৰণি জনোৱাৰ উদ্দেশ্যে 'সোপান' নামৰ প্ৰাচীৰ প্ৰত্ৰিকাখন প্ৰকাশ কৰা হয়।

এই সময়ছোৱাতেই গোটেই অসমৰ লগতে সৰুপেটাৰ দাতিকাঁষৰীয়া অঞ্চলবোৰো বানে ব্যাপকভাৱে বিধ্বস্ত কৰে। ছাত্ৰ একতা সভাৰ তৰফৰপৰা আমি ৬ জন প্ৰতিনিধিয়ে বানবিধ্বস্ত শিক্ষাৰ্থীসকলৰ অঞ্চললৈ যাওঁ।

মোৰ গোটেই কাৰ্যকালছোৱাতেই বিভিন্ন ঘটনা পৰিঘটনাৰ সন্মুখীন হওঁ। বিভিন্ন ভুল-ভ্ৰান্তি হয়। কৰিম বুলি ভবা বহু কামেই কৰিব নোৱাৰিলো। তথাপি মোক সুচাৰুৰূপে কাৰ্যভাৰ চলাই নিয়ত তথা আলোচনীখন প্ৰকাশ কৰাত যিসকলে সহায়-সহযোগিতা তথা উপদেশ পৰামৰ্শ দিলে তেনে প্ৰতিজন ব্যক্তিলৈ মই প্ৰকাশ কৰিছো মোৰ আন্তৰিক কৃতজ্ঞতা তথা শ্ৰদ্ধা। মোৰো প্ৰতিটো দিশতেই সহায়ৰ হাত আগবঢ়োৱা শ্ৰদ্ধাৰ ব্যক্তিসকল, সতীৰ্থ, ভাইটি-ভণ্টিসকল তথা শুভাকাংক্ষীসকলৰ ওচৰত মই চিৰঋণী।

### ফলাফল

| | | |
|---|---|---|
| শ্ৰেষ্ঠ সাহিত্যিক | ঃ | নীলাক্ষী দাস। |
| গল্প প্ৰতিযোগিতা | ঃ | নীলাক্ষী দাস। |
| কবিতা প্ৰতিযোগিতা | ঃ | ১ ম ভাগ্যশ্ৰী নাথ। |
| | | ২ য় নিপুন দাস। |
| প্ৰবন্ধ প্ৰতিযোগিতা | ঃ | ১ ম ডেইজী পাঠক। |
| | | ২ য় নীলাক্ষী দাস। |
| এটা বাক্যৰ গল্প | ঃ | কন্যাকুমাৰী দাস। |
| | | নীলাক্ষী চৌধুৰী। |
| প্ৰেমপত্ৰ প্ৰতিযোগিতা | ঃ | নীলাক্ষী দাস। |
| | | ভাগ্যশ্ৰী নাথ। |

ধন্যবাদেৰে—
মিতালী দাস

B.H.B. College, Sarupeta

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন





পোন প্ৰথমে মোক ছাত্ৰ একতা সভালৈ নিৰ্বাচিত কৰি পঠোৱা বি এইচ্ বি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

বি এইচ্ বি মহাবিদ্যালয়ৰদৰে এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে কাৰ্যভাৰ লৈ সাংস্কৃতিক ক্ষেত্ৰখন পৰ্যবেক্ষণ কৰি প্ৰথমতে বিচলিত হৈ পৰিছিলোঁ। কাৰণ অন্য মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশতো একেবাৰেই পিছপৰা একেবাৰেই দুৰ্বল।

আমাৰ মহাবিদ্যালয়তখন গ্ৰামাঞ্চলৰ, কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা নোহোৱা নহয় কিন্তু উপযুক্ত চৰ্চা আৰু প্লেটফৰ্মৰ অভাৱত বহু পিছ পৰি আছে। এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ে যিমানখিনি পৰ্যাপ্ত পৰিমাণৰ ছাত্ৰ-ছাত্ৰীক সুবিধা দিব লাগিছিল কিন্তু দিব পৰা নাই। সাংস্কৃতিক বিভাগত যিমান পৰিমানৰ ধন এবছৰত জমা হয় সেই ধনেৰে কোনো ধৰণৰ বাদ্য-যন্ত্ৰ কিনি ছাত্ৰ-ছাত্ৰীক সাংস্কৃতিক দিশত আগবঢ়াৰ এটা দিশ দিব নোৱাৰি। মাথো বছৰৰ প্ৰথমত নবাগত আদৰণি সভা আৰু সপ্তাহ উপলক্ষে দুদিনমান সংগীত নৃত্যঅভিনয়ৰ চৰ্চা কৰিয়ে এজন শিল্পীৰ আত্ম প্ৰকাশ ঘটিব নোৱাৰে। তাৰ বাবে অবিৰত চৰ্চাৰ প্ৰয়োজন। কিন্তু দুখৰ বিষয় আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ সেই চৰ্চাৰ কোনো দিশ দেখিবলৈ পোৱা নাযায় দুই একৰ বাহিৰে।

সেয়েহে মই মোৰ কাৰ্যকালত প্ৰথমছোৱাত সাংস্কৃতিকৰ দায়িত্ব থকা ৰাতুল ছাৰে আৰু পিছৰ সময়ছোৱাত প্ৰবোধ ছাৰৰ পৰা বিভিন্ন দিশত পৰ্যালোচনা কৰিছিলো আৰু মোক দুয়োজন শিক্ষা গুৰুৱে এই ক্ষেত্ৰত বহুখিনি সহায় আৰু পৰামৰ্শ দান কৰিছিল সেয়েহে এই চেগতে তেওঁলোককো ধন্যবাদওঁ সেৱা জনালোঁ।

মোৰ কাৰ্যকালত নবাগত আদৰণি সভা উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ সমবেত সংগীত কবিতা আবৃত্তি আদি ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি পৰিবেশৰ সুবিধা দিয়াৰ ওপৰিও প্ৰায় এসপ্তাহ চৰ্চাৰ বাবে দিন নিৰ্ধাৰণ কৰা হৈছিল। তাৰ পিছত মাজে সময়ে মহাবিদ্যালয়ৰ যিকোনো অনুষ্ঠান পৰিবেশন কৰাত গুৰুত্ব আৰোপ কৰা হৈছিল। মহাবিদ্যালয়ৰ সপ্তাহত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সংগীত নৃত্য অভিনয় আদি বিভিন্ন দিশত প্ৰতিযোগিত অনুষ্ঠিত কৰা হৈছিল। কিন্তু মোৰ আশা আছিল যে মহাবিদ্যালয়ত সৰুকৈ হ'লেও এটি সাংস্কৃতিক গৃহ আৰু চৰ্চা কৰাৰ কিছু সামগ্ৰী কৰি থৈ যোৱা কিন্তু মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত আলোচনা কৰাৰ পিছতো এয়া সম্ভৱ হৈ নুঠিল। আশা হৈয়ে ৰ'ল। আশা ৰাখিছো পৰৱৰ্তী সময়ত এই অভাৱখিনি পুৰ হ'ব। এই আশা লৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক আৰু সৰ্বত্ৰ উন্নতি কামনা কৰি পুনৰাই মোৰ কাৰ্যকালত সহায় কৰা ছাত্ৰ-ছাত্ৰী শিক্ষক কৰ্মচাৰীলৈ শ্ৰদ্ধা নিবেদিছো।

ধন্যবাদেৰে—
মিঠুন শৰ্মা

B.H.B. College Sarupeta



# তৰ্ক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বি. এইচ্. বি. মহাবিদ্যালয়ৰ সমূহ সভ্যলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। লগতে ধন্যবাদ জ্ঞাপন কৰিলো সেইসকল ছাত্ৰ-ছাত্ৰীক, যিসকলে ২০০৭-০৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত মোক বি.এইচ্. বি মহাবিদ্যালয়ৰ তৰ্ক বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি এনে এটি গুৰু দায়িত্ব পালনৰ সুযোগ দিলে।

বৰ্তমান সময়ছোৱা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মুঠেই আশানুৰূপ নহয়। বিভিন্ন কাৰকে সততে আমাৰ দৰে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা গ্ৰহণ কৰা শিক্ষানুষ্ঠানসমূহত ক্ৰিয়া কৰাৰ ফলশ্ৰুতিত ছাত্ৰ-ছাত্ৰীসকলে চৰম অনিশ্চয়তাৰ গ্ৰাসত পৰিব লগা হৈছে। যি হাৰত শিক্ষাৰ মাচুল বৃদ্ধি পাইছে, তাৰ পৰিপ্ৰেক্ষিতত দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চশিক্ষাৰ গ্ৰহণ কৰাটোও অতি কঠিন হৈ পৰিছে। এনে এক সময়তে মই এই মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিলো।

মোৰ কাৰ্যকালৰ চমু খতিয়ান এই ছেগতে আপোনালোকক জনাব বিচাৰিছো। মোৰ কাৰ্যকালত হোৱা মহাবিদ্যালয় সপ্তাহৰ তৰ্ক বিভাগৰ প্ৰতিযোগিতা চলাই নিবলৈ সক্ষম হৈছিলো যদিও দুৰ্ভাগ্যৰ বিষয় যে আমাৰ মহাবিদ্যালয়ত অসংখ্য মেধাৱী ছাত্ৰ-ছাত্ৰী থকা সত্বেও মই বহুত চেষ্টা কৰিও প্ৰতিযোগীৰ অভাৱত তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰিব নোৱাৰিলো। আনহাতে যিকেইখন প্ৰতিযোগিতা মই অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো তাতো প্ৰতিযোগীৰ সংখ্যা আশানুৰূপ নাছিল।

আমাৰ মহাবিদ্যালয়ত বহুতো সমস্যা আছে। মহাবিদ্যালয়ত যি মহাবিদ্যালয় সপ্তাহ হয়, তাত অংশগ্ৰহণ কৰা প্ৰতিযোগীৰ মান নিম্নখাপৰ আৰু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যাও সেৰেণ্ডা। খেল-ধেমালিত অংশগ্ৰহণৰ ক্ষেত্ৰতো আমাৰ ছাত্ৰ-ছাত্ৰীসকল উৎসাহিত নহয়।

সেয়ে মোৰ বিভাগৰ বাবে নিৰ্দ্ধাৰিত কাৰ্যসূচীসমূহক মই ফলপ্ৰসূভাৱে ৰূপায়ণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিলো যদিও মই সম্পূৰ্ণ সফল হ'ব নোৱাৰিলো।

বৰ্তমান পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলসকলো দিশত সচেতন হোৱাৰ লগতে নিজৰ কৰ্তব্য সমূহক দায়িত্বসহকাৰে পালন কৰি সমাজৰ দায়িত্ব পালন কৰাৰ সময় সমাগত।

শেষত বিভিন্ন দিশত মোৰ দায়িত্ব পালনত সহায় কৰা ব্যক্তিসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে মই ধন্যবাদ জ্ঞাপন কৰিলো মোক বিশেষভাৱে সহায় কৰা দীপা, লীনা, মিতালী বা, কবিতা, ৰুমী, সুচিত্ৰা, মিথুন, দীপালী, দৰ্শন, ৰাকেশ, দীপ, কৰিস্মীতা আৰু কৌশিকলৈ।

জয়তু বি. এইচ্, বি মহাবিদ্যালয়

ডেইজী পাঠক

B.H.B. College Sarupeta

**প্ৰাক্কথন ঃ** মানৱ সভ্যতাৰ বিকাশত ক্ৰীড়াৰ গুৰুত্ব অপৰিসীম। এই গুৰুত্ব অনুভৱ কৰিছিলো তেতিয়া যেতিয়া মই গুৰু খেল-বিভাগত নিৰ্বাচিত হৈছিলো। এই ছেগতে মোক বি. এইচ্. বি. মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ গুৰু খেল-বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচন কৰাৰ বাবে সংশ্লিষ্ট সকলোকে ধন্যবাদ জনাইছো।

**ক্ৰীড়া পৰিৱেশ আৰু বি.এইচ্. বি মহাবিদ্যালয় ঃ** মোৰ কাৰ্যকালত (২০০৬-০৭) মহাবিদ্যালয় সপ্তাহত ক্ৰিকেট, ফুটবল, দৌৰ আদি বিভিন্ন খেল অনুষ্ঠিত হৈ যায়। অৱশ্যে কিছুমান খেলৰ প্ৰতিযোগীৰ সংখ্যা যথেষ্ট কম আছিল। মই ভাবো যে ক্ৰীড়াৰ পৰিৱেশ বি.এইচ্.বি. মহাবিদ্যালয়ত চালুকীয়া অৱস্থাতে আছে। এই অৱস্থাৰ উন্নতি হ'ব বুলি আশা কৰিছো। মোৰ কাৰ্যকালত শিক্ষক-ছাত্ৰৰ মাজত এখন প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত হৈ যায়।

**সামৰণিৰ অনুভৱ ঃ** প্ৰাচীন কালত গ্ৰীক আৰু ৰোমানসকলে শৰীৰ চৰ্চাৰ ওপৰত গুৰুত্ব দিছিল। শাৰীৰিক উৎকৰ্ষক মানসিক উত্তৰণৰ দ্যোতক বুলি তেওঁলোকে বিশ্বাস কৰিছিল। এই অন্তঃ কৰণেৰে বিশ্বাস কৰো যে বি.এইচ্. বি. মহাবিদ্যালয়ৰ ক্ৰীড়াৰ পৰিৱেশ গঢ়ি উঠক।


শেষত মোক বিভিন্নধৰণে সহায়-সহযোগিতা আগবঢ়োৱা কুলদীপ, ৰাতুল, বিদিপ, মিতালী, ধৰ্মেন্দ্ৰ, অনামিকা, সঞ্জীৱ, লাচিতক ধন্যবাদ জনাইছো আৰু অজানিতে হোৱা ভুলৰ বাবে মই ক্ষমাপ্ৰাৰ্থী।

"জয়তু বি. এইচ্. বি. মহাবিদ্যালয় ছাত্ৰ-একতা সভা"

বিনীত

গুণজিৎ পাটগিৰী

B.H.B. College, Sarupeta



# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে মই বি এইচ্ বি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সমন্বিতে কৰ্মচাৰীবৃন্দ, সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। বি এইচ বি মহাবিদ্যালয়ৰ সুস্থ শৈক্ষিক পৰিবেশত শিক্ষাগ্ৰহণ কৰিবলৈ পাই আৰু লগতে ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগৰ কাৰ্যভাৰ লবলৈ পাই মই গৌৰাবান্বিত অনুভৱ কৰিছো। মোৰ কাৰ্যকালত সীমিত সমৰ্থৰে মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী মহাবিদ্যালয়ৰ সু-শৈক্ষিক পৰিবেশ আৰু বন্ধুত্বসুলভ পৰিবেশৰ সফল ৰূপায়নত মই চেষ্টা কৰিছো।

বিগত বছৰৰ দৰেই মোৰ কাৰ্যকালতো মহাবিদ্যালয়ৰ অনুষ্ঠানবোৰ সূচাৰুৰূপে পৰিচালিত হয়। মোৰ কাৰ্যকালৰ এটি উল্লেখনীয় অনুষ্ঠান 'মহাবিদ্যালয় সপ্তাহ'। ছাৰ বাইদেউ সকলৰ উচিত দিহা পৰামৰ্শ, ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহজনকভাৱে খেলসমূহ অংশ গ্ৰহণ আৰু বন্ধু-বান্ধৱীৰ সহযোগিতাই মোৰ বিভাগৰ খেলসমূহ নিয়াৰিকৈ চলাই নিয়াত সহায় হৈছে। ইয়াৰ ভিতৰত মোৰ শ্ৰদ্ধাৰ মৃণাল দত্ত ছাৰৰ উচিত পৰামৰ্শ আৰু মোৰ বন্ধু-বান্ধৱী দীপ, কংকন, মুন, কিশোৰ, ধৃতিমান, পিংকু, নিলভ, লুনা, হৰ্ষ, মিঠুন, জিন্তু, হেমন্ত, মিতালী, লীনা মনি, ডেইজীহতৰ সহযোগিতা তথা অক্লান্ত সেৱাৰ কথা মোৰ স্মৃতিৰ পটত সদায় ভাহি থাকিব।

সদৌশেষত বি এইচ বি মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

'জয়তু বি এইচ বি মহাবিদ্যালয়'

মৃণাল দাস

ছাত্ৰ একতা সভা।

B.H.B. College, Sarupeta



# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদন মুকলি কৰাৰ আগমুহূৰ্তত যিসকল শ্বহিদে আগুবাই আহি নিজৰ ৰঙা তেজেৰে অসম মাতৃভূমি ৰঙীণ কৰি থৈ গৈছে সেই মহান শ্বহীদ আৰু এই মহাবিদ্যালয়ত যিসকল ব্যক্তিয়ে স্ব-জাতিৰ স্বাৰ্থ আৰু সৰ্বাঙ্গীন উন্নতিৰ বাবে হাঁহিমুখে প্ৰাণ বিসৰ্জন দিছিল তেওঁলোককৈ মোৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন ও শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে ২০০৭-০৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ 'সমাজ-সেৱা' বিভাগৰ সম্পাদক হিচাপে মনোনীত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০০৭-০৮ ইং চনৰ ছাত্ৰ-একতা সভাৰ 'সমাজসেৱা' বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰি মই কিমান কাম-কাজ তথা সফলতা লাভ কৰিছো সেইখিনি বিচাৰ কৰাৰ ভাৰ আপোনালোককৈ এৰিলো।

সমাজসেৱা বিভাগৰ তত্বাৱধায়ক মাননীয় শ্ৰীযুত অশ্বিনী মেধি ছাৰে মোৰ কাৰ্যকালত বিভিন্ন দিশত নানা ধৰণৰ সহায় আগবঢ়োৱাৰ বাবে মই তেওঁৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো। যিসকল বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্যকালত পাতনিৰ পৰা ইতিলৈ মোক সহায় কৰি আহিছে তেওঁলোক যথাক্ৰমে— মানৱ, কংকণ, মৃদুল, প্ৰাঞ্জল, নৱ, সঞ্জীৱ, প্ৰশান্ত, কিশোৰ, মিলি, সংগীতা, পুৰবী আদি বন্ধু-বান্ধৱীসকলৰ ওচৰত মই কৃতজ্ঞ।


যিসকল ছাত্ৰ-ছাত্ৰীয়ে 'মহাবিদ্যালয় সপ্তাহ' ৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠতা লাভ কৰিছে সেই প্ৰতিযোগীসকলক 'বঁটা বিতৰণ' কৰা হৈছে। তেওঁলোকৰ উত্তৰোত্তৰ উন্নতি কামনা কৰো।

সদৌ শেষত সকলোকে মই কওঁ যে অজানিতে কৰা ভুল-ত্ৰুটিক ভুল বুলি ক'ব পৰা নাযায় যদিও মই অজানিতে কৰা ভুলৰ বাবে ক্ষমা খোজাৰ ক্ষেত্ৰত কৃপণালি নকৰি আটাইৰে ওচৰত ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু বি. এইচ্. বি মহাবিদ্যালয় ছাত্ৰ-একতা সভা"

ধন্যবাদেৰে
ধীৰাজ ঠাকুৰীয়া

B.H.B. College, Sarupeta



# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে মই পোনতে যি সকল ব্যক্তিৰ অশেষ চেষ্টা আৰু ত্যাগৰ ফলত বি এইচ্ বি মহাবিদ্যালয়ে পূৰ্ণাংগ ৰূপ ল'লে সেই মহান ব্যক্তি সকললৈ আৰু যিসকল ব্যক্তিয়ে বি এইচ্ বি মহাবিদ্যালয়ৰ উন্নতি হকে এতিয়াও নিঃস্বাৰ্থভাৱে কাম কৰি আছে সেই সকল ব্যক্তিলৈ মোৰ আন্তৰিক ভক্তি শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মোৰ কাৰ্যকালত মই কিমান কৃতকাৰ্যতা বা সফলতা লাভ কৰিছোঁ সেয়া বিচাৰ কৰিবলৈ আপোনলোকলৈ এৰিলো। ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰি মই এটা কথাই গম পালো যে অতি কম সংখ্যক ছাত্ৰই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। মই সমূহ ছাত্ৰ-ছাত্ৰীলৈ অনুৰোধ জনাওঁ যাতে আগলৈ খেল সমূহত নিষ্ঠা আৰু একাগ্ৰতাৰে তেওঁলোক অংশ গ্ৰহণ কৰে। বৰ্তমান যুগত খেলৰ প্ৰতিযোগিতা সমূহে বিশেষ স্থান লাভ কৰিছে। গতিকে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক শাৰীৰিক, মানসিক বিকাশৰ বাবে সুবিধা দিয়াটো অতি প্ৰয়োজন। অৱশ্যে আমাৰ মহাবিদ্যালয়ত অতি কম অনুদানেৰে সিমানখিনি সুবিধা দিয়াটো সম্ভৱ নহয়। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিশেষ অসুবিধা সন্মুখীন হৈ আছিছে। গতিকে মই এই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক ওচৰত অনুৰোধ জনাইছো যাতে এই অসুবিধাখিনি দূৰ কৰাৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ব্যৱস্থা হাতত লয়।

শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধনৰ বাবে খেল-ধেমালি শিক্ষাৰ এটি অবিচ্ছেদ্য অংশ বুলি নিঃসন্দেহে ক'ব পাৰি। গতিকে খেলৰ গুৰুত্ব উপলব্ধি কৰি ছাত্ৰ-ছাত্ৰী সকলে যাতে সকলোবোৰ প্ৰতিযোগিতাত পৰিদৰ্শিতা দেখুৱাই মহাবিদ্যালয় দেশ তথা জাতিৰ ভৱিষ্যতে সুনাম কঢ়িয়াই আনিব পাৰে তাৰ বাবে আহ্বান জনালোঁ।

বিভাগীয় সম্পাদক হিচাপে আমি উপলব্ধি কৰিছো যে ছাত্ৰ জিৰণি কোঠাটো ছাত্ৰ অনুপাতে বৰ সৰু। ইয়াৰ উপৰি কোঠাটো ওপৰত চিলিঙৰ ব্যৱস্থা নোহোৱা হেতুকে গৰমৰ দিনকেইটাত তাত জিৰণি লবলৈ ছাত্ৰ বন্ধু সকলৰ বৰ কষ্ট হয় সেয়ে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক কোঠাটোৰ উন্নতি কৰিবলৈ অনুৰোধ জনালোঁ। মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় কৰা শ্ৰীযুত মদন [illegible] চাৰৰ লগতে বি এই বি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ ধন্যবাদ যাচিলোঁ। তাৰোপৰি মোৰ কাৰ্যকালত বিশেষভাৱে উপদেশ দিয়া সাধাৰণ সম্পাদক মনোৰঞ্জন তালুকদাৰলৈ [illegible] পাঠকলৈ অশেষ ধন্যবাদ যাচিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা দোষ ত্ৰুটিৰ মাৰ্জনা বিচাৰি বি এইচ্ বি মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ

'জয়তু বি এইচ্ বি মহাবিদ্যালয়'

**কপিল দাস**

**ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক**

B.H.B. College Sarupeta



# ছাত্ৰী জিৰণি-কোঠা সম্পাদিকাৰ প্ৰতিবেদন

সৰুপেটা বি. এইচ. বি মহাবিদ্যালয়ৰ সমূহ পূজনীয় শিক্ষাগুৰু, বন্ধু-বান্ধৱী তথা কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে ২০০৭-০৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ ছাত্ৰী জিৰণি-কোঠাৰ সম্পাদিকা হিচাপে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিযুক্ত কৰি এই মহাবিদ্যালয়ৰ প্ৰত্যক্ষভাৱে সেৱা কৰাৰ সুযোগ দিলে, সেই সকলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত এই গুৰুদায়িত্ব বহন কৰি মই কিমান দূৰ সফল হৈছো, তাৰ বিচাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কৰিব। বিগত বছৰবোৰৰ দৰে এইবাৰো মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। ছাত্ৰী জিৰণি-কোঠাৰ সম্পাদিকা হিচাপে মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণি-কোঠা বিভাগৰ সমূহ খেল-ধেমালি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ চেষ্টা কৰিছিলো। মহাবিদ্যালয় সপ্তাহত পৰম্পৰাগতভাৱে চলি অহা সকলোবোৰ খেলেই পাতিছিলো যদিও আমাৰ মহাবিদ্যালয়ৰ উপযুক্ত সা-সজুলিৰ অভাৱৰ কাৰণে কিছুমান খেল অসম্পূৰ্ণ হৈ ৰ'ল। কিন্তু সম্পাদিকা হিচাপে মই লক্ষ্য কৰিছো যে মহাবিদ্যালয়ৰ বৃহৎ পৰিমাণৰ ছাত্ৰ-ছাত্ৰীৰ তুলনাত মহাবিদ্যালয় সপ্তাহত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই তাকৰ। ইয়াৰ মূলতে হ'ল মহাবিদ্যালয়ত এতিয়ালৈকে খেল-ধেমালিৰ এক উপযুক্ত সুস্থ পৰিৱেশ গঢ়ি উঠা নাই। ছাত্ৰ-ছাত্ৰীসকলে কেৱল শিক্ষাৰ ওপৰতহে বেছি গুৰুত্ব দি, খেল-ধেমালি দিশৰ প্ৰতি গুৰুত্ব নিদিয়ে অৰ্থাৎ খেল-ধেমালিৰ প্ৰয়োজন নাই বুলি ভাবে। প্ৰকৃতাৰ্থত এই মনোভাবটো ভুল। কাৰণ খেল-ধেমালি শিক্ষাৰ অবিচ্ছেদ্য অংশ। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে পঢ়াৰ লগতে খেল-ধেমালিতো গুৰুত্ব দিব লাগে। লগতে প্ৰতিবেদনৰ জৰিয়তে মই কৰ্তৃপক্ষক অনুৰোধ কৰিছো যে আগন্তুক দিনবোৰত ছাত্ৰ-ছাত্ৰীসকলে জ্ঞানৰ লগতে খেল-ধেমালিৰ দিশতো পাৰদৰ্শিতা দেখুৱাব পাৰে তাৰে সু-ব্যৱস্থা কৰে যেন। অতি উলহ-মালহেৰে মহাবিদ্যালয়ৰ বঁটা-বিতৰণি সভাখন উদ্‌যাপন কৰা হয়।

মোৰ কাৰ্যকালতে বিভিন্ন দিশত সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শ্ৰীযুতা নমিতা দাসগুৰুং বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালো। ইয়াৰোপৰি সমূহ খেল নিয়াৰিকে চলাই নিয়াৰ বাবে বিশেষভাৱে সহায় কৰা মোৰ প্ৰিয় বন্ধু-বান্ধৱীসকললৈ হিয়াভৰা মৰম আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

প্ৰতিবেদনৰ শেষত সমূহ ছাৰ-বাইদেউ আৰু ছাত্ৰ-ছাত্ৰীসকললৈ বিশেষভাৱে অনুৰোধ জনাইছো যে মোৰ কাৰ্যকালত যদি কিবা কাৰণত দোষ-ত্ৰুটি হৈছে ক্ষমা কৰি দিয়ে যেন। সদৌ শেষত এই মহান বিদ্যামন্দিৰ বি.এইচ্. বি. মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু ছাত্ৰ-একতা সভাৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো। ধন্যবাদেৰে।

দীপামণি দাস
ছাত্ৰী-জিৰণি-কোঠা সম্পাদিকা
২০০—০ চন

B.H.B College, Sarupeta

# তত্ত্বাৱধায়কৰ এষাৰ

বি এইচ্ বি মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ তত্ত্বাৱধায়ক হিচাপে আমি আলোচনীখন যথা সময়ত পঢুৱৈ, শিক্ষক-শিক্ষয়িত্ৰী-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিব নোৱাৰাৰ বাবে ক্ষমা ভিক্ষা মাগিছোঁ।

মহাবিদ্যালয়ৰ আলোচনীখন মহাবিদ্যালয়ৰ দাপোন স্বৰূপ। আমি পৰ্যাপ্ত পৰিমাণৰ লেখনি নোপোৱাৰ হেতুকে মনে বিচৰা ধৰণে আলোচনীখন সমৃদ্ধ কৰিব নোৱাৰিলোঁ। আগন্তুক দিনত বি এইচ্ বি মহাবিদ্যালয়ৰ আলোচনীখন সঁচা অৰ্থত মহাবিদ্যালয়ৰ দাপোন হওঁক; বি এইচ্ বি মহাবিদ্যালয় জ্ঞান গৰিমাৰে জাতিস্কাৰ হওক।

আমি তত্ত্বাৱধায়ক হিচাপে বি এইচ্ বি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্ৰী-কৰ্মচাৰী আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি জনাইছোঁ হিয়া ভৰা কৃতজ্ঞতা।

আলোচনীখন সমৃদ্ধ কৰা সমূহ লেখক-লেখিকাৰ লগতে 'অসম প্ৰিণ্টাৰ্চ'ৰ স্বত্বাধিকাৰী শ্ৰীযুত লংকেশ্বৰ বৰুৱা আৰু সমূহ কৰ্মচাৰী, বিশেষকৈ শ্ৰীমান বিৰিঞ্চি কুমাৰ দাসলৈ আমি জনাইছোঁ গভীৰ কৃতজ্ঞতা।

অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটিৰ, মাৰ্জনা বিচাৰি আটাইলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

জয় হিন্দ

জয়তু বি এইচ্ বি মহাবিদ্যালয়

ফণীধৰ তালুকদাৰ

B.H.B. College, Sarupeta




মহাবিদ্যালয়ৰ কাৰ্যালয়ত কৰ্মৰত অৱস্থাত কৰ্মচাৰীবৃন্দৰ একাংশ


B.H.B. College, Sar